
আত্মবীক্ষণ
গোপাল জালান

# আত্মবীক্ষণ

গোপাল জালান

বিশাল প্ৰকাশন
গুৱাহাটী- ৩

**ATMABIKSHAN**
A collection of Assamese article written by **Gopal Jalan** and
published by **Bishal Prakashan**,
Chandmari, Guwahati- 3.
First Edition : July, 2023, Price : Rs. 200/- only

---

**ISBN : 978-93-82587-51-4**

# আত্মবীক্ষণ

**গোপাল জালান**

গ্ৰন্থস্বত্ব ঃ **লেখক**
ফোন ঃ ৯৪৩৫১ ০৩৯৭৭
প্ৰকাশক ঃ **বিশাল প্ৰকাশন**
চানমাৰি, গুৱাহাটী- ৩
ফোন ঃ ৯৮৬৪০৩৮৮১৪
প্ৰথম প্ৰকাশ ঃ **জুলাই, ২০২৩ চন**
মূল্য ঃ **২০০/- টকা**
বেটুপাত ঃ **মনজিত মালাকাৰ**
অংগসজ্জা ঃ **দুৰ্গাপ্ৰসাদ হাজৰিকা**
মুদ্ৰণ ঃ **বিশাল অফছেট**
গুৱাহাটী- ৩
দূৰভাষ- ৭০০২২ ৫২৩৯১

# অৰ্পণ

মা-দেউতাৰ পৱিত্ৰ স্মৃতিত...

…

# একান্ত ব্যক্তিগত

জীৱনৰ বাট মসৃণ নহয়। কণ্টকাকীৰ্ণ পথেৰে আমি প্ৰতিটো খোজ দিব লাগে। পদে পদে পোৱা হাজাৰ বাধা-বিঘিনি অতিক্ৰম কৰাৰ মনোবল থাকিব লাগে। দুৰন্ত মনোবলৰ অধিকাৰীজনে সফলতাৰ জখলাৰে বগাব পাৰে। তেওঁ শিকে জীৱনৰ পৰা। আজি পৰ্যন্ত মসৃণ পথেৰে আগুৱাবলৈ পাৰিছোঁ বুলি মই নিজেও ক'ব নোৱাৰোঁ। পদে পদে উজুটি খাওঁ। তথাপি পুনৰ থিয় দিবলৈ চেষ্টা কৰিছোঁ— পুনৰ খোজ আগুৱাইছোঁ। এনেদৰে আগুৱাই যাওঁতে বিভিন্ন মুহূৰ্তত বিভিন্নজন গুণী-জ্ঞানী লোকৰ সান্নিধ্যলৈ আহিছোঁ। তেওঁলোকৰ মহীয়ান জীৱনে আমাক উদ্বুদ্ধ কৰে। তেওঁলোকৰ পৰা অফুৰন্ত প্ৰেৰণা লাভ কৰোঁ।

দেখিও শিকিছোঁ, ঠেকিও শিকিছোঁ। মনত খুদুৱাই থকা কিছুমান কথা 'আত্মবীক্ষণ'ত লিপিবদ্ধ কৰিবলৈ প্ৰয়াস কৰিছোঁ। বিভিন্ন অনুষ্ঠানলৈ গৈ লাভ কৰা অভিজ্ঞতাৰ ভিত্তিত ৰচিত কিছুমান লেখা, বৰ্তমান সময়ত ৰাজ্য-দেশ-বিশ্বৰ প্ৰেক্ষাপটত চৰ্চিত কিছুমান যোগাত্মক-বিয়োগাত্মক কথাও ইয়াত অন্তৰ্ভুক্ত কৰিবলৈ প্ৰয়াস কৰিছোঁ। ইয়াত অন্তৰ্ভুক্ত লেখাসমূহ বুদ্ধিদীপ্ত বিশ্লেষণৰ লেখা নহয়। নিজস্ব অনুভৱ, নিজস্ব দৃষ্টিভংগীৰে লিখিবলৈ চেষ্টা কৰিছোঁ। এজন সাধাৰণ জনতাৰ দৃষ্টিৰে চাইছোঁ। ইয়াত কোনোধৰণৰ বিতৰ্কৰ অৱতাৰণা কৰিবলৈ বিচৰা নাই। 'যোগাত্মক' অথবা 'ঋণাত্মক' দৃষ্টিভংগীৰে ফঁহিয়াই চাইছোঁ। এয়া মোৰ নিজস্ব দৃষ্টিভংগীহে। পঢুৱৈ সমাজৰ হাতত 'আত্মবীক্ষণ' তুলি দিলোঁ। মোৰ পূৰ্বৰ গ্ৰন্থকেইখনৰ দৰে এইখনো আদৰি ল'লে শ্ৰম সাৰ্থক হোৱা বুলি ভাবিম।

**গোপাল জালান**

# সূচীপত্ৰ


- গীনিজ বুকত বিহু ৯
- সাহিত্যৰথীৰ চম্বলপুৰৰ বাসগৃহ আৰু অসমীয়াৰ গৌৰৱ ১২
- প্ৰদূষিত পৃথিৱী, ধাৱমান কোনদিশে... ১৫
- কিয় বৃদ্ধি পাইছে নৃশংস ঘটনা ১৯
- চৰকাৰী বিভাগসমূহে অনুষ্ঠিত কৰক গুণোৎসৱ ২৩
- অসমত বৰফৰ আচ্ছাদনে কিহৰ ইংগিত দিছে ২৬
- ৰাষ্ট্ৰীয় মঞ্চত মাধৱদেৱক প্ৰতিষ্ঠা কৰিব লাগিব ২৯
- সীমা বিবাদৰ অন্ত নপৰাৰ আঁৰত ৩২
- গোলকীয় উত্তাপে দহিছে সকলোকে ৩৬
- প্ৰসংগ ইউ পি এছ চি ঃ
  থমকি নৰয় অসমৰ মেধাৱী সন্তানে ৩৯
- নৱপ্ৰজন্মক সাহিত্য সৃষ্টিৰ প্ৰতি
  আকৰ্ষিত কৰক সাহিত্য সভাই ৪২
- ভোজনালয় বৃহৎ নকৰাকৈ সৃষ্টি কৰিব পাৰি সাহিত্যৰ ৪৬
- নৱপ্ৰজন্মৰ বাবে আজাদী কী অমৃত মহোৎসৱৰ গুৰুত্ব ৪৯

■ হীনমন্যতাৰ পৰিধি ভাঙি জিনিছে জগত ৫২
■ মৰ্ত্যৰ সৰগ বাৰাণসীৰ বিশ্বনাথ মন্দিৰৰ এভুমুকি ৫৫
■ হেৰাই গ'ল গৰম বন্ধৰ আনন্দ ৫৯
■ সুৰাবিহীন বনভোজথলীত স্বচ্ছ ভাৰত অভিযান ৬৩
■ নৱবৰ্ষৰ সংকল্প আৰু এখন জীয়া ছবি ৬৬
■ শিৱদৌল হৈ থাকক একক-অনন্য ৬৯
■ জি-২০, ৱাই-২০ আৰু অসমৰ সুযোগ ৭২
■ গুৱাহাটীৰ প্ৰদূষণে অতিক্ৰম কৰিলে দিল্লীক ঃ সজাগ হৈছোনে? ৭৫
■ সাহিত্য সভাৰ অধিবেশনৰ সকলো অনুষ্ঠান এখন মঞ্চতে হওক ৭৯
■ উত্তৰ ভাৰতৰ ভয়াৱহ বানে দিছে অশনি সংকেত ৮২
■ জালুকবাৰী-খানাপাৰা প্ৰৱেশপথৰ কদৰ্য ৰূপ আৰু যান-জঁটৰ বাবে দায়ী কোন? ৮৫
■ বৃটেইনৰ প্ৰধানমন্ত্ৰীয়ে পুনৰুদ্ধাৰ কৰিব পৰিবনে ভগ্ন অৰ্থনীতি ৮৮
■ নৱপ্ৰজন্মৰ বাবে সুধাকণ্ঠ হওক প্ৰেৰণাৰ উৎস ৯২
■ লাচিত বৰফুকনক বিশ্বদৰবাৰত প্ৰতিষ্ঠা ৯৫
■ জ্যোতি চিত্ৰবনত সপ্তাহত দুদিনকৈ প্ৰদৰ্শন হওক অসমীয়া ছবি ৯৮
■ ভোগালীৰ ভোগ ১০১
■ জনাঞ্চলত বন্য জীৱ-জন্তুক দোষ জাপি আত্মতুষ্ট স্বাৰ্থপৰ মানৱ ১০৫
■ গুৱাহাটীত এখন সমাধি ক্ষেত্ৰৰ প্ৰয়োজন ১০৮
■ বৰ্ণবাদৰ অৱসানেৰে বিশ্বত শান্তি প্ৰতিষ্ঠাৰ আহ্বান ১১২
■ জ্ঞানৰ জ্যোতি বিলোৱা শিক্ষাগুৰু ১১৫
■ সাম্প্ৰতিক পৰিস্থিতিত মহাপুৰুষ শংকৰদেৱৰ প্ৰাসংগিকতা ১১৯

- হাজী মুছাফিৰ খানাত এসন্ধ্যা ১২৩
- নিয়ৰৰ টোপাল ক'ত হেৰাল? ১২৬
- দুৰ্গোৎসৱত জাকজমকতা কিয় ১২৯
- সেউজ দীপাৱলী পালন কৰক ১৩২
- লাচিত বৰফুকনৰ প্ৰচাৰৰ পৰিকল্পনা প্ৰসাৰ হওক ১৩৫
- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ মাতৃপ্ৰেম-দেশপ্ৰেম ১৩৯
- ভূপেনদাবিহীন এটা দশক ১৪২
- সহজ-সৰল ব্যক্তিত্বৰ আছিল নিপন গোস্বামী ১৪৬
- ড° বাণীকান্ত কাকতিৰ নামত মহানগৰীত স্থাপন হওক প্ৰতিমূৰ্তি-উদ্যান ১৪৯
- নীলমণি ফুকনৰ এক আদৰ্শৰ কথাৰে ১৫২
- সঁচা শিল্পীসত্তাৰ অধিকাৰী অপূৰ্ব বেজবৰুৱা ১৫৫
- অসাধাৰণ ব্যক্তি বশিষ্ঠ দেৱশৰ্মা ১৫৮

# গীনিজ বুকত বিহু

১৪ এপ্রিল, ২০২৩ত গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত ১১,১৪০ গৰাকী বিহুৱা আৰু বিহুৱতীয়ে একেলগে বিহু নাচ প্ৰদৰ্শন কৰি গীনিজ বুক অৱ ৰেকৰ্ডছত নাম অন্তৰ্ভুক্ত কৰিলে। বিহুনাচেৰে বিশ্ব অভিলেখ গঢ়িবলৈ ইমানসংখ্যক বিহুৱা-বিহুৱতীয়ে একেলগে নৃত্য প্ৰদৰ্শন কৰিলে। উক্ত অনুষ্ঠানটোত উপস্থিত আছিল দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। লগতে সকলো ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় সংবাদ মাধ্যমো এই ঐতিহাসিক ক্ষণৰ সাক্ষী হ'ল। নিঃসন্দেহে এয়া ৰাজ্যবাসীৰ বাবে এক গৌৰৱৰ বিষয়।

ৰঙালী বিহু অসমীয়া জাতিৰ প্ৰাণ। ৰঙালী বিহুক বাদ দি অসমীয়া সংস্কৃতিৰ অস্তিত্ব অংকন কৰিব নোৱাৰি। সেয়েহে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাই গাইছে— ব'হাগ মাথোঁ এটি ঋতু নহয়/ নহয় ব'হাগ এটি মাহ/অসমীয়া জাতিৰ ই আয়ুস ৰেখা/গণ জীৱনৰ ই মাহ/ব'হাগ মাথোঁ বিহুতলী নহয়/নহয় ই নিশা ফুলা ফুল/ব'হাগেই আনি দিয়ে সমদল গতি/ নেওচি জাতি-কুল/ই প্ৰভেদৰ কৰে নাশ/এই ব'হাগ বিহুক লৈয়ে অসমীয়া জাতিটোৱে গৌৰৱ কৰে। ইতিহাসে ঢুকি নোপোৱা

দিনৰে পৰাই অসমীয়া জাতিটোৱে ব'হাগ বিহুৰ আয়োজন কৰি আহিছে। বসন্তকালীন উৎসৱসমূহৰ ভিতৰত সেইবাবে ব'হাগ বিহুক অন্যতম বুলি কোৱা হয়। কিন্তু ব'হাগ বিহুত প্ৰদৰ্শন কৰা নৃত্য আৰু বিহুগীত বিশ্ব দৰবাৰত যিদৰে প্ৰতিষ্ঠিত হ'ব লাগিছিল সেয়া আজিলৈকে হৈ নুঠিল। ক'ৰবাত যে থমকি ৰৈছে। আজি ভাৰত নাট্যমে বিশ্ব দৰবাৰত যিদৰে প্ৰতিষ্ঠা লাভ কৰিছে সেই পৰ্যায়লৈকে বিহু নৃত্য যাবলৈ হ'লে আৰু বহু যোজন পথ অতিক্ৰম কৰিব লাগিব। বিশ্ব দৰবাৰত আৰু বিহুগীতক প্ৰতিষ্ঠিত কৰিবলৈ অসম চৰকাৰে শেহতীয়াভাৱে যি পদক্ষেপ গ্ৰহণ কৰিছে ই সঁচাকৈয়ে প্ৰশংসনীয়। পূৰ্বৰ চৰকাৰসমূহে যি কথা ভাবিব পৰা নাছিল সেই বিষয়টো আজিৰ চৰকাৰে বাস্তৱত ৰূপায়িত কৰিবলৈ আগবাঢ়িছে। বিশ্ব অভিলেখ গঢ়াৰ লগে লগে নিশ্চয় বিশ্ব দৰবাৰত প্ৰতিষ্ঠা লাভৰ দিশে কেবাখোজ আগুৱাই যাব। এনেধৰণৰ প্ৰচেষ্টাৰ বাবে পৰৱৰ্তী ঢাপলৈ আগুৱাই যোৱাত সহজ হ'ব। তদুপৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিৰ লগে লগে এই অনুষ্ঠানটোৱে নিশ্চয়কৈ লাভ কৰিলে অন্য এক মাত্ৰা। কাৰণ যিকোনো অনুষ্ঠানত প্ৰধানমন্ত্ৰীৰ উপস্থিতিৰ লগে লগে ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰো দৃষ্টি তাতেই নিবদ্ধ থাকে।

১১,১৪০গৰাকী বিহুৱা-বিহুৱতীয়ে একেলগে এখন পথাৰত নৃত্য প্ৰদৰ্শন কৰিব পৰাটোও কম কথা নহয়। সাধাৰণতে একোটা হুঁচৰি দলত ১৫-২০ গৰাকী বিহুৱা-বিহুৱতী থাকে। তেওঁলোকৰ নাচ আৰু গীতৰ লগতে ঢোল-পেঁপা-তালৰ শব্দত আকাশ ৰজনজনাই যায়। ধৰিত্ৰীয়ে যৌৱনপ্ৰাপ্ত হ'বলৈ শক্তি পায়। উৰ্বৰা শক্তি ঘূৰাই পায় ধৰিত্ৰী দেৱীয়ে। এইবাৰ একেলগে ইমানসংখ্যক বিহুৱা-বিহুৱতীয়ে নাচিলে। লগে লগে বিশ্ব অভিলেখৰে বিহুনৃত্যই লাভ কৰিলে আন এক খ্যাতি। এই খ্যাতি সদায় জাকতজিলিকা হৈ থাকিব।

এই নৃত্যত ৰাজ্যখনৰ প্ৰতিটো অঞ্চলৰ পৰা বিহুৱা-বিহুৱতীয়ে অংশগ্ৰহণৰ সুযোগ লাভ কৰিলে। বিশেষজ্ঞৰ দ্বাৰা নিৰ্বাচিত বিহুগীত-নৃত্যৰে প্ৰশিক্ষণ লাভ কৰা এইসকল বিহুৱা-বিহুৱতীয়ে নিজৰ নিজৰ প্ৰতিভা বিকাশৰ বাবে সোণোৱালী সুযোগ লাভ কৰিলে। এই প্ৰতিভা বিকাশৰ জৰিয়তে

উজলি উঠা মানে সকলোৰে দৃষ্টি আকৰ্ষণ কৰা। এনেদৰে দৃষ্টি আকৰ্ষণ কৰি আন ক্ষেত্ৰতো আগুৱাই যোৱাৰ বাবে পথ প্ৰশস্ত হ'ব। নৃত্যৰ জৰিয়তে এতিয়া প্ৰতিষ্ঠা লাভ কৰি অন্য দিশতো আগবাঢ়ি যাবলৈ সম্ভৱ হৈছে। এই অনুষ্ঠানটোত দেশৰ লগতে বিদেশৰ কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিলে। সেই দেশত বিহুনৃত্য আৰু গীত সম্পৰ্কে প্ৰচাৰ হ'ব। আন্তৰ্জাতিক পৰ্যায়ত প্ৰশংসা লাভ কৰিবলৈ সক্ষম হ'লে বিভিন্ন দেশলৈও আমন্ত্ৰণ লাভ কৰিব বিহুৱা দলে। ইতিমধ্যে বহুতো দেশত বিহুনৃত্য প্ৰদৰ্শন কৰা হৈছে যদিও যিমান প্ৰচাৰ প্ৰসাৰ লাভ কৰিব লাগিছিল সেয়া সম্ভৱ হোৱা নাই। এয়া সম্ভৱ হোৱা নাই কেৱল পৰিকল্পনাৰ অভাৱত। আন্তৰ্জাতিক মঞ্চত প্ৰতিষ্ঠা লাভ কৰিবলৈ হ'লে সু-পৰিকল্পনাৰ প্ৰয়োজন। এই পৰিকল্পনা দীৰ্ঘম্যাদী হ'ব লাগিছিল। পূৰ্বৰ চৰকাৰে এনে দীৰ্ঘম্যাদী পৰিকল্পনা গ্ৰহণ নকৰা বাবে বিহুনৃত্য-গীতে বিশ্বদৰবাৰত সুপ্ৰতিষ্ঠা লাভৰ পৰা বঞ্চিত হৈ আহিছে। এইবাৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাদেৱৰ নেতৃত্বাধীন চৰকাৰখনে যিদৰে আগভাগ ল'লে সেয়া নিশ্চয়কৈ প্ৰশংসাযোগ্য। চৰকাৰৰ এনে পদক্ষেপক সকলোৱে ইতিবাচক দৃষ্টিভংগীৰে বিশ্লেষণ কৰা উচিত। কাৰণ ৰাইজে উৎসাহ তথা উদ্‌গনি যোগালেহে আৰু দুগুণ উৎসাহেৰে আগুৱাই যাবলৈ প্ৰেৰণা লাভ কৰিব। সাধাৰণতে চৰকাৰে যিকোনো কাম কৰিলে বিভিন্ন পক্ষই সমালোচনা কৰে। গীনিজ ৱৰ্ল্ড ৰেকৰ্ডছত স্থান লাভৰ দিনটো অসম আৰু অসমবাসীৰ ঐতিহাসিক দিন হৈ থাকিব।

# সাহিত্যৰথীৰ চম্বলপুৰৰ বাসগৃহ আৰু অসমীয়াৰ গৌৰৱ

অসমৰ প্ৰাতঃস্মৰণীয় ব্যক্তিসকলৰ অন্যতম হৈছে ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা। অসমীয়া জাতি আৰু অসমীয়া সাহিত্যলৈ ঘোৰ সংকট নামি অহা সময়ত যিকেইগৰাকী মহান অসমীয়াই জাতিটোক উদ্ধাৰৰ বাবে অহৰ্নিশে চেষ্টা কৰিছিল, জাতিটোৰ মহাসংকটৰ সময়ত পুনৰুদ্ধাৰৰ বাবে উপযুক্ত পদক্ষেপ গ্ৰহণ কৰিছিল সেইসকলৰ ভিতৰত লক্ষ্মীনাথ বেজবৰুৱা নিঃসন্দেহে একক আৰু অনন্য আছিল। ওড়িশাৰ চম্বলপুৰত ব্যৱসায় কৰিলেও জন্মভূমি আৰু জাতিটোৰ প্ৰতি থকা দায়িত্ব সুচাৰুৰূপে পালন কৰিছিল ৰসৰাজে। অসমীয়া সাহিত্যক পুনৰুজ্জীৱিত কৰিছিল এইগৰাকী মহান অসমীয়াই। ১৮৬৪ চনত জন্ম গ্ৰহণ কৰা ৰসৰাজে ১৯৩৮ চনত জীৱনৰ শেষ নিশ্বাস ত্যাগ কৰিছিল। আধুনিক অসমীয়া সাহিত্যৰ এনে এটি দিশ নাই— য'ত লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰভাৱ নপৰাকৈ আছে। গল্প-উপন্যাসৰ পৰা আৰম্ভ কৰি প্ৰবন্ধ, ৰম্যৰচনা, শিশু সাহিত্য, জীৱনী, আত্মজীৱনী, কবিতা, নাটক আদি সকলো ক্ষেত্ৰতেই তেওঁৰ অৱদান যথেষ্ট আছিল। এক কথাত ক'বলৈ হ'লে আধুনিক অসমীয়া সাহিত্যৰ পথ প্ৰদৰ্শক আছিল লক্ষ্মীনাথ বেজবৰুৱা। কৃপাবৰ বৰুৱা ছদ্মনামত লিখা সাহিত্যৰে তেওঁ অসমীয়া সমাজখনৰ দোষবোৰ আঙুলিয়াই দি

জাতিটোক সংস্কাৰমুখী হ'বলৈ অনুপ্ৰেৰণা যোগাইছিল। হয়তো সেইবাবেই আজি অসমৰ বুকুত আন শক্তিক ওফৰাই জাতিটোৱে শক্তিশালী ৰূপত আত্মপ্ৰকাশ কৰিব পাৰিছে।

ওড়িশাৰ চম্বলপুৰত তেওঁ কাঠৰ ব্যৱসায় কৰিছিল। প্ৰথমতে ভোলানাথ বৰুৱাৰ সহযোগত কলিকতাত কাঠৰ ব্যৱসায় কৰে। তেওঁ কলিকতাৰ ৰার্ড কোম্পানীৰ কার্যালয়ত কাম কৰে। কিন্তু ইয়াৰ পিছতেই তেওঁ চম্বলপুৰত কাঠৰ ব্যৱসায় কৰে। ১৯১৭ চনত কোম্পানীৰ কামত চম্বলপুৰলৈ সপৰিয়ালে যায়। তেতিয়াৰ পৰাই তেওঁ তাত কাঠৰ ব্যৱসায় কৰে। তেওঁ কাঠৰ ব্যৱসায় কৰিলেও অসমীয়া সাহিত্যৰ অমৰ সৃষ্টিসমূহ সেই সময়তেই কৰিছিল। সেইবাবে ১৯২৪ চনত তেওঁ অসম সাহিত্য সভাৰ সভাপতিৰ পদত অধিষ্ঠিত হ'বলৈ সক্ষম হৈছিল। অসমীয়া জাতিটোক হাড়ে-হিমজুৱে ভালপোৱা লক্ষ্মীনাথ বেজবৰুৱাৰ ১৯৩৮ চনত মৃত্যু হোৱাৰ পিছত চম্বলপুৰত থকা ব্যৱসায়ো বন্ধ হৈ পৰে। কিন্তু তাত থাকি যায় তেওঁৰ বাসগৃহৰ পৰা আৰম্ভ কৰি স্মৃতিজড়িত সম্পদৰাজি। উপযুক্ত সংৰক্ষণৰ অভাৱত সেইবোৰ জহি-খহি যাবলৈ ধৰে। অসমৰ ব্যক্তি এগৰাকীয়ে চম্বলপুৰৰ দৰে ঠাইলৈ গৈ ব্যৱসায় কৰিব পৰাটো কম কথা নাছিল। সেইবাবে আজিও তেওঁৰ বুদ্ধিমত্তা, সাহস, জন্মভূমিক ভালপোৱা, জাতিটোক শক্তিশালী কৰিবলৈ গ্ৰহণ কৰা ভূমিকাৰ বাবে স্মৰণ কৰা হয়। লক্ষ্মীনাথ বেজবৰুৱা অবিহনে অসমীয়া জাতিৰ নক্সা অংকন কৰাটো সম্ভৱ নহয়। সেইবাবে এইগৰাকী মহান অসমীয়াৰ চম্বলপুৰৰ বাসগৃহটোৰ সংৰক্ষণ তথা স্মৃতিবিজড়িত সম্পদৰাজিক সুৰক্ষিত কৰিবলৈ বিগত সময়ছোৱাত চেষ্টা অব্যাহত ৰখা হৈছে। এইক্ষেত্ৰত আগ-ভাগ লৈছে সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা স্মৃতি সুৰক্ষা সমিতিয়ে। বিগত কিছুবছৰ ধৰি এই বিষয়টো লৈ সৰৱ চৰ্চা হৈছিল। অৱশেষত এই সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা স্মৃতি সুৰক্ষা সমিতিয়ে গ্ৰহণ কৰা পদক্ষেপে সফল ৰূপ পালে।

চম্বলপুৰত থকা সাহিত্যৰথীৰ বাসগৃহটো সংৰক্ষণ কৰিবলৈ অসম চৰকাৰৰ লগতে ওড়িশা চৰকাৰেও আর্থিক সাহায্য প্ৰদান কৰে। এই আর্থিক সাহায্যৰে নিৰ্মাণ হৈ এনে বাসগৃহটো সম্পূৰ্ণ হ'লে ৰসৰাজৰ স্মৃতিবিজড়িত সম্পদসমূহো সংৰক্ষিত হ'ব। ইয়াৰ পিছত অসমৰ পৰা চম্বলপুৰৰ এই বাসগৃহটোলৈ নিশ্চয় পর্যটকৰ সোঁত ব'ব। শেহতীয়াভাৱে প্ৰতিখন ৰাজ্যতে ঐতিহাসিক সম্পদৰাজিৰ

সংৰক্ষণত গুৰুত্ব প্ৰদান কৰিছে। সেইবাবে ওড়িশা আৰু অসম চৰকাৰে এই ঘৰটোৰ সংৰক্ষণৰ বাবে আৰ্থিক সাহায্য আগবঢ়াইছে। নিঃসন্দেহে এই সম্পৰ্কে জ্ঞাত কৰিবলৈ এনেবোৰ পদক্ষেপ উল্লেখনীয়। ভ্ৰমণৰ মাজেদিয়ে সাহিত্যৰথীক জনাৰ আগ্ৰহ প্ৰকাশ কৰিব নৱ প্ৰজন্মই। তদুপৰি অসম চৰকাৰে শিক্ষামূলক ভ্ৰমণৰ অংশ হিচাপে সময়ে সময়ে ছাত্ৰ-ছাত্ৰীক চম্বলপুৰৰ এই বিশেষ ঘৰটো দৰ্শনৰ বাবে প্ৰেৰণ কৰিব পাৰে। তেতিয়াও নিশ্চয়কৈ সুফল পোৱা যাব। এনে স্থানলৈ যাবৰ বাবে প্ৰচাৰো চলাব লাগিব। কেৱল এটা বয়সৰ লোকক লক্ষ্য কৰিলেই নহ'ব। এইক্ষেত্ৰত সকলো স্তৰৰ লোকক লৈ আগুৱাব লাগিব।

শেহতীয়াভাৱে সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা স্মৃতি সুৰক্ষা সমিতিয়ে চম্বলপুৰলৈ অসমৰ পৰা এখন ৰে'ল চলাচল কৰাবলৈ ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱক এক স্মাৰকপত্ৰ প্ৰদান কৰিছে। সপ্তাহত এদিন এই ৰে'লখন গুৱাহাটী-পুৰীৰ মাজৰ ঝাৰছুগুড়া, চম্বলপুৰ, ধেনকানল আৰু ভুৱেনেশ্বৰ সামৰি চলাচল কৰাৰ ব্যৱস্থা কৰিবলৈ সুৰক্ষা সমিতিয়ে আহ্বান জনাইছে। এইক্ষেত্ৰত অসম চৰকাৰে যদি আগ-ভাগ লয় তেনেহ'লে ৰে'ল বিভাগে নিশ্চয় সুযোগ প্ৰদান কৰিব। এনে বিশেষ ৰে'লৰ ব্যৱস্থা কৰিলে নিশ্চয় চম্বলপুৰলৈ যাত্ৰা কৰা যাত্ৰীৰ সংখ্যাও বৃদ্ধি পাব। যদি এই ৰে'লখন চম্বলপুৰ হৈ পুৰীলৈ যায় তেনেহ'লে এটা যাত্ৰাতেই দুটা লক্ষ্যস্থান স্পৰ্শ কৰিব পাৰিব। চম্বলপুৰলৈ অতিৰিক্ত ধন ব্যয় কৰি যাবলগীয়াও নহ'ব। নৱ প্ৰজন্মৰ মাজত সাহিত্যৰথীক পুনৰুজ্জীৱিত কৰিবলৈ এনেধৰণৰ ব্যতিক্ৰমী চিন্তা-চৰ্চাৰ নিশ্চয় সুফল পোৱা যাব। এই যাত্ৰাৰ পথ যাতে মসৃণ হয় তাৰ বাবে সকলোৱে এতিয়া আগ-ভাগ ল'বই লাগিব। চম্বলপুৰত সাহিত্যৰথীৰ ভগ্ন গৃহই জিলিকি উঠিলে অসমৰ বাবেও হ'ব গৌৰৱৰ কাৰণ। এগৰাকী মহান অসমীয়াৰ সৃষ্টিৰাজিক যে আজিও জাতিটোৱে মূল্য দি আহিছে তাৰেই এখন স্পষ্ট ছবি প্ৰকাশ পাব। আনহাতে চম্বলপুৰস্থিত গংগাধৰ মেহেৰ বিশ্ববিদ্যালয়তো সাহিত্যৰথীৰ নামত এখন আসন খোলাৰ বাবে এটি চিন্তা-চৰ্চা চলিছে। এইক্ষেত্ৰত বিশ্ববিদ্যালয়খনৰ উপাচাৰ্যই আগ্ৰহ প্ৰকাশ কৰিছে। গতিকে অসমবাসীৰ বাবে এয়াও এক গৌৰৱৰ বিষয়। যদিহে ভৱিষ্যতে সম্ভৱ হয় তেনেহ'লে অধ্যয়নৰ ক্ষেত্ৰতো এক নতুন দিগন্তৰ সূচনা হ'ব।

# প্ৰদূষিত পৃথিৱী, ধাৱমান কোন দিশে...

ভয়াৱহ প্ৰদূষণৰ কৱলত বিশ্ববাসী। আজি বিশ্বৰ প্ৰতিখন দেশতেই প্ৰদূষণে ভয়াৱহ ৰূপ ধাৰণ কৰিছে। এই প্ৰদূষণে মানৱ জাতিলৈ কঢ়িয়াই আনিছে শংকা। কেৱল শ্বাস-প্ৰশ্বাসজনিত ৰোগেই নহয়, আন সমস্যাৰো সৃষ্টি কৰিছে। কিছু বছৰ আগলৈকে আমি আন দেশত বা ৰাজ্যত হোৱা ভয়াৱহ প্ৰদূষণৰ কথা সংবাদ মাধ্যমৰ যোগেদি লাভ কৰি আছিলো। সেই ঠাইৰ মানুহে সততে সন্মুখীন হোৱা সমস্যাৰ কথা ভাবি মনটো গধুৰ কৰিছিলো। এতিয়া পিছে এনেধৰণৰ পৰিস্থিতি অসমতেই সৃষ্টি হ'বলৈ ধৰিছে। এইবাৰ ৰাজ্যখনৰ প্ৰায়ভাগ ঠাইতে প্ৰদূষণে এনে ৰূপ লৈছে যে ইয়াৰ পৰা পৰিত্ৰাণ পোৱাটো সম্ভৱ নহ'ব। বয়স্ক লোকৰ কথা বাদেই— শিশুসকলো এই প্ৰদূষণৰ কৱলত পৰিছে। বিশেষকৈ বায়ু প্ৰদূষণৰ ফলত আজি মুকলিভাৱে উশাহ ল'ব নোৱৰা অৱস্থা এটিৰ সৃষ্টি হৈছে। কেইবছৰমান আগলৈকে গুৱাহাটী মহানগৰীৰ প্ৰদূষণক লৈ সকলোৱে আলোচনা কৰিছিল। কৰাটো স্বাভাৱিক কথা। কিয়নো, কেইবছৰমান আগলৈকে উদ্যোগ, কল-কাৰখানা আদি গুৱাহাটী মহানগৰীক কেন্দ্ৰ কৰি গঢ়ি উঠিছিল। এতিয়া পিছে ৰাজ্যখনৰ বিভিন্ন ঠাইলৈ

সম্প্ৰসাৰিত হৈছে। তদুপৰি গাড়ী-মটৰৰ পৰা ওলোৱা ধোঁৱাই সৃষ্টি কৰা প্ৰদূষণে প্ৰায় সকলো ঠাইতেই একেই অৱস্থাৰ সৃষ্টি কৰিছে। শেহতীয়া তথ্যমতে ডাৰৱীয়া বতৰতো গুৱাহাটীৰ 'এয়াৰ কোৱালিটি ইনডেক্স' ৩৫০লৈ বৃদ্ধি পাইছে। এইক্ষেত্ৰত নলবাৰী চহৰ আৰু এখোজ আগত। নলবাৰীৰ দৰে চহৰ এখনত এয়াৰ কোৱালিটি ইনেডেক্সে ৩৯০লৈ বৃদ্ধি পাইছে। ফলত শ্বাস-প্ৰশ্বাসৰ সমস্যাত আক্ৰান্ত লোকৰ সংখ্যা দ্ৰুতগতিত বাঢ়িবলৈ ধৰিছে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত শেহতীয়াভাৱে শিশুৰ ৰোগীৰ সংখ্যা বৃদ্ধি পোৱা বিষয়টো অতি গুৰুত্বপূৰ্ণ হৈ পৰিছে। বিদ্যালয়লৈ যোৱা, খেলা-ধূলা কৰা আদিৰ প্ৰদূষণ এতিয়া আৰু এটা অঞ্চল বা দেশৰ সমস্যা হৈ থকা নাই। শেহতীয়াকৈ ভাৰতৰ সবাতোকৈ বেছি প্ৰদূষণৰ কবলত পৰা চহৰখনেই হৈছে নতুন দিল্লী। ইয়াৰ পিছতে দ্বিতীয় স্থানত আছে ফৰিদাবাদ। কেইবছৰমান আগলৈকে ফৰিদাবাদ আছিল প্ৰদূষিত তালিকাৰ শীৰ্ষস্থানত। এই তালিকাৰ তৃতীয় স্থানত আছে গাজিয়াবাদ। নেচনেল ক্লিয়াৰ এয়াৰ প্ৰগ্ৰেমত দিল্লীক এই তালিকাত শীৰ্ষস্থান দিয়া হৈছে। বিগত বৰ্ষত দেশৰ ৰাজধানী চহৰখনত প্ৰদূষণৰ বাবে কেইবাদিনো বিদ্যালয় বন্ধ ৰাখিবলগীয়া হৈছিল। সূৰ্যৰ পোহৰ ধৰিত্ৰীত পৰিব পৰা নাছিল, ধোঁৱা-ধূলিৰ বাবে। এসময়ত চহৰখনক প্ৰদূষণমুক্ত কৰিবলৈ নিম গছ ৰোপণ কৰা হৈছিল যদিও সেয়া ফলপ্ৰসূ নহ'ল।

অতিসম্প্ৰতি বিশ্বৰ সবাতোকৈ প্ৰদূষিত চহৰ হৈছে ছৌদি আৰবৰ ডামাম চহৰ। ইয়াৰ পিছতে আছে পাকিস্তানৰ লাহোৰ চহৰ। এই তালিকাৰ শীৰ্ষ ১০ৰ ভিতৰত আছে ভাৰতৰ বেগুচৰাই, বাংলাদেশৰ ঢাকা, চীনৰ কাছঘৰ, ইৰাকৰ বাগদাদ আদি। ইফালে, উত্তৰ কোৰিয়াৰ উপৰ্যুপৰি পাৰমাণৱিক অস্ত্ৰ পৰীক্ষাৰ ফলত তিনিখন দেশৰ জন্মগত সংকটৰ সন্মুখীন হৈছে। এই দেশখনৰ উপৰি দক্ষিণ কোৰিয়া, জাপান আৰু চীনৰ নাগৰিকলৈ ভয়াৱহ সংকট আহি পৰিছে। বিগত সময়ত উত্তৰ কোৰিয়াই পাৰমাণৱিক অস্ত্ৰ পৰীক্ষাৰ ফলত তাৰ পৰা নিৰ্গত হোৱা তেজস্ক্ৰিয় পদাৰ্থ পানীৰ সৈতে মিহলি হৈ এই প্ৰতিবেশী ৰাষ্ট্ৰকেইখনলৈ বিয়পি পৰিছে। দক্ষিণ কোৰিয়াৰ ৰাজধানী চিউলত এটা মানৱ অধিকাৰ সংগঠনে এই দাবী কৰাৰ পিছত এই বিষয়টোক লৈ চৰ্চা

আৰম্ভ হৈছে। আনহাতে, ৰাছিয়া আৰু ইউক্রেইনৰ মাজত চলি থকা যুদ্ধয়ো এই অঞ্চল দুটাত তেজস্ক্রিয় ৰশ্মিৰ পৰা আৰম্ভ কৰি বিভিন্ন ৰাসায়নিক দ্রব্য মিহলি পানী আদিয়ে মানৱ সমাজলৈ অশনি সংকেত কঢ়িয়াই আনিছে। এতিয়া এই অঞ্চল দুটাত চৌদিশে কেৱল বাৰুদৰ ধোঁৱা। এই ধোঁৱাত জনসাধাৰণৰ শ্বাস-প্রশ্বাস বন্ধ হোৱাৰ উপক্রম ঘটিছে। এনেদৰে প্রদূষণ থাকিলে মানৱ জাতিলৈ বিপদ আহি পৰিব।

প্রদূষণ এতিয়া ঘাতকৰ দৰে হৈ পৰিছে। বিশ্ব স্বাস্থ্য সংস্থাই সতর্ক কৰি দিছে যে আগন্তুক এটা দশকৰ ভিতৰত এনেদৰে প্রদূষণ হৈ থাকিলে মানৱ জাতিৰ বিপদ আহি পৰিব। বিশ্ব স্বাস্থ্য সংস্থাৰ মহামাৰীৰ তালিকাৰ হৃদৰোগ, ডায়েবেটিছ উচ্চ ৰক্তচাপ অন্তর্ভুক্ত কৰিছে যদিও প্রদূষণো কম নহয়। এনেধৰণৰ প্রদূষণৰ বাবে বিভিন্ন ৰোগৰ প্রকোপ বৃদ্ধি পাবলৈ ধৰিছে।

প্রদূষণৰ বাবে আমি কাক দায়ী কৰিম? প্রকৃতিয়ে নিজেই নিজৰ ধ্বংসযজ্ঞ চলোৱা নাই। ভূমিকম্প, বানপানী, ছুনামি, বা-মাৰলি, ধুমুহা আদিৰ বাবে ধ্বংস হৈছে; কিন্তু প্রদূষণৰ মাত্রা কম। আজি পৃথিৱীখনৰ প্রতিটো অঞ্চল প্রদূষিত হোৱাৰ মূলতে মানৱ জাতি নিজেই দায়ী। নিজেই নিজৰ ধ্বংসযজ্ঞ চলাইছে। পুৱা শুই উঠাৰে পৰাই প্রতিগৰাকী ব্যক্তিয়ে যদি দিনটোৰ ভিতৰত প্রদূষিত কৰিব পৰা কিমান কাম কৰিছে তাৰ হিচাপ লয় তেনেহ'লে ইয়াৰ পৰাই জল-জল পট-পটকৈ ওলাই পৰিব এই ছবিখন। এজন ব্যক্তিয়ে কৰা প্রদূষণখিনি যদি এখন দেশৰ মুঠ তালিকাত সংযোগ কৰা হয় তেন্তে এই পৰিসংখ্যা কিমান ডাঙৰ হ'ব পাৰে সেয়া এবাৰ ভাবি চাওকচোন। এনেদৰে প্রতিখন দেশৰে নাগৰিকসকলে কৰা প্রদূষণৰ মাত্রা যোগ দিলে পৃথিৱীৰ প্রতিটো অঞ্চলতে নিতৌ হৈ থকা প্রদূষণৰ ভয়ংকৰ ছবিখন স্পষ্ট হৈ পৰিব। আজি গোলকীয় উষ্ণতা বৃদ্ধিৰ বাবে প্রতিখন দেশে এখনে-আনখনলৈ দোষ জাপি দি নিজে দোষমুক্ত হৈ থাকিবলৈ চেষ্টা চলাইছে। যিখন দেশে বেছি প্রদূষিত কৰিছে বিশ্বদৰবাৰত সেইখন দেশৰেই বেছি দপদপনি হৈছে।

বিশ্ববাসীক প্রদূষণমুক্ত কৰিবলৈ আন্তর্জাতিক মঞ্চত কেইবাখনো মহাসন্মিলনত ঘোষণাপত্র প্রস্তুত কৰি প্রকাশ কৰা হৈছে যদিও সেইবোৰ কার্যকৰী কৰাৰ ক্ষেত্রত কোনোৱে আগ-ভাগ নলয়। প্রদূষণো হৈছে বিশ্ব

ক্ষেত্ৰখনৰ বোকা ছটিওৱা কাৰক। প্ৰদূষণ ৰোধৰ ক্ষেত্ৰত প্ৰায়সংখ্যক দেশৰেই কথা আৰু কামৰ মাজত পাৰ্থক্য পৰিলক্ষিত হৈছে। যেতিয়ালৈকে প্ৰতিখন দেশৰেই প্ৰতিগৰাকী নাগৰিক এইক্ষেত্ৰত সতৰ্ক নহয় তেতিয়ালৈকে প্ৰদূষণমুক্ত পৃথিৱী এখন কল্পনা কৰাটো অসম্ভৱ।

বিশ্ব বেংকৰ শেহতীয়া তথ্য অনুসৰি সমগ্ৰ বিশ্বতেই বায়ু প্ৰদূষণৰ বাবে ব্যয় হৈছে ৮.১ মিলিয়ন ডলাৰ। অৰ্থাৎ বায়ু প্ৰদূষণ প্ৰতিৰোধ তথা ইয়াৰ বাবে হোৱা লোকচানৰ পৰিমাণ ইমান। আনহাতে বিশ্বৰ মাত্ৰ পাঁচ শতাংশ লোকেহে আন্তৰ্জাতিক মানসম্পন্ন প্ৰদূষণমুক্ত বায়ু সেৱন কৰিছে। অৰ্থাৎ আন্তৰ্জাতিক গুণগত মানতকৈ কম অৰ্থাৎ প্ৰদূষিত বায়ু সেৱন কৰা লোকৰ সংখ্যা হৈছে ৯৫ শতাংশ। গতিকে ইয়াৰ পৰাই স্পষ্ট হৈ পৰিছে পৃথিৱীখন কিমান প্ৰদূষিত হৈছে। সেইবাবে সকলো সাজু হ'বৰ হৈছে। উন্নয়নৰ নামত কেৱল চিমেণ্ট-বালিৰ ধূলি উৰুৱালেই নহ'ব। সেইবোৰৰ পৰা কেনেকৈ মানৱ জাতি সুৰক্ষিত হ'ব সেয়া চিন্তা কৰাৰ বিকল্প নাই।

# কিয় বৃদ্ধি পাইছে নৃশংস ঘটনা

শেহতীয়াভাৱে দেশৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো সংঘটিত হৈছে কেইবাটাও নৃশংস হত্যাকাণ্ড। পুত্ৰই মাতৃক হত্যা কৰা, পিতৃয়ে পুত্ৰক হত্যা কৰা, পত্নীয়ে স্বামী, শাহু-শহুৰক হত্যা কৰাৰ ঘটনা সংঘটিত হৈছে। পিতৃ-মাতৃয়ে পুত্ৰ-কন্যাক, পুত্ৰ-কন্যাই পিতৃ-মাতৃক হত্যা কৰাৰ দৰে ঘটনা সংঘটিত হোৱাৰ খবৰে সকলোকে চিন্তিত কৰিছে। এইবোৰ ঘটনাৰ উপৰি এগৰাকী বোৱাৰীয়ে স্বামীৰ লগতে শাহুক হত্যা কৰি টুকুৰা-টুকুৰকৈ কাটি বস্তাত ভৰাই পাহাৰৰ ওপৰৰ পৰা পেলাই দি আনন্দ মনে নাৰায়ণ পূজা কৰাৰ ঘটনা পোহৰলৈ অহাৰ পিছত এইবোৰ ঘটনা ভাবিলে মনটো কিবা-কিবি লাগে। যিসময়ত একাংশ দম্পতীয়ে এটি সন্তানৰ বাবে লাখ লাখ টকা ব্যয় কৰি আই ভি এফ চেণ্টাৰৰ সন্মুখত দীঘলীয়া শাৰী পাতিছে সেই সময়ত একাংশ মানুহক হত্যা কৰিবলৈ কুণ্ঠাবোধ নকৰা হৈছে। আপোন মানুহক কুকুৰ-মেকুৰীৰ দৰে হত্যা কৰিও আনন্দ মনে ঘূৰা-ফুৰা কৰিব পৰা মানুহৰ সংখ্যা সমাজত লাহে লাহে বৃদ্ধি পাবলৈ ধৰিছে। হত্যা কৰিও অনুশোচনা নোহোৱা লোকৰ সংখ্যা সমাজখনত বৃদ্ধি পোৱাটো মংগলজনক কথা নহয়।

সমাজৰ বাবে অশুভ সংকেত বহন কৰিছে। যিসময়ত কোটি কোটি জন্মৰ পিছতহে মানৱ জীৱন লাভ কৰে বুলি বিশ্বাস কৰি আহিছে সেই সময়ত মানুহেই মানুহক নৃশংসভাৱে হত্যা কৰিও অনুতপ্ত নোহোৱা হৈছে।

দেশত এতিয়া অপৰাধ আৰু অপৰাধীৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰিছে। দিল্লীৰ শ্ৰদ্ধা ৱালকাৰৰ হত্যাকাণ্ডক লৈ দেশজুৰি চৰ্চা হৈছিল। কাৰণ আফতাবে শ্ৰদ্ধাক টুকুৰা-টুকুৰকৈ কাটি, ফ্ৰীজত ৰাখি এটুকুৰা-দুটুকুৰাকৈ নি জংঘলত পেলাই দিছিল। তেতিয়া তিলমাত্ৰও আচামীৰ অনুশোচনা হোৱা নাছিল। প্ৰেমৰ বাবে এদিন শ্ৰদ্ধাই নিজৰ মৰমৰ ঘৰখন এৰি আফতাবৰ সৈতে একেলগে থাকিবলৈ লৈছিল। সেইগৰাকী শ্ৰদ্ধাক নৃশংসভাৱে হত্যা কৰি অনুশোচনাত দগ্ধ নোহোৱাটোৱে প্ৰমাণ কৰিছে আফতাবৰ অপৰাধী মনৰ কথা। কিমান দুৰ্ধৰ্ষ অপৰাধী হ'ব পাৰে। এনে ঘটনাৰ প্ৰতিক্ৰিয়া মাৰ নৌযাওঁতেই বন্দনা কলিতাই স্বামী আৰু শাহুৱেকক হত্যা কৰাৰ ঘটনাই দেশজুৰি চাঞ্চল্যৰ সৃষ্টি কৰিছে। এয়া দুটা মাথোঁ উদাহৰণহে। এনে ঘটনাৰ উপৰি দিন-দুপৰতে ৰাজপথত হত্যাকাণ্ড সংঘটিত হৈছে। ধৰ্ষণৰ দৰে জঘন্য কাণ্ড সংঘটিত কৰি হত্যা কৰিছে প্ৰেমিকাক। বিদ্যালয়-মহাবিদ্যালয় তথা কৰ্মক্ষেত্ৰৰপৰা ঘৰলৈ উভতি অহাৰ সময়ত হত্যাকাণ্ড সংঘটিত হৈছে। যিমানেই আৰক্ষী প্ৰশাসন অপৰাধ আৰু অপৰাধীৰ বিৰুদ্ধে সৰৱ হৈছে সিমানেই এনে ঘটনা বৃদ্ধি পাইছে। এয়া সকলোৰে বাবে এক চিন্তনীয় বিষয়। কাৰণ যিমানেই মানুহে আধুনিক জীৱন-যাপন কৰিবলৈ লৈছে সিমানেই এনেধৰণৰ ঘটনাকো সাধাৰণ ঘটনাৰ দৰে মানি ল'বলৈ ধৰিছে। আগতে নৰহত্যা মহাপাপ বুলি ভাবিছিল। এতিয়া পিছে হত্যা কৰাটো এক ফেশ্বনত পৰিণত হৈছে। মৃত্যুতো যে গ্লেমাৰ থাকে বা হত্যা কৰাৰ পাছতো যে হত্যাকাৰীয়ে অনুশোচনা নোহোৱাকৈ হত্যাৰ কথা স্বীকাৰ কৰিব পাৰে সেয়া কম কথা নহয়।

একাংশ মানুহ এতিয়া অনুশোচনাহীন-বিবেকহীন হৈ পৰিছে। কেৱল দামী পোছাক আৰু বিলাসী জীৱন-যাপন কৰাটো জীৱনৰ লক্ষ্য হিচাপে থিৰাং কৰা লোকসকলে স্বাৰ্থ সিদ্ধিৰ বাবে যিকোনো কামেই কৰিব পাৰে। নিজৰ মনোকামনা সিদ্ধিৰ বাবে ভাৰাতীয় ঘাতকৰ দ্বাৰা আপোনজনক

হত্যা কৰিব পৰা হৈছে। আগদিনালৈকে একেলগে থকা মানুহে পিছদিনা অচিনাকি হৈ নৃশংসভাৱে হত্যা কৰিব পৰা হৈছে। কিমান নিষ্ঠুৰ হ'ব পাৰে সেয়া চিন্তনীয় বিষয়। আজিৰ সমাজখনত যেন সম্বন্ধবোৰতে আহি পৰিছে যান্ত্রিকতা। এই যান্ত্রিকতাৰ বাবে সৰু সৰু কথাবোৰেই জটিল ৰূপ লৈছে। সকলোতে কেৱল ব্যৱসায়িক ৰূপ লৈছে। নিজৰ স্বাৰ্থ আৰু ব্যৱসায়িকভাৱে জটিল ৰূপ ধাৰণ কৰাৰ বাবে মানৱতা নোহোৱা হৈছে। মানৱতাহীন মনত বাহ লৈছে দানৱৰ চৰিত্ৰই। দানৱে যিদৰে ভাল চিন্তা কৰিব নোৱাৰে আৰু বেয়া কাম কৰিব পাৰে তেনে মানসিকতাই গঢ় লৈ উঠিছে। এনে মানসিকতাই অপৰাধ আৰু অপৰাধীৰ সংখ্যা বৃদ্ধি কৰিছে।

যি কাৰণে এক অপৰাধ সংঘটিত হ'বলৈ ধৰিছে তাৰ কাৰণ বিশ্লেষণ কৰিলে এটা কথা স্পষ্ট হৈ পৰে যে ইয়াৰ বাবে দায়ী-আত্মকেন্দ্ৰিক মনোভাব আৰু উচ্ছৃংখল জীৱন যাপন। যিসকলে জীৱনটো কেৱল উপভোগৰ বাবে অৰ্পণ কৰিব খোজে তেওঁলোকৰ বাবে 'মই' শব্দটোহে সবাতোকৈ গুৰুত্বপূৰ্ণ। তেওঁলোকে 'মই'ৰপৰা 'আমি' হ'ব নোৱাৰে, হৈছে সংকীৰ্ণ ৰূপ। আগতে 'মই'ৰ পৰিৱৰ্তে সকলোৰে 'আমি' হৈ আছিল। য'ত 'অসম' শব্দটো জড়িত হৈ থাকে তাত অপৰাধ কৰাটো সহজ কথা নহয়। কিয়নো, যিকোনো অপৰাধ কৰিবলৈ যোৱাৰ পূৰ্বে এনেবোৰ কথা ভাবিব লাগিব। কোনোবাই জানিলে বাধা দিব। পৰিয়ালৰ সন্মানৰ কথা জড়িত হৈ থাকে। সকলোবোৰ ভাবি-চিন্তিয়েই এখোজ আগুৱাই গৈও পাঁচখোজ পিছুৱাই আহিবলগীয়া হয়। কিন্তু যেতিয়াৰে পৰাই 'মই' শব্দটোৱে প্ৰাধান্য লাভ কৰিবলৈ ধৰিছে তেতিয়াৰ পৰাই যৌথ পৰিয়ালৰ পৰিৱৰ্তে একক পৰিয়ালে আধিপত্য বিস্তাৰ কৰিলে।

মানুহে আত্মনিয়ন্ত্ৰণ হেৰুওৱাৰ বাবে এতিয়া যিকোনো অপৰাধ কৰাটো তেনেই সাধাৰণ কথা হিচাপে গণ্য হৈছে। যিকোনো অপৰাধেই অসহনীয়, কাৰণ অপৰাধ সদায় অপৰাধেই। অপৰাধ সংঘটিত কৰিলে ইয়াৰ ফল ভোগ কৰিবই লাগিব। ভগৱানে সকলোকে এই পৃথিৱীলৈ পঠিয়াইছে ভাল কাম কৰিবলৈ। তেনে নকৰি যেতিয়া বিপথে পৰিচালিত হয় তেতিয়াই বৃদ্ধি পায় অপৰাধ আৰু অপৰাধীৰ সংখ্যা।

লালসাই মানুহক এতিয়া অপৰাধমুখী কৰি তুলিছে। সহজ উপায়েৰে ধন ঘটিবলৈ একাংশই অপৰাধ জগতত খোজ পেলাইছে। এই জগতখনৰ ভিতৰলৈ যিমানেই সোমাই গৈ আছে সিমানেই নিজকে নিয়ন্ত্ৰণ কৰাটো অসম্ভৱ হৈ পৰিছে। লালসাই মানুহক অপৰাধ জগতৰ দিশে ধাৱমান কৰিছে। যিসকলৰ মনত উচ্চাকাংক্ষা থাকে তেওঁলোক যিকোনো সময়তে নিজৰ ইচ্ছানুসৰি বিচৰাখিনি নাপালে নিজকে নিয়ন্ত্ৰণ কৰিব নোৱৰা হয়। জীৱনটো সুখেৰে অতিবাহিত কৰা আৰু বিলাসী তথা আৰামী জীৱন কটাব বিচাৰি যেতিয়া হাতত ধন নাথাকে তেতিয়াই সংঘটিত কৰে এনে জঘন্য ঘটনা।

অপৰাধীসকলৰ বেছিভাগেই মানসিক ৰোগী। কোনোবা যৌনতাৰ প্ৰতি আসক্ত হয়। এইসকল অপৰাধীয়ে ধৰ্ষণৰ লগতে হত্যাকাণ্ড সংঘটিত কৰে। ড্ৰাগছ্ আদিৰ বেহাৰে কম কষ্টত অধিক ধন সংগ্ৰহ কৰাৰ বাবেও অতিসম্প্ৰতি অপৰাধীৰ সংখ্যা বাঢ়িছে। মানুহে যিমানেই আধুনিক জগতত প্ৰৱেশ কৰিছে সিমানেই অপৰাধপ্ৰৱণতাও জাগ্ৰত হৈছে। ইয়াক প্ৰতিৰোধৰ বাবে সকলোৱে গুৰুত্ব দিয়া উচিত। নহ'লে এদিন সকলোৰেই এনে অপৰাধৰ বোজা মূৰত ল'ব লাগিব। তেতিয়াহে ৰুদ্ধ হৈ পৰিব অপৰাধীৰ গতিপথ।

# চৰকাৰী বিভাগসমূহে অনুষ্ঠিত কৰক গুণোৎসৱ

চৰকাৰী বিভাগৰ আন্তঃগাঁথনি, শিক্ষাৰ মান উন্নত কৰা, ছাত্ৰ-ছাত্ৰীৰ জ্ঞানৰ পৰিধি কিমান সেয়া জনাটো তথা বিদ্যালয় এখনত শিক্ষক-শিক্ষয়িত্ৰীসকলে কেনেধৰণৰ শৈক্ষিক পৰিৱেশৰ সৃষ্টি কৰিছে সেয়া জানিবলৈ চৰকাৰে অনুষ্ঠিত কৰি আহিছে 'গুণোৎসৱ'। অসমৰ শৈক্ষিক ক্ষেত্ৰৰ আমূল পৰিৱৰ্তন কৰিবলৈ চৰকাৰে শিক্ষাখণ্ডৰ যি পদক্ষেপ গ্ৰহণ কৰিছে সেয়া প্ৰশংসাযোগ্য। যিসময়ত চৰকাৰী খণ্ডৰ বিদ্যালয়ৰ অৱস্থা তথা ছাত্ৰ-ছাত্ৰী শৈক্ষিক মানক লৈ ব্যাপক চৰ্চা হৈ আহিছে সেই সময়ত ৰাইজৰ মনৰ পৰা আশংকা আঁতৰাবলৈ আৰম্ভ কৰা হয় 'গুণোৎসৱ'। এই পদক্ষেপৰ দ্বাৰা এখন বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীসকলৰ গুণগত মান নিৰূপণ কৰিবলৈ সম্ভৱ হৈছে। ইয়াৰ বাবে এতিয়া চৰকাৰী বিদ্যালয়সমূহত আৰম্ভ হৈছে অঘোষিত প্ৰতিযোগিতা। যিহেতু ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষক-শিক্ষয়িত্ৰীৰ একত্ৰিতভাৱে মান নিৰূপণ কৰিব পৰা আন কোনো পদ্ধতি নাছিল সেইবাবে এয়া জানিবলৈ আৰম্ভ কৰা হৈছে 'গুণোৎসৱ'। সকলোৱে এই পদক্ষেপক আদৰণি জনাইছে।

এনে গুণোৎসৱৰ আৰ্হিত এতিয়া প্ৰতিটো চৰকাৰী বিভাগতে 'গুণোৎসৱ' হোৱা উচিত। কাৰণ চৰকাৰী বিভাগত এনে একাংশ কৰ্মচাৰী আছে— যিসকলে কেৱল দৰমহাৰ বাবেহে অফিচলৈ অহা-যোৱা কৰে যেন লাগে। অফিচ বা নিজৰ কৰ্তব্যৰ প্ৰতি আন্তৰিকতা নাথাকে। সময়মতে নিজৰ কাম নকৰাৰ বাবে বহুতো ফাইল কাৰ্যালয়তে দ'ম হৈ থাকে। এনেদৰে দ'ম হৈ পৰি থকাৰ ফলত কামবোৰ পিছুৱাই গৈ থাকে। এনেধৰণৰ কৰ্মচাৰীয়ে 'এহ্ কি হ'ব' বুলি ভাবি বা মন্তব্য কৰি কামত আত্মনিয়োগ কৰাৰ পৰা আঁতৰি থকাসকল সক্ৰিয় কৰিবলৈ প্ৰতিটো বিভাগতে প্ৰয়োজন হৈছে কৰ্মচাৰীৰ কৰ্মৰ মান নিৰ্ধাৰণৰ।

কৰ্মচাৰীৰ কামৰ মান কেনেদৰে নিৰূপণ কৰিব পাৰি সেই বিষয়ে চিন্তা-চৰ্চাৰ সময় আহি পৰিছে। কামৰ সময়ত টোপনি যোৱা আৰু কাৰ্যালয়ত উপস্থিত হৈয়ে নিজৰ কামৰ বাবে ঘৰৰ বাবে ওলাই যোৱা কৰ্মচাৰীৰ লগতে অফিচত থাকিও পাল মৰা কৰ্মচাৰীসকলে এনেদৰে গুণোৎসৱৰ আয়োজন কৰিলে নিশ্চয় সুফল লাভ কৰাটো সম্ভৱ হ'ব। ইয়াৰ ওপৰত ভিত্তি কৰিয়েই দৰমহা বৃদ্ধিৰ পদ্ধতি নিৰূপণ কৰিলে সকলো কৰ্মচাৰীয়ে সক্ৰিয় হৈ পৰিব। সময়মতে অফিচলৈ যাব। কাম কৰিবলৈ বাধ্য হ'ব। সময়ৰ কাম সময়মতে কৰাৰ লগতে কামত আত্মনিয়োগ কৰিবলৈ বাধ্য হ'ব। অফিচলৈ আহি ওলাই যোৱা কৰ্মচাৰীৰ সংখ্যাও নিশ্চয় হ্ৰাস পাব। যিসকলক ভয় দেখুৱাই বা সকীয়াই দিয়াৰ পিছতো কেৰেপ নকৰে সেইসকলক গুণোৎসৱে নিশ্চয় নিজকে সংশোধন কৰিবলৈ চেষ্টা চলাব।

প্ৰতিটো চৰকাৰী বিভাগত যদি পৰ্যায়ক্ৰমে এনে গুণোৎসৱৰ আয়োজন কৰা হয় তেনেহ'লে বিভাগসমূহৰ সমস্যাসমূহো নোহোৱা হ'ব। তদুপৰি বিভাগসমূহৰ মাজতেই শ্ৰেষ্ঠত্ব প্ৰতিপন্নৰ যুঁজ আৰম্ভ হ'ব। প্ৰতিযোগিতাত বৰ্তি থাকিবলৈ যেতিয়া শ্ৰেষ্ঠত্ব উজাৰি দিব তেতিয়া ৰাজ্যখনৰো প্ৰত্যক্ষ-পৰোক্ষ উন্নয়ন হোৱাৰো থাকিব প্ৰচুৰ সম্ভাৱনা। এই সম্ভাৱনাই নৱ-প্ৰজন্মক আগবাঢ়ি যোৱাত প্ৰেৰণা যোগাব। মানুহে যেতিয়া পৰীক্ষা দি থাকিবলগীয়া হয় তেতিয়াহে সকলো ক্ষেত্ৰতেই 'আপডেট' হৈ থাকে। য'ত প্ৰত্যক্ষ অথবা পৰোক্ষভাৱে পৰীক্ষা নাথাকে তাত প্ৰতিযোগিতাও নাথাকে। প্ৰতিযোগিতাৰ

মুখত আমি প্ৰতিযোগিতামুখী হ'বই লাগিব। কেৱল ব্যক্তিগতভাৱে উন্নত হ'লেই নহ'ব সমান্তৰালভাৱে সমাজ তথা দেশখনক আগুৱাই নিয়াৰ মানসিকতাও লাগিব। প্ৰতিটো বিভাগতে সকলো কাৰ্যালয়ত আনৰ ওপৰত কামৰ বোজা জাপি দি নিজে চুপ-চাপ থাকিব খোজা চাকৰিয়ালসকলৰ নিদ্ৰাহৰণ হ'ব— যদিহে বিভাগীয় গুণোৎসৱৰ ব্যৱস্থা কৰা হয়। এটা বিভাগে আনটো বিভাগৰ মান নিৰূপণ কৰিব পৰাৰ ব্যৱস্থা থাকিলে অনিয়মৰো অৱকাশ নাথাকে।

নতুন সংকল্প, নতুন চিন্তাৰে আগুৱাই যোৱাৰ সময় আহি পৰিছে। এতিয়া পিছলৈ উভতি চোৱাৰ সময় নহয়। সকলোৱে সেৱাৰ মানসিকতাৰে চাকৰি কৰিব লাগিব। কেৱল দৰমহা ভোগ কৰাৰ মানসিকতা থাকিলে উন্নতিৰ গ্ৰাফডাল ঊৰ্দ্ধমুখী নহ'ব। আমি সকলোৱে এতিয়া কৰ্মক্ষেত্ৰত সংস্কাৰমুখী হ'বই লাগিব। সংস্কাৰ অবিহনে কোনোৱে উন্নয়নৰ মুখ দেখা নাপায়। সংস্কাৰৰ বাবে নতুন নতুন চিন্তাধাৰাৰ প্ৰয়োজন। এনে চিন্তাৰেই বিভাগীয় 'গুণোৎসৱ' শীঘ্ৰে আৰম্ভ কৰিব লাগে। আমি কথাৰ ফুলজাৰি মাৰি আত্মসন্তুষ্টি লাভ কৰাতকৈ হাতে-কামে লাগিয়েই কৰ্মদক্ষতা প্ৰতিপন্ন কৰাৰ সময় আহি পৰিছে। আনক নেতিবাচক সমালোচনা কৰাৰ পৰিৱৰ্তে যদি শক্তিশালী মনোভাব তথা নতুন চিন্তাৰে আগুৱাই যোৱাৰ মানসিকতা গ্ৰহণ কৰা উচিত। আনৰ মুখলৈ চাই থাকি পেট পোহপাল দিয়াৰ পৰিৱৰ্তে নিজৰ ভৰিৰ ওপৰত থিয় দিয়াৰ চেষ্টা কৰা উচিত। কাৰণ আত্মবিশ্বাস, আত্মসমালোচনা তথা উপযুক্ত পৰিকল্পনাৰে বিভাগৰ উন্নতি কৰিব লাগিব। সেয়েহে শিক্ষা বিভাগৰ পিছত এতিয়া ৰাজ্যৰ বিভাগসমূহত অনুষ্ঠিত হওক সকলোৰে বাবে 'বিভাগীয় গুণোৎসৱ'।

# অসমত বৰফৰ আচ্ছাদনে কিহৰ ইংগিত দিছে

শেহতীয়াভাৱে ডিব্ৰুগড় জিলাত, বিশেষকৈ মৰাণত ক্ষুদ্ৰ বৰফৰ আচ্ছাদনক লৈ ৰাইজৰ মাজত কৌতূহলৰ সৃষ্টি হৈছে। দৰাচলতে এইবোৰ বৰষুণৰ লগত হোৱা শিলৰ টুকুৰা নে বৰফৰ আচ্ছাদন ? কাৰণ অসমৰ লোকে এই ধৰণৰ আচ্ছাদন টিভিৰ পৰ্দাৰ লগতে সামাজিক মাধ্যম, বাতৰি কাকত আদিতহে দেখিবলৈ পাইছে। কিন্তু এইবাৰ চকুৰ সন্মুখতে এখন বৰফৰ ঢাকনী দেখিবলৈ পাই আনন্দত আত্মহাৰা হৈছে। প্ৰায়সংখ্যক লোকে শ্বিলং, চুইজাৰলেণ্ডৰ বৰফৰ আচ্ছাদন অসমতো লাহে লাহে দেখিবলৈ পোৱা যাব বুলি স্ফূৰ্তি কৰিছে। স্বাভাৱিকতে দূৰৈৰ পাহাৰ শুৱনিৰ দৰে আমি যেতিয়া বাহিৰত দেখা বৰফাবৃত বৃহৎ বৃহৎ অঞ্চল একোটাত এনে ধৰণৰ আচ্ছাদন দেখিবলৈ পাওঁ তেতিয়া মনটো ভাল লাগে। সেইধৰণৰ ছবিখন নিজৰ বাসস্থানৰ সমীপত পোৱাৰ আশা কৰো। কিন্তু এনে ধৰণৰ ঢাকনীৰ বাবে কিমান শংকা, বিপদ ঘণীভূত হ'ব পাৰে সেই বিষয়ে অনুমান নকৰো। এনেধৰণৰ পৰিৱেশ যে ভয়ংকৰ বিপদৰ আগজাননী হ'ব পাৰে সেই বিষয়ে তিলমানো ভাবি নাচাওঁ। অসমত এনে আচ্ছাদন দেখি আনন্দত আত্মহাৰা হৈছে। তুষাৰ প্ৰলয়ৰ ফলত একো একোটা অঞ্চলৰ কিমান ক্ষতি হ'ব পাৰে সেয়া কল্পনাও কৰিব নোৱাৰি।

শেহতীয়াকৈ আমেৰিকাত হোৱা তুষাৰ ধুমুহা ব'ম্ব চাইক্ল'নক লৈ বিশ্বৰ প্ৰতিখন দেশতেই ব্যাপক চৰ্চা হৈছে। ইউৰোপৰ কেইবাখনো দেশত তুষাৰ ধুমুহাই আতংকৰ সৃষ্টি কৰিছে। নিউয়ৰ্ক চহৰত চাৰি ফুটতকৈ বেছি বৰফৰ চামনি পৰিছে। যেনি চাই তেনে কেৱল বৰফৰ চামনি। কানাডাৰ কিউবেকৰ পৰা যুক্তৰাষ্ট্ৰলৈকে এখন ভয়াৱহ ছবি দেখিবলৈ পোৱা গৈছে। মৃতকৰ সংখ্যা নিতৌ বৃদ্ধি হৈ আছে। ইয়াৰ বিপৰীতে সময়ে সময়ে এণ্টাৰ্কটিকাত প্ৰকাণ্ড প্ৰকাণ্ড বৰফ গলিছে। গোলকীয় উষ্ণতা আৰু গোলকীয় পৰিৱেশৰ ফলত এনেধৰণৰ ভয়াৱহ ছবি বিশ্ববাসীয়ে প্ৰত্যক্ষ কৰিছে। যুক্তৰাষ্ট্ৰত হিমাংক ৪৮ ডিগ্ৰীৰ তললৈ নামিছে। কিছুমান ঠাইত তাপমাত্ৰা মাইনাছ ৪০ ডিগ্ৰীতকৈও বেছি হৈছে। হাড় কঁপোৱা জাৰে সকলোকে স্পৰ্শ কৰিছে। ২০ কোটিৰো অধিক লোক শীত প্ৰৱাহত আক্ৰান্ত হৈছে। মাৰ্কিন নেচনেল ৱেভাৰ ছাৰ্ভিচেজৰ তথ্য মতে, আমেৰিকাৰ মণ্টানতে তাপমাত্ৰা মাইনাছ ৪৮ ডিগ্ৰীলৈ নামিছে। এইখিনিতে বতৰ বিজ্ঞানীসকলে বায়ুৰ চাপ সম্পৰ্কে উল্লেখ কৰিছে। সাধাৰণতে স্বাভাৱিক অৱস্থাত বায়ুৰ চাপ প্ৰায় ১,০১০ মিলিবাৰ থাকে। আমেৰিকাৰ বৰ্তমানৰ তুষাৰ ঘূৰ্ণিৰ পৰিৱেশত বায়ুৰ চাপ ১,০০৩ মিলিবাৰৰ পৰা ৯৬৮ মিলিবাৰ পৰ্যন্ত হ্ৰাসৰ আশংকা প্ৰকাশ কৰিছে বতৰ বিজ্ঞানীসকলে। বিজ্ঞানীসকলৰ মতে, বায়ুৰ চাপ যদি ৩৫ মিলিবাৰতকৈ কম হয় তেতিয়া 'ব'ম্ব চাইক্লোন' সৃষ্টি হয়। এইখিনিতে ব'ম্ব চাইক্লোন কি সেই বিষয়ে উল্লেখ কৰিব খুজিছো। আন ঘূৰ্ণিৰ ধুমুহাৰ দৰে যেতিয়া উষ্ণ আৰু শীতল বতাহৰ তীব্ৰ সংঘৰ্ষ হয় তেতিয়া ব'ম্ব চাইক্লোনৰ সৃষ্টি হয়। সাধাৰণতে শীতল আৰু উষ্ণ বতাহ বা বায়ু উত্তৰ দিশৰ পৰা তললৈ বৈ যায় আৰু উষ্ণ আৰ্দ্ৰ বতাহ গ্ৰীষ্মমণ্ডলৰ পৰা ওপৰলৈ উঠি যায়। এই দুই ধৰণৰ বিপৰীতমুখী বতাহৰ ফলতেই সৃষ্টি হয় ব'ম্ব চাইক্লোন। অসমত এনেধৰণৰ পৰিৱেশ সৃষ্টি হোৱাৰ আশংকা নাই যদিও মৰাণ, টেঙাখাত আদিত সৃষ্টি হোৱা ক্ষুদ্ৰ বৰফৰ দলিচাই যি ইংগিত দিছে সেয়া ৰাজ্যবাসীৰ বাবে শুভ ইংগিত বুলি ক'ব নোৱাৰি। ভৱিষ্যতে যে ভয়াৱহ পৰিস্থিতিৰ সৃষ্টি নহ'ব সেয়া কোনোৱে নিশ্চয়কৈ ক'ব নোৱাৰি। ইয়াৰ কাৰণ কি সেয়া এতিয়াই কোৱাটো কঠিন যদিও বনাঞ্চল ধ্বংস ইয়াৰ অন্যতম কাৰণ বুলি ইতিমধ্যে চৰ্চা হৈছে। এফালে বনাঞ্চল ধ্বংস আৰু আনফালে প্ৰকৃতিৰ ওপৰত কৰা অত্যাচাৰৰ ফলত এইবোৰ অশনি সংকেত বুলিয়েই ক'ব পাৰি। এতিয়া এই বিষয়টোত গুৰুত্ব প্ৰদান কৰি ইয়াৰ আঁৰত থাকিব পৰা কাৰণসমূহ বিশ্লেষণ কৰাৰ সময় আহি

পৰিছে। আমি গছ ৰোৱাতকৈ বেছি কাটিছো। উন্নয়নৰ নামত একোটা বৃহৎ অঞ্চলৰ বনাঞ্চল ধ্বংস কৰিছো। কিন্তু সেইবোৰ ঠাইত আমি বৃক্ষ ৰোপণ কৰা নাই। অৰ্থাৎ পূৰ্বৰ তুলনাত অসমত বনাঞ্চলৰ পৰিমাণ হ্ৰাস পাইছে। সেউজীয়া পাহাৰবোৰ এফালৰ পৰা নিঃশেষ হ'বলৈ ধৰিছে।

অসমৰ মুঠ মাটিকালি হৈছে ৭৮,৪৩৮ বৰ্গ কিলোমিটাৰ। দেশৰ মুঠ মাটিকালিৰ ২.৩৯ শতাংশ আগুৰি আছে অসমে। তথ্য অনুসৰি ২৬,৮৩২ বৰ্গ কিলোমিটাৰ ভূমিত বনাঞ্চল আছে। ৰাজ্যৰ মুঠ ভূমিৰ ৩৪.২১ শতাংশ বনাঞ্চল। মুঠ বনাঞ্চলৰ ৬৬.৫৮ শতাংশ সংৰক্ষিত বনাঞ্চল। সাতখন ৰাষ্ট্ৰীয় উদ্যানৰ লগতে ১৮খন বন্যপ্ৰাণী অভয়াৰণ্য আছে। দুই দশকমান আগলৈকে অসমৰ প্ৰাকৃতিক ভাৰসাম্যৰ লগতে সৌন্দৰ্য আদি চৰ্চাৰ বিষয় আছিল। কাৰণ অসমত স্বাভাৱিক পৰিমাণৰ বৰষুণৰ উপৰি আৰ্দ্ৰতা আছিল স্বাভাৱিক। ইয়াৰ বাবে হয়তো অসমত বৰ্তমানলৈকে সৰ্বনিম্ন তাপমাত্ৰা মাইনাছ ১০ ডিগ্ৰী চেলছিয়াছ অভিলেখ হিচাপে চিহ্নিত হৈছে।

ইউনিভাৰ্ছিটী অৱ ৱাশ্বিংটনৰ তথ্য অনুসৰি বিশ্বৰ সবাতোকৈ কম তাপমাত্ৰা হিচাপে ১৯৮৩ চনৰ ২১ জুলাইৰ দিনটোকে চিহ্নিত কৰা হৈছে। সেই দিনটোতে এণ্টাৰ্কটিকাৰ ভ'ষ্ট'ক ষ্টেচনত লিপিবদ্ধ কৰা তাপমাত্ৰা আছিল মাইনাছ ৮৯.৪ ডিগ্ৰী চেলছিয়াছ। ইয়াৰ পিছতেই ৰাছিয়াক অন্যতম শীতপ্ৰধান দেশ হিচাপে আখ্যা দিয়া হৈছে। ৰাছিয়াত ১৯৩৩ চনৰ ফেব্ৰুৱাৰীত মাইনাছ ৬৮ ডিগ্ৰী চেলছিয়াছলৈ তাপমাত্ৰা হ্ৰাস পাইছিল। ইয়াৰ পিছতহে বিশ্বৰ অন্যতম শীতপ্ৰধান দেশ হিচাপে চিহ্নিত হৈছে কানাডা। ১৯৪৭ চনৰ ফেব্ৰুৱাৰীত স্নেগ চহৰত তাপমাত্ৰা মাইনাছ ৬৩ ডিগ্ৰী চেলছিয়াছ নথিভুক্ত কৰা হৈছে। ইয়াৰ পিছতেই ১৯৭১ চনৰ ২৩ জানুৱাৰীত আমেৰিকা যুক্তৰাষ্ট্ৰৰ গ্ৰীক দেশত তাপমাত্ৰা মাইনাছ ৬২ ডিগ্ৰী চেলছিয়াছ হৈছিল। বিশ্বৰ শীতপ্ৰধান দেশৰ ভিতৰত মংগোলিয়া অন্যতম। দেশখন ২০২১ চনৰ ফেব্ৰুৱাৰীত এই তাপমাত্ৰা মাইনাছ ৫৪.৭ ডিগ্ৰী হৈছিল। আনহাতে, কাজাকাস্থানত বৰ্তমানলৈকে এই অভিলেখ মাইনাছ ৫৭ ডিগ্ৰী নথিভুক্ত কৰা হৈছে। এইবোৰ উন্নত দেশ হ'লেও হিম প্ৰবাহ বা তুষাৰ বৃষ্টিৰ কবলত পৰাটো একপ্ৰকাৰ স্বাভাৱিক কথা। পিছে এইবোৰ দেশত এতাপমাত্ৰা হ্ৰাস পালেও দেশকেইখনৰ বাসিন্দাসকলে শীতৰ প্ৰকোপৰ পৰা ৰক্ষা পাবলৈকে নিজকে প্ৰস্তুত কৰি ৰাখে। অসমত বৰ্তমানকৈ এনে পৰিস্থিতিৰ সৃষ্টি হোৱা নাই যদিও এবাৰ মৰাণ আৰু টেঙাখাতত পৰা বৰফৰ ঢাকনীয়ে কিহৰ ইংগিত দিছে সেয়া চিন্তনীয় হৈছে।

# ৰাষ্ট্ৰীয় মঞ্চত মাধৱদেৱক প্ৰতিষ্ঠা কৰিব লাগিব

অসমীয়া জাতিৰ প্ৰাণ প্ৰতিষ্ঠাতা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ প্ৰধান শিষ্য শ্ৰীশ্ৰী মাধৱদেৱ আছিল জাতিটোক একতাৰ ডোলেৰে বান্ধি ৰখাৰ অন্যতম হোতা। যিসময়ত অসমীয়া সমাজখনত ভাঙোনমুখী ধাৰা এটি আৰম্ভ হৈছিল সেই সময়তেই তেওঁ সমাজ সংস্কাৰৰ বাবে আগবাঢ়ি আহিছিল। সমাজ সংস্কাৰৰ লগতে জাতি এটাক একতাৰ ডোলেৰে বান্ধি ৰাখিবলৈ যি উপাদানৰ প্ৰয়োজন সেয়া সৃষ্টিত গুৰুত্ব দিয়ে। একশৰণ ধৰ্মৰ প্ৰচাৰৰ মাধ্যমেদি যি ভক্তি আন্দোলনৰ বীজ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে প্ৰচাৰ কৰিছিল সেই বীজ বৃহৎ বৃক্ষৰ আকাৰত ডাঙৰ-দীঘল হ'বলৈ সাৰ-পানী যোগোৱা ব্যক্তিগৰাকীয়েই আছিল শ্ৰীশ্ৰী মাধৱদেৱ। লখিমপুৰ জিলাৰ নাৰায়ণপুৰৰ লেতেকু পুখুৰীৰপৰা ওলাই অহাৰ পিছত শ্ৰীমন্ত শংকৰদেৱৰ ওচৰত যুক্তি-তৰ্কত হাৰ মানি শিষ্যত্ব গ্ৰহণৰ পিছতেই অসমত আৰম্ভ হৈছিল এক নতুন দিগন্তৰ। এই নতুন দিগন্তৰ সুদূৰপ্ৰসাৰী ফল আজিৰ লোকসকলে ভোগ কৰিছে। যেতিয়াই সমাজত অৰাজকতাৰ সৃষ্টি হয়, সমাজখনক জাতিৰ ভিত্তিত ভাগ ভাগ কৰিবলৈ একাংশ লোকে চেষ্টা কৰে তেতিয়াই মহাপুৰুষ দুজনাৰ আদৰ্শৰে এইবোৰ সংঘাত আঁতৰ কৰিবলৈ চেষ্টা কৰা হয়। এতিয়াও আজিৰ সমাজখনত

প্ৰয়োগিক হৈ আছে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱৰ আদৰ্শ তথা সৃষ্টিৰাজি। এতিয়া একাংশ লোকে এই প্ৰশান্তসাগৰৰ দৰে বিশাল হৃদয়ৰ মহাপুৰুষ দুজনাক এক নিৰ্দিষ্ট পৰিসৰৰ মাজত সীমাবদ্ধ ৰাখিবলৈ চেষ্টা কৰিছে যদিও বৃহত্তৰ অসমীয়া জাতিটোৱে এনে ঠেক চিন্তাক প্ৰশ্ৰয় নিদি তেওঁলোকক বিশ্বদৰবাৰত প্ৰতিষ্ঠাৰ বাবে চেষ্টা চলাইছে।

অসমীয়া সভ্যতা-সংস্কৃতি তথা ধৰ্মীয় দিশসমূহ বিশ্লেষণ কৰিলে যি দুগৰাকী মহাপুৰুষক আগস্থান দিয়া হয় তেওঁলোকৰ ভিতৰত শ্ৰীমন্ত শংকৰদেৱৰ পিছতেই স্থান দিয়া হয় মাধৱদেৱক। 'নামঘোষা' ৰচনা কৰি মাধৱদেৱে তেওঁৰ পাণ্ডিত্যৰ পৰিচয় দিছিল। আন দহগৰাকী শিশুৰ দৰে শৈশৱতে গুৰুৰ পৰা শিক্ষা গ্ৰহণ কৰা মাধৱদেৱৰ পৰৱৰ্তী সময়ত অসমীয়া জাতিৰ অন্যতম গুৰু হিচাপে আখ্যা লাভ কৰে। শ্ৰীমন্ত শংকৰদেৱৰ অতি প্ৰিয় শিষ্যগৰাকীয়ে ৰচনা কৰা বৰগীতসমূহ আজিও অসমৰ সমাজত প্ৰাধান্য লাভ কৰি আহিছে। ইয়াৰ মূলতে হৈছে মানুহৰ মনত আধ্যাত্মিকভাৱে তথা ভক্তি ভাব সৃষ্টি কৰিব পৰা সকলোবোৰ উপাদানেই বিদ্যমান। মানুহৰ মনত আৰু আত্মাৰ মাজত সংযোগ কৰিব পৰা এটি পৰিৱেশ সৃষ্টিৰ বাবে কিছুমান বিশেষ উপাদানৰ প্ৰয়োজন। এই উপাদানসমূহেই দৰাচলতে মহাপুৰুষজনাৰ বৰগীতে এক বিশেষ মাত্ৰা প্ৰদান কৰিছে।

এইখিনিতে এটা কথা মনলৈ আহিছে। আমি এইগৰাকী মহাপুৰুষ সৃষ্টিৰাজিৰ ওপৰত যিমান বীৰত্ব প্ৰদান কৰিব লাগিছিল সিমান প্ৰদান নিশ্চয় কৰা হোৱা নাই। তেওঁ একশৰণ নামধৰ্মৰ জনক নহ'লেও এই ধৰ্মটো মানুহৰ মাজত প্ৰচাৰৰ বাবে যি ত্যাগ স্বীকাৰ কৰিছিল তাৰ স্বীকৃতি প্ৰদান কৰা হৈছে যদিও ক্ষুদ্ৰ দৃষ্টিকোণৰ পৰা বিশ্লেষণ কৰিলে ক'ৰবাত যেন স্থবিৰ হৈছে অথবা পৰিসৰ সীমিত কৰা হৈছে। মাধৱদেৱে প্ৰতিষ্ঠা কৰা সত্ৰয়ো সমানেই গুৰুত্ব পাব লাগিছিল। আমি শ্ৰীমন্ত শংকৰদেৱৰ সত্ৰসমূহৰ বিষয়ে যিমান চৰ্চা কৰো মাধৱদেৱে প্ৰতিষ্ঠা কৰা সত্ৰক লৈ সিমান সৰৱ নহওঁ। মাধৱদেৱৰ জন্মোৎসৱ অথবা তিৰোভাৱ তিথিত নাম-প্ৰসংগ আৰু এগছি বন্তি জ্বলায়েই যেন আমাৰ দায়িত্ব সামৰিছোঁ।

আমি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ সৃষ্টিৰাজিক বিশ্বদৰবাৰত প্ৰতিষ্ঠা

কৰাৰ কথা হৈ থাকো। হয়, এইগৰাকী মহাপুৰুষৰ সৃষ্টিৰাজিক বিশ্বদৰবাৰত প্ৰতিষ্ঠা কৰিব পাৰিলে অসমীয়া জাতিক এক সুকীয়া পৰিচয় দাঙি ধৰিব পৰাটো সম্ভৱ। আমি কিন্তু মাধৱদেৱৰ সৃষ্টিৰাজিক বিশ্ববাসীৰ সন্মুখলৈ নিয়াৰ ক্ষেত্ৰত সিমান আগ্ৰহ প্ৰকাশ নকৰো। তেওঁৰ সৃষ্টিসমূহো কম গুৰুত্বপূৰ্ণ নহয়। 'নামঘোষা'ক যদি আমি ৰাষ্ট্ৰীয় পৰ্যায়লৈ লৈ যাব পাৰোঁ তেনেহ'লে মাধৱদেৱক দেশবাসীৰ সন্মুখত প্ৰতিষ্ঠা কৰাটো সম্ভৱ হ'ব। আমি সদায় তুলসীদাস, চৈতন্যৰ কথা কৈ থাকিলে নহ'ব মাধৱদেৱৰ দৰে চিৰকুমাৰ যিয়ে জীৱনটো জাতি গঠনৰ উপাদানসমূহ সৃষ্টি কৰোতেই নিমগ্ন হৈ থাকিল। অসমৰ ইমূৰৰ পৰা সিমূৰলৈ গৈ ধৰ্ম প্ৰচাৰ কৰি থাকোঁতেই এনে অমৰ গ্ৰন্থসমূহ ৰচনা কৰাটো কম কথা নহয়। তেতিয়াই সমাজ গঠনৰ কথা চিন্তা কৰিব পাৰিছিল। শ শ বছৰ পিছত সমাজত সৃষ্টি হ'ব পৰা এখন ছবি ৰচনা কৰিছিল। একেখন আকাশৰ তলত একেলগে বহি জ্ঞান আহৰণৰ লগতে ধৰ্ম চৰ্চা তথা মানৱীয় গুণ আহৰণ কৰিব পৰা আলোচনা কৰিছিল।

১৪৮৯ খ্ৰীষ্টাব্দত লখিমপুৰৰ নাৰায়ণপুৰ লেতেকু পুখুৰীত জন্মগ্ৰহণ কৰা মাধৱদেৱৰ আন এটা নাম হৈছে 'বঢ়াৰ পো'। নাৰায়ণপুৰৰ ৰঙাজান আৰু কাচিকটা নদীৰ মাজতেই আছে মাধৱদেৱে জন্মগ্ৰহণ কৰা গাঁওখন। জনশ্ৰুতি অনুসৰি মাধৱদেৱৰ নাই কটা কাচিখন পেলাই দিয়াৰ পিছতে ওচৰৰ নদীখনৰ নাম কাচিকটা হৈ পৰে। আনহাতে, প্ৰসূতিৰ তেজ লগা কাপোৰ ধোৱাৰ বাবে ওচৰৰ জানটোৰ পানী ৰঙা হৈ পৰে। পিছত এই জানটোৱে ৰঙাজান হিচাপে মানুহৰ মাজত প্ৰচলিত হৈ পৰে। মহাপুৰুষৰ জন্মৰ স'তে কিছুমান কাহিনী জড়িত হৈ থকাটো স্বাভাৱিক কথা। কাৰণ সাধাৰণ মানুহ আৰু মহাপুৰুষসকলৰ মাজত থাকে কিছুমান বিশেষ পাৰ্থক্য। ভগৱানেও হয়তো সেইবাবেই মহাপুৰুষসকলৰ জীৱনৰ স'তে কিছুমান সংস্পৃক্ত আৰু আদৰ্শ প্ৰচাৰৰ নামত এক মুষ্টিমেয় লোকৰ 'মহাপুৰুষ' বুলি ভাবিলে নহ'ব। বিশ্ববাসীৰ মাজত দুয়োগৰাকীৰ সৃষ্টি আদৰ্শক প্ৰতিষ্ঠা কৰিবলৈ হ'লে ভেদা-ভেদৰ ৰাজনীতি এৰিব লাগিব। মানুহৰ মাজত ঘৃণাৰ বীজ ৰোপণ কৰাতকৈ সকলোৱে মিলিজুলি আগবাঢ়ি যোৱা উচিত। তেতিয়াহে আমি সফল হ'ম। এই যাত্ৰাত সকলোৱে হাতে হাত ধৰি আগুৱাই যাবই লাগিব।

# সীমা বিবাদৰ অন্ত নপৰাৰ আঁৰত

অসমৰ স'তে শেহতীয়াকৈ মেঘালয়, মিজোৰাম, নাগালেণ্ড আৰু অৰুণাচলৰ যি সীমা বিবাদে গুৰুতৰ ৰূপ লৈছে সেই বিবাদ এদিনতে সৃষ্টি হোৱা নাই। দেশে স্বাধীনতা লাভৰ পূৰ্বে সাতভনীয়ে এখন চালিত থাকিলেও পৰৱৰ্তী সময়ত সাতখন সুকীয়া ৰাজ্যৰ সৃষ্টি হ'ল। সমান্তৰালভাৱে এই ৰাজ্যসমূহৰ স'তে আৰম্ভ হ'ল সীমা বিবাদ। কাৰণ দুখন ৰাজ্যৰ মাজত থকা এনে কিছু অঞ্চলত বিবাদ আৰম্ভ হয়— য'ত দুয়োখন ৰাজ্যৰ বাবে সেই অঞ্চলটো অতিকৈ গুৰুত্বপূৰ্ণ বুলি বিবেচিত। যাতায়াতৰ ক্ষেত্ৰতেই হওক অথবা আন কাৰণতেই নহওক কিয়— এই অঞ্চলসমূহ কোনেও এৰি দিব নোখোজে। যেতিয়া ৰাজ্য বিভাজন হয় তেতিয়াই এই অঞ্চলসমূহক বিশেষ গুৰুত্ব নিদিয়াৰ বাবে পৰৱৰ্তী সময়ত ই জটিল ৰূপ ধাৰণ কৰে। অৱশ্যে এটা কথা ঠিক যে যেতিয়া ৰাজ্য দুখনৰ মাজত ভৌগোলিক সীমা নিৰ্ধাৰণ কৰা হয় তেতিয়া সকলো দিশেই উল্লেখ থাকে। তাৰ মাজতে কিছুমান অঞ্চল উমৈহতীয়াভাৱে দুয়োখন ৰাজ্যকে ব্যৱহাৰৰ বাবে সন্মতি প্ৰদান কৰে। প্ৰথম অৱস্থাত ঠিকেই থাকে যদিও বিভিন্ন কাৰণত বিশেষকৈ ৰাজনৈতিক লাভালাভৰ বাবে এনে অঞ্চলক লৈ আৰম্ভ হয় শীতল যুঁজ। এই যুঁজে লাহে লাহে অগ্নিগৰ্ভা পৰিস্থিতিৰ সৃষ্টি কৰে। এসময়ত এনে পৰিস্থিতি নিয়ন্ত্ৰণ কৰাটো অসম্ভৱপ্ৰায় হৈ পৰে। আমাৰ ৰাজ্যখনৰ ক্ষেত্ৰত সঘনাই

হৈ থকা এনে পৰিস্থিতিৰ বাবে হয়তো আন ৰাজ্যৰ মাজত হোৱা এনে বিবাদৰ বিষয়ে সিমান গুৰুত্ব প্ৰদান নকৰে।

এইবাৰ আমি আন্তৰ্জাতিক প্ৰেক্ষাপটত এনেধৰণৰ সীমা বিবাদৰ কথা উল্লেখ কৰিব খুজিছোঁ। আন্তৰ্জাতিক ক্ষেত্ৰত ভাৰতীয় লোকসকলে ভাবে যে পৃথিৱীৰ সবাতোকৈ চুবুৰীয়া ৰাষ্ট্ৰৰ সৈতে ভাৰতেই সৰ্বাধিক বিবাদত লিপ্ত হ'বলগীয়া হৈছে। কাৰণ ভাৰতৰ এফালে চিৰবৈৰী পাকিস্তান আৰু আনফালে বিশ্বাসঘাতক ৰঙা চীনে অহৰহ আক্ৰমণৰ বাবে চেষ্টা চলাই আছে একমাত্ৰ সীমা বিবাদক লৈ। ১৯৪৭ চনৰ ১৫ আগষ্টত আনুষ্ঠানিকভাৱে ভাৰত-পাকিস্তানৰ জন্ম হোৱাৰ পাছত দুয়োখন দেশৰ মাজত কৌশলী বৃটিছে এৰি থৈ যায় এনে এক অঞ্চলত— য'ত সময়ত এখন সুকীয়া স্থান আছিল। ভাৰতৰ ভূস্বৰ্গ কাশ্মীৰক ভাৰতে ৰজা হৰিসিঙৰ সৈতে হোৱা চুক্তি অনুসৰিয়ে দেশৰ অংগৰূপে স্বীকৃতি দিছিল। যিকোনো ত্যাগৰ বিনিময়ত এই ভূখণ্ড ভাৰতৰ সৈতে সংলগ্ন কৰি ৰাখিবলৈ ভাৰতে চেষ্টা কৰাৰ সময়তে পাকিস্তানী সৈন্যই কিছু অংশ দখল কৰে। এয়াই হ'ল পাক অধিকৃত কাশ্মীৰ। ভাৰতে এই অঞ্চলটো কাশ্মীৰৰ অংশ হিচাপে দাবী কৰি অহাৰ বিপৰীতে পকিস্তানে সমগ্ৰ কাশ্মীৰকে পাকিস্তানত অন্তৰ্ভুক্ত কৰিবলৈ চেষ্টা চলাই আছে। তিনিবাৰ যুদ্ধ কৰিও প্ৰতিবাৰেই মুখ থেকেচা খোৱা পাকিস্তানে এতিয়াও কাশ্মীৰ দখলৰ আশা এৰা নাই। নিজ শক্তিৰে নোৱাৰি চীনৰ সৈতে বন্ধুত্ব কৰি ভাৰতৰ বিৰুদ্ধে যুঁজ দিবলৈ সদায় ষড়যন্ত্ৰ ৰচনা কৰি আহিছে যদিও ভাৰতৰ শক্তিৰ বিৰুদ্ধে সফল হ'ব পৰা নাই। পাকিস্তানে প্ৰকৃত নিয়ন্ত্ৰণ ৰেখা উলংঘন কৰি সন্ত্ৰাসবাদীৰ সহযোগত ভাৰতৰ মাটিত সন্ত্ৰাসবাদী কাৰ্যকলাপ অব্যাহত ৰাখিছে।

আনহাতে, চীনে 'মেকমোহন লাইন'ক উলংঘা কৰি ভাৰতীয় ভূ-খণ্ড দখলৰ বাবে চেষ্টা চলাই আছে। শেহতীয়াভাৱে লাডাখ সীমান্তত চীনে ভাৰতক অস্থিৰ কৰিবলৈ চেষ্টা অব্যাহত ৰাখিছে। প্ৰকৃত নিয়ন্ত্ৰণ ৰেখা উলংঘা কৰি ভাৰতৰ ভূ-খণ্ডত চীনে প্ৰৱেশ কৰিয়ে আকৌ ভাৰতেই চীনৰ ভূমি দখল কৰাৰ অভিযোগ তুলিছে। গালৱান উপত্যকাত ভাৰতীয় সেনাক হত্যাৰ বাবে কৰা গভীৰ ষড়যন্ত্ৰ ভাৰতৰ বীৰ জোৱানে ওফৰাই দিছিল। ভাৰতৰ কাশ্মীৰ, ছিকিম, অৰুণাচল প্ৰদেশৰ স'তে সংলগ্ন আছে চীনৰ সীমা। আনহাতে, শেহতীয়াভাৱে চীনে নেপালৰ ভূমিত খোপনি পুতি ভাৰতৰ বিৰুদ্ধে ৰচনা কৰা ষড়যন্ত্ৰৰ বিষয়টো

জলজল-পটপট হৈ পৰিছে। পিছে ভাৰতে বিগত পাঁচ বছৰত চীনা সীমান্তত ১৫,৪৭৭ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰিছে ২,০৮৮ কিলোমিটাৰ দৈৰ্ঘৰ পথ। এই সংখ্যা এতিয়া ৩,৫৯৫ কিলোমিটাৰলৈ বৃদ্ধি কৰা হৈছে। ২০,৭৬৭ কোটি টকা ব্যয় কৰিছে। চীনৰ সৈতে থকা ভাৰতৰ মেকমোহন লাইনৰ দৈৰ্ঘ্য হ'ল ৪,০৫৬ কিলোমিটাৰ। এই ৰেখাডালে জন্মু-কাশ্মীৰ, উত্তৰাখণ্ড, হিমাচল প্ৰদেশ, ছিকিম আৰু অৰুণাচল প্ৰদেশক সামৰি লৈছে।

বিশ্বৰ অন্যতম শক্তিশালী দেশ হিচাপে পৰিচিত ৰাছিয়াই আজি ইউক্ৰেইনৰ স'তে যুঁজ দিছে বিভিন্ন কাৰণত। এই দুয়োখন দেশৰ মাজতো আছে সীমা বিবাদ। ছেৰনিহিভ অব্লাষ্ট আৰু ব্ৰায়াংকছ অ'ব্লাষ্টৰ দৈৰ্ঘ্য হ'ল ১৮৩ কিলোমিটাৰ। খেৰচন চহৰখন হ'ল দুয়োখন দেশৰ সীমামূৰীয়া চহৰ। অতিসম্প্ৰতি ক্ৰিনিয়াক লৈ দুয়োখন দেশৰ মাজত চলিছে দুৰ্বাদল বিবাদ। আন্তৰ্জাতিক ক্ষেত্ৰত ক্ৰিমিয়াক ইউক্ৰেইনৰ স্বতন্ত্ৰ অঞ্চল হিচাপে স্বীকৃতি দিয়াৰ পাছতো দখল কৰি আছে ৰাছিয়াই। এতিয়া কোনো এখন দেশেই এই অঞ্চলটোক এৰি দিবলৈ সাজু হোৱা নাই।

ছেনকাকু (ডায়'য়ুং) দ্বীপক লৈ বিগত সময়ত চীন আৰু জাপানৰ মাজত বিবাদ চলি আছে। এই দ্বীপটো জাপানৰ নিয়ন্ত্ৰণত আছে যদিও চীনে নিজৰ ভূ-খণ্ডৰ বুলি দাবী কৰি আহিছে, ২০১২ চনত যেতিয়া এটা জাপানী পৰিয়ালে এই দ্বীপটো জাপান চৰকাৰৰ ওচৰত বিক্ৰী কৰে তেতিয়াৰে পৰা চীনৰ চৰকাৰে অধিক আগ্ৰাসী ৰূপ ধাৰণ কৰিছে। এই দ্বীপটোৰ বাবে আনকি চীনে যুদ্ধৰো আখৰা চলাই আছে।

দ্বিতীয় যুদ্ধৰ পৰিসমাপ্তিৰ সময়ত জাপান আৰু ৰাছিয়াই শান্তি চুক্তিপত্ৰত স্বাক্ষৰ নকৰাৰ কাৰণ আছিল আগ্নেয়গিৰিৰে ভৰি থকা কুৰিল দ্বীপ। দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত কুৰিল দ্বীপ ৰাছিয়াই আক্ৰমণ কৰিছিল। ৰাছিয়াৰ সাম্ৰাজ্যৰ অধীনত থকা এই দ্বীপটো ৰাল্টা চুক্তি অনুসৰি ৰাছিয়াক হস্তান্তৰ কৰা হৈছিল। অৱশ্যে ইয়াৰ পাছতো জাপানে এই দ্বীপটো নিজৰ বুলি দাবী কৰি আহিছে।

দক্ষিণ কোৰিয়া আৰু উত্তৰ কোৰিয়াৰ মাজত দীৰ্ঘদিন ধৰি উপদ্বীপ বা 'কোৰিয়ান পেনিফুলা'ৰ বাবে সংঘাত চলি আহিছে। বিশ্বৰ অন্যতম শক্তিশালী ৰাষ্ট্ৰ হিচাপে পৰিচিত উত্তৰ কোৰিয়াই যদিও দক্ষিণ কোৰিয়াক সকলো সময়তে বশ কৰিবলৈ চেষ্টা অব্যাহত ৰাখিছে তথাপি সফল হ'ব পৰা নাই। সময়ে সময়ে দুয়োখন দেশে পৰস্পৰক আক্ৰমণৰ বাবে সুযোগ বিচাৰি থাকে।

প্ৰভু যীচুখ্ৰীষ্টৰ জন্মস্থান পেলেষ্টাইনক লৈ পেলেষ্টাইন আৰু ইজৰাইলৰ মাজত আৰম্ভ হোৱা শীতল যুঁজখন দীৰ্ঘদিনৰ পৰাই অব্যাহত আছে। প্ৰথম বিশ্বযুদ্ধৰ পাছৰ পৰা পেলেষ্টাইনক স্বাধীন ৰাষ্ট্ৰ হিচাপে ঘোষণা কৰাৰ দাবীৰে যুদ্ধ চলি থাকিল। ১৯৪৭ চনত ৰাষ্ট্ৰসংঘই পেলেষ্টাইনক পৃথক কৰাৰ যি পৰিকল্পনা কৰিছিল সেয়া আজি পৰ্যন্ত সমাধান নহ'ল ১৯৬৭ চনত ছয়দিন ধৰি ইজৰাইলে সামৰিক অভিযান চলাই পেলেষ্টাইনৰ দাবীক দমন কৰিছিল ১৯৯৩-৯৫ চনত অছলো চুক্তি অনুসৰি দুয়োখন দেশে সমস্যাটো সমাধান কৰিবলৈ চেষ্টা কৰিছিল যদিও ২০০৫ চনৰ পৰা গাজাষ্ট্ৰীপত অৱৰোধ আৰম্ভ হোৱাৰ পাছত এই প্ৰক্ৰিয়াত ব্যাঘাত জন্মে। ২০১৩ চনৰ জুলাইত দুয়োখন দেশৰ মাজত শান্তি আলোচনা আৰম্ভ হয় যদিও ২০১৪ চনত এই প্ৰক্ৰিয়া বাতিল হয়। উল্লেখ্য যে ২০০৬ৰ পৰা ২০১১ চনলৈকে হামাছ আৰু ইজৰাইলে চাৰিখন যুদ্ধত অৱতীৰ্ণ হৈছে, ইজৰাইল আৰু পেলেষ্টাইন লিবাৰেচন অৰ্গেনাইজেচনৰ (পিএলঅ') মাজত হোৱা আলোচনায়ো কোনো সুফল নাপালে। এতিয়াও সুযোগ পালেই পৰস্পৰক আক্ৰমণৰ বাবে সাজু হয়। বিশ্ববাসীৰ দৃষ্টি এই দুয়োখন দেশৰ সমস্যাৰ ওপৰতো নিবদ্ধ হৈ আছে। ইপিনে সাজাত হামাছ নামৰ উগ্ৰপন্থী সংগঠনটোৱে নিজৰ আধিপত্য বিস্তাৰ কৰাৰ পাছত সমস্যাটোৱে জটিল ৰূপ ধাৰণ কৰে। এই যুঁজখন কিমান চলিব সেই বিষয়ে কোনোৱে ভৱিষ্যদ্বাণী কৰিব নোৱাৰে।

এতিয়া বিভিন্ন দেশৰ মাজত হোৱা সীমা বিবাদ বা ভূখণ্ড বিবাদ সমাধানৰ বাবে এটা পক্ষই আগবাঢ়ি অহাৰ সময়তে আনটো পক্ষক তৃতীয়পক্ষই উচটনি দি এনে প্ৰক্ৰিয়াত ব্যাঘাত জন্মাবলৈ চেষ্টা কৰা পৰিলক্ষিত হৈছে। কাৰণ এনেধৰণৰ সমস্যাই গা কৰি থাকিলে তৃতীয় পক্ষ লাভান্বিত হয়। এখন দেশৰ লগত সম্পৰ্ক বেয়া হোৱাৰ লগে লগে তৃতীয় পক্ষই ইয়াৰ সুযোগ লৈ ৰাজনৈতিক, সামৰিক লাভ উঠায়। খাদ্য-সামগ্ৰীৰ পৰা আৰম্ভ কৰি যুদ্ধৰ জাহাজ, ক্ষেপণাস্ত্ৰ, অস্ত্ৰ-শস্ত্ৰ আদি বিক্ৰী কৰি মুনাফা লাভৰ বাবে সুযোগ বিচাৰি থাকে। তদুপৰি খাৰুৱা তেল, প্ৰাকৃতিক সম্পদ কম মূল্যতে আমদানি কৰিবলৈও সুযোগৰ অপেক্ষাত থকা দেখা যায়। আনকি ঋণ দিও ইয়াৰ পৰোক্ষ লাভৰ বাবে ষড়যন্ত্ৰ কৰা দেশৰ সংখ্যাও কম নহ'ব। এই বিষয়বোৰ সকলোৰে আঁৰতে থাকি যায়।

# গোলকীয় উত্তাপে দহিছে সকলোকে

চীনৰ ছাংঘাইত ২০২২ চনৰ ১৪ জুলাইত ৪০.৯ ডিগ্ৰী চেলছিয়াছ উত্তাপে স্পৰ্শ কৰাৰ লগে লগে সৰ্বকালৰ সৰ্বোচ্চ গৰমৰ অভিলেখ প্ৰতিষ্ঠা হয়। বিশ্বৰ সৰ্বাধিক জনসংখ্যা থকা চহৰখনত হোৱা এনে উত্তাপে সকলোকে চিন্তিত কৰিছে। ১৮৭২ চনৰ পৰা ২০২২ চনৰ ১৪ জুলাইলৈকে গণনা কৰা উত্তাপৰ ভিতৰত সৰ্বাধিক গ্ৰীষ্মপ্ৰৱাহ হিচাপে চিহ্নিত হোৱাৰ লগে লগে এটা কথাই সকলোকে মনত ভুমুকি মাৰিছে আৰু সেয়া হ'ল— যদি এনেদৰে গৰমে দহি থাকে তেনেহ'লে মানৱ জাতিৰ কি অৱস্থা হ'ব? ২৪ নিযুত জনসংখ্যা থকা চহৰখনত মানুহে ঘৰৰ বাহিৰলৈ ওলাবলৈ সাহস কৰা নাই। সকলোৱে এছাটি মলয়া বতাহৰ বাবে কৰিছে হাহাকাৰ। কেৱল সেয়াই নহয় প্ৰচণ্ড গ্ৰীষ্ম প্ৰৱাহৰ পৰা হাত সাৰিবলৈ বাংকাৰ আদিত থাকিবলগীয়া পৰিস্থিতিৰো সৃষ্টি হৈছে। গোলকীয় উষ্ণতাৰ পৰিণতি কিমান ভয়াৱহ হ'ব পাৰে তাৰ প্ৰতিফলন চীনৰ জনবহুল চহৰখনতে প্ৰতিফলিত হৈছে। বিজ্ঞানৰ চৰম অগ্ৰগতিৰ সময়তো মানুহে এতিয়া এনেদৰে গোলকীয় উষ্ণতাক লৈ শংকিত হৈ পৰিছে। অথচ এই গোলকীয় উষ্ণতাও মানৱসৃষ্ট অশনি সংকেতৰ উৎস। ২০০৮ চনত বেইজিঙত অনুষ্ঠিত অলিম্পিক প্ৰতিযোগিতাৰ সময়ত প্ৰদূষণক লৈ সমগ্ৰ বিশ্বতে খলকনিৰ

সৃষ্টি হৈছিল। আনকি এসময়ত গ্ৰীষ্মকালীন অলিম্পিক প্ৰতিযোগিতাখনি সুকলমে অনুষ্ঠিত হ'ব নে নহয় তাক লৈও মানুহৰ মাজত আশংকা ঘণীভূত হৈছিল। জোৰা-টাপলি মাৰি কেনেবাকৈ অলিম্পিক প্ৰতিযোগিতাখনি সুকলমে সম্পন্ন কৰে যদিও চীনত এটাৰ পাছত আন এটা দুৰ্যোগ গা কৰি উঠে। যদিও চীনে বিশ্ব অৰ্থনীতিত আধিপত্য বিস্তাৰ কৰা বুলি দাবী কৰি আহিছে, তথাপি এটা কথা ঠিক যে ইয়াৰ লগে লগে বিশ্বৰ সৰ্বাধিক জনবহুল দেশখনলৈ নামি আহিছে বিপৰ্যয়।

স্পেইনত ৪৩ ডিগ্ৰী চেলছিয়াছ হৈছে উত্তাপ। বনাঞ্চলত গৰমৰ বাবেই সৃষ্টি হৈছে বনজুইৰ। এফালে উত্তাপ আৰু আনফালে গ্ৰীষ্ম প্ৰৱাহ। দেশখনৰ বিভিন্ন অঞ্চলৰ পৰা আনকি মানুহক স্থানান্তৰিত কৰিবলগীয়া পৰিস্থিতি হৈছে। মানুহে গৰমত ৰ'ব নোৱাৰি অনবৰতে পানীতে সাঁতুৰি থাকিবলগীয়া হৈছে। তদুপৰি পানীও গৰম হোৱাত সমস্যাৰ সৃষ্টি হৈছে। এনেধৰণৰ গ্ৰীষ্মপ্ৰৱাহ পিছে স্পেইনৰ বাবেই নহয় আন দেশৰ কাৰণেও চিন্তাৰ বিষয়। কিয়নো, যিমানেই গৰম হ'ব সিমানেই 'হিটষ্ট'ক' আদিৰ সমস্যায়ো গা কৰি উঠিব। ভাৰততো প্ৰতিবছৰে বহুতো লোকৰ মৃত্যু হয় গ্ৰীষ্মপ্ৰৱাহৰ বাবে। বিশেষকৈ উত্তৰ প্ৰদেশ, ৰাজস্থান, দিল্লী আদি ৰাজ্যত হিটষ্ট'কত আক্ৰান্ত হৈ মৃত্যুমুখত পৰা লোকৰ সংখ্যা কম নহ'ব।

এনেবোৰ বিষয়ত বিশেষ গুৰুত্ব দিয়া নাছিল। কাৰণ এইবোৰক লৈ সতৰ্কতামূলক জাননীও দিয়া নাছিল। এতিয়া পিছে ৰাষ্ট্ৰসংঘৰ পৰা আৰম্ভ কৰি বহুতো আন্তৰ্জাতিক সংস্থাই ৰাইজক সজাগ হ'বলৈ আহ্বান জনাইছে। কাৰণ লাহে লাহে পৃথিৱীৰ উত্তাপ বৃদ্ধি পাবলৈ ধৰিছে। আগতে যিবোৰ ঠাইত গৰম নাছিল এতিয়া সেইবোৰ ঠাইতে আতিপাত গৰম হ'বলৈ ধৰিছে। আনহাতে, এণ্টাৰ্কটিকা মহাদেশৰ দৰে শীতপ্ৰধান অঞ্চলত বৰফ গলিবলৈ ধৰিছে একমাত্ৰ গোলকীয় উষ্ণতাৰ বাবে। এই গোলকীয় উষ্ণতা হ'ল মানৱসৃষ্ট উত্তাপ। যদিহে এনেধৰণৰ উত্তাপ সৃষ্টি প্ৰতিৰোধ কৰিবলৈ সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰা নহয় তেনেহ'লে এদিন মানৱ জাতিয়ে ইয়াতকৈও ভয়াৱহ পৰিস্থিতিৰ সন্মুখীন হ'ব লাগিব। তেতিয়া সমাধানৰ পথ কোনোৱে উলিয়াব নোৱাৰিব।

এটা দশক আগলৈকে ভাৰতৰ কোনো এখন ৰাজ্যত দিনটোৰ উত্তাপ ৩৮ ডিগ্ৰী চেলছিয়াছ হ'লেই সকলোৰে চকু কপালত উঠিছিল। কাৰণ আমাৰ দেশৰ উত্তাপ ইমান হোৱা মানে সেয়া সকলোৰে বাবেই অসহনীয়। অসমত এই সংখ্যাই স্পৰ্শ কৰাৰো অভিলেখ আছে। অথচ এটা দশকৰ আগলৈকে অসমৰ ৩৩/৩৪ ডিগ্ৰী চেলছিয়াছহে উত্তাপ হৈছিল। গ্ৰীন হাউছৰ পৰা আৰম্ভ কৰি শীত-তাপ নিয়ন্ত্ৰিত যন্ত্ৰটোকে সকলোৱে মূলতঃ ইয়াৰ বাবে দায়ী। অপব্যৱহাৰৰ ফলত মানৱ জাতিয়ে নিতৌ এনে কিছু পৰিস্থিতিৰ সন্মুখীন হ'বলগীয়া হৈছে যে সেয়া বৰ্ণনা কৰি শেষ কৰিব নোৱাৰি।

গ্ৰীষ্মপ্ৰৱাহ বা গোলকীয় উষ্ণতাৰ ফলতেই সমগ্ৰ বিশ্বতেই নিতৌ নতুন ৰোগৰ সৃষ্টি হ'বলৈ ধৰিছে। শিশুৰ পৰা আৰম্ভ কৰি বয়স্কলৈকে সকলোৱে এনে কিছু সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে যে এইবোৰৰ সমাধান সোনকালে সম্ভৱ নহ'ব। আজি স্পেইনত যিধৰণৰ গ্ৰীষ্মপ্ৰৱাহৰ বলত বনজুইৰ সৃষ্টি হৈছে সেই জুইকুৰাই এদিন সকলোকে দহিব। চীনৰ দৰে পৰিস্থিতি যাতে আন দেশে সন্মুখীন হ'ব নালাগে তাৰ বাবে এতিয়াৰে পৰাই সকলোৱে পদক্ষেপ গ্ৰহণ কৰা উচিত। আনৰ গালৈ সকলো দোষ ঠেলি দি নিজৰ গাত চিকুট মাৰিবলৈ নিদিয়াৰ মানসিকতা আমি সকলোৱে পৰিহাৰ কৰিব লাগিব। ইয়াৰ বাবে বৃক্ষৰোপণেই হ'ল সৰ্বোত্তম প্ৰতিৰোধী উপায়। যেতিয়া এখন ৰাজ্যত বনাঞ্চল নিৰ্দিষ্ট পৰিমাণে থাকিব তেতিয়া গ্ৰীষ্মপ্ৰৱাহৰ সমস্যা বহু পৰিমাণে হ্ৰাস পাব। সেইবাবে সকলোৱে বৃক্ষৰোপণত গুৰুত্ব দিয়া উচিত।

# প্ৰসংগ ইউ পি এছ্‌ চি ঃ থমকি নৰয় অসমৰ মেধাৱী সন্তানে

কেইবছৰমান আগলৈকে সৰ্বভাৰতীয় প্ৰতিযোগিতামূলক পৰীক্ষাৰ লগতে কেন্দ্ৰীয় লোকসেৱা আয়োগৰ পৰীক্ষাত অসমৰ যুৱক-যুৱতীৰ সাফল্যৰ হাৰ আছিল আঙুলিৰ মূৰত লেখিব পৰা বিধৰ। পাঁচ-ছয় বছৰমানৰ মূৰকত কোনোবা এগৰাকীয়ে স্থান লাভ কৰিলেও সেয়া ৮০০ ৰেংকিঙৰ ওপৰত থাকে। মাত্ৰ দুগৰাকী প্ৰাৰ্থীয়ে প্ৰথম দহগৰাকীৰ ভিতৰত স্থান লাভ কৰিবলৈ সক্ষম হৈছিল। সেই সময়ত প্ৰায়ভাগ লোকৰ মনত এনে এক ধাৰণাই বাস কৰিছিল যে কেৱল দিল্লী, পাঞ্জাৱ, হাৰিয়ানা, বিহাৰ আদিৰ ছাত্ৰ-ছাত্ৰীয়েহে এনে পৰীক্ষাত উত্তীৰ্ণ হ'ব পাৰে। অসমৰ ছাত্ৰ-ছাত্ৰীয়ে এই সুবিধা ভাগ্যৰ বলতহে লাভ কৰে। অসমৰ ল'ৰা-ছোৱালীৰ জ্ঞানৰ অভাৱ বুলি ভাবিছিল। সময়ৰ লগে লগে এনে ধৰণৰ ধাৰণাৰ সলনি হ'বলৈ ধৰিলে যেতিয়া এবছৰতেই কেইবাগৰাকীয়ে এনেধৰণৰ সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। এটা কথা ঠিক যে পূৰ্বতে দিল্লী, বিহাৰ, উত্তৰপ্ৰদেশ, হাৰিয়ানা আদি ৰাজ্যত থকা সা-সুবিধা অসমত নাছিল। এই বিষয়বোৰ আওকাণ কৰা বাবে বহুতে মন্তব্য কৰিছিল বা ভাবিছিল যে অসমৰ ল'ৰা-ছোৱালীয়ে সৰ্বভাৰতীয় প্ৰতিযোগিতামূলক পৰীক্ষাত সহজতে উত্তীৰ্ণ হ'ব

নোৱাৰে। অৱশ্যে এইক্ষেত্ৰত ভাষাৰ সমস্যা থকা বাবে এনে ধৰণৰ পৰিস্থিতি যে নহৈছিল সেয়া ক'ব নোৱাৰি। আগতে ইণ্টাৰনেট সেৱা সীমিত আছিল। নাছিল ম'বাইলফোন, গুগল আদি। অৰ্থাৎ কেৱল কেইখনমান কিতাপ পঢ়িয়েই সাজু হ'ব লাগিছিল এনে পৰীক্ষাৰ বাবে। পিছে সেয়া যথেষ্ট নাছিল। তদুপৰি মানসিকভাৱে এনে পৰীক্ষাৰ বাবে কেনেদৰে নিজকে প্ৰস্তুত কৰিব লাগে সেই বিষয়েও কোনোৱে পৰামৰ্শ আগবঢ়াবলৈ আগুৱাই অহা নাছিল। মাত্ৰ এখন বা দুখন কিতাপ আৰু নেতিবাচক মনোভাবেৰে এনেধৰণৰ পৰীক্ষাত আগুৱাই যোৱাটো সম্ভৱ নহয় বাবেই হয়তো সাফল্যৰ গ্ৰাফডাল ঊৰ্দ্ধমুখী হোৱা নাছিল।

অসমৰ ছাত্ৰ-ছাত্ৰীয়ে এতিয়া সৰ্বভাৰতীয় পৰ্যায়ৰ যিকোনো পৰীক্ষাতেই স্থান লাভ কৰিবলৈ সক্ষম হৈছে। এয়া নৱপ্ৰজন্মৰ বাবে এক ইতিবাচক দিশ। কাৰণ এতিয়া যদি সাফল্যৰ পৰিসৰ বৃদ্ধি নহয় তেতিয়াহ'লে অসমৰ মানৱ সম্পদখিনি বহু পৰিমাণে পিছপৰি থাকিব। এখন ৰাজ্যৰ তেতিয়াহে সৰ্বাংগীণ উন্নয়ন সম্ভৱ যেতিয়া মানৱ সম্পদৰ পূৰ্ণ বিকাশ ঘটে। গতিকে অসমে এতিয়া আৰু আগৰ চিন্তা-চৰ্চাকে ধৰি থাকিলে নহ'ব। সময়ৰ স'তে খোজ মিলাই আগুৱাই যাবই লাগিব। এতিয়া ৰাজ্যখনৰ ছাত্ৰ-ছাত্ৰীসকলক প্ৰতিযোগিতামূলক মনোভাবেৰে আগুৱাই নিবলৈ ওলাই আহিছে বহুতো দল-সংগঠন আদি। বিনামূলীয়াকৈ প্ৰশিক্ষণ দিয়া, কেৰিয়াৰ কাউঞ্চেলিং আদিৰো ব্যৱস্থা কৰিছে। আনকি সম্পূৰ্ণ বিনামূলীয়াকৈ আৱাসত ৰাখিও পঢ়ুওৱাৰ ব্যৱস্থা কৰিছে। তদুপৰি গুৱাহাটী মহানগৰীৰ লগতে আন চহৰতো এনে পৰীক্ষাৰ বাবে প্ৰস্তুতি চলাবৰ বাবে কিছুমান শৈক্ষিক প্ৰতিষ্ঠানৰ জন্ম হৈছে। ইতিমধ্যে এনেধৰণৰ শৈক্ষিক প্ৰতিষ্ঠানৰ পৰা সাফল্যও অৰ্জন কৰিছে। আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয়টো হৈছে এতিয়া বহুতেই এনে প্ৰশিক্ষণ ল'বলৈ পাতিছে দীঘলীয়া শাৰী। যিমানেই একাডেমীসমূহত ভিৰ কৰিব সিমানেই এনেধৰণৰ পৰীক্ষাৰ প্ৰতি আগ্ৰহী ছাত্ৰ-ছাত্ৰীৰ বৃদ্ধি হোৱাটোৱে সূচায়। আমি আমাৰ ৰাজ্যখনত যাতে এনেধৰণৰ পৰীক্ষাৰ বাবে সাজু কৰিব পৰাৰ ব্যৱস্থা কৰিব লাগিব। হীনমন্যতাৰ পৰা সকলোকে মুক্ত কৰিবই লাগিব। আজিকালি অভিজ্ঞ শিক্ষকসকলৰ দ্বাৰা প্ৰশিক্ষণ দিয়াৰ লগতে প্ৰয়োজনত অনলাইনত

বিষয়সমূহ বিচাৰি পোৱা সহজ হৈছে। কিছুমান বিশেষ কোচিঙৰ সহায় অবিহনেই নিজেই পঢ়িয়েই সফল হৈছে। ইয়াৰ অন্যতম উদাহৰণ হৈছে সদ্যঘোষিত ইউ পি এছ চিৰ পৰীক্ষাত পঞ্চম স্থান দখল কৰা ময়ূৰ হাজৰিকা। তেওঁ নিজেই অধ্যয়ন কৰাৰ লগতে প্ৰয়োজন হ'লে অনলাইন প্ৰশিক্ষণ লোৱা বুলি উল্লেখ কৰিছে।

এইবাৰ ২৭১ স্থানত অঞ্জলি ভৰদ্বাজ, ২৯৮ স্থানত গুৱাহাটীৰ ইদুল আহমেদ, ৬১৯ স্থানত জোনাইৰ চইলেমহদৰ ৰাইফেই, ৬৬৪ স্থানত ডিমা হাচাওৰ দীক্ষা লাংথাছা, ৮৮১ স্থানত নামৰূপৰ মানসজ্যোতি দাস আৰু ৮৪৮ স্থানত বজালীৰ নিবেদিতা দাসে স্থান লাভ কৰিছে। নিঃসন্দেহে এবছৰত ৰাজ্যখনৰ সাতগৰাকী মেধাসম্পন্ন পৰীক্ষাৰ্থীয়ে উত্তীৰ্ণ হোৱাটো এক বৃহৎ সাফল্য। যিসময়ত একাংশ নৱপ্ৰজন্মৰ ল'ৰা-ছোৱালীয়ে হতাশাৰ মাজেদি আগবাঢ়ি দিক্-বিদিক হেৰুৱাই চৰম সিদ্ধান্ত গ্ৰহণ কৰিছে, সেই সময়ত এইসকল পৰীক্ষাৰ্থীয়ে প্ৰমাণ কৰি দেখুৱাইছে যে ইচ্ছা কৰিলে সাফল্য উজাৰি আনিব পাৰি। আজি এওঁলোকৰ পদাংক অনুসৰণ কৰি আন দহগৰাকীয়ে আগুৱাই যাব লাগে। কাৰণ আজিৰ এই পৃথিৱীখন ইমান দ্ৰুতগতিত আগুৱাইছে যে যদিহে ইয়াৰ স'তে খোজ মিলাই আগুৱাই যাব নোৱাৰে তেতিয়াহ'লে সাফল্যৰ দিশে অগ্ৰসৰ হোৱাটো কঠিন হৈ পৰিব।

কষ্ট কৰিলে ফলাফল আহিবই। সৰুৰে পৰা মাথোঁ লক্ষ্য স্থিৰ কৰি ল'ব লাগে। এইক্ষেত্ৰত অভিভাৱক, পিতৃ-মাতৃ, পৰিয়ালৰ আন সদস্যসকলেও সহযোগিতা আগবঢ়াব লাগিব। সৰুৰে পৰাই সন্তানক আত্মবিশ্বাসী কৰিব পাৰিলে পৰৱৰ্তী সময়ত এইবোৰে মহৌষধৰ কাম দিয়ে। আনৰ স'তে তুলনা কৰাৰ পৰিৱৰ্তে যদি সন্তানক ভাল মানুহ হোৱাৰ পথ দেখুৱাই দিয়ে তেতিয়াহ'লে নিশ্চয় সাফল্যই পিছে পিছে খেদি ফুৰিব। তদুপৰি অতিৰিক্ত চাপ দি কেৱল যে ডাক্তৰ, ইঞ্জিনিয়াৰেই হ'বলৈ বাধ্য কৰাব নালাগে। এনে চাপৰ পৰিৱৰ্তে সৰ্বভাৰতীয় পৰীক্ষাৰ বাবে প্ৰস্তুত কৰিবপৰাকৈ এখন প্লেটফৰ্ম গঢ়া উচিত।

# নৱপ্ৰজন্মক সাহিত্য সৃষ্টিৰ প্ৰতি আকৰ্ষিত কৰক সাহিত্য সভাই

সাহিত্য সভাৰ যিবোৰ লক্ষ্য তথা উদ্দেশ্য আগত ৰাখি গঠিত হৈছিল সেইবোৰৰ অন্যতম হ'ল সাহিত্য সৃষ্টি। সাহিত্য মানে বিশ্বমানৰ সাহিত্য সৃষ্টি। কাৰণ কোনো এটা জাতি জীয়াই থাকিবলৈ হ'লে প্ৰথমতে জাতিটোৰ সাহিত্য বিশ্বমানৰ হ'ব লাগিব। আজি ফৰাচী, ইংৰাজ, জাৰ্মানী, আমেৰিকানসকলে বিশ্বদৰবাৰত সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হোৱাৰ মূলতে হ'ল সাহিত্য। যি জাতি সাহিত্যত চহকী সেই জাতিৰ সন্মানো সকলোৰে ঊৰ্ধ্বত। এনেধৰণৰ সহিত্য সৃষ্টিৰ পৰিৱেশ ৰচনাত প্ৰতিখন দেশৰে সাহিত্যানুষ্ঠানৰ দায়িত্ব অধিক। সৌভাগ্যৰ বিষয় যে অসমত আজিৰ পৰা এশ বছৰ পূৰ্বে ১৯১৭ চনত গঠিত হৈছিল বিশ্বৰ অন্যতম শক্তিশালী সাহিত্যানুষ্ঠান 'অসম সাহিত্য সভা'। 'অসম সাহিত্য সভা' বুলি ক'লে প্ৰতিগৰাকী অসমীয়াৰ মূৰ দোঁৱায়। কাৰণ এই সাহিত্য সভাৰ সভাপতিৰ পৰা আৰম্ভ কৰি প্ৰধান সম্পাদকলৈ সকলো পদত অসমৰ প্ৰখ্যাত সাহিত্যিকসকলে জড়িত হৈছে। 'অসম সাহিত্য সভা' বুলি ক'লেই সকলোৰে মনত এক সুকীয়া অনুভূতি জাগ্ৰত হয়। বিশ্বত শতবৰ্ষই গৰকা সাহিত্যানুষ্ঠান সম্ভৱতঃ খুব কমসংখ্যকহে ওলাব। 'অসম সাহিত্য সভা'ই শতবৰ্ষ

গৰকাটো অসমবাসীৰ বাবে সাহিত্যৰ ক্ষেত্ৰত এক মাইলৰ খুঁটি বুলি ক'ব পাৰি।

অসম সাহিত্য সভাক লৈ মাজে-সময়ে বিতৰ্কৰ সৃষ্টি হ'লেও আমি যদি সেই দিশটো বাদ দি সাহিত্য সৃষ্টিৰ ক্ষেত্ৰখনৰ কথা ভাবো তেনেহ'লে এটা কথা স্পষ্ট হৈ পৰে যে 'অসম সাহিত্য সভা'ই অসমীয়া সাহিত্যৰ বাবে ভালেখিনি কাম কৰিছে। জাতিটোৰ অস্তিত্বৰ সংকটৰ সময়তো অসম সাহিত্য সভাই মাত মাতি আহিছে। অসমত অসমীয়াক ৰাজ্য ভাষা হিচাপে স্বীকৃতি দিয়াৰ ক্ষেত্ৰত 'অসম সাহিত্য সভা'ই দীৰ্ঘদিন ধৰি যুঁজ দিছে। কেৱল সেয়াই নহয়— অসমীয়া ভাষাৰ প্ৰসাৰ আৰু বিকাশৰ বাবে বহুতো প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ পাছতো সংগ্ৰাম অব্যাহত ৰাখিছে। সেই দৃষ্টিকোণৰ পৰা বিশ্লেষণ কৰিলে 'অসম সাহিত্য সভা' একক আৰু অনন্য।

অতিসম্প্ৰতি 'অসম সাহিত্য সভা'ই গ্ৰহণ কৰা পদক্ষেপে নৱপ্ৰজন্মক কিমান আকৰ্ষিত কৰিছে সেয়া এক জটিল বিষয়। কাৰণ আজিৰ তাৰিখত অসমত নিতৌ প্ৰায় ৫০খন গ্ৰন্থ উন্মোচন হৈ আহিছে। কবিতা পুথিৰ পৰা আৰম্ভ কৰি নাটক, গল্প, নিবন্ধ, সমালোচনা, সাধুকথা, বিয়ানাম আদিৰ পুথি প্ৰকাশ পাইছে। পিছে গোটেই বছৰৰ ভিতৰত মাত্ৰ ১০খনমান গ্ৰন্থইহে পাঠকৰ সমাদৰ লাভ কৰে। গতিকে ইয়াৰ পৰা এইটো কথা প্ৰতীয়মান হয় যে সম্প্ৰতি বিশ্বমানৰ সাহিত্য সৃষ্টিৰ গতি দ্ৰুততৰ হোৱা নাই। আন্তৰ্জাতিক পৰ্যায়ত ফেৰ মাৰিব পৰাকৈ সাহিত্য সৃষ্টি যেতিয়ালৈকে নহয় তেতিয়ালৈকে অসমৰ সাহিত্যৰ ভঁৰালো চহকী নহ'ব। অৱশ্যে ভাল কিতাপ যে সৃষ্টি হোৱা নাই তেনে নহয়, মাথোঁ সংখ্যাৰ ফালৰ পৰা এতিয়াও বহু পিছ পৰি আছে। গতিকে নৱপ্ৰজন্মক আসমীয়া সাহিত্য সৃষ্টিৰ প্ৰতি আকৰ্ষিত কৰিবলৈ এনে কিছু পদক্ষেপ গ্ৰহণ কৰিব লাগিব যে যিবোৰৰ দ্বাৰা তেওঁলোক সহজেই আকৰ্ষিত হয়।

এতিয়া 'অসম সাহিত্য সভা'ই পুৰণিকলীয়া পদ্ধতিৰে আগবাঢ়িলে অসমীয়া সাহিত্যই গতি লাভ নকৰিব। কাৰণ এতিয়াৰ যুগটোৱেই হ'ল ডিজিটেল যুগ। এই যুগৰ স'তে মিলিবলৈ হ'লে সাহিত্য সৃষ্টিৰ ধৰণো সলনি কৰিব লাগিব। অৱশ্যে ফেচবুকৰ সাহিত্যৰ কথা আমি ক'ব বিচৰা

নাই। কাৰণ আজিকালি ফেচবুকত সাহিত্য ৰচনা কৰা গৰিষ্ঠসংখ্যকৰ আসমীয়া ভাষা তথা শব্দ সম্পৰ্কে যে জ্ঞান কম সেয়া স্পষ্ট হৈ পৰে। লাগ-বান্ধ নোহোৱা কিছুমান শব্দৰে সাহিত্য সৃষ্টি কৰে। এতিয়া এইবোৰক লৈ 'ফুচবুক' সাহিত্যিকৰ গৰ্ৱই সকলো সীমা চেৰাই গৈছে। একেটা শব্দকে দহজনে দহ ধৰণে লিখে। এনে ধাৰাই অসমীয়া সাহিত্যক কিছু পৰিমাণে হ'লেও যে দুৰ্বল কৰিছে সেয়া জল্ জল্-পট্ পট্ হৈ পৰিছে। এইবোৰ প্ৰতিহত কৰিবলৈ 'অসম সাহিত্য সভা'ই বিশেষ পদক্ষেপ ল'ব লাগিব। কাৰণ অসমত যদি সাহিত্যৰ ক্ষেত্ৰত কোনো লোকে কাৰোবাৰ পৰা কথা শুনিব খোজে সেয়া একমাত্ৰ অসম সাহিত্য সভাহে।

অসমত এতিয়া ইংৰাজী মাধ্যমৰ বিদ্যালয়ৰ সংখ্যা দিনক দিনে বৃদ্ধি পাবলৈ ধৰিছে। এই মাধ্যমত অধ্যয়ন কৰা ল'ৰা-ছোৱালীক অসমীয়া সাহিত্য সৃষ্টিৰ প্ৰতি আকৰ্ষিত কৰিবই লাগিব। তাৰবাবে 'অসম সাহিত্য সভা'ই উপযুক্ত পদক্ষেপ গ্ৰহণৰ সময় আহি পৰিছে। দীৰ্ঘম্যাদী পৰিকল্পনা লৈ আগবাঢ়ি গ'লে ইয়াৰ সু-ফল নিশ্চয় লাভ কৰিব। আগতে কি হৈ গ'ল সেই কথা ভাবি থাকি লাভ নাই। দুই দশক আগলৈকে বিজ্ঞানৰ ছাত্ৰই অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিছে। এতিয়াৰ ছাত্ৰই সাহিত্য সৃষ্টিৰ বাবে আগবাঢ়ি নাহে। ইয়াৰ পৰিৱৰ্তে তেওঁলোকে নিজৰ কেৰিয়াৰ গঢ়িবৰ বাবেহে অধিক গুৰুত্ব প্ৰদান কৰে। তেওঁলোকে এয়া সময়ৰ আহ্বান বুলি কয়। যুক্তিৰ ফালৰ পৰা বিশ্লেষণ কৰিলে নৱপ্ৰজন্মৰ এই ধাৰণা একেবাৰে উলাই কৰিব নোৱাৰি। সেইবাবে 'অসম সাহিত্য সভা'ই পৰিৱৰ্তিত সময় আৰু পৰিস্থিতি তথা মনোভাবৰ স'তে খোজ মিলাই নতুন নতুন পদক্ষেপ গ্ৰহণ কৰা উচিত। মাজতে সাহিত্য সভাৰ গতি হ্ৰাস পোৱা বুলি যি অভিযোগ উঠিছিল সেইবোৰ নাশ কৰিবলৈ হ'লে অসম সাহিত্য সভাৰ সংগঠকসকলে আগভাগ ল'বই লাগিব।

বিগত সময়ত 'অসম সাহিত্য সভা'ই বহুতো পুৰস্কাৰ প্ৰদান কৰিছে। পিছে এই প্ৰতিযোগিতাৰ সংখ্যা আঙুলিৰ মূৰত লেখিব পৰাবিধৰ। সিও সাহিত্য সভাৰ অধিৱেশনৰ সময়তহে এনেধৰণৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। যদি বছৰৰ যিকোনো সময়তে অধিকসংখ্যক বঁটা আদি প্ৰদান

কৰা হয় তেনেহ'লে এইক্ষেত্ৰত সকলোৱে উৎসাহিত হ'ব। নতুন নতুন গুণসম্পন্ন লেখক-লেখিকাৰ সংখ্যাও বৃদ্ধি পাব। এনেদৰে মানসম্পন্ন লেখক-লেখিকাৰ সংখ্যা বৃদ্ধি হোৱাৰ সমান্তৰালভাৱে আন্তৰ্জাতিক বঁটা আদি লাভৰ ক্ষেত্ৰতো এখোজ আগুৱাই যাব। আমাৰ বহুতৰে মনত ভ্ৰান্ত ধাৰণা আছে যে অসমীয়া লেখক-লেখিকাই ৰাষ্ট্ৰীয় অথবা আন্তৰ্জাতিক পৰ্যায়ত বঁটা লাভ কৰিব পৰা সাহিত্য সৃষ্টি কৰিব নোৱাৰে। এতিয়া এনে হীনমন্যতাৰ অৱসান ঘটাবই লাগিব। নহ'লে অসমীয়া সাহিত্য বিশ্বৰ আন দেশৰ সাহিত্যৰ তুলনাত বহু পিছ পৰি থাকিব। কেৱল এক নিৰ্দিষ্ট পৰিসীমাৰ মাজতেই সীমাবদ্ধ থাকিব। এই পৰিসীমাৰ পৰা আমি আগবঢ়াৰ পথৰ সন্ধান কৰিলেহে যাত্ৰা সফল হ'ব।

# ভোজনালয় বৃহৎ নকৰাকৈও
# সৃষ্টি কৰিব পাৰি সাহিত্যিক

অসম সাহিত্য সভাই হওক বা সাহিত্য সভাৰ শাখাসমূহে আয়োজন কৰা অধিৰেশন সদায় গুৰুত্বপূৰ্ণ হৈ থাকক। ইয়াক আনন্দমেলা ৰূপে আয়োজন কৰিলে সন্মুখত আৰু অধিক বিপদৰ সন্মুখীন হ'ব লাগিব। আনন্দমেলা আয়োজনৰ বাবে তেনে আয়োজক বা সংগঠক আছে। এনে মেলাৰ দৰে সাহিত্য সভাৰ অধিৰেশন আয়োজন কৰাৰ কোনো যুক্তি নাই। মানুহক সাহিত্যমুখী কৰাটোৰে সাহিত্য সভাৰ উদ্দেশ্য হ'ব লাগে। সাহিত্য সভাৰ অধিৰেশনত লাখ লাখ মানুহ হ'বই লাগিব বুলি কোনো কথা থাকিব নোৱাৰে। খানা খাবলৈ যোৱা লাখ লাখ সাহিত্যপ্ৰেমীতকৈ কেইহাজাৰমান প্ৰকৃত সাহিত্যপ্ৰেমী তথা সংগঠক সমৱেত হোৱাটোৱে শ্ৰেয়। সাহিত্য সভাই এই কথা চিন্তা কৰাৰ সময় আহি পৰিছে। আনন্দমেলা আৰু সাহিত্য সভাৰ অধিৰেশনৰ মাজত আকাশ-পাতাল পাৰ্থক্য আছে। কিন্তু শেহতীয়াভাৱে জিলা পৰ্যায়ৰেই হওক অথবা কেন্দ্ৰীয় অধিৰেশনতেই নহওক কিয় মেলামুখী কৰা পৰিলক্ষিত হৈছে। ফলত ইয়াক লৈ আৰম্ভ হৈছে বিতৰ্ক। তদুপৰি সভাৰ পূৰ্বৰ দৰে গুৰুত্ব হেৰুওৱাৰ উপক্ৰম হৈছে। এনে কিছু লোক আছে যিসকলে সাহিত্যক মনে-প্ৰাণে ভাল পায় যদিও মেলালৈ যাবলৈ ভাল নাপায়। সাহিত্য সৃষ্টিৰ পৰিৱৰ্তে সুস্থ পৰিৱেশত ব্যাঘাতহে জন্মায়। সেয়েহে ভৱিষ্যতে সাহিত্য সভাই এইক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰিব বুলি আশা কৰা হৈছে। অধিৰেশনত

লাখ লাখ মানুহৰ সমাগমৰ লক্ষ্য বান্ধি লোৱাতকৈ সাহিত্যানুৰাগীৰ সংখ্যাৰ ওপৰতহে গুৰুত্ব প্ৰদান কৰা উচিত। সাহিত্য সভাৰ অধিৱেশনত কিতাপ পঢ়া, সাহিত্য সৃষ্টিৰ আনন্দ লোৱাৰ বাবে উপযুক্ত পৰিৱেশৰহে সৃষ্টি কৰিব লাগে। আনন্দমেলাসদৃশ পৰিৱেশে বাণিজ্যিকীকৰণৰ দিশেহে আগুৱাই নিয়ে, সৃষ্টিশীল পথৰ দিশো নহয়।

অসম সাহিত্য সভাৰ অধিৱেশনৰ বাবে এহেজাৰ বিঘা ভূমিৰ প্ৰয়োজন নাই। মেলা আয়োজন কৰিবলৈহে হেজাৰ বিঘা মাটিৰ প্ৰয়োজন। কেৱল চমক সৃষ্টিৰ বাবে যেতিয়া এহেজাৰ বিঘা ভূমিত অধিৱেশনৰ মঞ্চ নিৰ্মাণৰ প্ৰস্তুতি চলোৱা হয় তেতিয়া তাত সাহিত্য সম্পৰ্কীয় আলোচনাতকৈ ভোজনালয়ৰ আকাৰ আৰু খাদ্য সম্ভাৰৰ ওপৰতহে গুৰুত্ব দিয়া হয়। এক লাখ বিশ হাজাৰ লোকে খাদ্য গ্ৰহণ কৰিব পৰা ভোজনালয় নিৰ্মাণতকৈ সমসংখ্যক লোকে একেলগে কোনো সাহিত্য সম্পৰ্কীয় আলোচনাত বহিব পৰাকৈহে গৃহ নিৰ্মাণ হ'ব লাগে। ভোজনালয়ৰ বৃহৎ আকাৰে সুস্থ সাহিত্যৰ আলোচনা কৰিবলৈ পৰিৱেশ সৃষ্টি নকৰে। অধিৱেশনৰ বাবে এশ বিঘা মাটিয়েই যথেষ্ট। যিমানেই ইয়াৰ পৰিসৰ বৃদ্ধি হৈ থাকিব সিমানেই হ'ব কেৱল জটিলতা। সাধাৰণতে সাহিত্য সৃষ্টিৰ বাবে এক সুস্থ পৰিৱেশৰহে প্ৰয়োজন। যিমানেই পৰিসৰ বৃদ্ধি হৈ থাকে সিমানেই নিয়ন্ত্ৰণ কৰিব নোৱৰা পৰিৱেশৰ সৃষ্টি হয়। গ্ৰন্থমেলাৰ পৰিসৰ বৃদ্ধি কৰাতকৈ যেতিয়া দুই-তিনিটা বৃহৎ আকাৰৰ ৰান্ধনী ঘৰ আৰু খাদ্য সম্ভাৰৰ পৰিসৰ বৃদ্ধি কৰা হয় তেতিয়া ৰাইজৰ মনত প্ৰশ্ন উদয় হয় দৰাচলতে সাহিত্য সভাই মেলা নে অধিৱেশন আয়োজন কৰিছে? ৰাইজে বিচাৰে মাথোঁ সাহিত্যৰ সৃষ্টি আৰু উন্নতিৰ লগতে নৱপ্ৰজন্মক উন্নতমানৰ সাহিত্য সৃষ্টিৰ বাবে ৰচনা কৰা এটি সুস্থ পৰিৱেশৰ। সাহিত্য সভাৰ নৱপ্ৰজন্মৰ মাজত বিশ্ব বিখ্যাত সাহিত্যিকৰ সৈতে চিনাকি কৰি দিয়াৰ সমল থাকে। অৱশ্যে সাহিত্য সভাৰ মজিয়া গৰকিবলৈ নোযোৱা লোকে জনপ্ৰিয় আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত খ্যাতি লাভ কৰা সাহিত্যিক-লেখক এই মুলুকতেই জন্মিছে। মেলামুখী আৰু বিভিন্ন ক্ষেত্ৰত সঘনাই হৈ থকা বিতৰ্কৰ বাবে বহুতো সাহিত্যিকে এতিয়া সাহিত্য সভাক এৰাই চলা দেখা যায়।

সাধাৰণতে ইভেণ্ট মেনেজমেণ্টৰ মানুহে বৃহৎ সভা আদি ভালদৰে সাজিব পাৰে। তাত পৰিপাটিও হয়। কিন্তু এহেজাৰ বিঘা ভূমিত মণ্ডপ, ৰভা, প্ৰেক্ষাগৃহ

আদি নিৰ্মাণ কৰাৰ বিষয়ে এবছৰ আগৰ পৰা যি প্ৰচাৰ চলোৱা হয় সেয়া অৰ্থহীন। সাহিত্য সভাৰ স'তে জড়িত লোকসকলে ইমানো ডাঙৰ ইভেণ্ট মেনেজমেণ্টৰ কাম কৰাটো সম্ভৱ নহয়। গতিকে যিমান পৰিসৰৰ মাজত থাকি সাহিত্য সভাৰ অধিৱেশন কৰিব পাৰি সেয়াহে কৰা উচিত।

অধিৱেশনৰ বাবে উপযুক্ত পৰিকল্পনাৰ প্ৰয়োজন। যেতিয়া কোনো এখন ঠাইক সাহিত্য সভাৰ অধিৱেশন অনুষ্ঠিত কৰিবলৈ সুযোগ দিয়াৰ বাবে আবেদন জনোৱা হয়, তেতিয়া সেই আবেদনপত্ৰৰ স'তে পৰিকল্পনাও সবিশেষভাৱে উল্লেখ থকা উচিত। এই পৰিকল্পনাৰ ওপৰত ভিত্তি কৰি কেন্দ্ৰীয় সমিতিয়ে সিদ্ধান্ত গ্ৰহণ কৰিব লাগে। কেন্দ্ৰীয় সমিতিয়েও এক নিৰ্দিষ্ট বাজেটৰ ভিতৰত সাহিত্য সভাৰ অধিৱেশন সমাপ্ত কৰিবলৈ নিৰ্দেশ দিয়া উচিত। কেন্দ্ৰীয় সমিতি আৰু আয়োজক সমিতিৰ মাজত এইক্ষেত্ৰত যদি কেনেবাকৈ মনোমালিন্য হয়, তেনেহ'লে অধিৱেশন পণ্ড হ'ব। ভালদৰে পৰ্যবেক্ষণ আৰু আলোচনাৰ পিছতহে ক'ত আৰু কাক অধিৱেশন অনুষ্ঠিত কৰিবলৈ অনুমতি দিব তাত সিদ্ধান্ত ল'ব লাগে। এনেবোৰ বিষয়ত গুৰুত্ব দিয়াৰ সময় আহি পৰিছে। নিৰ্দিষ্ট বাজেটতকৈ অধিক ধন ব্যয়ৰ নীতি সংকোচন কৰিবই লাগিব। ডাঙৰ ডাঙৰ বেনাৰ-হৰ্ডিঙৰ প্ৰয়োজন নাই। কাৰণ সাহিত্য সভা অসমত বসবাস কৰা প্ৰতিগৰাকী লোকৰ হৃদয়ত আছে। ইয়াৰ বাবে বিজ্ঞাপনৰ কোনো প্ৰয়োজন নাই।

সাহিত্য সভাৰ মূল মঞ্চৰ সন্মুখত দৰ্শকৰ অভাৱ। কিন্তু সাংস্কৃতিক সন্ধিয়াত হাজাৰ হাজাৰ লোক। যিহেতু সাহিত্য সভাত সাহিত্য বিষয়ক আলোচনাতহে গুৰুত্ব দিব লাগে সেয়েহে সাংস্কৃতিক সন্ধিয়া মুখ্য বিষয় হ'ব নোৱাৰে। এতিয়া নামতহে সাহিত্য সভাৰ অধিৱেশন। চৌদিশে কেৱল বাণিজ্য মেলা, আনন্দমেলাসদৃশ পৰিৱেশ। সাহিত্য সৃষ্টিৰ নামত যেন অপসংস্কৃতিকহে অধিক গুৰুত্ব দিয়া হৈছে। সাংস্কৃতিক সন্ধিয়াৰ নামত কিমান ধন ব্যয় হ'ল তাক লৈ গৰ্ব কৰাতকৈ সেই ধনেৰে কোনো এখন ভিতৰুৱা অঞ্চলত এটি গ্ৰাম্য পুথিভঁৰাল স্থাপনতহে গুৰুত্ব দিয়া উচিত। সাহিত্য সভাৰ অধিৱেশনক বাণিজ্যিকীকৰণৰ পৰা মুক্ত কৰিবই লাগিব। নহ'লে ভৱিষ্যতে নৱপ্ৰজন্মক এই অধিৱেশনলৈ আগুৱাই অনাত ব্যাঘাত জন্মিব। নৱপ্ৰজন্মক পদ্মনাথ গোহাঞি বৰুৱাৰ দিনৰ সাহিত্য সভাৰ পৰা বৰ্তমানলৈ যি বিৱৰ্তন হ'ল তাৰ সজীৱ চিত্ৰ এখন উপস্থাপন কৰিবই লাগিব।

# নৱপ্ৰজন্মৰ বাবে আজাদী কী অমৃত মহোৎসৱৰ গুৰুত্ব

ভাৰতে এইবাৰ স্বাধীনতা দিৱসৰ ৭৫সংখ্যক মহোৎসৱ পালন কৰিব। ১৫ আগষ্টৰ ঐতিহাসিক দিনটোত দেশখনে বৃটিছ ঔপনিৱেশিকৰ পৰা মুক্ত হৈছিল। হেজাৰ হেজাৰ ভাৰতীয়ৰ কেঁচা তেজেৰে লিখা আছে স্বাধীনতাৰ সোণোৱালী অধ্যায়। এসময়ত বৃটিছৰ সূৰ্য ডুব নোযোৱা হৈছিল। সময় আৰু পৰিস্থিতিৰ বাবে বৃটিছে এসময়ত সকলো দেশৰ পৰাই টালি-টোপোলা বান্ধিবলগীয়া হৈছিল। বৃটিছৰ লক্ষ্য আছিল ভাৰতৰ সম্পদ। এই সম্পদসমূহ নিজ দেশলৈ নিবলৈ কিযে কৰা নাছিল। সেয়েহে শোষক আৰু লুণ্ঠনকাৰী বৃটিছক খেদিবলৈ ভাৰতীয়সকলে কঁকালত টঙালি বান্ধি যুঁজ দিছিল। ইয়াৰ বাবে প্ৰয়োজন হৈছিল এখন জাতীয় পতাকাৰ। বিভিন্ন পৰীক্ষা-নিৰীক্ষা আৰু প্ৰক্ৰিয়াৰ মাজেৰে ১৯৪৭ চনৰ ১৫ আগষ্টত এখন স্থায়ী পতাকা লাভ কৰিবলৈ সক্ষম হয়। এই ত্ৰিৰংগ পতাকাক লৈ আজি দেশবাসীয়ে গৌৰৱবোধ কৰে। জাতীয় পতাকাখন দেখিলেই সকলোৰে গৌৰৱবোধ কৰাই নহয় ইয়াৰ সন্মান ৰক্ষাৰ বাবে সদায় সতৰ্ক হৈ থাকে।

এইবাৰ দেশে ৭৫সংখ্যক স্বাধীনতা দিৱস পালন কৰিব। এই ঐতিহাসিক ক্ষণটোত ভাৰতে লাভ কৰিলে এগৰাকী জনজাতীয়

মহিলাক ৰাষ্ট্ৰপতিৰ ৰূপত। দেশৰ দ্বিতীয়গৰাকী মহিলা ৰাষ্ট্ৰপতি হ'লেও জনজাতি মহিলা হিচাপে এই সন্মান লাভ কৰাত দেশৰ চৌপাশে উৰিছে জাতীয় পতাকা। সি যি নহওক, সমগ্ৰ দেশতে এইবাৰ এই বিশেষ ক্ষণটো পালনৰ বাবে বছৰজোৰাকৈ অনুষ্ঠিত হৈছে 'আজাদী কী অমৃত মহোৎসৱ'। বিগত এবছৰ ধৰি এই মহোৎসৱ পালন কৰি নৱপ্ৰজন্মৰ মাজত দেশপ্ৰেমৰ ভাব জগাই তুলিবলৈ চেষ্টা কৰা হৈছে। কাৰণ নৱপ্ৰজন্মৰ মাজত এতিয়াও দেশপ্ৰেমৰ বাবে সচেতনতাৰ অভাৱ হৈছে। কাৰণ তেওঁলোকক স্বাধীনতা দিৱস যে এটা উৎসৱ নহয়, ই ভাৰতীয়ৰ আস্থা সেই কথা বুজাই দিয়াৰ সময় আহি পৰিছে। কাৰণ এইসকলে যেতিয়া পৰৱৰ্তী সময়ত দেশৰ সু-নাগৰিক হৈ ভাৰতৰ নাম ৰাখিব তেতিয়া এইবোৰ বিষয়তো নিশ্চয় ভাল জ্ঞান থাকিব লাগিব।

দেশৰ জাতীয় পতাকাক সকলোৱে সন্মান কৰে। ইয়াত কাৰো দ্বিমত নাই। কাৰণ দেশ এখনৰ পৰিচয় জাতীয় পতাকাখনতেই থাকে। মহাকাশৰ বুকুলৈ গৈ যিখন দেশে জাতীয় পতাকা উৰুৱাব পাৰিছে সেইখেন দেশে গৌৰৱেৰে ক'ব পাৰিছে বিজয়ৰ কথা। বিজয় নিচানে যেন দেশৰ সাফল্যকেই প্ৰতিফলিত কৰে। আমি ত্ৰিৰংগা কেনেদৰে প্ৰস্তুত কৰিব লাগে আৰু উত্তোলনৰ সময়ত কোনবোৰ দিশত গুৰুত্ব প্ৰদান কৰিব লাগে সেই বিষয়ে নৱপ্ৰজন্মই ভালদৰে জনা উচিত। পিছে বছৰৰ মূৰত এদিন এনেধৰণৰ শিক্ষা দিলে শিকিব নোৱাৰে। সেই বাবে স্বাধীনতাৰ ৭৫ বছৰ উপলক্ষে চৰকাৰে অনুষ্ঠিত কৰিছে 'আজাদী কী অমৃত মহোৎসৱ'। এই মহোৎসৱত দেশৰ প্ৰতিটো প্ৰান্তৰ লোক আৰু প্ৰতিখন ঠাইক সামৰি অনুষ্ঠানসমূহ আয়োজন কৰা হৈছে। আটাইতকৈ গুৰত্বপূৰ্ণ বিষয় এয়ে যে 'এই আজাদী কী অমৃত মহোৎসৱ'ত শিশুৰ পৰা বৃদ্ধলৈকে সকলোৱে অংশগ্ৰহণৰ সুযোগ লাভ কৰিছে। সকলোৱে স্বতঃস্ফূৰ্তভাৱে অংশগ্ৰহণ কৰাৰ ফলত নৱপ্ৰজন্মই উপলব্ধি কৰিব পাৰিছে স্বাধীনতাৰ অৰ্থ।

এইবাৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মাদী আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই যি পদক্ষেপ গ্ৰহণ কৰিছে সেয়া নিশ্চয় প্ৰশংসনীয়। প্ৰধানমন্ত্ৰী মোদীয়ে এইবাৰ তিনিদিনীয়াকৈ সকলোকে চৰকাৰী, বে-চৰকাৰী কাৰ্যালয়, শিক্ষানুষ্ঠান, অনুষ্ঠান-প্ৰতিষ্ঠান আৰু সকলোৰে ঘৰত জাতীয় পতাকা উৰুৱাবলৈ আহ্বান জনাইছে। তদুপৰি প্লাষ্টিকৰ পৰিৱৰ্তে কপাহী কাপোৰেৰে পতাকা প্ৰস্তুতৰ বাবে সকলোকে আহ্বান জনাইছে। কাৰণ দেশৰ স্বাধীনতা দিৱসত সদায় কপাহী কাপোৰেৰে প্ৰস্তুত কৰা পতাকাহে

উত্তোলন কৰা হয়। কিন্তু বহুতে এই কথা উপলব্ধি কৰিব নোৱাৰি দেখাক দেখি প্লাষ্টিকৰ পতাকা উৰুৱাই গৌৰৱবোধ কৰে। এয়া সকলোৰে বাবে অপমানজনক বিষয়। জাতীয় পতাকাক অসন্মান কৰাৰ অধিকাৰ কাৰোৰে নাই। এনে কৰিলে আনকি জে'লৰ ভাত খাবলগীয়া পৰিস্থিতিৰো সৃষ্টি হয়। ভাৰতীয় সংবিধানে কোনো নাগৰিককে এই অধিকাৰ দিয়া নাই। তদুপৰি উত্তোলন কৰাৰ সময়তো কোনোৱে যদি নিয়ম মানি নচলে বা অসন্মান কৰে তেতিয়াও তেনে ব্যক্তিয়ে কাঠগড়াত থিয় দিব লাগিব।

এইবাৰ দেশৰ বিভিন্ন প্ৰান্তত ভাৰতীয় পতাকা প্ৰস্তুতৰ বাবে চলিছে অঘোষিত প্ৰতিযোগিতা। অসমত এই প্ৰতিযোগিতাত অৱতীৰ্ণ হৈছে আত্মসহায়ক গোটসমূহ। তদুপৰি ব্যক্তিগতভাৱেও বহুতেই জাতীয় পতাকা প্ৰস্তুতৰ বাবে আগভাগ লৈছে। দিনে-নিশাই পতাকা প্ৰস্তুত কৰিছে 'আজাদী কী অমৃত মহোৎসৱ'ৰ বাবে। এইবাৰ যেন পুনৰ প্ৰাণ পাই উঠিব চৌদিশ। কিছু বছৰ আগলৈকে এটা দলৰ মুষ্টিমেয় এটা শ্ৰেণীৰ মাজতহে স্বাধীনতা দিৱস আবদ্ধ আছিল। ইও আছিল আভিজাত্যৰ প্ৰতীক। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দায়িত্বভাৰ গ্ৰহণ কৰাৰ পাছৰে পৰাই এই ধাৰণা সলনি কৰিলে। এতিয়া সকলো শ্ৰেণীৰ লোকেই এই দিৱসত মুকলিভাৱে অংশগ্ৰহণ কৰাৰ সুযোগ পাইছে। এইবাৰ অমৃত মহোৎসৱত দেশৰ প্ৰতিটো প্ৰান্তৰ স্বাধীনতা সেনানীৰ লগতে তেওঁলোকৰ পৰিয়ালক সম্বৰ্ধনা জ্ঞাপন কৰা হৈছে। ইমান দিনে এই পৰিয়ালসমূহক কোনোৱে সন্মান জনোৱা দূৰৈৰে কথা— অঞ্চলসমূহত চিনিও পোৱা নাছিল। এই বঞ্চিত পৰিয়ালসমূহে এতিয়া অন্ততঃ গৌৰৱেৰে ক'ব পাৰিছে তেওঁলোকৰ পৰিয়ালৰ স্বাধীনতা আন্দোলনৰ গৌৰৱময় বিষয়ৰ কথা।

বিগত পাঁচ বছৰত বিভিন্ন অঞ্চলৰ পথ তথা উপপথসমূহ নামকৰণ দেশমাতৃৰ বাবে প্ৰাণ আহুতি দিয়া ছহিদসকলৰ নামত হৈছে। এয়া সঁচাকৈয়ে দেশবাসীৰ বাবে গৌৰৱৰ বিষয়। আগতে এনেধৰণৰ পথ তথা ঐতিহাসিক স্থান বা কীৰ্তিচিহ্ন আদিৰ নাম একোটা পৰিয়লৰ সদস্যৰ নামত কৰা হৈছিল। এইবাবে অমৃত মহেৎসৱে এই সকলোবোৰ সলনি কৰিলে। দেশবাসীৰ বাবে এয়া ইতিবাচক দিশ বুলি ক'ব লাগব। কাৰণ দেশৰ বাবে প্ৰাণ আহুতি দিয়া বীৰ ছহিদসকলক স্মৰণৰ লগতে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিবলৈ হ'লে তেওঁলোকৰ নাম সোণালী আখৰেৰে লিখিবই লাগিব।

# হীনমন্যতাৰ পৰিধি ভাঙি জিনিছে জগত

অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলে শেহতীয়াভাৱে বিশ্ব ক্ৰীড়াংগণত এক বিশেষ স্থান লাভ কৰিবলৈ সক্ষম হৈছে। বিশেষকৈ বিগত পাঁচ বছৰত অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহে ৰাষ্ট্ৰীয় তথা আন্তৰ্জাতিক পৰ্যায়ত দেখুওৱা প্ৰদৰ্শনৰ বাবে আজি চৰ্চাৰ কেন্দ্ৰবিন্দু হৈছে। কেইবছৰমান আগলৈকে ভাৰতীয় ক্ৰীড়াংগণৰ অৱহেলিত হৈ থকা অসম তথা উত্তৰ-পূৰ্বাঞ্চলে আজি বিশ্ব ক্ৰীড়াংগণত এক বিশেষ স্থান লাভ কৰিবলৈ সক্ষম হৈছে। সৰ্বাতোকৈ উল্লেখনীয় দিশ হৈছে এসময়ত বিশ্বৰ কথা বাদেই— ভাৰতীয় ক্ৰীড়াংগণৰ অৱহেলিত অসমত গঢ়ি উঠিছে বিশ্বমানৰ কেইবাখনো ষ্টেডিয়াম। কোনো এটা অঞ্চল বা দেশৰ উন্নয়নৰ ক্ষেত্ৰত ক্ৰীড়াই বিশেষ ভূমিকা গ্ৰহণ কৰিব পাৰে। যিকোনো বিশ্বকাপ অনুষ্ঠিত হোৱা দেশসমূহে এই কথাকে প্ৰমাণ কৰিছে।

কেইবাদশক আগলৈকে ক্ৰিকেটৰ বাবে সকলোৱে আগ্ৰহী আছিল যদিও অসমত চাৰি-পাঁচ বছৰৰ মূৰত এখন আন্তৰ্জাতিক মেচ অনুষ্ঠিত হৈছিল। সিও দুৰ্বল দেশৰ ভাৰত ভ্ৰমণ থাকিলেহে এনে মেচ অনুষ্ঠিত হৈছিল। গুৱাহাটীৰ নেহৰু ষ্টেডিয়ামেই আছিল এনে খেল অনুষ্ঠিত কৰাৰ একমাত্ৰ ষ্টেডিয়াম। এইখন ষ্টেডিয়ামতেই বৰদলৈ ট্ৰফীৰ পৰা আৰম্ভ

কৰি সন্তোষ ট্ৰফী আদি খেল অনুষ্ঠিত হৈছিল। আনকি হকী খেলৰো সেই একেখনেই ষ্টেডিয়াম আছিল বাবে খেলপথাৰখনত আন্তৰ্জাতিক মেচ বা প্ৰতিযোগিতা আয়োজন আছিল প্ৰত্যাহ্বান। এনে প্ৰত্যাহ্বান নেওচিয়েই আয়োজকসকলে খেল আয়োজন কৰিছিল। এতিয়া পিছে এই দৃশ্যপটৰ সলনি হ'ল। বৰ্ষাপাৰাত আন্তৰ্জাতিক মানৰ এখন ধুনীয়া ক্ৰিকেট ষ্টেডিয়াম হ'ল। সৰুসজাইত আন্তৰ্জাতিক পৰ্যায়ৰ এথলেটিক, সাঁতোৰ, হকী, ফুটবল, লন্ টেনিছ, বেডমিণ্টন আদি খেল আয়োজন কৰিব পৰা কেইবাখনো উন্নত আধুনিক সা-সুবিধাযুক্ত ষ্টেডিয়াম নিৰ্মাণ হোৱাত শেহতীয়াভাৱে দেশবাসীৰ দৃষ্টি নিবদ্ধ হৈছে উত্তৰ-পূৰ্বাঞ্চল, বিশেষকৈ অসমত। এতিয়া ভাৰতীয় ক্ৰিকেট ব'ৰ্ডৰ পৰা আৰম্ভ কৰি হকী ফেডাৰেচন, ফুটবল ফেডাৰেচন অৱ ইণ্ডিয়া আদিৰ উপৰি বক্সিং, বেডমিণ্টন আদি সংস্থাই ৰাষ্ট্ৰীয় প্ৰতিযোগিতাৰ উপৰি আন্তৰ্জাতিক প্ৰতিযোগিতাৰ যিকোনো খেল অনুষ্ঠিত কৰিবলৈ অসমক নিৰ্বাচিত কৰা হৈছে। এতিয়া সঘনাই বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত হ'বলৈ ধৰিছে। এয়া নিঃসন্দেহে অসমবাসীৰ বাবে এক গৌৰৱৰ বিষয়। এটা দশক আগলৈকে অসমত সঘনাই এনেধৰণৰ আন্তৰ্জাতিক পৰ্যায়ৰ খেল অনুষ্ঠিত কৰিবলৈ ৰাজ্যখনৰ বিভিন্ন খেলৰ মুৰব্বী সংস্থাসমূহেও সাহস কৰিব পৰা নাছিল। এখন প্ৰতিযোগিতা অনুষ্ঠিত কৰিবলৈ গৈ কপালৰ ঘাম মাটিত পেলাবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছিল। আনকি কেতিয়াবা এখোজ আগুৱাই গৈ দুখোজ পিছুৱাই আহিবলগীয়া হোৱা বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। এনেবোৰ জঠৰতা এতিয়া আৰু নাই। কিয়নো, অতিসম্প্ৰতি অসমত প্ৰায়বোৰ খেল অনুষ্ঠিত কৰিব পৰাকৈ উন্নতমানৰ খেলপথাৰৰ লগতে সা-সুবিধাও উপলব্ধ।

শেহতীয়াভাৱে অসমৰ কেইবাগৰাকী খেলুৱৈয়ে ৰাষ্ট্ৰীয় পৰ্যায়ৰ লগতে আন্তৰ্জাতিক ক্ষেত্ৰতো উজলি উঠিবলৈ সক্ষম হৈছে। তদুপৰি বিভিন্ন খেলৰ ৰাষ্ট্ৰীয় অভিভাৱক সংস্থাসমূহৰো ভিন্ন পদত অধিষ্ঠিত হ'বলৈ সক্ষম হৈছে। প্ৰথমতে আহিছোঁ খেলুৱৈৰ প্ৰসংগলৈ। হিমা দাসে বিশ্ব এথলেটিকচ্ চেম্পিয়নশ্বিপত স্বৰ্ণপদক লাভ কৰাৰ পাছত লাভলীনা বৰগোহাঁয়ে অলিম্পিকত ব্ৰঞ্জৰ পদক বুটলিবলৈ সক্ষম হয়। শেহতীয়াভাৱে অসম

ক্ৰিকেট সন্থাৰ প্ৰাক্তন সম্পাদক দেৱজিৎ শইকীয়াই ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডৰ যুটীয়া সম্পাদকৰ পদত অধিষ্ঠিত হ'বলৈ সক্ষম হৈছে। বিচিচিআইত ইয়াৰ পূৰ্বে কোনো এগৰাকী অসমীয়াই এনে পদত অধিষ্ঠিত হ'বলৈ সক্ষম হোৱা নাই। এয়া অসমবাসীৰ বাবে নিশ্চয় সুখবৰ।

আগতে অসমক এক হীন দৃষ্টিৰে চোৱা হৈছিল একমাত্ৰ অসমৰ পৰা ওলোৱা প্ৰতিভাক উপযুক্তভাৱে ৰাষ্ট্ৰীয় পৰ্যায়লৈ সঠিক পথেৰে আগুৱাই নিব নোৱৰা হেতুকে। এনে বহুতো খেলুৱৈ আছে (বৰ্তমান অৱসৰ লৈছে) যিসকলক উপযুক্তভাৱে আগুৱাই নিব পাৰিলে ৰাষ্ট্ৰীয় আৰু আন্তৰ্জাতিক পৰ্যায়ত উজলি উঠিব পাৰিলেহেঁতেন। একো একোটা প্ৰতিভাৰ অকাল মৃত্যু হোৱাৰ বাবেই অসমক ইমান দিনে এনে দৃষ্টিৰে চোৱা হৈছিল। এতিয়া পিছে সময় সলনি হ'ল। অসমৰ খেলুৱৈ তথা ক্ৰীড়া সংগঠনসকলেও প্ৰমাণ কৰি দেখুৱালে যে তেওঁলোকো দেশৰ আন ৰাজ্যৰ খেলুৱৈ তথা সংগঠনতকৈ কোনোগুণে কম নহয়। হীনমন্যতাৰ পৰিধিৰ পৰা ওলাই গৈ কেৱল ৰাষ্ট্ৰীয় পৰ্যায়তেই সীমাবদ্ধ নাথাকি আন্তৰ্জাতিক ক্ষেত্ৰত দক্ষতাৰ বিকাশ ঘটাই অসমক প্ৰতিষ্ঠিত কৰিবলৈ সক্ষম হৈছে। এতিয়া অসমক বাদ দি ভাৰতীয় ক্ৰীড়াংগণৰ ছবি অংকন সম্ভৱ নহয়। নৱপ্ৰজন্মৰ বাবে এয়া এক শক্তিশালী বাৰ্তা। অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ আন ৰাজ্য কেইখনেও সগৌৰৱে ক'ব পাৰিছে— 'আমিও জগত জিনিব পাৰোঁ'।

# মৰ্ত্যৰ সৰগ বাৰাণসীৰ বিশ্বনাথ মন্দিৰত এভুমুকি

২০২৩ চনৰ ২৬ জুনত আবেলি ৩:২০ বজাত বিমানেৰে গুৱাহাটীৰ পৰা বাৰাণসীলৈ যাত্ৰা কৰোঁ আধুনিক ৰূপত সজোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সপোনৰ চহৰখন দৰ্শনৰ উদ্দেশ্যে। যাত্ৰাৰ দুঘণ্টামান পাছতে বাৰাণসীৰ লাল বাহাদুৰ শাস্ত্ৰী আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত উপস্থিত হ'লোঁ। এই বিমানবন্দৰটোত উপস্থিত হোৱাৰ লগে লগে মনত এক অজান অনুভূতিয়ে খুন্দিয়ালে। ইমান সুন্দৰকৈ সজোৱা হৈছে এই বিমানবন্দৰটো। এই বিমানবন্দৰটো বাটপুৰত অৱস্থিত। বাৰাণসীৰ পৰা উত্তৰ পশ্চিমে ২৬ কিলোমিটাৰ আঁতৰত অৱস্থিত এই বিমানবন্দৰটো ২০০৫ চনৰ আগলৈকে বাৰাণসী বিমানবন্দৰ নামেৰে জনাজাত আছিল। সেই বৰ্ষৰ অক্টোবৰ মাহত বিমানবন্দৰটোৰ নাম সলনি কৰি লাল বাহাদুৰ শাস্ত্ৰী কৰা হয়। ২০২০ চনত এই বিমানবন্দৰটোৱে 'এছিয়া পেছিফিক' শ্ৰেষ্ঠ বিমানবন্দৰৰ সন্মান লাভ কৰিবলৈ সক্ষম হৈছিল। এয়াৰপ'ৰ্ট কাউঞ্চিল ইণ্টাৰনেচনেলে এই সন্মান প্ৰদান কৰিছিল। বছৰি ইয়াৰপৰাই ২-৫ নিযুত লোকে বিভিন্ন ঠাইলৈ উৰা মাৰে। বিমানৰপৰা নামি আমি পূৰ্বৰেপৰা আমাক আদৰিবলৈ উপস্থিত হোৱা টেক্সিখনত উঠিলো। ছয় শাৰীযুক্ত ৰিং ৰোডেৰে বাৰাণসী কাশী বিশ্বনাথ মন্দিৰলৈ যাত্ৰা কৰিলোঁ। এই পথেৰে যাত্ৰা কৰিলে মনত এনে ভাব হয় যেন কোনো

পশ্চিমীয়া উন্নত দেশৰ ৰাস্তাৰেহে গতি কৰা হৈছে। পথৰ মাজত ফুলৰপৰা আৰম্ভ কৰি ঔষধি গছ। সৌন্দৰ্যৰে ভৰপূৰ হৈ আছে এই পথৰ মাজভাগ। পূৰ্বৰ তুলনাত এই পথেৰে এতিয়া গতি কৰাসকলেহে অনুভৱ কৰিব পাৰে যে কিবা পৰিৱৰ্তন হৈছে। এই পথেৰে গ'লে এটা কথা স্পষ্টকৈ ক'ব পাৰি যে যিকোনো বিশ্বৰ আগশাৰীৰ শ্ৰেষ্ঠ মহানগৰীৰ পথৰ স'তে তুলনা কৰিব পাৰি। চাৰিওফালে কেৱল সৌন্দৰ্যই সৌন্দৰ্য।

আমাৰ উদ্দেশ্য আছিল বাৰাণসীৰ কাশী বিশ্বনাথ মন্দিৰ দৰ্শন কৰা। যিকোনো হিন্দু ধৰ্মাৱলম্বী লোকৰেই এই মন্দিৰ দৰ্শনৰ বাবে থাকে সপোন। এই সপোন বাস্তৱত ৰূপায়িত কৰিবলৈ সকলোৱে চেষ্টা কৰে। বাৰাণসীৰ অন্যতম তীৰ্থস্থানসমূহৰ ভিতৰত অন্যতম হ'ল কাশী বিশ্বনাথ মন্দিৰ। ইয়াক স্বৰ্ণ মন্দিৰ নামেৰেও আখ্যা দিয়া হয়। শিৱৰ মন্দিৰটোলৈ নিতৌ শ-শ লোকৰ আগমন ঘটে। আমি পূৰ্বৰে পৰা ঠিক কৰি থোৱা মন্দিৰৰ সমীপৰ যাত্ৰী নিবাস 'জয়পুৰীয়া'ত উপস্থিত হ'লোঁ। এই যাত্ৰী নিবাসটোত ভক্ত-দৰ্শনাৰ্থীয়ে থাকিবলৈ সকলো সা-সুবিধা উপলব্ধ। ভাৰতৰ ১২ জ্যোতিৰ্লিংগৰ ভিতৰত অন্যতম কাশী বিশ্বনাথ মন্দিৰ দৰ্শনৰ বাবে আহিলে এই যাত্ৰী নিবাসটোত কোনো অসুবিধা নোহোৱাকৈ থাকিব পাৰি। খোৱা-বোৱাৰপৰা আৰম্ভ কৰি থকালৈকে সকলো সা-সুবিধাৰ সুন্দৰ উপলব্ধ।

সন্ধিয়া চহৰখন পৰিভ্ৰমণৰ বাবে ওলালো। গংগাৰ পাৰত সন্ধিয়া আৰতি দিয়ে। এই আৰতি চাবলৈকে বহু লোকৰ সমাৱেশ ঘটে। কিছুমান লোকে কেৱল গধূলিৰ এই মনোমোহা দৃশ্য উপভোগৰ বাবেই উপস্থিত হয়। গ্ৰীষ্মৰ সময়ত নিতৌ ৬:৩০ বজাত এই আৰতি আৰম্ভ কৰে। ৪৫ মিনিট সময় সূৰ্যাস্তৰ পাছত এই আৰতি দিয়া হয়। আনহাতে শীতকালত সন্ধিয়া ৭ বজাত আৰম্ভ ঘটে। দশশ্বমেধ ঘাটত এই আৰতি সকলো ভক্তৰেই আকৰ্ষণৰ কেন্দ্ৰবিন্দু। গংগা নদীক পূজা কৰি সন্তুষ্ট কৰাৰ উদ্দেশ্যেই এইদৰে আৰতি দিয়া হয়। এই আৰতিত সন্তুষ্ট হৈ নদীমাতৃয়ে সকলোৰে মংগল হ'বলৈ আশীৰ্বাদ দিয়ে। জয়পুৰীয়াত নিশাৰ আহাৰ গ্ৰহন কৰি শুই পৰিলোঁ। কাৰণ মন্দিৰ দৰ্শনৰ বাবে পুৱা চাৰি বজাতেই উঠিব লাগিব। আগতে বন্দোৱস্তি কৰি থোৱা পূজাৰী এজনে আমাক পুৱাই যাত্ৰী নিবাসৰপৰা লৈ গ'ল।

মন্দিৰটোত সোনকালে দৰ্শনৰ বাবে আগতীয়াকৈ টিকটৰ ব্যৱস্থা কৰি থ'লে সুবিধা হয়। নহ'লে দীঘলীয়া শাৰী পাতিব লাগে। আমি আগতে টিকট বুক কৰি থোৱা বাবে মন্দিৰত প্ৰৱেশ কৰাৰ সুবিধা সোনকালে পালো। মন্দিৰত প্ৰৱেশ কৰাৰ লগে লগে 'অভিষেক' কৰিলো। মূল মন্দিৰৰ ভিতৰত পূজা-অৰ্চনা কৰি মনটো খুৱেই পৱিত্ৰ লাগিল। ইয়াৰ পাছতেই মন্দিৰৰ চাৰিওফালে পৰিদৰ্শন কৰিলোঁ। ইমান সুন্দৰ পৰিৱেশ, পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ কথা ক'বই নালাগে। কাৰণ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰতিনিধিত্ব কৰা এই সমষ্টিটোত স্বচ্ছ ভাৰত অভিযানৰ এক উৎকৃষ্ট নিদৰ্শন বুলি ক'ব লাগিব। গংগা নদীৰ পাৰৰপৰা আৰম্ভ কৰি নতুনকৈ সজোৱা মন্দিৰটো পৰিদৰ্শন কৰি মনত কেনেকুৱা লাগিছিল সেয়া বৰ্ণনা কৰাটো কঠিন বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। আগতে মন্দিৰটোৰ চাৰিওফালে বেদখল আছিল। এতিয়া সেইবোৰৰ পৰিৱৰ্তে ধুনীয়াকৈ সজোৱা হৈছে। প্ৰধানমন্ত্ৰীয়ে আৰম্ভ কৰা নতুন কৰিড'ৰৰ লগতে মুকলি সভাগৃহও পৰিদৰ্শন কৰিলোঁ।

উত্তৰ প্ৰদেশৰ আকৰ্ষণীয় স্থানসমূহৰ ভিতৰত অন্যতম কাশী বিশ্বনাথ মন্দিৰ। গংগাৰ পাৰৰ এই মন্দিৰটোৰ নিৰ্মাণ সন্দৰ্ভত বহুতো কাহিনী পোৱা যায়। তথ্য অনুসৰি ১৪৯০ত এই মন্দিৰটো আৱিষ্কাৰ কৰা হৈছিল। ইন্দোৰৰ ৰাণী অহল্যাবায়ে পুনৰ নিৰ্মাণ কৰা বুলিও তথ্য পোৱা যায়। বাৰাণসী কৰিড'ৰে কাশী বিশ্বনাথ মন্দিৰৰপৰা গংগা নদীক সংযোগ কৰিছে। ২৮৬ বছৰৰ পাছত মন্দিৰটোৰ পুনৰ সুন্দৰ ৰূপত সজাই তোলা হৈছে একমাত্ৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ একক প্ৰচেষ্টাৰে। পাঁচ লাখ বৰ্গমিটাৰ এই কৰিড'ৰটোৱে মন্দিৰটোৰ সৌন্দৰ্য পূৰ্বৰ তুলনাত ভালেখিনি বৃদ্ধি কৰিছে।

এই মন্দিৰটো দৰ্শন কৰাৰ পাছত দুৰ্গা মন্দিৰলৈ গ'লো। এই দুৰ্গা মন্দিৰটোক দুৰ্গা দুন্ত মন্দিৰ হিচাপেও জনা যায়। নাটোৰৰ ৰাণী ভৱানীয়ে ১৮ শতিকাতে এই মন্দিৰটো নিৰ্মাণ কৰিছিল। ইয়াতেই দুৰ্গা পূজাৰ সময়ত নৱৰাত্ৰি পালন কৰা হয়। বাৰাণসীৰ ভেলপুৰত এইটো মন্দিৰ অৱস্থিত। জনশ্ৰুতি অনুসৰি এই মন্দিৰৰ দেৱীক প্ৰতিষ্ঠা কৰা নাছিল। দেৱী দুৰ্গাৰ ইয়াতেই আৱিৰ্ভাৱ হৈছিল। সংকটমোচন পথত নিৰ্মিত মন্দিৰটো তুলসী

মায়ম মন্দিৰৰ পৰা ২৫০ মিটাৰ উত্তৰে অৱস্থিত। আনহাতে, সংকটমোচন মন্দিৰৰ পৰা ইয়াৰ দূৰত্ব উত্তৰ-পূবে ৭০০ মিটাৰ। ইয়াৰ পৰা বাৰাণসী হিন্দু বিশ্ববিদ্যালয়লৈ দূৰত্ব ১.৩ কিলোমিটাৰ।

বাৰাণসীতে আছে সংকটমোচন হনুমান মন্দিৰ। এই মন্দিৰটো নিৰ্মাণ কৰিছিল কবি সাধু শ্ৰীগোস্বামী তুলসীদাসে। তেওঁ ১৬ শতিকাতে এই বিখ্যাত মন্দিৰটো নিৰ্মাণ কৰিছিল। ইয়াত ভক্তৰ নানা বাঞ্ছা পূৰণ হয়। ইয়াৰ বেচনৰ লাড়ু ভক্তৰ আকৰ্ষণৰ অন্যতম উৎস। ৰামচৰিত মানসৰ স্ৰষ্টা তুলসী দাসে মন্দিৰটো নিৰ্মাণ কৰাৰ পাছত ভক্তৰ সোঁত ব'বলৈ ধৰে। এই মন্দিৰটোত হনুমান চালিচা পঢ়াৰ সময়ত আজিও নিতৌ হাজাৰ হাজাৰ ভক্তৰ সমাৱেশ ঘটে। তুলসী মানস মন্দিৰ বা সংকটমোচন মন্দিৰৰ সমীপতে আছে আন এক আকৰ্ষণীয় ত্ৰিদেৱ মন্দিৰ। এইটো মন্দিৰত আছে ৰাণীসতী, শ্যাম বাবা আৰু হনুমানৰ মূৰ্তি। এইকেইটা মন্দিৰলৈ গ'লে যি অনুভৱ হয় সেয়া শব্দৰে প্ৰকাশ কৰিব নোৱাৰি।

মন্দিৰ দৰ্শন কৰি বাৰাণসীৰ বিখ্যাত কচুৰি চব্‌জীৰ সোৱাদ ল'লোঁ। ইয়াৰ সোৱাদেই বেলেগ। তদুপৰি ব্যৱসায়ীসকলেও তীৰ্থযাত্ৰী আৰু পৰ্যটকক কেনেদৰে ব্যৱহাৰ কৰিব লাগে সেয়া ভালদৰে জানে। আন্তৰ্জাতিক পৰ্যায়ৰ এটা স্থানত এনেধৰণৰ ব্যৱসায়ীসকলেও তেওঁলোকৰ মনোভাৱ উন্নত কৰাটো অতিকৈ প্ৰয়োজনীয় বুলি বাৰাণসীৰ ব্যৱসায়ীসকলৰ পৰাই অনুমান কৰিব পাৰি। ২৭ জুনৰ দুপৰীয়া ১২:৪০ বজাত বিমানত উঠিলোঁ। দিনৰ ২:৪০ বজাত গুৱাহাটীত উপস্থিত হ'লোঁ।

বাৰাণসীৰ সুন্দৰ আৰু স্বচ্ছ পৰিৱেশে যিকোনো লোককে আকৰ্ষিত কৰিব পাৰে। সেইবাবে বিশ্বৰ বিভিন্ন প্ৰান্তৰ পৰা নিতৌ হেজাৰ হেজাৰ ভক্ত আৰু পৰ্যটকৰ ইয়ালৈ আগমন ঘটে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ গৃহ সমষ্টিৰ পৰাই এতিয়া প্ৰতিফলিত হৈছে স্বচ্ছ ভাৰতৰ নিদৰ্শন। ভাৰতৰ আন ৰাজ্যয়ো এনেদৰে বিখ্যাত তীৰ্থস্থানসমূহৰ উন্নতি কৰি যাত্ৰী তথা পৰ্যটকক আকৰ্ষণ কৰিব পাৰিলে নিশ্চয় পৰ্যটক তথা তীৰ্থযাত্ৰীৰ পৰা বছৰি কোটি কোটি টকাৰ ৰাজহ সংগ্ৰহ কৰিব পাৰিব। তদুপৰি সেই স্থানসমূহৰ উন্নয়নৰ লগতে নিবনুৱা সমস্যাৰো কিছু পৰিমাণে সমাধান হ'ব।

# হেৰাই গ'ল গৰম বন্ধৰ আনন্দ

ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰিয় শব্দকেইটাৰ ভিতৰত অন্যতম হ'ল 'গৰম বন্ধ'। মানে গ্ৰীষ্মকালীন বন্ধ। গৰম দিনত বিদ্যালয়-মহাবিদ্যালয়সমূহ এমাহ অথবা ৪০ দিনমান গৰম বন্ধ দিয়াৰ নিয়ম দীৰ্ঘদিনৰ পৰাই চলি আহিছে। প্ৰচণ্ড গ্ৰীষ্ম প্ৰবাহৰ সময়ত যাতে ছাত্ৰ-ছাত্ৰীসকলৰ স্বাস্থ্য ঠিকেই থাকে আৰু কোনোধৰণৰ সমস্যা (শাৰীৰিক)ৰ সৃষ্টি নহয় তাৰ প্ৰতি লক্ষ্য ৰাখিয়েই এনেদৰে বন্ধ দি অহা হৈছে। তদুপৰি দীঘলীয়া অধ্যয়নৰ সময়ত কিছুদিনৰ বাবে বিশ্ৰামৰো প্ৰয়োজন হয়। এই সকলোবোৰ দিশৰ প্ৰতি লক্ষ্য ৰাখি গৰম বন্ধ দিলেও শিক্ষাৰ্থীৰ বাবে পিছে এইখিনি আনন্দৰহে সময়। এনে আনন্দৰ মাদকতা শিক্ষাৰ্থীৰ বাহিৰে আনে অনুভৱ কৰিব নোৱাৰে।

এতিয়া শিক্ষাৰ্থীয়ে গৰম বন্ধৰ আনন্দ ভালদৰে উপভোগ কৰিব নোৱাৰিলেও আগৰ ছাত্ৰ-ছাত্ৰীৰ বাবে এই দিনকেইটা আছিল ছাত্ৰ জীৱনৰ অন্যতম দিন। আগতে ম'বাইলৰ প্ৰচলন নাছিল। টিভি আদিও গাঁৱৰ এঘৰ-দুঘৰতহে আছিল। গাড়ী-মটৰ আদিও আছিল তেনেই সীমিত। সেইবাবে এই সময়ত সকলো ছাত্ৰ-ছাত্ৰীৰে একমাত্ৰ লক্ষ্য

আছিল গৰমৰ বন্ধত আত্মীয়ৰ ঘৰলৈ ফুৰিবলৈ যোৱাটো। বিশেষকৈ মামা-পেহীৰ ঘৰলৈ ফুৰিবলৈ যোৱাটোৱে আছিল প্ৰধান লক্ষ্য। ইয়াৰ মাজতে কিছুমানে ভ্ৰমণলৈ ওলাইছিল পিতৃ-মাতৃয়ে চাকৰি কৰাৰ সুবাদত। গাঁৰৰ ল'ৰা-ছোৱালীৰ গুৱাহাটীলৈ ফুৰিবলৈ অহাটো আছিল বিশেষ আকৰ্ষণ। গুৱাহাটীলৈ ফুৰিবলৈ অহাৰ পৰিকল্পনা কৰিলে চকুত টোপনি নাহিছিল। মনত কেৱল ৰঙীন সপোন। তদুপৰি গৰম বন্ধ খোলাৰ পাছত বিদ্যালয়লৈ গৈ লগ-সমনীয়াৰ আগত গুৱাহাটী ভ্ৰমণৰ কথা কৈ অন্ত পেলাব নোৱৰাৰ আনন্দ আছিল সুকীয়া।

গৰম বন্ধত বিদ্যালয় বন্ধ থাকিলেও বন্ধৰ দিনা কিমানখিনি 'হোমৱৰ্ক' দিয়ে সেয়া লিখা আৰু পঢ়াটোও আছিল অন্যতম কাম। কাৰণ গৰম বন্ধ খোলাৰ দিনাই এইবোৰ লিখা আৰু হাতৰ কাম আদি শিক্ষক-শিক্ষয়িত্ৰীৰ হাতত জমা নিদিলে বেতৰ কোব অথবা কাণত ধৰি সকলোৱে সন্মুখত থিয় হৈ থাকিব লাগিছিল। দুই দশকমান আগৰ এনে ছাত্ৰ-ছাত্ৰী খুব কমেই ওলাব যিয়ে কাণত ধৰা নাছিল অথবা শিক্ষক-শিক্ষয়িত্ৰীৰ বেতৰ কোব খোৱা নাছিল। এনেদৰে কোব খোৱা ছাত্ৰ-ছাত্ৰী এতিয়া দেশৰ একো এগৰাকী সু-নাগৰিক। বহুতেই নিজে অধ্যয়ন কৰা বিদ্যালয়খনত শিক্ষক-শিক্ষাৰ্থীৰ ৰূপত অৱতীৰ্ণ হৈছে। এতিয়া তেওঁলোকেই গৰম বন্ধৰ আনন্দ লৈছে। মুঠৰ ওপৰত যিসকলে আগতে গৰম বন্ধৰ আনন্দ উপভোগ কৰিছিল তেওঁলোকেহে বুজিব পাৰিব ইয়াৰ মাদকতা।

আজিৰ পৰিস্থিতিত গৰম বন্ধৰ সংজ্ঞাও হৈছে সলনি। বিশেষকৈ ক'ভিডকালীন পৰিস্থিতিৰ পাছত ইয়াৰ সংজ্ঞা সলনি কৰিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষ বাধ্য হৈছে। আনহাতে, প্ৰাকৃতিক দুৰ্যোগৰ বাবেও গৰম বন্ধৰ সময় সলনি কৰিবলৈ বাধ্য হোৱা বুলিলেও অত্যুক্তি কৰা নহ'ব। আগতেও গৰম বন্ধৰ সময়ত বানপানী হৈছিল। গৰম বন্ধৰ আগে আগে ছয় মাহিলি পৰীক্ষা সম্পন্ন হয়। এতিয়া পিছে প্ৰাকৃতিক দুৰ্যোগ, বিশেষকৈ বানপানীৰ বাবেহে আগতীয়াকৈ এনে বন্ধৰ আয়োজন কৰিবলগীয়া হৈছে। তদুপৰি ক'ভিডকালীন পৰিস্থিতিৰ বাবে শিক্ষাবৰ্ষৰ সময় সলনি কৰিবলগীয়াও হৈছে। সেয়েহে গৰম বন্ধৰ প্ৰক্ৰিয়াতো ইয়াৰ প্ৰভাৱ পৰিছে। বিগত দুবছৰত

যিসকল শিশুৱে বিদ্যালয়ত নামভৰ্তি কৰিছে তেওঁলোকে গৰম বন্ধৰ আনন্দ উপভোগ কৰিব পৰা নাই। দোষ শিশুসকলৰ নহয়, সময় আৰু পৰিৱৰ্তিত পৰিস্থিতি। পৰিৱৰ্তন আৰু পৰিৱৰ্তিত পৰিস্থিতিৰ স'তে খোজত খোজ মিলাই আগবাঢ়িবই লাগিব। নহ'লে শিক্ষা গ্ৰহণ আৰু শিক্ষণ প্ৰক্ৰিয়াত জন্মিব ব্যাঘাত।

গৰম বন্ধত বহুতো নতুন কথা শিকে। নতুন পৰিৱেশৰ স'তে চিনাকি হয়। সেইবোৰ পাছত উন্নতিৰ জখলাডালত বগাওঁতেই সহায়ক হৈ পৰে। তদুপৰি বয়স বাঢ়ি যোৱাৰ লগে লগে ইয়াৰ স্মৃতিয়ে মন পুলকিত কৰে। সেইবোৰ আনৰ আগত প্ৰকাশ কৰি ভাল পায়। অৱশ্যে এতিয়া পিতৃ-মাতৃৰ কৰ্মব্যস্ততাৰ লগতে কেৰিয়াৰ গঢ়াৰ মনৰ বাবে গৰম বন্ধৰ মাদকতা নোহোৱা হৈছে। গৰম বন্ধৰ দিনকেইটাতো সন্তানক বিভিন্ন বিষয়ত জ্ঞান লাভৰ বাবে হেঁচা প্ৰয়োগ কৰে। বহুতে এই দিনকেইটাত বিৰক্তি অনুভৱ কৰিবলৈ বাধ্য হৈ পৰে। হেঁচা নোহোৱাকৈ কিবা শিকাৰ পৰিৱৰ্তে এই সময়ছোৱাতো নিজকে বিদ্যালয় খোলা থকাতকৈ বেছি ব্যস্ত ৰাখিবলগীয়া হয়।

আগতে গৰম বন্ধৰ সময়ত নৱম-দশম শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ ক্লাছ বা শিকোৱাৰ এক মানসিকতা আছিল শিক্ষক-শিক্ষয়িত্ৰীৰ। কোনো জটিল বিষয়ৰ বিশেষ অধ্যায়সমূহ যাতে শিক্ষাৰ্থীয়ে সহজেই আয়ত্ত কৰিব পাৰে তাৰ বাবে এক পাঠদানৰ ব্যৱস্থা কৰা হৈছিল। ইয়াৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকল উপকৃতও হৈছিল। বিশেষকৈ মেট্ৰিকৰ বাবে সাজু হোৱাসকলে এইখিনি সময়ত এনেধৰণৰ শিক্ষা গ্ৰহণৰ জৰিয়তে পৰীক্ষাত ভাল ফলো দেখুৱাবলৈ সক্ষম হয়। দুখীয়া ছাত্ৰ-ছাত্ৰীসকলক এনেধৰণৰ শিক্ষাদানেৰে উপকৃত কৰিব পাৰি। এতিয়া পিছে এনেধৰণৰ ছবি দেখিবলৈ পোৱা নাযায়। বিনামূলীয়াকৈ পাঠদান কৰা শিক্ষকৰ এতিয়া অভাৱ বুলি ক'লেও অত্যুক্তি কৰা নহ'ব।

গৰম বন্ধৰ নেতিবাচক দিশ নাই। যি আছে ইতিবাচক দিশেই থকা বুলি ক'ব লাগিব। বহুতে আগতে এই সময়ত পথাৰত খেতি কেনেদৰে কৰে সেই বিষয়ে জানিব পাৰিছিল। কাৰণ এই সময়ত প্ৰায়ভাগ লোকেই

খেতিপথাৰ সাজু কৰে ধান ৰুবৰ বাবে। আগতে প্ৰায়সংখ্যক পৰিয়ালতে খেতি কৰাৰ প্ৰতিযোগিতা চলিছিল। এনে প্ৰতিযোগিতাত পৰোক্ষভাৱে ল'ৰা-ছোৱালীকো সাঙুৰি লৈছিল। ইয়াৰ উদ্দেশ্য এটাই আছিল পঢ়াৰ সমান্তৰালভাৱে যাতে ব্যৱহাৰিক জ্ঞানো অৰ্জন কৰিব পাৰে। আত্মনিৰ্ভৰশীল হোৱাৰ বাবে প্ৰেৰণা যোগায়।

গৰমৰ বন্ধত গাঁৱৰ প্ৰায়সংখ্যক ল'ৰা-ছোৱালীয়ে দুপৰীয়াৰ সময়ত গছৰ তলত খেলা-ধূলা কৰাৰ কথা এতিয়াৰ ছাত্ৰ-ছাত্ৰীয়ে বুজি নাপাব। কেঁচা আম কলৰ পাতত কাটি লৈ নিমখ-জলকীয়াৰে খোৱাৰ আনন্দ আছিল বেলেগ। এইবোৰ আনন্দ উপভোগৰ সুবিধা লাভ নকৰাসকলে গৰম বন্ধৰ আমেজ বুজি নাপাব। কাৰণ আজিৰ শৈশৱ আৰু কৈশোৰ বন্দী পিতৃ-মাতৃৰ কেৰিয়াৰ গঢ়াৰ সপোনৰ হাঁতোৰাত। এই পৰিধিৰ পৰা পৰিত্ৰাণ পোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা এতিয়া আঙুলিৰ মূৰত লিখিব পৰা বিধৰ। আনহাতে, কিছুমান পৰিস্থিতিৰ বাবে এতিয়া গৰম বন্ধৰ সময়ো সলনি কৰিবলগীয়া হৈছে। বিগত দুবছৰ ধৰি সৃষ্টি হোৱা ক'ভিডকালীন পৰিস্থিতিৰ বাবে এতিয়া গৰম বন্ধৰ আনন্দও যেন লাহে লাহে হ্ৰাস পাবলৈ ধৰিছে। পৰিস্থিতি আৰু কাৰণ যিয়েই নহওক— পিতৃ-মাতৃয়ে সন্তানক গ্ৰীষ্ম বন্ধৰ সময়ৰ আনন্দ উপভোগ কৰিবলৈ সুযোগ দিয়া উচিত। কাৰণ অপৈণত মনক এক নিৰ্দিষ্ট পৰিসীমাৰ মাজত আবদ্ধ কৰি ৰখাৰ পৰিণাম কিমান ভয়াৱহ হ'ব পাৰে সেয়া হয়তো কোনোৱে কল্পনা কৰিব নোৱাৰে।

# সুৰাবিহীন বনভোজথলীত স্বচ্ছ ভাৰত অভিযান

শীতৰ লগে লগে বনভোজকাৰী দলৰ সংখ্যা বৃদ্ধি পায়। অসমৰ লগতে চুবৰীয়া ৰাজ্যৰ সীমামূৰীয়া অঞ্চলত নির্দিষ্ট বনভোজৰ বাবে মুকলি কৰা স্থানত এনেবোৰ দলৰ আগমন ঘটে। পূর্বৰ তুলনাত এতিয়া বনভোজ খোৱা ঠাইৰ পৰিসৰ বৃদ্ধি পালে। দুর্গম ঠাইবোৰতো এতিয়া বনভোজ বা 'পিকনিক স্পট' মুকলি কৰা হৈছে। এতিয়া বনভোজৰ বাবে সর্বোত্তম সময়। জানুৱাৰীৰ শেষলৈকে বনভোজকাৰী দলৰ সোঁত বৈয়েই থাকে। এতিয়া যাতায়াত আৰু অধিক উন্নত হোৱাত এনে সংখ্যা বৃদ্ধি পোৱাটো স্বাভাৱিক কথা। পিছে সকলোবোৰ স্বাভাৱিক কথা হ'লেও এইবোৰৰ মাজতেই লুকাই আছে কিছুমান গুৰুত্বপূর্ণ বিষয়। বিশেষকৈ, বনভোজৰ নামত কৰা উদ্ভণ্ডালিয়ে সকলোকে চিন্তিত কৰে। কিয়নো, আজিকালি নৱপ্রজন্মৰ বাবে বনভোজ মানে বন্য উল্লাস বা মাদক দ্রব্য সেৱন কৰি অপ্রীতিকৰ পৰিস্থিতিৰ সৃষ্টি কৰা। ফলত বহুতো অঘটন সংঘটিত হয়। আনকি দুর্ঘটনা, মাৰপিট কৰাৰ ফলত বহুতে অকালতে প্রাণ হেৰুৱাবলগীয়া হয়। আনন্দৰ নামত মৃত্যুৰ কিৰীলি কেতিয়াও কোনো লোকৰেই কাম্য নহয়।

সেয়েহে এইবাৰ এনেধৰণৰ ঘটনা প্ৰতিৰোধ কৰিবলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সকলোকে আহ্বান জনাইছে। এইক্ষেত্ৰত আৰক্ষী তথা স্থানীয় প্ৰশাসনক সতৰ্ক হ'বলৈ নিৰ্দেশ দিছে। বনভোজকাৰী দলৰ চালক তথা পৰিচালক আদিয়ে যাতে কোনো কাৰণতে মাদক বা নিচাজাতীয় সামগ্ৰী সেৱন কৰিব নোৱাৰে তাৰ বাবে প্ৰশাসনক কঠোৰ পদক্ষেপ গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিছে। বিগত বৰ্ষৰ অন্তিম দিনটোত অৰ্থাৎ ২০২১ চনৰ ৩১ ডিচেম্বৰৰ লগতে পহিলা জানুৱাৰীত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পথ দুৰ্ঘটনা প্ৰতিৰোধ কৰিবলৈ যি পদক্ষেপ গ্ৰহণ কৰিছিল সেয়া আছিল সঁচাকৈয়ে প্ৰশংসনীয় কাৰ্য। কাৰণ বছৰৰ অন্তিমটো দিনৰ লগতে পহিলা জানুৱাৰীতে সাধাৰণতে পথ দুৰ্ঘটনাৰ লগতে মাৰপিটৰ বাবে বহুতো লোকে প্ৰাণ হেৰুওৱাৰ ঘটনা সংঘটিত হয়। বিশেষকৈ ৩১ ডিচেম্বৰৰ নিশা, পহিলা জানুৱাৰী, মাঘ বিহুৰ সময়ত এনে ধৰণৰ ঘটনা সংঘটিত হয়। যদি আমি ইয়াৰ কাৰণ বিশ্লেষণ কৰো তেনেহ'লে প্ৰায়ভাগ ক্ষেত্ৰতে সুৰাই দায়ী বুলি চিহ্নিত হয়। নিয়ম অনুসৰি কোনো লোকেই সুৰাপান কৰি গাড়ী চলাব নোৱাৰে। এনে কৰিলে জৰিমনা বিহা হয়। পিছে এনে বহু লোক আছে— যিসকলে জৰিমনা ভৰিবলৈ কুণ্ঠাবোধ নকৰে। তেওঁলোকে সুৰাপান কৰিয়েই গাড়ী চলায়। এইসকল লোকেই দৰাচলতে নিজৰ লগতে আনৰ জীৱনলৈও সংশয় নমাই আনে। বিগত বৰ্ষত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কৰা আহ্বানৰ প্ৰতি সকলোৱে সঁহাৰি জনোৱাত দুৰ্ঘটনাৰ সংখ্যা অতি কম আছিল বুলিয়েই ক'ব লাগিব। এদিন কিয়, আমি সকলোৱে সদায় সুৰা সেৱন নকৰাকৈ গাড়ী চলোৱাৰ প্ৰতিজ্ঞা কৰিব নোৱাৰো কিয়? ইচ্ছা কৰিলে নোৱৰাৰ কোনো কথা নাই।

বনভোজৰ আনন্দ সকলোৱেই লওক। এদিনৰ বাবে হ'লেও সকলো ব্যস্ততা তথা দুখ পাহৰি বনভোজস্থলীত এসাঁজ আনন্দ মনে খোৱাৰ হেঁপাহ। পিছে আমি বনভোজ খালেই নহ'ব, বনভোজস্থলী আদি পৰিষ্কাৰ কৰিও ৰখাৰ মানসিকতাৰে আগুৱাব লাগিব। প্ৰাকৃতিক ভাৰসাম্য ৰক্ষা কৰিবলৈ পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰখাটোও সকলোৰে দায়িত্ব। এটা দলে বনভোজ খোৱাৰ পিছত সেই ঠাইখিনি পৰিষ্কাৰ কৰি নাৰাখিলে পিছৰ দলটোৱে সেই ঠাইলৈ গৈ কেৱল কদৰ্যময় পৰিবেশত খাদ্য গ্ৰহণ কৰিব লাগিব। তদুপৰি

পানী আদিত লেতেৰা বস্তু বা খাদ্যৰ অৱশিষ্টখিনি পেলাই দিয়াৰ ফলত পানী প্ৰদূষিত হোৱাৰ আশংকা থাকে। এনে কৰিলে মাছ-কাছ আদিৰ প্ৰতিও ভাবুকি কঢ়িয়াই আনিব। প্ৰাকৃতিক ভাৰসাম্য ৰক্ষা কৰাৰ সময় আহি পৰিছে। বিশ্বায়নৰ যুগত ইয়াৰ প্ৰভাৱ সকলোতে পৰিছে। পৃথিৱীখন প্ৰদূষণমুক্ত কৰিবলৈ হ'লে সকলোৱে সতৰ্কতা অৱলম্বন কৰিবই লাগিব। আমাৰ সমাজত এনে বহু লোক আছে— যিসকলে কেৱল নিজৰ কথাটোহে শুদ্ধ বুলি ভাবে। নিজে পতা জালত যে নিজেই বন্দী হ'ব পাৰে সেই কথা এবাৰো ভাবি নাচায়। সেয়েহে এনেধৰণৰ লোকৰ বাবে আজি বনভোজস্থলীতো ঠাইখিনি পৰিষ্কাৰ কৰি ৰাখিবলৈ ছাইনব'ৰ্ড, হ'ৰ্ডিং আদি দিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে।

পুৰণি বছৰটোক বিদায় দিয়া আৰু নৱবৰ্ষক আদৰাৰ প্ৰাক্‌ক্ষণত সুৰাপায়ী চালক আদিৰ বিৰুদ্ধে অভিযান চলাবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনোৱাৰ পিছত এই প্ৰক্ৰিয়াৰ গতি দ্ৰুততৰ হৈছে। সমাজ সচেতক লোকসকলে এইবোৰ দিশত সদায় ইতিবাচক ভূমিকা গ্ৰহণ কৰি আহিছে। গতিকে আমি সকলোৱে ক্ষুদ্ৰ কথাবোৰ গুৰুত্বসহকাৰে ল'বই লাগিব। সকলোৱে বনভোজলৈ যাওক। সুৰাপান কৰি বন্য উল্লাস প্ৰদৰ্শনৰ পৰিৱৰ্তে লগ-সমনীয়া, পৰিয়ালৰ সদস্যসকলৰ স'তে বনভোজলৈ যাওক। ভালদৰে ঘৰলৈ উভতি অহাৰ কথাহে ভাবিব লাগে।

# নৱবৰ্ষৰ সংকল্প আৰু এখন জীয়া ছবি

নৱবৰ্ষক আদৰাৰ নামত চৌদিশে আৰম্ভ হৈছে প্ৰস্তুতি। এটা বছৰক বিদায় দি আন এটা বছৰক আদৰিবলৈকে বিশ্বৰ বিভিন্ন প্ৰান্তৰ আৰম্ভ হোৱা প্ৰস্তুতি নতুন বিষয় নহয়। ইতিহাসে ঢুকি নোপোৱা দিনৰে পৰাই নতুন বছৰক আদৰাৰ নামত আনন্দ কৰি অহা হৈছে। দেশ তথা অঞ্চল ভেদে এটা আনন্দৰ বহিৰ্প্ৰকাশ ভিন্ন। ইংৰাজী নৱবৰ্ষ পালনক লৈ বিভিন্ন কাহিনীও প্ৰকাশিত হৈ আছে। কাহিনী যিয়েই নহওক— সকলোবোৰ সময়ক লৈয়ে জড়িত। কাৰণ সময়ৰ গতিক বাদ দি কোনো মানুহে আগুৱাই যাব নোৱাৰে। এয়া প্ৰকৃতিৰ নিয়ম বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। সময়ৰ পাখি লগা ডেউকাত উঠি বিশ্বব্ৰহ্মাণ্ড প্ৰত্যক্ষ কৰিলেও মানুহে সদায় নতুনক আদৰিবলৈ উদগ্ৰীৱ হৈ থাকে। কাৰণ নতুনৰ মাজতেই বিচাৰি পোৱা যায় সৃষ্টিৰ অফুৰন্ত সমল। যদি আমি বছৰটোৰ অন্তিম আৰু শেষৰ কথা নাভাবো তেনেহ'লে সময়ৰ গতিও মন্থৰ হৈ পৰিব। সেইবাবে সকলোৱে ৩১ ডিচেম্বৰ নিশা এটা নতুন বছৰৰ বাবে আনন্দ উল্লাস কৰে। সময়ৰ কোনো নতুন-পুৰণি নাই। অৰ্থাৎ সময় পুৰণি নহয়। মাথোঁ সময়ক অধিক গতিশীল আৰু দ্ৰুত

কৰিবলৈহে এনেদৰে পুৰণি বছৰক বিদায় দি নতুন বছৰক আদৰাৰ বাবে প্ৰস্তুতি চলোৱা হয়।

প্ৰায়সংখ্যক লোকেই নতুন বছৰত সংকল্প গ্ৰহণ কৰে। এই সংকল্পবোৰ জানো বাস্তৱত ৰূপায়িত হয়? কিছুমানৰ এনে সংকল্প পূৰণ হয় বা কৰিবলৈ সদায় প্ৰস্তুত থাকে। বছৰৰ অন্তিম দিনটোত এবছৰৰ ভিতৰত নিজৰ প্ৰতিজ্ঞা আৰু সাফল্যৰ হিচাব-নিকাচ কৰা লোকৰ সংখ্যাও আঙুলিৰ মূৰত লিখিব পৰা বিধৰ। বছৰৰ নতুন বা পহিলা দিনটোতেই যে সংকল্প গ্ৰহণ কৰিব লাগিব তেনে কোনো কথা নাই। কিয়নো, যদি সংকল্প গ্ৰহণ কৰিব লাগে বুলিয়ে ভাবি এনে কৰে তেনেহ'লে সেয়া বাস্তৱত ৰূপায়িত হোৱাৰ সম্ভাৱনা কম। সেইবাবে বছৰৰ এটা বিশেষ দিনৰ কথা নাভাবি সদায় এটা ইতিবাচক মানসিকতাৰে খোজ পেলালে সকলোৱে ঈপ্সিত লক্ষ্যত উপনীত হ'ব পাৰে। সকলোৰে মাজত নতুন বছৰটোত কি কি কৰিব তাক লৈ খুব চৰ্চা হোৱা দেখা যায়। সময়ৰ ৰণুৱা ঘোঁৰাৰ পিঠিত উঠি বছৰৰ প্ৰতিটো দিনেই সকলোখিনি কৰা সম্ভৱ বুলি দৰাচলতে জ্ঞানশূন্য লোকেহে ভাবিব পাৰে।

প্ৰতিগৰাকী ব্যক্তিৰ বাবে প্ৰতিটো পুৱাই একোটা নতুন দিনৰ আশা কঢ়িয়াই আনে। সুযোগসন্ধানী লোকসকলে ইয়াৰ সদ্ব্যৱহাৰ কৰে। আন কিছুমানে মৰুভূমিত মৰীচিকা বিচৰাৰ দৰে বিচাৰি ফুৰে। সূৰুযৰ প্ৰভাতী কিৰণে সকলোৰে জীৱনলৈ কিবা নহয় কিবা আশাত বন্দী হোৱাৰ বিষয় কঢ়িয়াই আনে। বছৰটোত কিমান বিফল হ'ল সেই বিষয়বোৰ কোনোবাই বছৰৰ প্ৰথম দিনটোত ভাবেনে? নিশ্চয় নাভাবে। সেই দিনটোত এইবোৰ হিচাব-নিকাচ কৰাৰ পৰিৱৰ্তে নতুন বছৰৰ বাবে সংকল্প গ্ৰহণত ব্যস্ত হয়। এনেদৰে সময় আহে আৰু যায়। সময়ৰ বালিত পোত গৈ থাকে সংকল্পবোৰ।

নতুনক আদৰি লোৱাটো সকলো মানুহৰে ইচ্ছা। কাৰণ নতুনত্বইহে সকলোৰে জীৱনলৈ সুখৰ সম্ভাৰ কঢ়িয়াই আনে। দৰাচলতে নতুনৰ স'তে সুখ জড়িত থাকে বুলি ভাবিয়েই প্ৰতিগৰাকী ব্যক্তিয়ে সদায় নতুনৰ প্ৰতি আকৰ্ষিত হয়। সেয়েহে সকলোবোৰ আশা বাস্তৱত ৰূপায়িত কৰিবলৈকে নৱবৰ্ষক আঁকোৱালি লয়। মানুহৰ ভাগ্যচক্ৰ এদিনতেই ঘূৰিলে সদায় সংগ্ৰাম কৰিব নালাগিলহেঁতেন। তদুপৰি নতুন বছৰৰ পহিলা দিনটোতেই ভাগ্যচক্ৰ

সলনি নহয়। সেইবাবে নতুন বছৰ বাবে সংকল্প লোৱাৰ মানসিকতাৰ সলনি সদায় প্রতিটো দিনকে নতুন বুলি ভাবিবলৈ ল'লে কিবা আশা কৰিব পাৰি।

সংকল্প-পৰিকল্পনা বিষয়বোৰৰ পৰিসৰ সীমিত নহয়। সংকল্পত পৰিসৰ সীমিত হ'লে মানুহে কাম কৰা বাবে এখন বহল ক্ষেত্ৰ লাভ নকৰিব। মানুহক সদায় এখন বহল পৰিসৰৰহে প্ৰয়োজন। এনে পৰিসৰৰ মাজত থাকিলে উন্নতিৰ জখলাডাল চুটি হয়। আনহাতে, সংকল্পৰ পৰিসৰবোৰ সদায় সুপৰিকল্পনাৰে নিৰ্ধাৰণ কৰিব লাগে। আৱেগতকৈ বাস্তৱক প্ৰাধান্য দিলেহে বাস্তৱৰ ছবিখন ইতিবাচক হয়। নতুন বছৰটো মানুহে ইতিবাচকভাৱে আগুৱাই যোৱাৰ পৰিকল্পনা কৰা উচিত। সাধাৰণতে দৈনন্দিন জীৱন যাপনত দেখা যায় যে আৱেগতকৈ বাস্তৱৰ ওপৰত গুৰুত্ব দিয়া লোকসকলে বছৰটোৰ শেষৰফালে এবছৰত লাভ কৰা সফলতা-বিফলতাবোৰ হিচাব কৰে। তেওঁলোকে বছৰটোত লাভ কৰা সফলতাতকৈ কিমানখিনি ব্যৰ্থ হৈছে অথবা ক'ত কেৰোণ লাগিছে সেইবোৰৰ বিশ্লেষণ কৰাৰ বাবে পৰৱৰ্তী সময়ত ইয়াক অধিক গতিশীলতাৰ মাজেৰে আগুৱাই নিবলৈ পৰিকল্পনা গ্ৰহণ কৰে। দৰাচলতে এয়াই বাস্তৱ। নতুন বছৰৰ সংকল্প আৰু সফলতা-বিফলতাৰ এখন জীয়া ছবি।

# শিৱদৌল হৈ থাকক একক-অনন্য

শিৱসাগৰৰ শিৱদৌলক লৈ চৰ্চাৰ অন্ত নাই। ভাৰতৰ শিৱমন্দিৰসমূহৰ ভিতৰত অন্যতম হিচাপে স্বীকৃতি লাভ কৰিছে শিৱদৌলে। আহোম ৰাজত্বৰ কীৰ্তিচিহ্নসমূহৰ ভিতৰত অন্যতম হিচাপে ইয়াক স্বীকৃতি দিয়া হয়। সময়ে সময়ে মন্দিৰটোৰ সৌন্দৰ্য বৰ্ধনৰ বাবে ব্যৱস্থা গ্ৰহণ কৰি অহা হৈছে। মূল গাঁথনি আৰু ইয়াৰ সৌন্দৰ্যত যাতে ব্যাঘাত নজন্মে তাৰ বাবে সদায় সতৰ্কতা অৱলম্বন কৰি অহা হৈছে। ইয়াৰ ঐতিহ্যত যাতে কোনোৱে আঘাত হানিব নোৱাৰে তাৰ বাবে চৰকাৰেও ব্যৱস্থা গ্ৰহণ কৰিছে। শেহতীয়াভাৱে পুৰাতত্ত্ব বিভাগে শিৱদৌলৰ সৌন্দৰ্য বৰ্ধনৰ লগতে ঐতিহাসিক কীৰ্তিচিহ্নত যাতে আঁচোৰ নপৰে তাৰ বাবে কিছুমান ব্যৱস্থা গ্ৰহণ কৰিছে। মূল মন্দিৰভাগৰ মজিয়া পূৰ্বতে যি ধৰণৰ আছিল এতিয়া তেনে ৰূপতে সজাব। মাজতে মাৰ্বল-পাথৰ আদি লগোৱা হৈছিল যদিও এতিয়া সেইবোৰ আঁতৰোৱাৰ ব্যৱস্থা কৰিছে। মন্দিৰ বা যিকোনো ধৰ্মীয় অনুষ্ঠানক আগৰ দৰেই ৰাখি ইয়াক আকৰ্ষণীয়কৈ সজালে ইয়াৰ গুৰুত্ব বাঢ়ে। পুৰাতত্ত্ব বিভাগে শিৱদৌলটোৰ সৌন্দৰ্য বৰ্ধনৰ বাবে শেহতীয়াভাৱে যি ব্যৱস্থা বা পদক্ষেপ লৈছে সেয়াই ঐতিহাসিক মন্দিৰটোৰ গুৰুত্ব আৰু অধিক বৃদ্ধি কৰিব। এই মন্দিৰটোত অতিৰিক্তভাৱে থকা সকলোবোৰেই আঁতৰ কৰিব।

মূল গাঁথনিত অতিৰিক্ত সংযোজন কৰাৰ কোনো যুক্তিও নাই। কাৰণ দৰ্শনাৰ্থীসকলে এনেবোৰ স্থানলৈ যায় দৰ্শনৰ বাবে। পৰ্যটকৰো মূল উদ্দেশ্য পূৰ্বৰ অৱস্থাৰ ৰূপটোকে এতিয়া প্ৰত্যক্ষ কৰিবলৈ।

শিৱসাগৰৰ মাজেৰে পাৰ হ'লেই শিৱদৌললৈ যাওঁ। কাৰণ চহৰখনৰ মাজেৰে গ'লে এই ঐতিহাসিক মন্দিৰটো দৰ্শন নকৰিলে মনটো আধৰুৱা-আধৰুৱা লাগি থাকে। শিৱদৌল বুলি ক'লে যদিও শুনাত এটা মন্দিৰ যেন লাগে, তথাপি ইয়ালৈ গ'লেহে গম পোৱা যায় যে ইয়াত আছে আৰু দুটা মন্দিৰ— বিষ্ণু দৌল আৰু দেৱী দৌল। শিৱসাগৰৰ পাৰত অৱস্থিত এই তিনিটা মন্দিৰ হ'ল আহোম ৰাজত্বৰ কীৰ্তিচিহ্ন। শিৱসাগৰ অৰ্থাৎ শিৱৰ সাগৰক বৰপুখুৰী হিচাপেও জনাজাত। এই পুখুৰীটো ১৭৩৭-১৭৩৮ খ্ৰীষ্টাব্দৰ ভিতৰত খন্দা হৈছিল। এই মন্দিৰটো ১৭৩৪ খ্ৰীষ্টাব্দত আহোম স্বৰ্গদেউ শিৱসিংহৰ পত্নী ৰাণী বৰৰজা অম্বিকাই নিৰ্মাণ কৰিছিল। শিৱদৌলটো ১০৪ ফুট ওখ। ২৫৭ একৰ ভূমিৰে আগুৰা এই পুখুৰীটোৰ পানী বছৰৰ সকলো সময়তে একেই থাকে। এই পুখুৰীটোৰ পাৰ সম্প্ৰীতিৰ মিলনভূমি বুলি ক'বই লাগিব। সম্প্ৰীতিৰ মিলনভূমিত যেন পক্ষীবোৰেও বৈ এই কথাকেই সোঁৱৰায়। বছৰটোৰ যিকোনো সময়তে ইয়ালৈ আহে বিভিন্ন প্ৰজাতিৰ চৰাই। তদুপৰি পুখুৰীটোৰ সৌন্দৰ্য উপভোগ কৰিবলৈ ইয়ালৈ সদায় বহু লোকৰ সমাগম হয়। পৰ্যটকসকলে এই পুখুৰীটোৰ মাছ-কাছৰ বাবে বহুতো খাদ্য দিয়ে। পিছে তেওঁলোকে এনেদৰে খাদ্য দিওঁতে সদায় এটা কথা মনত ৰাখিব লাগে— যাতে মাছ-কাছৰ বাবে উপযোগী খাদ্যহে দিয়া হয়। কাৰণ যিকোনো খাদ্য দিলে হিতে বিপৰীতহে হ'ব পাৰে। যিহেতু এই পুখুৰীটোৰ পানীভাগ ইয়াতেই আবদ্ধ হৈ থাকে। ইয়াৰ পানী প্ৰদূষিত হ'লে ভৱিষ্যতে মাছ-কাছৰ বাবে বিপদ ঘণীভূত হ'ব। কেৱল খাদ্য দিলেই দায়িত্ব শেষ নহয়। সকলোৰে পৰিৱেশ সম্পৰ্কে সতৰ্কতা অৱলম্বন কৰা উচিত।

শিৱদৌলে অসমৰ ঐতিহাসিক কীৰ্তিচিহ্নসমূহৰ এনে এখন ছবি দাঙি ধৰে যে ইয়াৰ আন্তঃগাঁথনি সম্পৰ্কে আজিও সকলোৰে চৰ্চাৰ বিষয়। যি সময়ত এই দৌলটো নিৰ্মাণ কৰা হৈছিল তেতিয়া বিশেষ প্ৰশিক্ষণপ্ৰাপ্ত অভিযন্তা আৰু স্থপতিবিদো নাছিল। ইমান বছৰ ধৰি একেদৰেই আছে। অৱশ্যে

প্ৰাকৃতিক দুৰ্যোগৰ বাবে ইয়াৰ ৰঙৰ কিছু পৰিৱৰ্তন নোহোৱাকৈ থকা নাই। মাজতে মন্দিৰটোত ফাট মেলিছিল যদিও এতিয়া সকলোখিনি ঠিক-ঠাকেই আছে।

অতিসম্প্ৰতি চৰকাৰৰ লগতে পুৰাতত্ত্ব বিভাগে এইটো মন্দিৰৰ সৌন্দৰ্য বৰ্ধনৰ লগতে মেৰামতিৰ বাবে যি পদক্ষেপ গ্ৰহণ কৰিছে সেয়া আদৰণীয়। পুৰাতত্ত্ব বিভাগে এই মন্দিৰৰ স'তে সংলগ্ন কৰা অতিৰিক্ত মূৰ্তি আদি আঁতৰোৱাৰ লগতে মজিয়াত যি টাইলচ আদি লগোৱা হৈছিল সেইবোৰ আঁতৰাই মূল নিৰ্মাণৰ স'তে ৰজিতা খুৱাই মেৰামতি কৰিবলৈ লৈছে। এতিয়া পৰ্যটক তথা দৰ্শনাৰ্থীসকলেও ইয়াত আধুনিক প্ৰভাৱ অনুভৱ নকৰিব। তদুপৰি স্বচ্ছতাৰ ওপৰতো বিশেষ গুৰুত্ব প্ৰদান কৰা হৈছে। যিমানেই স্বচ্ছতাৰ প্ৰতিফলন ঘটিব সিমানেই সকলোৰে দৃষ্টি আকৰ্ষণ হ'ব। এনে স্থানলৈ পৰ্যটকৰ সমাৱেশ বেছিকৈ ঘটিলে স্থানীয় লোকসকলেও স্বাৱলম্বিতাৰ দিশত আগবাঢ়ি যাব পাৰিব। গতিকে শিৱদৌলক কেন্দ্ৰ কৰি স্থানীয় লোকৰ আৰ্থ-সামাজিক দিশসমূহো জড়িত থকা বুলি ক'লে অত্যুক্তি কৰা নহ'ব। এই মন্দিৰটো উপযুক্তভাৱে সংৰক্ষণ কৰা হওক। দায়িত্ব আমাৰ সকলোৰেই আছে।

# জি-২০, ৱাই-২০ আৰু অসমৰ সুযোগ

অসমে আন্তৰ্জাতিক প্ৰেক্ষাপটত আকৌ এবাৰ নিজকে শ্ৰেষ্ঠ বুলি প্ৰতিপন্ন কৰাৰ সুযোগ লাভ কৰিছে। এইবাৰ জি-২০ শীৰ্ষক বৈঠকেৰে আন্তৰ্জাতিক মহলত সকলোৰে দৃষ্টি আকৰ্ষণ কৰাৰ সুযোগ পাইছে। ভাৰতৰ মুখ্য চহৰ দিল্লী, মুম্বাই, চেন্নাই, কলকাতাৰ লগতে গুৱাহাটীত অনুষ্ঠিত হ'ব এই সন্মিলনৰ বিভিন্ন অনুষ্ঠান। বৰ্ষজুৰি চলিবলগীয়া জি-২০ সন্মিলনৰ ২০০ বিশেষ কাৰ্যক্ৰমৰ পাঁচটা কাৰ্যসূচী অনুষ্ঠিত হ'ব অসমত। ভাৰতৰ নেতৃত্বত এইবাৰ জি-২০ শীৰ্ষ সন্মিলন ভাৰতত অনুষ্ঠিত হ'ব। এই সন্মিলনত অংশৰূপে প্ৰথম 'ৱাই ২০ মীট' অনুষ্ঠিত হ'ব গুৱাহাটীত। ছয় ফেব্ৰুৱাৰীৰ পৰা অনুষ্ঠিত হ'বলগীয় এই সন্মিলনত যুৱশক্তিক গুৰুত্ব দিয়া হৈছে। দেশৰ যুৱশক্তিক বিশ্ববাসীৰ সন্মুখত দাঙি ধৰাৰ এয়া হৈছে সুৱৰ্ণ সুযোগ। যিসময় অসমৰ যুৱশক্তি এঢোপ দুঢোপকৈ বিশ্ববাসীৰ সন্মুখত আগুৱাই যাবলৈ ধৰিছে তেনে সময়ত এই সন্মিলনত শ্ৰেষ্ঠত্ব উজাৰি দিয়াৰ বাবে লাভ কৰা সুৱৰ্ণ সুযোগৰ সদ্ব্যৱহাৰ হ'লে পৰৱৰ্তী সময়ত আৰু অধিক সুযোগ লাভ কৰিব। জি-২০ সন্মিলন বিশ্বৰ শ্ৰেষ্ঠ সন্মিলনৰ ভিতৰত অন্যতম বুলি কোৱা হয়। গতিকে এক সন্মিলনৰ মূল পৰ্যায়ৰ

পূৰ্বৰ আয়োজিত কাৰ্যক্ৰমৰ আয়োজনৰ সুযোগ লাভ কৰাটো অসমৰ বাবে নিশ্চয়কৈ গৌৰৱৰ কাৰণ।

অসমবাসীৰ সন্মুখত এতিয়া অগ্নিপৰীক্ষা। গুৱাহাটীৰ লগত ডিব্ৰুগড়ত অনুষ্ঠিতব্য এই কাৰ্যসূচীত দেশৰ লগতে বিশ্বৰ বিভিন্ন প্ৰান্তৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব। অৰ্থাৎ পাঁচখন সন্মিলনৰ কাৰ্যক্ৰমৰ বাবে বিশ্বৰ বিভিন্ন দেশৰ পৰা বিজ্ঞ তথা বিশেষজ্ঞ দলে প্ৰতিনিধি হিচপে অংশগ্ৰহণ কৰিব। বিভিন্ন দিশত আলোচনা কৰা হ'ব যাৰ দ্বাৰা যুৱশক্তিয়ে বিকাশৰ বাবে এখন প্লেটফৰ্ম লাভ কৰিব। এইখন হৈছে এনে এখন প্লেটফৰ্ম য'ৰ পৰা বিশ্বজয়ৰ আৰম্ভণি কৰিব পাৰি। বিশ্বৰ প্ৰতিনিধিসকলৰ মতে অসমৰ প্ৰতিনিধিয়ে একেলগে বহাৰ সুযোগ লাভ কৰাটো পৰম সৌভাগ্যৰ বিষয়। ইয়াৰ পৰা যিবোৰ কথা শিকিব পাৰিব তাৰ দ্বাৰা অসমক ভাৰতৰেই নহয়, বিশ্বৰ অন্যতম শক্তিশালী কেন্দ্ৰ হিচাপে প্ৰতিপন্ন কৰাৰ সুযোগ লাভ কৰিছে।

এই সন্মিলনক লৈ ন-ৰূপত সজাই-পৰাই তোলা হৈছে গুৱাহাটী মহানগৰীৰ লগতে ডিব্ৰুগড় চহৰ। উত্তৰ-পূৰ্বাঞ্চলৰ বাণিজ্যিক চহৰ হিচাপে আখ্যা লাভ কৰা গুৱাহাটী মহানগৰীত সকলোৱে সজাই-পৰাই তুলিবলৈ সাজু হোৱাৰ সময়তে একাংশই অসমৰ সন্মানত আঘাত হানিবলৈ চেষ্টা চলাইছে। পথৰ চাৰিওফালে ৰং সানি আকৰ্ষণীয় কৰা হৈছে। অসমীয়া সংস্কৃতিৰ অংকন কৰা হৈছে ছবি। এই ছবিৰ মাজতে অসমৰ শিল্পীসকলৰো হাতৰ নিপুণ ছবি ফুটি উঠিছে। বিভিন্ন ঠাইত স্থাপন কৰা তোৰণ আদিয়ে সাংস্কৃতিক দিশৰ লগতে মঠ-মন্দিৰৰ ছবিও প্ৰতিফলিত হৈছে। পৰ্যটন বিভাগে যিমান সম্ভৱ মহানগৰীক যৌৱনপ্ৰাপ্ত গাভৰুৰ দৰে কৰিবলৈ চেষ্টা কৰিছে। চৰকাৰেও বিশ্ববাসীৰ সন্মুখত অসমক এখন চাৰিওফালৰ পৰা সমৃদ্ধিশালী ৰাজ্য হিচাপে প্ৰতিফলিত কৰিবলৈ বিভিন্ন পদক্ষেপ লৈছে। আমি এনেয়ে লাচিতৰ দেশৰ লোক বুলি কৈ থাকিলে নহ'ব। নিশাৰ ভিতৰতে গড় নিৰ্মাণ কৰাৰ দৰে কম সময়ৰ ভিতৰতেই গুৱাহাটী-ডিব্ৰুগড়ক সজোৱাৰ অসমৰ লোকসকল যে হাতে-কামে সমান সেই কথাকেই প্ৰতিফলিত কৰিছে। পিছে এই সৌন্দৰ্য বৰ্ধনৰ বাবে চৰকাৰ তথা পৰ্যটন বিভাগে চেষ্টা চলোৱাৰ সময়তে একাংশ লোকে মহানগৰীখনক লেতেৰা কৰিবলৈ উঠি-পৰি লাগিছে। বগা

ৰঙৰ ওপৰত তামোল খাই পিক পেলোৱা, জাবৰ-জোঁথৰ পেলোৱা, পদপথত দোকান দি অৱশিষ্টখিনি পথৰ কাষতেই পেলাই থোৱাৰ ফলত সৌন্দৰ্য বৰ্ধনত ব্যাঘাত জন্মিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ স্বচ্ছ ভাৰত অভিযানক যেন কবৰ দিব ওলাইছে এইসকল লোকে। এতিয়া ৰাজ্যখনৰ প্ৰতিগৰাকী নাগৰিকৰেই কৰ্তব্য অসমক সুন্দৰ কৰি ৰখাটো। কাৰণ একেটা অঞ্চললৈ যেতিয়া দেশ-বিদেশৰ লোক আহে তেতিয়া পৰিষ্কাৰ-পৰিচ্ছন্নতা দেখিলে একোটা ভাল বাৰ্তা বিশ্বৰ প্ৰতিটো কোণলৈ বিয়পি পৰিব। ভৱিষ্যতে এনে স্থানত যিকোনো সন্মিলন অনুষ্ঠিত কৰিবলৈ সকলোৱে আগ্ৰহো প্ৰকাশ কৰে। সেয়েহে সকলোৱে মহানগৰীখনক লেতেৰা কৰাৰ পৰিৱৰ্তে পৰিষ্কাৰ চহৰ হিচাপে বিশ্বৰ সন্মুখত উপস্থাপন কৰিবলৈহ সংকল্প লোৱা উচিত।

অতীতৰে পৰাই অসম অতিথিপৰায়ণ ৰাজ্য হিচাপে আখ্যা লাভ কৰি আহিছে। এই সুনাম যাতে এইবাৰ জি-২০ সন্মিলনৰ অংশ ৱাই-২০ সন্মিলনতো অক্ষুণ্ণ থাকে তাৰ বাবে সকলোৱে চেষ্টা কৰা উচিত। আদৰণিৰ পৰা আৰম্ভ কৰি থকা-খোৱালৈকে সকলোৱে যাতে শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিব পাৰে তাৰ বাবে চেষ্টাৰ ত্ৰুটি কৰিব নালাগে। 'অতিথি দেৱো ভৱ' —সেইবাবে দেশ-বিদেশৰ পৰা অহা অতিথিসকলক ভালদৰে শুশ্ৰূষা কৰিব পাৰিলে অসমৰো সুনাম হ'ব। আজিকালি প্ৰায়ভাগ উন্নত দেশতেই পৰ্যটনৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰাৰ সময়ত এইবোৰ বিষয়ত সমানেই দৃষ্টি নিক্ষেপ কৰা হৈছে।

এখন আন্তৰ্জাতিক পৰ্যায়ৰ গুৰুত্বপূৰ্ণ সন্মিলন আয়োজন কৰাটো যিকোনো দেশ বা ৰাজ্যৰ বাবেই প্ৰত্যাহ্বান। কিয়নো, কিছুমান নীতি-নিয়ম তথা অনুশাসনৰ মাজেদি সন্মিলনৰ যাৱতীয় কাম-কাজ কৰিবলগীয়া হয়। এনে কৰিবলৈ যাওঁতে ত্ৰুটি থকাটো একো অস্বাভাৱিক কথা নহয়। কিন্তু আন্তৰ্জাতিক সন্মিলন আদি আয়োজনৰ ক্ষেত্ৰত ত্ৰুটি থকা মানে বিশ্ববাসীৰ সন্মুখত হীন হৈ পৰা। এনে নহ'বৰ বাবে সকলোৱে সহযোগিতাৰ মানসিকতাৰে আগিবাঢ়ি আহিব লাগিব। ৱাই-২০ সন্মিলন প্ৰথমবাৰৰ বাবে অসমে আয়োজনৰ দায়িত্ব লাভ কৰাটো সন্মান আৰু গৌৰৱৰ বিষয়। এই গৌৰৱ আমি ধৰি ৰাখিব পাৰিব লাগিব। জি-২০ৰ সন্মিলনে অসমক বিশ্ববাসীৰ সন্মুখত এক নতুন পৰিচয়েৰে দাঙি ধৰিব বুলি সকলোৱে আশা প্ৰকাশ কৰিছে। ৱাই-২০ সন্মিলন হওক অসম আৰু অসমবাসীৰ বাবে এক গৌৰৱৰ কাৰণ।

# গুৱাহাটীৰ প্ৰদূষণে অতিক্ৰম কৰিলে দিল্লীক ঃ সজাগ হৈছোঁনে ?

বিগত কিছু বছৰ ধৰি দিল্লী মহানগৰীত হোৱা ব্যাপক প্ৰদূষণক লৈ চৰ্চা চলি থকাৰ মাজতে এইবাৰ গুৱাহাটী মহানগৰীও একেটা শাৰীতে উপনীত হোৱাৰ উপক্ৰম ঘটিছে। বিগত কেবাবছৰৰ পৰা বিশ্বৰ আন প্ৰান্তৰ লগতে অসমতো হৈছে ব্যাপক প্ৰদূষণ। অতিসম্প্ৰতি ৰাজ্যখনৰ বিভিন্ন চহৰ-নগৰৰ লগতে গুৰুত্বপূৰ্ণ স্থানসমূহত দ্ৰুতগতিত নিৰ্মাণ চলিছে। ক'ৰবাত যদি পকী দলং নিৰ্মাণ হৈছে, আন ক'ৰবাত উৰণীয়া সেতু, ৰাস্তা-পদূলি, ঐতিহাসিক সম্পদৰ মেৰামতি, অট্টালিকা, সভাঘৰ, মঠ-মন্দিৰ আদিৰ কাম চলিছে। এতিয়া বতৰ শুকান। বিগত কেবামাহ ধৰি হোৱা নাই বৰষুণ। পথাৰত চিৰাল ফাট। পানীৰ অভাৱত পথাৰতে মৰহিছে শইচ। চৌদিশে বতাহত উৰিছে ধূলি, কেৱল ধূলি। এই ধূলিময় পৰিৱেশৰ মাজতে সকলোৱে দৈনন্দিন কাৰ্য সম্পাদন কৰিবলগীয়া হৈছে। ২০২৩ চনৰ ৮ ফেব্ৰুৱাৰীত মহানগৰীত হোৱা ধূলিময় পৰিৱেশে ৰাজ্যবাসীলৈ কঢ়িয়াই আনিছে অশনি সংকেত। এনেধৰণৰ পৰিৱেশ যদি কেইদিনমান চলি থাকে তেতিয়াহ'লে প্ৰায়সংখ্যক নাগৰিকেই বিভিন্ন ৰোগৰ চিকাৰ হ'ব। এদিনতেই মানুহৰ অৱস্থা তথৈবচ হৈ পৰিছে।

গুৱাহাটী মহানগৰীত হোৱা প্ৰদূষণ নতুন বিষয় নহয়। ইয়াৰ কাৰণ বিশ্লেষণ কৰিলে কল-কাৰখানাৰ লগতে অত্যধিক যান-বাহনৰ চলাচল, নিৰ্মাণ সম্বন্ধীয় সকলোবোৰ বিষয় সাঙোৰ খাই পৰে। এইবোৰ স্বাভাৱিক কথা। কাৰণ ক'ৰবাত নিৰ্মাণ কৰিলে ধূলি-বালি বেছিকৈ উৰিবই। তদুপৰি ধূলি-বালি উৰিব বুলি নিৰ্মাণো বন্ধ কৰিব নোৱাৰি। কাৰণ উন্নয়নৰ বাবে নিৰ্মাণ অপৰিহাৰ্য। নিৰ্মাণৰ সময়ত যিবোৰ নিয়ন-নীতি মানি চলিব লাগে সেয়া কৰিছে নে নাই সেইটোহে গুৰুত্বপূৰ্ণ বিষয়। সাধাৰণতে গধুৰ নিৰ্মাণ আদি কৰাৰ সময়ত নিৰ্মাণস্থলীৰ আশে-পাশে ধূলি-বালি বেছি উৰিব নোৱৰাকৈ পানী মাৰিব লাগে। তদুপৰি জনবসতিপূৰ্ণ স্থানত নিৰ্মাণ চলালে প্লাষ্টিক আদিৰে ঘেৰি লোৱা বা প্ৰতিৰোধৰ বাবে ব্যৱস্থা কৰাটো গুৰুত্বপূৰ্ণ বিষয়। অতিসম্প্ৰতি ৰাজ্যখনৰ বিভিন্ন ঠাইত যিবোৰ নিৰ্মাণ কৰা হৈছে সেইবোৰত পানীৰ 'প'টোকে মৰা নাই। তদুপৰি ধূলি-বালি আদিয়ে যাতে ব্যাপক প্ৰদূষণৰ সৃষ্টি কৰিব নোৱাৰে তাৰবাবে কোনোধৰণৰ প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণ কৰা নাই। পদপথবোৰ ভাঙি থৈ মৰণফাণ্ডসদৃশ কৰিছে। অলপ অসাৱধান হ'লেই বিপদ। পকীবোৰ ভাঙি যিবোৰ গুৰি হৈছে সেইবোৰ পথৰ সমীপতেই দ'মাই থৈ দিয়ে। এই দ'মবোৰৰ ওপৰেদি অহৰ্নিশে গৈ আছে লাখ লাখ যান-বাহন। যান-বাহনৰ পৰা ওলোৱা ধোঁৱা আৰু পদপথৰ কাষত নলা-নৰ্দমাৰ পৰা তুলি থোৱা বোকা আদি শুকাই সৃষ্টি হোৱা ধূলি একেলগে বতাহত উৰি থকাৰ ফলত যি প্ৰদূষণ হৈছে সেয়া সকলোৰে বাবে চিন্তাৰ কাৰণ। কাৰণ এইবোৰ ধূলি ইমানেই বিষাক্ত যে ইয়াৰ পৰা কেৱল শ্বাস-প্ৰশ্বাসৰেই সমস্যা নহয়, সমান্তৰালভাৱে চৰ্মৰোগ আদিয়েও গা কৰি উঠিছে। ব্ৰংকাইটিছজনিত সমস্যাও লাহে লাহে জটিল হ'বলৈ ধৰিছে। যিবিলাকৰ এনে ৰোগৰ প্ৰতি প্ৰৱণতা বেছি তেওঁলোকৰ বাবে এতিয়াৰ প্ৰদূষণৰ ছবিখনে অধিক ভয়াৱহ কৰি তুলিছে। গুৱাহাটী পৌৰ নিগমৰ কৰ্ম-কাণ্ডৰ বাবেও এনে হৈছে বুলি প্ৰায়েই অভিযোগ উঠাৰ মূলতে হৈছে একাংশ কৰ্মচাৰীৰ গা এৰা মনোভাব। বৰষুণৰ বতৰত হোৱা বোকা নলাৰ পৰা তুলি অথবা ভৰলু নদীৰ পৰা তোলা বোকাৰ ওপৰেদি যেতিয়া হেজাৰ হেজাৰ যান-বাহন দিনটোৰ ভিতৰত অহা-যোৱা কৰে তেতিয়া ইয়াৰ পৰা ওলোৱা ধোঁৱাসদৃশ ক'লা বৰণৰ ধূলিয়ে বায়ুমণ্ডল প্ৰদূষিত কৰিছে। সমান্তৰালভাৱে বিভিন্ন ঠাইত

নিৰ্মাণৰ বাবে গাঁত খন্দা, টেলিফোনৰ লাইন মেৰামতি কৰিবলৈ খন্দা নলা আদিয়ে প্ৰদূষণ জটিল হোৱাত সহায় কৰিছে। সকলোবোৰ পৌৰসভাই দেখিও আছে। অথচ গুৰুত্ব নাই। তদুপৰি মহানগৰীত যান-বাহনৰ সংখ্যা ইমানেই বৃদ্ধি পাইছে যে এতিয়া খোজকঢ়া লোকৰ সংখ্যা তেনেই তাকৰ হৈ পৰিছে। এইবোৰ নিয়ন্ত্ৰণ কৰাৰ সময় আহি পৰিছে। পৌৰ নিগমে কেনেদৰে নিয়ন্ত্ৰণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰে সেয়া নিগমৰ নিজা কথা। যদি ক'ৰবাত নিৰ্মাণস্থলীত ব্যৱস্থা গ্ৰহণ কৰা নাই তেনেহ'লে শীঘ্ৰে ব্যৱস্থা কৰিব লাগে।

আনহাতে, ৰাজ্যত বৰষুণৰ পৰিমাণ ৭৬ শতাংশলৈ হ্ৰাস পাইছে। ধূলি আদিৰ প্ৰদূষণৰ অন্যতম কাৰণ হৈছে কম পৰিমাণে হোৱা বৰষুণ। জানুৱাৰী আৰু ফেব্ৰুৱাৰীত হৈছে পাঁচ মিলিলিটাৰ বৰষুণ। গোলকীয় উষ্ণতাৰ প্ৰভাৱ কিমান ভয়াৱহ হ'ব পাৰে তাৰেই ইংগিত ইতিমধ্যে ৰাজ্যত পৰিছে। এই মাহ দুটাত যিমান বৰষুণ হ'ব লাগে তাতকৈ যথেষ্ট হ্ৰাস পাইছে। অসমৰ বাক্সা জিলাত ১০০ শতাংশ বৰষুণ হ্ৰাস পাইছে, ইয়াৰ পিছতেই আছে বৰপেটা। এইখন জিলাত ৯৯ শতাংশ হ্ৰাস পাইছে। আগতে এইবোৰ জিলাত স্বাভাৱিকভাৱেই যিমান পৰিমাণৰ বৰষুণ হৈ আছিল তাতকৈ কম হোৱাত ইয়াৰ প্ৰভাৱ যে মানুহৰ ওপৰতে পৰিছে তেনে নহয়, সকলো জীৱ-জন্তুৰ ওপৰতে পৰিবলৈ ধৰিছে। প্ৰাকৃতিক ভাৰসাম্য ৰক্ষাৰ লগতে প্ৰদূষণ প্ৰতিৰোধৰ বাবে বৰষুণৰ খুবেই প্ৰয়োজন। অসম তথা উত্তৰ-পূৰ্বাঞ্চলত যথেষ্ট পৰিমাণে বৰষুণ হয় বুলি এক সুনাম আছে। এইবোৰ পিছে বিভিন্ন ঠাইত ১০০ শতাংশ বৰষুণ হ্ৰাস পোৱাৰ সময়ত অসমৰ কোনোৱেই বিষয়টোৰ গুৰুত্ব উপলব্ধি কৰা নাই। ব্ৰহ্মপুত্ৰৰ বুকুৰ বালিচৰৰ পৰিসৰো বাঢ়িছে। এই বালিচৰৰ পৰা ঘূৰ্ণী বতাহত উঠি থকা ভূমিবোৰ ক'লৈ যায় আমি কেতিয়াবা ভাবি চাইছো জানো? নিশ্চয় চোৱা নাই। আমি বছৰত কেতিয়াবা এডাল গছ ৰুইছোনে? কৰ্মব্যস্ততাৰ বাবে ৰুবলৈ সময় নোপোৱা বুলি কোৱা লোকৰ সংখ্যাই বেছি হ'ব। আমি পলায়নবাদী মানসিকতা যেতিয়ালৈকে পৰিহাৰ নকৰো তেতিয়ালৈকে এনে পৰিৱেশ আৰু প্ৰদূষণৰ মাজতেই ডাঙৰ-দীঘল হ'ব লাগিব। নৱপ্ৰজন্মৰ বাবে ই ভয়াৱহ। অলপ নিৰ্মল বতাহ বুলিবলৈকে কোনোৱেই নাপাব।

প্ৰদূষণৰ বাবে দিল্লী মহানগৰীত কেইবাদিনো বিদ্যালয় বন্ধ দিবলগীয়া পৰিৱেশৰ সৃষ্টি হৈছে। নিমগছ ৰুই এই প্ৰতিৰোধ কৰিবৰ বাবে যি পৰিকল্পনা কৰিছিল বাস্তৱ ক্ষেত্ৰত সেয়া ফুটুকাৰ ফেন হৈ পৰিছে। অসমতো এনে এখন ছবিয়েই ফুটি উঠিবলৈ ধৰিছে। বেইজিং অলিম্পিকৰ সময়ত হোৱা প্ৰদূষণে সেই সময়ত চৰ্চা লাভ কৰিছিল। আনকি ভয়াৱহ প্ৰদূষণৰ বাবেই কেইবাখনো খেলৰ খেলুৱৈ তথা প্ৰশিক্ষক আদিয়ে চীনলৈ যাবলৈ অমান্তি হৈছিল। এনে পৰিৱেশ হ'লে গুৱাহাটীত অনুষ্ঠিত প্ৰতিযোগিতালৈও নাহিব কোনো খেলুৱৈ। আমি সকলোৱে গুৱাহাটীৰ লগতে ৰাজ্যৰ সকলো ঠাইতে প্ৰদূষণ প্ৰতিৰোধৰ বাবে গছপুলি ৰোপণ কৰিব লাগিব। তেতিয়াহে সময়মতে বৰষুণ দিব। যিবোৰ ঠাইত বনাঞ্চলৰ পৰিমাণ হ্ৰাস পোৱা বাবেই কমিছে বৰষুণ। নিৰ্মাণস্থলীৰ আশে-পাশে পানী মাৰিবই লাগিব। প্ৰয়োজন হ'লে যুগ্ম-অযুগ্ম নীতিৰ আধাৰত যান-বাহন চলাবলৈ অনুমতি দিব লাগে সংশ্লিষ্ট কৰ্তৃপক্ষই। তেতিয়াহে প্ৰতিৰোধ হ'ব ভয়াৱহ প্ৰদূষণ।

# সাহিত্য সভাৰ অধিবেশনৰ সকলো অনুষ্ঠান এখন মঞ্চতে হওক

সাহিত্য সভাৰ অধিবেশনক লৈ সকলোৱে আগ্ৰহী। কাৰণ অসমৰ সাহিত্য সম্পৰ্কীয় অনুষ্ঠানসমূহৰ অন্যতম হৈছে অসম সাহিত্য সভা। ১৯১৭ চনত আৰম্ভ হোৱা সাহিত্য সভাই ইতিমধ্যে শতবৰ্ষ গৰকিছে। সাহিত্য সম্পৰ্কীয় যিকোনো অনুষ্ঠানৰ ভিতৰত অন্যতম হিচাপে সাহিত্য সভাকে স্বীকৃতি দিয়া হয়। সেইবাবে সকলোৱে সাহিত্য সভাৰ অনুষ্ঠানলৈ ঢাপলি মেলে। অধিবেশন য'তেই নহওক— সকলোতে মানুহ সমানেই উপস্থিত থাকে। সম্ভৱতঃ বিশ্বৰ সাহিত্য সম্পৰ্কীয় অনুষ্ঠানৰ ভিতৰত অসম সাহিত্য সভা হৈছে এনে এক অনুষ্ঠান— য'ত এখন অধিবেশনতেই সমৱেত হয় লাখ লাখ সাহিত্যানুৰাগী। সেইবাবে এই অধিবেশনৰ ওপৰত সকলোৰে দৃষ্টি নিবদ্ধ থাকে। এনেবোৰ কাৰণতেই আয়োজকসকলে অধিবেশনৰ আয়োজন কৰোঁতে সতৰ্ক হ'ব লাগে।

অধিবেশনৰ আয়োজকসকলে সভাখন সুচাৰুৰূপে অনুষ্ঠিত কৰিবলৈ চেষ্টাৰ ত্ৰুটি নকৰে। অধিবেশনত মূল সভাৰ লগতে আন বহুতো অনুষ্ঠানৰ আয়োজন কৰা হয়। প্ৰদৰ্শনীৰ

লগতে সাংস্কৃতিক সন্ধিয়া আদিৰো ব্যৱস্থা কৰে দৰ্শকৰ মনোৰঞ্জনৰ বাবে। সাহিত্য চৰ্চাৰ লগতে লাখ লাখ ৰাইজে যাতে কোনোধৰণৰ সমস্যাৰ সন্মুখীন নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি এনেধৰণৰ অনুষ্ঠান আয়োজন কৰা হয়। এইবোৰৰ বাবে বিশাল মঞ্চৰো প্ৰয়োজন হয়। এতিয়া কথা হ'ল— একেখন অধিবেশনৰ বাবে পৃথক মঞ্চৰ প্ৰয়োজন আছেনে? কাৰণ বিগত সময়ত দেখা গৈছে যে লাখ লাখ সাহিত্যানুৰাগীৰ উপস্থিতিৰ হেতুকে মূল অধিবেশনৰ মঞ্চৰ লগতে বহু দূৰত্বত নিৰ্মাণ কৰা হয় আন আন মঞ্চ। আকৌ প্ৰদৰ্শনীৰো আয়োজন কৰা হয় মূল মঞ্চৰ পৰা বহু দূৰত। প্ৰতিবছৰেই আয়োজকসকলে কিমান শ বিঘা ভূমিত অধিবেশনৰ আয়োজন কৰিব পাৰে তাৰেই প্ৰতিযোগিতা। পূৰ্বৰ আয়োজক কমিটীয়ে যদি কম পৰিসৰত কৰিছে তেনেহ'লে পিছৰ বছৰ তাতকৈ দুগুণ ভূমিত মণ্ডপ নিৰ্মাণ কৰা বুলি সগৌৰৱে ঘোষণা কৰে। লাখ লাখ মানুহ হ'লে নিশ্চয়কৈ ঠাইৰো প্ৰয়োজন। এতিয়া কথা হ'ল— লাখ লাখ জনতাক আদৰাৰ নামত মূল মঞ্চখন গৌণ কৰিবনে? কাৰণ এখন মঞ্চত যি শোভা বৰ্ধন কৰে সেয়া দ্বিতীয়খন মঞ্চত নহয়। তদুপৰি যেতিয়া আধা কিলোমিটাৰ বাট খোজকাঢ়ি প্ৰদৰ্শনীস্থল পৰিদৰ্শন কৰিবলৈ যায় তেতিয়া তাৰ পৰা আকৌ এক কিলোমিটাৰমান আঁতৰত থকা সাংস্কৃতিক মঞ্চত সংগীতানুষ্ঠান উপভোগ কৰিবলৈ যাব লাগে। এনেদৰে ঘূৰি ফুৰাৰ ফলত কোনোবাই সুস্থিৰে অনুষ্ঠান উপভোগ কৰিব পাৰে জানো? নিশ্চয় নোৱাৰে। যিসকলে সংগীতানুষ্ঠান উপভোগ কৰিবলৈ যায় তেওঁলোকৰ বেছিভাগেই হয় মূল মণ্ডপৰ মূল মঞ্চখন দেখিয়েই নাপায়। যিহেতু এই অধিবেশন এটা অনুষ্ঠানৰেই, সেয়েহে ইয়াত পৃথক মঞ্চৰ প্ৰয়োজন আছে জানো? সাধাৰণ সাহিত্যানুৰাগী হিচাপে প্ৰায়সংখ্যক লোকৰেই এনেধৰণৰ ছবি পছন্দ নহয়।

সাহিত্য সভাই অনুষ্ঠানসমূহৰ সময় বান্ধি দিয়ে যদিও সেইবোৰ কেতিয়াবা সময়মতে আৰম্ভ নহয়। তদুপৰি কিছুমান বক্তাক নিৰ্দিষ্ট সময় বান্ধি নিদিয়া বাবে শ্ৰোতা-দৰ্শক বিৰক্ত নোহোৱা পৰ্যন্ত ভাষণেই দি থাকে। তেতিয়া সময়ৰ খেলি-মেলি হয়। সেয়েহে কাৰ্যক্ৰমণিকা প্ৰস্তুত কৰোতেই যদি নিমন্ত্ৰিত লোকসকলক সময় বান্ধি দিয়া হয় তেনেহ'লে একেখন মঞ্চত সংগীতানুষ্ঠান আয়োজন কৰিব নোৱাৰাৰ কোনো কথা নাই।

প্ৰতিনিধি সভাখন যিহেতু দীঘলীয়া হোৱাৰ সম্ভাৱনা থাকে আৰু বিভিন্ন বিষয়ক লৈ বাক্-বিতণ্ডা হয় সেয়েহে এনেধৰণৰ সভাৰ বাবে সুকীয়া প্ৰেক্ষাগৃহ নিৰ্মাণ কৰাত আপত্তি নাই। সেই সভাখনক লৈ দৰ্শক-শ্ৰোতা আৰু সাহিত্যানুৰাগী যিসকলে সাহিত্য সৃষ্টিৰ সৈতে জড়িত নহ'লেও সহযোগ কৰে তেওঁলোকৰ বাবে কাৰ্যনিৰ্বাহক গৌণ বিষয়। গতিকে আয়োজকসকলে কোনে কিমান ভূমিক সামৰি অধিবেশনস্থলী নিৰ্মাণ কৰিছে সেইটো ডাঙৰ কথা নহয়, গুৰুত্বপূৰ্ণ বিষয় হৈছে কিমান সুচাৰুৰূপে বা নিয়াৰিকৈ কৰিব পাৰিছে। যান-বাহন আৰু খাদ্য গ্ৰহণৰ গৃহ মূল মণ্ডপৰ পৰা আঁতৰত থাকিলে কোনো অসুবিধা নহয়। কাৰণ খোৱা-বোৱা আদিৰ বাবে বেছি ঠাইৰ প্ৰয়োজন। মানুহে এক কিলোমিটাৰ পথ অতিক্ৰমি মূল মণ্ডপলৈ যাবলৈ আগ্ৰহী যদিও এই মূল মঞ্চৰ সন্মুখৰ পৰা এক কিলোমিটাৰ আঁতৰলৈ গৈ গ্ৰন্থমেলা, প্ৰদৰ্শনী আদি চাবলৈ আগ্ৰহী নহয়। বহুতেই এইবোৰ স্থানলৈ নোযোৱাকৈয়ে উভতি আহে। সেইবাবে মূল মঞ্চৰ পৰা এইবোৰ বহুত দূৰত আয়োজন কৰাৰ কোনো যুক্তি নাই। এইবোৰ বিষয়ৰ ওপৰত সাহিত্য সভাই গুৰুত্ব প্ৰদান কৰিব লাগিব। কাৰণ নৱপ্ৰজন্মক সাহিত্যৰ প্ৰতি যদিহে আকৰ্ষিত কৰিব খোজে তেনেহ'লে কিছু কিছু ক্ষেত্ৰত মানসিকতাৰ পৰিবৰ্তন কৰিবই লাগিব। যুৱপ্ৰজন্মই এক কিলোমিটাৰ পথ অতিক্ৰমি গ্ৰন্থমেলালৈ নাযায়। প্ৰদৰ্শনী চাবলৈ ইমান দীঘলীয়া বাট কোনোবাই খোজকাঢ়ি যাব জানো?

সেইবাবে আমি কওঁ— সাহিত্য সভাৰ সকলো অনুষ্ঠান মূল মঞ্চতেই হওক। নহ'লে আজিৰ পৰা ২০ বছৰ পিছত সাহিত্য সভাৰ মূল মঞ্চৰ সন্মুখত থকা নৱপ্ৰজন্মৰ সংখ্যা হ'ব তেনেই তাকৰ হ'ব। সকলোৰে মনত জন্মিব অনীহা। এই অনীহাই এদিন সকলোকে ক্ষতি কৰিব।

# উত্তৰ ভাৰতৰ ভয়াৱহ বানে দিছে অশনি সংকেত

এতিয়া চৌদিশে বানৰ তাণ্ডৱ। দেশৰ ৰাজধানী চহৰ দিল্লীৰ লগতে হিমাচল প্ৰদেশ, হাৰিয়ানা, পঞ্জাৱ, ৰাজস্থান, জন্মু আৰু কাশ্মীৰ, উত্তৰাখণ্ড, হিমাচল প্ৰদেশ আদি ৰাজ্যত চাৰিওফালে বানৰ বিভীষিকাময় পৰিস্থিতি। হিমাচল প্ৰদেশত এনেধৰণৰ পৰিস্থিতিৰ সৃষ্টি হৈছে যে মৃতকৰ সংখ্যা দিনক দিনে বৃদ্ধি পাইছে। কিছুবছৰ আগলৈকে ভাৰতৰ যিবোৰ স্থানত বানপানীৰ ছবিখন কল্পনা কৰিব পৰা হোৱা নাছিল আজি সেইবোৰ অঞ্চলতেই বানে ভয়াৱহ ৰূপ ধাৰণ কৰিছে। আগতে বানপানী বুলি ক'লে অসম, বিহাৰৰ ছবিখনেই সকলোৰে চকুৰ সমুখত ফুটি উঠিছিল। প্ৰাকৃতিক দুৰ্যোগৰ ভিতৰত অন্যতম বানৰ সময়ত কেনেধৰণৰ অবৰ্ণনীয় পৰিস্থিতিৰ সৃষ্টি হয় সেয়া সপোনতো কল্পনা কৰিব নোৱৰা ঠাইৰ লোকসকলে এতিয়া পানীৰ মাজতেই কক্‌বকাই থাকিবলগীয়া হৈছে। ভাৰতৰ ভূস্বৰ্গ হিচাপে খ্যাত পাহাৰীয়া অঞ্চল জম্মু আৰু কাশ্মীৰত আগতে কোনোবাই বানপানীৰ ছবিখন কল্পনা কৰিব পাৰিছিল জানো? নিশ্চয় নহয়। এইবোৰ অঞ্চলত এতিয়া বানপানীৰ যি ধ্বংসলীলা আৰম্ভ হৈছে সেয়া সকলোৰে বাবে

ইতিবাচক দিশ বুলি ক'ব নোৱাৰি। কাৰণ এয়া আৰম্ভণিহে। ভৱিষ্যতে জনগণে ইয়াতকৈ অধিক জটিল পৰিস্থিতিৰ সন্মুখীন যে হ'ব লাগিব তাৰেই ইংগিত দিছে। এতিয়া স্বাভাৱিকতে সকলোৰে মনলৈ এটা প্ৰশ্ন আহে— এইবোৰ অঞ্চলত কিয় বানপানীয়ে সংহাৰী ৰূপ লৈছে? ইয়াৰ উত্তৰ এটা বাক্য বা শব্দৰে শেষ কৰিব নোৱাৰি। তথাপি যিবোৰ কাৰকৰ বাবে এনে পৰিস্থিতিৰ সৃষ্টি হৈছে সেইবোৰৰ ভিতৰত অন্যতম হৈছে জলবায়ুৰ পৰিৱৰ্তন আৰু মানৱসৃষ্ট কাৰ্য। দেশৰ যিবোৰ অঞ্চলত আমি পাহাৰীয়া অঞ্চল বুলি জানি আহিছিলো সেইবোৰত এতিয়া এফালৰ পৰা আৰম্ভ হৈছে পাহাৰৰ ধ্বংসযজ্ঞ। যেতিয়া পাহাৰ এখনত খনন কৰা হয় তেতিয়া তাত মাটি কটাৰ সমানেই গছো কাটে। ফলত প্ৰাকৃতিক ভাৰসাম্যত ব্যাঘাত জন্মে। যেতিয়া একো একোটা সেউজীয়া অঞ্চল নঙঠা হৈ পৰে তেতিয়া সেই অঞ্চলটোত প্ৰাকৃতিক ভাৰসাম্য ৰক্ষাত ব্যাঘাত জন্মে। তদুপৰি এইবোৰৰ পৰা বৰষুণত বৈ অহা পানী আৰু মাটি নদীৰ বুকুত পৰি থকাৰ ফলত এসময়ত নদীৰ বুকুখন তৰাং হৈ পৰে। নদীৰ বুকু উফন্দি উঠা মানে পানীৰ বহন ক্ষমতা কমিবলৈ ধৰে। তদুপৰি যেতিয়া পানীখিনি নৈৰ ওপৰেদি বৈ যাবলৈ ধৰে তেনেহ'লে ইয়াৰ সোঁত দ্ৰুত হয়। সেইবাবে আগতে যিবোৰ নদীৰ মথাউৰি বা বান্ধ দুৰ্বল আছিল সেইবোৰ হঠাতে ভাঙি যোৱাৰ ফলত বানে ভয়াৱহ ৰূপ ল'বলৈ ধৰে। প্ৰকৃতিৰ ওপৰত চলোৱা ধ্বংসলীলা আৰু সকলোৰে আত্মকেন্দ্ৰিক মনোভাবে আজি আমাক এনে এক পৰিস্থিতিৰ মাজত থিয় কৰাইছে— য'ত কেৱল প্ৰকৃতিৰ ৰূঢ় ৰূপহে প্ৰতিফলিত হয়। তদুপৰি পূৰ্বতে যিবোৰ ঠাইত বিল, হ্ৰদৰ পৰা আৰম্ভ কৰি বৃহৎ বৃহৎ পুখুৰী আদি আছিল সেইবোৰত এতিয়া আৰম্ভ হৈছে নিৰ্মাণকাৰ্য। উন্নয়নৰ নামত আমি যিমান প্ৰাকৃতিক সম্পদ ধ্বংস কৰিছো সেইবোৰৰ পৰিণতি এতিয়াহে বুজিব পাৰিছো। সকলোৱে 'মই' ভাবৰ মাজত সোমাই থকা বাবে আজি এনে এক পৰিস্থিতিৰ সৃষ্টি হৈছে। বান ৰোধ কৰিব পৰা ক্ষমতা মানুহৰ মাজতেই আছে। কিন্তু সকলোৰে অৱহেলা আৰু সংকীৰ্ণ মনোভাবৰ বাবে মানুহেই মানুহৰ বিপদ মাতি আনিছে।

পানীৰ সোঁত বা গতিক কিছুমান ঠাইত কৃত্ৰিমভাৱে বাধা দিয়া হৈছে।

এইদৰে কৃত্ৰিমভাৱে বাধা দিয়াত প্ৰকৃত উৎসতেই পানীয়ে গতি সলাইছে। এই গতি এতিয়া ক'ৰ পৰা কোনফালে গৈছে সেই বিষয়ে কোনোৱেই পূৰ্বানুমান কৰিব নোৱৰা হৈছে। গতিক বাধা দিলে এনে হ'বই। দিল্লী, পঞ্জাব, হিমাচল প্ৰদেশ, উত্তৰাখণ্ড, ৰাজস্থানত এইবাৰ বানৰ যি ৰূপ দেখা গৈছে সেয়া মানুহৰ কুকৰ্মৰ বাবেই হৈছে। সবাতোকৈ গুৰুত্বপূৰ্ণ বিষয় হৈছে যে এইবোৰৰ প্ৰায়ভাগ অঞ্চলতেই ভয়াৱহ ৰূপত ভূমিস্খলনৰ হোৱাত মাটিৰ বহন আৰু সহন ক্ষমতা হ্ৰাস পাইছে। মাটি একেবাৰে কোমাল হোৱাত যি গতিত খহনীয়া আৰম্ভ হৈছে সেয়া স্বচক্ষে প্ৰত্যক্ষ নকৰিলে কল্পনাই কৰিব নোৱাৰি। ভূমিস্খলনৰ বাবে আজি হিমাচল প্ৰদেশ, জম্মু-কাশ্মীৰৰ দৰে ঠাইত কেইবাজনো লোকে অকালতে প্ৰাণ হেৰুৱালে। বানৰ বিভীষিকাময় পৰিস্থিতি ৰাজস্থানতো। যিখন ৰাজ্যত আমি মৰুভূমি দেখিবলৈ পাওঁ সেই ৰাজ্যখনত এতিয়া বানপানী। এইবোৰ কথা ভাবিবৰ হৈছে। নহ'লে এদিন বান-ভূমিস্খলনে এই ৰাজ্যকেইখনত উন্নয়নত ব্যাঘাত জন্মোৱাটো নিশ্চিত।

বানপানীৰ অন্য এক কাৰণ হৈছে বৰষুণৰ পৰিমাণ বেছি হোৱা। সমান্তৰালভাৱে নদ-নলা আদি পৰিকল্পনাবিহীনভাৱে নিৰ্মাণ কৰাৰ ফলত এনেধৰণৰ সমস্যাই গা কৰি উঠিছে। প্ৰায়ভাগ ৰাজ্যতেই থকা বৃহৎ নলা-নৰ্দমা আদিৰ বহন ক্ষমতা হ্ৰাস পাইছে। এইবোৰত হোৱা বেদখলৰ ফলতে পানী ওলাই যাব নোৱাৰে। তদুপৰি কিছুমান ঠাইত হিমপাত বেছিকৈ হোৱাৰ ফলত পৰোক্ষভাৱে এনেধৰণৰ সমস্যাই গা কৰি উঠিছে। তদুপৰি যিবোৰ অঞ্চলত বেছিকৈ খহনীয়া হয় সেইবোৰত পৰৱৰ্তী সময়ত বানে সংহাৰী ৰূপ লোৱাৰ উপৰি পাৰ্শ্বৱৰ্তী অঞ্চলতো ইয়াৰ প্ৰত্যক্ষ অথবা পৰোক্ষ প্ৰভাৱ পৰিছে। উত্তৰ ভাৰতৰ ৰাজ্যসমূহত হোৱা বানৰ ছবিখন কিছুবছৰ আগলৈকে কল্পনাই কৰিব পৰা নাছিল। এইবোৰ অঞ্চলত কেৱল আগতে প্ৰচণ্ড গৰম আৰু গ্ৰীষ্মপ্ৰৱাহৰ ফলত মানুহৰ মৃত্যু হোৱাৰহে বাতৰি পঢ়িবলৈ পাইছিলো। এতিয়া দৃশ্যপট সলনি হ'ল। অসমৰ দৰে দিল্লী, ৰাজস্থান, হিমাচলপ্ৰদেশ, উত্তৰাখণ্ড, জম্মু আৰু কাশ্মীৰৰ অৱস্থা হোৱাটোৱে ভাৰতত যে প্ৰাকৃতিক তথা জলবায়ুৰ ভয়াৱহ পৰিৱৰ্তন হৈছে।

# জালুকবাৰী-খানাপাৰা প্ৰৱেশপথৰ কদৰ্য ৰূপ আৰু যান-জঁটৰ বাবে দায়ী কোন?

জালুকবাৰী আৰু খানাপাৰাক গুৱাহাটী মহানগৰীৰ প্ৰৱেশদ্বাৰ বুলি কোৱা হয়। নামনি অসমৰ যিকোনো ঠাইৰ পৰা গুৱাহাটীত প্ৰৱেশ কৰিবলৈ হ'লে জালুকবাৰী স্পৰ্শ কৰিব লাগিব। একেদৰে উজনি অসমৰ যিকোনো ঠাইৰ পৰা আহিবলৈ হ'লে খানাপাৰা অতিক্ৰম কৰিবই লাগিব বাবে এই দুখন সততে চৰ্চা হোৱা ঠাই। জালুকবাৰীত বিশ্ববিদ্যালয় আৰু শেহতীয়াভাৱে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ সমাধিক্ষেত্ৰ স্থাপন হোৱা বাবে ঠাইখিনিৰ বিশেষত্ব বৃদ্ধি হৈছে। অৱশ্যে এটা কথা ঠিক যে এই দুয়োটা গুৰুত্বপূৰ্ণ অনুষ্ঠানৰ উপৰি জালুকবাৰীতেই আছে বহুতো ঐতিহাসিক সমল। গুৱাহাটী মহানগৰীত প্ৰৱেশৰ অন্যতম দুৱাৰখনিত আজি স্বচ্ছ ভাৰতৰ বিপৰীত ছবি এখন ফুটি উঠিছে। বহিঃৰাজ্যৰ পৰা অহা লোক তথা বিদেশী পৰ্যটকে যেতিয়া এইখন দুৱাৰমুখেদি প্ৰৱেশ কৰে তেতিয়া মনত অসমৰ ছবিখন যিদৰে অংকিত কৰিব সেয়া নক'লেও হ'ব। যিকোনো চহৰেই হওক বা নগৰেই হওক সেই ঠাইৰ সৌন্দৰ্য ভালেখিনি নিৰ্ভৰ কৰে মুখ্যদ্বাৰ, পথ আদিৰ পৰিষ্কাৰ-পৰিচ্ছন্নতাই। সেয়েহে পৰ্যটনৰ ক্ষেত্ৰত যেতিয়া গুৰুত্ব প্ৰদান কৰে তেতিয়া এনেবোৰ বিষয়ে চৰ্চা লাভ কৰা দেখা যায়।

এসময়ত জালুকবাৰীৰ সৌন্দৰ্যবৰ্ধন আৰু যান-জঁটৰ সমস্যা আঁতৰ কৰিবলৈকে সুন্দৰ আৰু আকৰ্ষণীয় এখন উৰণীয়া সেতু নিৰ্মাণ কৰা হৈছিল। চাৰিওফালৰ পৰা অহা-যোৱা কৰিব পৰাকৈ এইখন উৰণীয়া সেতু নিৰ্মাণ কৰা হৈছিল বাবে সকলোৱে চৰকাৰৰ এই কাৰ্যক আদৰণি জনাইছিল। দূৰৈৰ পৰা এইখন উৰণীয়া সেতুৱে সকলোৰেই দৃষ্টি আকৰ্ষণ কৰে। আনকি ইয়াৰ ফটো তুলিলে সেইখন বিদেশৰ যিকোনো চহৰৰ উৰণীয়া সেতুৰ স'তে ফেৰ মাৰিব পৰা এখন উন্নত উৰণীয়া সেতু বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। পিছে, যেতিয়া এইখন উৰণীয়া সেতুৰে অতিক্ৰম কৰিবলগীয়া হয় তেতিয়া সকলোৱে নাক কোচাবলগীয়া পৰিস্থিতিৰ সৃষ্টি হয়। এতিয়া এইখন উৰণীয়া সেতুৰ ওপৰত চলি আছে অবৈধ পাৰ্কিং তথা অস্থায়ী বাছ আস্থান। উৰণীয়া সেতুখনৰ ওপৰত ঠিক মধ্যভাগত আৰু প্ৰৱেশ পথতেই তিনি ঠাইত দেখা যায় বাছ আস্থান। লিখিত ৰূপত বাছ আস্থান নাই যদিও সেইফালেদি গাড়ীত গ'লেই ইয়াৰ ছবিখন দেখিবলৈ পোৱা যায়। এনে বাছ আস্থানৰ বাবে সমস্যাৰ সৃষ্টি হৈছে। আনকি কেতিয়াবা কেতিয়াবা ইয়াৰ ওপৰত সৃষ্টি হোৱা যান-জঁট শৰাইঘাট দলংপৰ্যন্ত দীঘলীয়া শাৰী কৰিবলৈ বাধ্য কৰে। এই অৱস্থাত দূৰণিবটীয়া যাত্ৰীসকলে বিশেষকৈ গৰমৰ দিনত কেনে পৰিস্থিতিৰ সন্মুখীন হ'বলগীয়া হয় সেয়া নিশ্চয় ব্যাখ্যাৰ প্ৰয়োজন নাই।

এইখন উৰণীয়া সেতুৰ ওপৰত অবৈধভাৱে গঢ়ি উঠা যান-বাহনৰ আস্থানে সকলো শ্ৰেণীৰ লোককে হাৰাশাস্তি কৰিছে। মহানগৰীত প্ৰৱেশৰ মূল দ্বাৰতেই যদি এনেধৰণৰ যান-জঁটৰ সৃষ্টি হয় তেনেহ'লে ভিতৰভাগত কেনেধৰণৰ পৰিস্থিতি হ'ব পাৰে সেয়া সহজেই অনুমেয়। এনে পৰিস্থিতি মানুহে নিজেই সৃষ্টি কৰা। এখন সুন্দৰ উৰণীয়া সেতু আৰু মহানগৰৰ মূল প্ৰৱেশ পথত কেনেকৈ এনেদৰে অবৈধ বাছ আস্থান গঢ়ি উঠিব পাৰে সেয়া নিশ্চয়কৈ চিন্তনীয় বিষয়। এইখন উৰণীয়া সেতুৰ ওপৰত আৰু আশে-পাশে বহুতো টহলদাৰী আৰক্ষী আৰু ট্ৰেফিক আৰক্ষী থকাৰ পিছতো কেনেদৰে যান-জঁটৰ সৃষ্টি হ'ব পাৰে সেয়াহে চিন্তনীয় বিষয়। যিসকল আৰক্ষীক এইবোৰ অবৈধ কাৰ্যকলাপ প্ৰতিৰোধৰ বাবে নিয়োগ কৰা হয় সেইসকল লোকেই আকৌ ভক্ষকৰ ভূমিকাত

অৱতীৰ্ণ হয়। ইয়াৰ আঁৰৰ ৰহস্য কি হ'ব পাৰে সেয়া সহজেই অনুমান কৰিব পাৰি।

এইবাৰ আহিছোঁ খানাপাৰাৰ মূল প্ৰৱেশদ্বাৰত সৃষ্টি হোৱা যান-জঁটৰ প্ৰসংগলৈ। উজনি অসমৰ পৰা সকলো যান-বাহনেই এই প্ৰৱেশদ্বাৰেৰেই মহানগৰীলৈ আহিব লাগে। দিনটোৰ ভিতৰত মেঘালয় আদিৰ পৰাও শ শ গাড়ী আহে। উজনিৰ পৰা হেজাৰ হেজাৰ যান-বাহন প্ৰৱেশ কৰাত যান-জঁটৰ সৃষ্টি হয়। ইয়াতো একেধৰণৰ আস্থান। যিয়ে য'তে পায় তাতেই গাড়ী ৰখাই যাত্ৰী উঠোৱা-নমোৱা কৰে। কোনোৱে কালৈকো ভ্ৰূক্ষেপ নকৰে। সকলোৱে কেৱল নিজৰ বাহনখন কেনেদৰে আগুৱাই নিব পাৰে তাৰেই চিন্তাত নিমগ্ন। সকলোৱে আগত যাব খোজে। যিহেতু প্ৰৱেশ পথছোৱা তেনেই ঠেক, সেয়েহে উক্ত স্থানত এনেদৰে ৰখোৱাৰ ফলত যান-জঁটৰ সৃষ্টি হয়। এই স্থানতো আৰক্ষী দেখা যায় যদিও তেওঁলোকে নিয়মমাফিক নিজৰ চাকৰিটো ৰক্ষাৰ বাবেহে যেন তাত টহল দিয়ে। কেতিয়াবা আনকি আৰক্ষীকেই ধমক দি চালকে দ্ৰুতবেগত গাড়ী চলাই উধাও হয়। তদুপৰি ইয়াতো সময়ে সময়ে কদৰ্যময় পৰিৱেশৰ সৃষ্টি নোহোৱাকৈ নাথাকে।

গুৱাহাটী মহানগৰীক সুন্দৰ আৰু পৰিষ্কাৰ কৰি ৰাখিবলৈ বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা হৈছে। ঠায়ে ঠায়ে এনেধৰণৰ আহ্বান জনাই হ'ৰ্ডিং, পোষ্টাৰ আদিও আঁৰি দিয়া হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ স্বচ্ছ ভাৰতৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই ৰাইজে নিজাববীয়াকৈও চাফ-চিকুণ কৰিছে। ইমানৰ পিছতো গুৱাহাটী মহানগৰীৰ প্ৰৱেশপথ দুটাত এক হুলস্থূলীয়া পৰিৱেশৰ লগতে দেখা পোৱা গৈছে স্বচ্ছ ভাৰতৰ এখন বিপৰীত ছবি।

# বৃটেইনৰ প্ৰধানমন্ত্ৰীয়ে পুনৰুদ্ধাৰ কৰিব পৰিবনে ভগ্ন অৰ্থনীতি

সাম্প্ৰতিক সময়ত বিশ্বৰ ৰাজনীতিত সবাতোকৈ চৰ্চিত নামটোৰে হৈছে ঋষি ছুনাক। ৪২ বছৰীয়া বৃটেইনৰ ৰাজনীতিবিদগৰাকীৰ ওপৰত নিবদ্ধ হৈছে বিশ্ববাসীৰ দৃষ্টি। কাৰণ সঘনাই সলনি কৰা হোৱা বৃটেইনৰ ৰাজনৈতিক পৰিৱৰ্তন ৰোধৰ বাবে সাজু হৈছে ঋষি ছুনাক। বৃটিছ ৰাজনীতিত নতুন ইতিহাস ৰচনা কৰা ঋষি ছুনাকে বৃটেইনৰ ৫৭সংখ্যক প্ৰধানমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰাৰ লগে লগে ইয়াক লৈ দেশখনৰ জনগণৰ সমীকৰণো সলনি হৈছে। দেশখনত ক্ৰমাৎ ভাঙি যাবলৈ ধৰা অৰ্থনৈতিক অৱস্থাৰ পুনৰুদ্ধাৰৰ বাবে এইগৰাকী কম বয়সীয়া ৰাজনীতিবিদৰ ওপৰত দেশবাসীয়ে বহুতো আশা কৰিছে। বিগত সময়ছোৱাত বিভিন্ন কাৰণত বৃটেইনত ৰাজনৈতিক অস্থিৰতাই গা কৰি উঠাৰ মূলতে হ'ল প্ৰধানমন্ত্ৰীৰ সবল নেতৃত্বৰ অভাৱ। পাঞ্জাবী খত্ৰী হিন্দু পৰিয়ালৰ সন্তান ছুনাকে বিগত সময়ত বিশেষকৈ যোৱা সাত বছৰত দেখুওৱা সবল নেতৃত্বৰ বাবে তেওঁৰ ওপৰত অৰ্পণ কৰা হৈছে দেশৰ প্ৰধানমন্ত্ৰীৰ ভাৰ। কনজাৰভেটিভ পাৰ্টিৰ প্ৰতিনিধি হিচাপে লীজ ট্ৰাছৰ উত্তৰাধিকাৰী নিৰ্বাচিত হোৱাৰ পিছতে ভাৰততো তেওঁক লৈ আৰম্ভ হৈছে ব্যাপক চৰ্চা।

১৯৮০ চনৰ ১২ মে'ত ইংলেণ্ডৰ ছাউদাম্পটনত জন্মগ্ৰহণ কৰা ছুনাকে উইনচেষ্টাৰ কলেজত শিক্ষা গ্ৰহণৰ পাছত অক্সফ'ৰ্ডৰ লিংকন কলেজত দৰ্শন, ৰাজনীতি আৰু অৰ্থনীতিত অধ্যয়ন কৰা ছুনাকে ২০১৫ চনত অনুষ্ঠিত সাধাৰণ নিৰ্বাচনত বৃটিছ সাংসদ হাউছ অব্ কমনছলৈ নিৰ্বাচিত হয়। ২০০৯ চনত ছুনাকে ভাৰতীয় ধনকুবেৰ তথা ইনফ'ছিছৰ প্ৰতিষ্ঠাতা এন আৰ নাৰায়ণমূৰ্তিৰ দুহিতা অৰূপা মূৰ্তিৰ স'তে বিবাহপাশত আবদ্ধ হয়। ছুনাকে বিগত সময়ত ব্ৰেক্সিটক সমৰ্থন জনাই আহিছে। সেয়েহে সাংসদ হিচাপে তেওঁ অতি কম বয়সৰ ভিতৰতে দেশবাসীৰ মাজত জনপ্ৰিয় হ'বলৈ সক্ষম হয়। ২০১৬ চনত থেৰেছা মে' চৰকাৰৰ দিনত স্থানীয় প্ৰশাসনৰ সংসদীয় অবৰ সচিবৰ দায়িত্ব লাভ কৰিবলৈ সক্ষম হৈছে। সেয়া আছিল তেওঁ সাফল্যৰ অন্যতম খোজ। আনহাতে বৰিছ জনছনে প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ সুযোগ দিয়াৰ ক্ষেত্ৰত অন্যতম ব্যক্তি আছিল ঋষি ছুনাক। তেওঁ ইয়াৰ বাবে পুৰস্কাৰো লাভ কৰে। তেওঁ বিত্ত বিভাগৰ প্ৰধান সচিবৰ দায়িত্ব লাভ কৰাৰ সময়তে কৰ্মদক্ষতা আৰু বিচক্ষণতা প্ৰকাশ পায়। ইয়াৰ পিছতে বৰিছ জনছনৰ মন্ত্ৰীসভাৰ বিত্তমন্ত্ৰী ছজিদ জাভিদৰ স্থানত তেওঁ এই দায়িত্ব লাভ কৰে। উল্লেখ্য যে ২০২২ চনৰ ৫ জুলাইত জনছনৰ স'তে মতবিৰোধ হোৱাত তেওঁ বিত্তমন্ত্ৰী হিচাপে পদত্যাগ কৰাৰ লগে লগেই দেশবাসীৰ মাজত জনপ্ৰিয়তা বৃদ্ধি পায়। দেশৰ অৰ্থনৈতিক সংকটৰ সময়ত কেনেদৰে দেশবাসীক শংকামুক্ত কৰিব পাৰি সেই বিষয়ে বিগত সময়ত কৰা মন্তব্যই তেওঁক প্ৰধানমন্ত্ৰী হোৱাৰ পথ অধিক প্ৰশস্ত কৰে। ক'ভিডকালীন সময়ত হোৱা আৰ্থিক সংকটৰ পৰা দেশখনক উদ্ধাৰ কৰাত ব্যৰ্থ হৈছে তিনিগৰাকী প্ৰধামন্ত্ৰী। বিগত তিনি মাহৰ ভিতৰত তিনিগৰাকীকৈ প্ৰধানমন্ত্ৰী সলনি হোৱাটো বৃটেইনৰ ইতিহাসত সবাতোকৈ উল্লেখনীয় দিশ হিচাপে বিবেচিত হৈছে।

যিখন দেশৰ কেইবাদশক আগলৈকে বেলি ডুব যোৱা নাছিল সেই দেশতেই আজি ৰাজনৈতিক-অৰ্থনৈতিক সংকটৰ বিষয়টো সঁচাকৈয়ে চিন্তনীয়। কাৰণ যেতিয়া বিশ্ববাসীয়ে যিখন দেশৰ সিদ্ধান্ত তথা পৰিকল্পনা আদিৰ বাবে আক্ষেপ কৰিছিল তেতিয়া তেওঁলোকৰ উদিত সূৰুযৰ কিৰণ

প্ৰায়ভাগ দেশতেই পৰিছিল। বৃটিছসকলে কৌশলেৰে প্ৰায়ভাগ দেশৰ শাসনভাৰ লৈ ধন-সম্পদৰ লুণ্ঠন চলাইছিল যদিও পৰোক্ষভাৱে বৃটিছসকলৰ বাবেই বহুতো অনগ্ৰসৰ ঠাইৰ উন্নতি হৈছিল। এতিয়া সেইবোৰ ঠায়েই বিশ্বৰ অন্যতম বাণিজ্যিক কেন্দ্ৰ বা চহৰ হিচাপে পৰিগণিত হৈছে। এই কথা কোনোৱে স্বীকাৰ কৰিব নোখোজে। শোষণৰ মাজতো কিছু পৰিমাণে আছিল উন্নয়ন। আজিৰ কমনৱেলথ ৰাষ্ট্ৰৰ মৰ্যাদা লাভ কৰা দেশসমূহ এসময়ত বৃটিছসকলৰ আজি চৰম দুৰ্দশা। এই কথা স্বয়ং দেশখনে প্ৰকাশ কৰিবলৈ বাধ্য হৈছে। ইতিমধ্যে নতুন প্ৰধামন্ত্ৰী ঋষি ছুনাকেও শপত গ্ৰহণ কৰিয়েই কৈছে যে ক'ভিডৰ সময়ৰ পৰাই দেশখনে আৰ্থিক সংকটৰ সন্মুখীন হৈছে। আনহাতে ভ্লাডিমিৰ পুটিনৰ ইউক্ৰেইনৰ বিৰুদ্ধে চলাই থকা যুদ্ধই ইন্ধনৰ বজাৰত ভাৰসাম্য অৱস্থাত অস্থিৰতা আনি দিছে। সমগ্ৰ বিশ্বতেই ইন্ধন যোগানৰ ক্ষেত্ৰত থকা সুচলতাত ব্যাঘাত জন্মাইছে। সবাতোকৈ ডাঙৰ কথা হ'ল— নতুন প্ৰধানমন্ত্ৰীগৰাকীয়ে বিদায়ী প্ৰধানমন্ত্ৰী লীজ ট্ৰাছক সমালোচনা কৰাৰ পৰিৱৰ্তে সহমৰ্মিতাহে প্ৰকাশ কৰিছে। লীজে দেশৰ এই অৱস্থাৰ পৰিৱৰ্তন কৰিবলৈ অস্থিৰ হৈ পৰিছিল যদিও কেইটামান ভুলৰ বাবে পুনৰুদ্ধাৰ কৰাত ব্যৰ্থ হোৱা বুলিহে ছুনাকে কয়। নতুন চৰকাৰৰ ঐক্য, প্ৰফেচনেলিজমৰ ওপৰত গুৰুত্ব প্ৰদান কৰিব বুলি তেওঁ কয়। এইটো তেওঁৰ ভাল পদক্ষেপ বুলিয়ে ক'ব লাগিব। আনৰ গালৈ দোষ ঠেলি অথবা বোকা ছটিওৱাৰ ৰাজনীতি কৰাৰ পৰিৱৰ্তে ভৱিষ্যতে বৃটেইনক শক্তিশালী ৰূপত বিশ্ববাসীৰ সন্মুখত দাঙি ধৰিবলৈ পদক্ষেপ গ্ৰহণৰ কথাহে কৈছে। বগা চাহাবৰ ৰাজনীতি আৰু আমাৰ দেশৰ ৰাজনীতিৰ মাজত এটাই পাৰ্থক্য। সমালোচনা নহয়— গঠনমূলক চৰ্চাৰেহে দেশৰ অৰ্থনীতি শক্তিশালী কৰাটো সম্ভৱ।

ঋষি ছুনাক হৈছে দেশৰ ২২২ নম্বৰ ধনী ব্যক্তি। গতিকে তেওঁ আৰ্থিকভাৱেও সফল। সেইবুলি তেওঁৰ ব্যক্তিগত সম্পত্তি দেশৰ বাবে ব্যৱহাৰ নকৰে। মাথোঁ মানুহৰ মাজত এটাই বিশ্বাস জন্মিছে যে ছুনাকে নিজৰ বাবে নহয়, দেশৰ বাবেহে সকলো কৰিব। যিসময়ত ৰাছিয়া-ইউক্ৰেইনৰ যুঁজক লৈ বৃটেইনৰ লগত প্ৰায়ভাগ দেশেই ইউক্ৰেইনৰ পক্ষত থিয় দিছে সেই সময়ত বৃটেইনৰ অৰ্থনীতি তেনেই দুৰ্বল হৈ পৰাৰ এখন ছবি ফুটি উঠিছে। বৃটেইনৰ

ভৱিষ্যৎ অন্ধকাৰৰ দিশে গতি কৰা বুলি শংকিত হৈছে জনগণ। সেইবাবেই ৰাজনৈতিক অস্থিৰতা। সেইবুলি বিৰোধী লেবাৰ পাৰ্টীয়ে কনজাৰভেটিভ পাৰ্টীৰ সাংসদক হেঁচি ধৰা নাই। এই ক্ষেত্ৰত ছুনাকে যি ভূমিকা গ্ৰহণ কৰিছে সেয়া সকলোৰে বাবে লক্ষণীয় হৈ পৰিছে।

ঋষি ছুনাক ভাৰতীয় বংশোদ্ভুৱ হোৱা বাবে আজি ভাৰতীয় লোকসকলো গৌৰৱান্বিত। আমেৰিকাৰ উপ-ৰাষ্ট্ৰপতি কমলা হেৰিছে কাৰ্যভাৰ গ্ৰহণ কৰাৰ সময়ত সকলোৱে ভাবিছিল হেৰিছৰ বাবেই ভাৰতৰ সৈতে সম্পৰ্ক পূৰ্বতকৈ উন্নত হ'ব। পিছে বৰ্তমানলৈকে সম্ভৱ হোৱা নাই; কাৰণ তেওঁলোকৰ বাবে প্ৰথম দেশ। দেশৰ স্বাৰ্থৰ বাবে যদি পদক্ষেপ গ্ৰহণ কৰিবলগীয়া হয়, তেতিয়া ভাৰতৰ বিৰুদ্ধাচাৰণ কৰাতো পিছুৱাই নাযায়। সেইবাবে ঋষি ছুনাকৰ পৰাও যে ভাৰতে বিশেষ সুযোগ আদায় কৰিব সেয়া আশা নকৰাই ভাল। পিছে সকলোৱে এইবাবেই আশা কৰিছে যে ছুনাক হৈছে ভাৰতৰ জোঁৱাই। জোঁৱাইৰ পৰা সকলোৱেই বেছি আশা কৰে।

# নৱপ্ৰজন্মৰ বাবে সুধাকণ্ঠ হওক প্ৰেৰণাৰ উৎস

ড° ভূপেন হাজৰিকা আছিল অসমৰ প্ৰাতঃস্মৰণীয় মহান ব্যক্তিসকলৰ ভিতৰত অন্যতম। গণশিল্পীগৰাকী আছিল অসমীয়াৰ হিয়াৰ আমঠু। সকলো মানুহে হিয়াৰ আমঠু হ'ব নোৱাৰে। মাত্ৰ এমুঠিমান লোকহে এনে গুণৰ অধিকাৰী হ'ব পাৰে। অসমৰ ইতিহাসৰ সোণোৱালী পৃষ্ঠাত জিলিকি থকা এমুঠিমান ব্যক্তিৰ ভিতৰত অন্যতম হ'ল সুধাকণ্ঠ ড° ভূপেন হাজৰিকা। একেদৰে ক'ব পাৰি শিল্পী হোৱা কঠিন নহয়, গণশিল্পী হ'বলৈহে কণ্টকময় বাট বুলিব লাগে। কঠোৰ সাধনা আৰু একান্ত চিত্ত থাকিলেহে গণশিল্পীৰ সন্মান বুটলিব পাৰি। এনে এগৰাকী সন্মানৰ গৰাকী আছিল ড° ভূপেন হাজৰিকা। অসমৰ সাংস্কৃতিক ক্ষেত্ৰখনত নতুন জোৱাৰ আনিবলৈ সক্ষম হোৱাসকলৰ ভিতৰতে প্ৰথমতে সুধাকণ্ঠৰ নাম উল্লেখ কৰিবই লাগিব। সুধাকণ্ঠই সময়ৰ নৱ-প্ৰজন্মক উদ্বুদ্ধ কৰিব পৰা গীত ৰচনা কৰিছিল। তেওঁ যুৱ প্ৰজন্মক ভালদৰে বুজি পাইছিল। সমাজ তথা দেশৰ উন্নতিৰ মূল চালিকা শক্তিয়েই হ'ল যুৱ শক্তি। সেইবাবে ড° ভূপেন হাজৰিকাই যুৱ প্ৰজন্মৰ মনত আত্মবিশ্বাস গঢ়িবলৈ গাইছিল—

অগ্নিযুগৰ ফিৰিঙতি মই
নতুন অসম গঢ়িম
সৰ্বহাৰাৰ সৰ্বস্ব
পুনৰ ফিৰাই আনিম
নতুন অসম গঢ়িম

সমাজত সম ভাব আৰু সমঅধিকাৰৰ বাবে যুঁজিবলৈ তেওঁ গান ৰচনা কৰিছিল। জনতাৰ বাবে সুৰ ৰচনা কৰি মন-প্ৰাণ দি গাইছিল বাবে আজিও সকলোৱে জনতাৰ শিল্পী বুলি কয়। জনপ্ৰিয় আৰু জনতাৰ শিল্পী আছিল সুধাকণ্ঠ। সাধাৰণতে প্ৰায়সংখ্যক লোকেই জনপ্ৰিয় শিল্পী আৰু গণশিল্পীক একেই বুলি ভাবে। এইখিনিতে উল্লেখ কৰিব খুজিছো যে এগৰাকী শিল্পী জনপ্ৰিয় হ'লেও গণশিল্পীৰ আখ্যা লাভ নকৰিবও পাৰে। এনেবোৰ শিল্পীক এটা শ্ৰেণী বা এটা প্ৰজন্মইহে জীয়াই ৰাখে। কিন্তু গণশিল্পীয়ে সদায় শ্ৰোতা তথা অনুৰাগীৰ মনত প্ৰতিটো ক্ষণতেই সজীৱ হৈ থাকে। সেইবাবে ভূপেন হাজৰিকাক গণশিল্পী হিচাপে আখ্যা দিয়া হয়। এইক্ষেত্ৰত কোনোৱে দ্বিধাবোধো নকৰে।

আজিৰ পৰিস্থিতি আৰু পৰিৱেশত আমাক এগৰাকী গণশিল্পীৰ প্ৰয়োজন। কাৰণ আজিৰ সমাজখন যিমানেই উন্নতিৰ জখলাত বগাইছে সিমানেই সংকীৰ্ণতাৰ মাজত সোমাই পৰিছে। চৌদিশে কেৱল অসহিষ্ণুতাৰ ৰাজত্ব। যেনি চায় তেনি কেৱল এক বিশৃংখল পৰিৱেশ। এনে সময়ত সুধাকণ্ঠৰ জীৱন দৰ্শন আৰু মানৱ জাতি তথা অসমীয়া জাতিক জীয়াই থাকিবলৈ দি যোৱা উপদেশ তেনেই প্ৰাসংগিক হৈ পৰিছে। আজিৰ পৰা কেইবাদশক পূৰ্বে সেইবাবে সুধাকণ্ঠই গাইছিল—

মানুহে মানুহৰ বাবে
যদিহে অকণো নেভাবে
অকণি সহানুভূতিৰে
ভাবিব কোনেনো কোৱা সমনীয়া...।

মানুহৰ অন্তৰ ভেদি যাব পৰা এনেধৰণৰ গীত কিয় ৰচনা কৰিব লাগে সেই কথা কাহানিবাই চিন্তা কৰিছিল। দৰাচলতে তেওঁ মানুহৰ মনৰ কথা

জানি বা মানুহক ভালদৰে বুজিব পাৰিছিল বাবেই এনেধৰণৰ গান বা গীত ৰচনা কৰি সকলোকে মানুহৰ বাবে ক্ষন্তেকৰ বাবে হ'লেও ভাবিবলৈ আহ্বান জনাইছিল। কাৰণ জীৱশ্ৰেষ্ঠ মানৱৰ বাবে একমাত্ৰ মানুহেই ভাবিব পাৰে। ইয়াৰ বিকল্প নাই।

আজিৰ প্ৰজন্ম দিশহাৰা। হতাশাই সকলোকে আৱৰি ধৰিছে। কেৰিয়াৰমুখী যুৱক-যুৱতীয়ে প্ৰতিযোগিতাৰ যুগত আগুৱাই যাব নোৱৰা বাবে চৰম হতাশাত ভুগিছে। এনে হতাশাই নৱ প্ৰজন্মক লক্ষ্যচ্যুত কৰিছে। কিন্তু এওঁলোক শুদ্ধ আৰু সঠিক পথেৰে আগুৱাই যাবলৈ সুধাকণ্ঠৰ জীৱন দৰ্শন তথা তেওঁৰ গীতসমূহ হৃদয়ংগম কৰিব লাগিব। শ্ৰমৰ মৰ্যাদা উপলব্ধি কৰিবলৈ সুধাকণ্ঠই কাহানিবাই গাইছিল— অট'ৰিক্সা চলাওঁ আমি দুয়ো ভাই...। শিক্ষিত যুৱক-যুৱতীয়ে চাকৰিৰ বাবে হাবাথুৰি খোৱাৰ কোনো প্ৰয়োজন নাই বুলি তেওঁ কাহানিবাই সোঁৱৰাই থৈ গৈছে। যেতিয়ালৈকে এটা জাতিৰ নৱপ্ৰজন্মই হাতে-কামে আগুৱাই আহি জাতিটোক ৰক্ষা কৰিবলৈ সংকল্প গ্ৰহণ নকৰে তেতিয়ালৈকে সেই জাতিটোৱে মেৰুদণ্ড পোনাই থিয় হ'ব নোৱাৰে। সেইবাবে ভূপেন হাজৰিকাই তাহানিতেই কৈ গৈছে—

আজিৰ অসমীয়াই নিজক নিচিনিলে
অসম ৰসাতলে যাব
আমি অসমীয়া নহওঁ নুখীয়া...

সুধাকণ্ঠৰ দৰ্শন সম্পৰ্কে নৱপ্ৰজন্মক আমি জ্ঞান দিবই লাগিব। কাৰণ ড° ভূপেন হাজৰিকা এগৰাকী ব্যক্তিয়েই নাছিল, আছিল এটা বৃহৎ অনুষ্ঠান। এই অনুষ্ঠানৰ পৰিসৰ সাত সাগৰ তেৰ নদী সিপাৰলৈ বিস্তৃত। সুধাকণ্ঠৰ সুধাপান কৰি কোনোৱে অন্ত কৰিব নোৱাৰিব। কাৰণ এই সুধাকণ্ঠ প্ৰশান্ত মহাসাগৰৰ দৰে বহল আৰু গভীৰ। আজিৰ প্ৰজন্মক এনে সুধাপান কৰিবলৈ আমিয়েই উৎসাহিত কৰিব লাগিব, যোগাব লাগিব অনুপ্ৰেৰণা। এনে অনুপ্ৰেৰণাৰেই নোহোৱা কৰিব পাৰিব হতাশা। সকলোৰে মনত জন্মাব আত্মবিশ্বাস। এই আত্মবিশ্বাসৰ পিঠিত উঠি হ'ব পাৰিব ৰণুৱা ঘোঁৰা।

# লাচিত বৰফুকনক বিশ্বদৰবাৰত প্ৰতিষ্ঠা

ভাৰত বুৰঞ্জীৰ ইতিহাসৰ পৃষ্ঠা মেলি চালে ছত্ৰপতি শিৱাজী, ৰাণাপ্ৰতাপ সিং আদিৰ নাম জিলিকি থকা দেখা যায়। মাৰাঠী বীৰ হিচাপে তেওঁক আজিও পূজা কৰা হয়। মেৱাৰৰ ৰজা ৰাণা প্ৰতাপৰ বীৰত্বৰ কথা আজিও সকলোৱে স্মৰণ কৰে। ভাৰতৰ প্ৰতিখন ৰাজ্যতে এই দুগৰাকী শাসক তথা মহাবীৰৰ জীৱনগাথা প্ৰচাৰিত হৈ আছে। নিঃসন্দেহ তেওঁলোক মহাপৰাক্ৰমী বীৰ। এই মহান বীৰযোদ্ধাসকলৰ সমানেই পৰাক্ৰমী অসমৰ বীৰ লাচিত বৰফুকন। চাৰিশ বছৰ পূৰ্বেই বৰ অসমত জন্মগ্ৰহণ কৰা লাচিত বৰফুকনৰ বাবেই মোগলে ত্ৰাহি মধুসূদন দেখিছিল। শৰাইঘাটৰ ৰণেই ইয়াৰ জ্বলন্ত উদাহৰণ। ১৬৭১ চনত বীৰ লাচিতৰ বীৰত্বৰ বাবেই শক্তিশালী মোগলক পৰাস্ত কৰি অসমক মোগলৰ দাসত্বৰ পৰা ৰক্ষা কৰিছিল। কৰ্তব্যত গাফিলতি কৰা আপোন মোমায়েকৰ শিৰশ্ছেদ কৰিবলৈও কুণ্ঠাবোধ কৰা নাছিল। এনে দেশপ্ৰেমৰ নিদৰ্শন অন্য ৰাজ্যত পাবলৈ নাই। নৰিয়া গাৰেই বিশাল ব্ৰহ্মপুত্ৰত নাৱেৰে যুঁজি মোগল সেনাক পৰাজিত কৰিছিল। আহোম সেনাৰ পৰাক্ৰমত ছেদেলি-ভেদেলি হৈছিল মোগল সৈন্য। ভাৰতৰ বীৰযোদ্ধাসকলৰ তুলনাত মহাবীৰ লাচিত বৰফুকনো কোনোগুণেই কম নহয়। কেৱল অসমৰেই নহয় উত্তৰ-পূৰ্বাঞ্চলৰ কোনো এখন ৰাজ্যতেই লাচিতৰ সমকক্ষ বীৰ নাই। কিন্তু লাচিত বৰফুকনক অসমৰ বাহিৰে ভাৰতৰ আন ৰাজ্যত কেইজনেই চিনি পায়? কিমানজনে জানে এইজনা বীৰৰ জীৱনগাথা? বীৰ যোদ্ধাৰ কৌশলৰ কথা?

লাচিত বৰফুকনৰ ৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰতিষ্ঠিত কৰিবলৈ পূৰ্বৰ চৰকাৰে যি পদক্ষেপ কৰিব লাগিছিল সেয়া এশভাগৰ এক শতাংশও নকৰা বাবে বীৰ লাচিত কেৱল অসমৰ পৰিসীমাৰ মাজতেই আবদ্ধ থাকিল। ৰাষ্ট্ৰীয় পৰ্যায়লৈ নিবলৈ তেওঁৰ জীৱনগাথা যিদৰে প্ৰচাৰ কৰিব লাগিছিল সেয়া কাৰ্যক্ষেত্ৰত হোৱা নাছিল। সেইবাবে এইগৰাকী মহান বীৰযোদ্ধা প্ৰাপ্য সন্মানৰ পৰা বঞ্চিত হৈ আছিল।

এইবাৰ চৰকাৰে লাচিত বৰফুকনৰ চাৰিশ বছৰীয়া জয়ন্তী বৃহৎ পৰিসৰে আয়োজন কৰিছে। ২৩-২৪ নৱেম্বৰত দিল্লীত চৰকাৰে বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিছে। মহাবীৰগৰাকীলৈ প্ৰস্তুত কৰা গ্ৰন্থ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উন্মোচন। আনহাতে ডকুমেণ্টৰী উন্মোচন কৰিব গৃহমন্ত্ৰী অমিত শ্বাহে। গ্ৰন্থ আৰু ডকুমেণ্টৰী একেলগে দেশৰ ৰাজধানীৰ প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰীয়ে মুকলি কৰাটো এক গুৰুত্বপূৰ্ণ দিশ বুলিয়েই ক'ব লাগিব। কাৰণ এনেধৰণৰ অনুষ্ঠানৰ জৰিয়তে দেশৰ সকলোৰে দৃষ্টি আকৰ্ষণ কৰিব পাৰি। কাৰণ দেশৰ ৰাজধানীত আয়োজিত যিকোনো অনুষ্ঠানেই দেশবাসীৰ দৃষ্টি সহজেই আকৰ্ষণ কৰিব পাৰে। প্ৰধানমন্ত্ৰী অথবা কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে অংশগ্ৰহণ কৰিলেতো কথাই নাই। এনেধৰণৰ অনুষ্ঠানৰ কাহানিবাই আয়োজন কৰিব লাগিছিল। পূৰ্বৰ চৰকাৰসমূহৰ নেতিবাচক মনোভাবৰ বাবেই লাচিত বৰফুকনে যিমান প্ৰচাৰ পাব লাগিছিল তাৰ এক শতাংশই নহয়। ইয়াৰ বাবে দায়ী কোন সেয়া আমি ক'ব খোজা নাই। ক'ব খুজিছো ব্যাপক প্ৰচাৰৰ অভাৱতহে আজিলৈকে লাচিত বৰফুকনে প্ৰাপ্য সন্মানৰ পৰা বঞ্চিত হৈ থাকিল।

চৰকাৰে ইতিমধ্যে এই জয়ন্তীৰ স'তে সংগতি ৰাখি এটা অনলাইন পৰ্টেল মুকলি কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। এই পৰ্টেলটোত দেশত থকা অথবা বাহিৰত থকা প্ৰতিগৰাকী অসমীয়াই বীৰ লাচিতৰ প্ৰতি সন্মান জনাই মনৰ কথা আপলোড কৰিব পাৰিব। এনেধৰণৰ লেখাৰ বিপৰীতে চৰকাৰে তেওঁলোকক এখন স্বীকৃতিপত্ৰ প্ৰমাণ কৰিব। সবাতোকৈ গুৰুত্বপূৰ্ণ বিষয় হৈছে অসমীয়াৰ উপৰি ইংৰাজী, হিন্দী, গুজৰাটকে ধৰি প্ৰায়ভাগ ভাৰতেই নিজৰ মনোভাব প্ৰকাশ কৰাৰ সুযোগ লাভ কৰিব। তদুপৰি সুদূৰ আমেৰিকা, ইংলেণ্ড আদি দেশত থকা অসমীয়া লোকসকলেও মনৰ ভাব প্ৰকাশ কৰাত সুযোগ পোৱা বাবে সকলোৰে আগবাঢ়ি থকাৰো আগ্ৰহ বৃদ্ধি হ'ব। অৱশ্যে

এইগৰাকী মহান বীৰৰ প্ৰতি যদি কোনোবাই অপমানসূচক মন্তব্য কৰে তেওঁলোকৰ বিৰুদ্ধে আইনী ব্যৱস্থা কৰিব বুলি চৰকাৰে সকীয়াই দিছে। এয়া এক আদৰণীয় পদক্ষেপ। নহ'লে সমাজবিৰোধী চক্ৰই কেতিয়াবা অপমানসূচক মন্তব্য কৰাৰ আশংকা থাকে। এখিলা কাগজৰ দুপিঠিত লিখি পৰ্টেলত আপলোড কৰিব পাৰিব। আজিকালি যিহেতু নৱ প্ৰজন্মই পৰ্টেল আদিৰ প্ৰতি অধিক আকৃষ্ট হৈছে। সেয়েহে পৰ্টেলত যদি এইবোৰ পঢ়ি লাচিত বৰফুকনৰ বিষয়ে দেশ-বিদেশত প্ৰচাৰ আৰু প্ৰসাৰ নিশ্চয় অধিক হ'ব।

দিল্লীত আন্তৰ্জাতিক আলোচনা চক্ৰ আয়োজন এক ইতিবাচক দিশ। কিয়নো, আলোচনা হ'লেহে চৰ্চা হয়। চৰ্চা হ'লেহে আন দহগৰাকীয়ে জানিব পাৰে। শিৱাজী, ৰাণাপ্ৰতাপক বিশ্ববাসীয়ে জানিবলৈ সক্ষম হোৱাৰ মূলতে হৈছে চৰ্চা। লাচিতক আমি অসমৰ চাৰিসীমাৰ মাজতেই সীমাবদ্ধ ৰাখিলে নহ'ব। বিশ্বদৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ হ'লে কেৱল ব্ৰহ্মপুত্ৰৰ বুকুত প্ৰতিমূৰ্তি নিৰ্মাণ কৰিলেই নহ'ব। এইবোৰ ৰাষ্ট্ৰীয় প্ৰেক্ষাপটৰ উজলাই তুলিবলৈ দিল্লীত এনেধৰণৰ আলোচনাৰ নিশ্চয়কৈ প্ৰয়োজন আছে। এইবোৰ চৰকাৰৰ সদিচ্ছা অবিহনে সম্ভৱ নহয়।

এইবাৰ চৰকাৰ যি পদক্ষেপ গ্ৰহণ কৰিছে সেয়া প্ৰশংসনীয়। ভৱিষ্যতেও যদি এনেধৰণৰ পদক্ষেপ অব্যাহত ৰাখে তেনেহ'লে লাচিত বৰফুকন নিশ্চয়কৈ এদিন বিশ্বদৰবাৰত প্ৰতিষ্ঠা হ'ব। আমি সকলোৱে সংকীৰ্ণতা পৰিহাৰ কৰি এক বহল দৃষ্টিভংগীৰে আগুৱাই যাবই লাগিব। এইক্ষেত্ৰত সকলোৱে চৰকাৰক সহযোগিতা কৰিলে নিশ্চয় ফলপ্ৰসূ হ'ব। আগতে যি হৈছে হৈ গ'ল, সেইবোৰ ভাবি-চিন্তি নতুবা সমালোচনা কৰি কিবা লাভ হ'ব বুলি মনে নধৰে। সেইবোৰক লৈ চৰ্চা হৈ থকাৰ পৰিৱৰ্তে সমস্যা সমাধানৰ বাবে গঠনমূলক পৰামৰ্শ আগবঢ়োৱাব লাগিব। আমি সদায় নেপোলিয়ন ব'নাপাৰ্টক লৈ ব্যস্ত থাকিলেই নহ'ব। ফৰাচী মহান যোদ্ধা নেপোলিয়নৰ কাহিনী সন্তানক কোৱাৰ সমান্তৰালভাৱে তেনে বীৰ যে অসমতো আছিল সেই কথাও উনুকিয়াব লাগিব। নৱপ্ৰজন্মক বীৰ লাচিতৰ জীৱনগাথাৰ বিষয়ে ব্যাখ্যা কৰাৰ সময় আহি পৰিছে। আত্মবিশ্লেষণেৰে অসমৰ উন্নতিৰ কথা ভাবিব লাগিব। তথাপি সকলোৱে বুজি পোৱা উচিত বীৰ লাচিতৰ অৱদানক বাদ দি অসম বুৰঞ্জীৰ নক্সা অংকন কৰাটো অসম্ভৱ।

# জ্যোতি চিত্ৰবনত সপ্তাহত দুদিনকৈ প্ৰদৰ্শন হওক অসমীয়া ছবি

অসমীয়া ছবিত দৰ্শক নাই। অসমীয়া ছবি নচলে। অসমীয়া ছবিৰ প্ৰতি দৰ্শকৰ আগ্ৰহ কম। অসমীয়া ছবিক নৱপ্ৰজন্মই গুৰুত্ব নিদিয়ে... ইত্যাদি কথা দীৰ্ঘদিনৰ পৰাই শুনি আহিছো। ভৱিষ্যতেও শুনিয়েই থাকিব লাগিব। কিন্তু সেইবোৰ কথাত কিমানগৰাকীয়ে সূক্ষ্ম আৰু গঠনমূলক পৰামৰ্শ আগবঢ়াইছে। কেৱল নেতিবাচক মনোভাবেৰে আমি আগুৱাই গৈছো। আমি আত্মসমালোচনা আৰু আত্মবিশ্লেষণ নকৰাকৈয়ে এইবোৰ কথা সদায় কৈ আহিছো। আনকি এইবোৰ কথা শুনি শুনি বহুতেই বিৰক্ত। আনহাতে বহু লোকেই এনেধৰণৰ চৰ্চিত বচন শুনিবলৈ আগ্ৰহীয়েই নহয়। আমি সদায় অসমীয়া চলচ্চিত্ৰ সন্দৰ্ভত নেতিবাচক মনোভাবেৰে আগুৱাইছো বাবেই আজিলৈকে এই সন্দৰ্ভত ইতিবাচক আলোচনা হোৱা নাই। দৰাচলতে অসমীয়া চিনেমাৰ মান নিম্ন নে আৰু নেতিবাচক প্ৰচাৰ সদায় চলাই আহিছো বাবে আজিও এই পৰিধিৰ পৰা ওলাব পৰা নাই। এইখিনিক এই কথা মনলৈ আহিছে— অসমীয়া ছবিত দৰ্শক নাই, নে দৰ্শকক আকৰ্ষণ কৰিবলৈ যিবোৰ পদক্ষেপৰ

প্ৰয়োজন সেয়া আমি ভালদৰে বিশ্লেষণ কৰিব পৰা নাই? কেৱল সমালোচনাৰে সমস্যাৰ সমাধান কৰিব নোৱাৰি। ইয়াৰ বাবে প্ৰয়োজন উপযুক্ত পৰিকল্পনাৰ।

জ্যোতি চিত্ৰবন বুলি ক'লেই সকলোৰে মনলৈ আহে অসমীয়া ছবিৰ কথা। অসমীয়া চলচ্চিত্ৰৰ সৈতে জড়িত হৈ থকা জ্যোতি চিত্ৰবন হৈছে এনে এক ক্ষেত্ৰ— য'ত প্ৰচুৰ সমল বিচাৰি পোৱা যায়। অসমীয়া চলচ্চিত্ৰ জগতৰ আত্মা বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। সেয়েহে সম্প্ৰতি অসমীয়া ছবি ছবিগৃহত নচলে বুলি চলি থকা কথাৰ অন্ত পেলাবলৈ জ্যোতি চিত্ৰবনে বিশেষ পদক্ষেপ গ্ৰহণ কৰাৰ থল আছে। বহুতো দৰ্শকৰ এতিয়া চিনেমা চোৱাৰ ইচ্ছা থকাৰ পিছতো অসমীয়া চলচ্চিত্ৰ প্ৰদৰ্শন কৰা হলৰ টিকটৰ উচ্চ হাৰ হোৱা বাবে এখোজ আগুৱাই দুখোজ পিছুৱাবলগীয়া হৈছে। কাৰণ যিসকলে চিনেমা চাব খোজে তেওঁলোকৰ হাতত যিমান ধনৰ প্ৰয়োজন তাৰ অৰ্ধেকো লগত নাথাকে। আনহাতে, বহুতো চিনেমা হলত দৰ্শক থকাৰ পিছতো এসপ্তাহ চলোৱাৰ লগে লগেই বন্ধ কৰি দিয়ে। হিন্দী অথবা ইংৰাজী ছবি প্ৰদৰ্শন কৰে। এইবোৰত টিকটৰ বাবে হেতা-ওপৰা নলগালেও চলাই থাকে।

সেইবাবে জ্যোতি চিত্ৰবনত প্ৰতি শনিবাৰ আৰু দেওবাৰে দুটাকৈ দৰ্শনীত অসমীয়া ছবি প্ৰদৰ্শন কৰাৰ ব্যৱস্থা কৰিব লাগে। কিয়নো, যিসকল চিনেমাপ্ৰেমী ৰাইজে ধনৰ অভাৱত ছবি উপভোগৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে তেওঁলোকে নিশ্চয়কৈ সুবিধা পাব। সপ্তাহত দুদিনকৈ অসমীয়া ছবি প্ৰদৰ্শন কৰা হ'লে অসমীয়া ছবিৰ দৰ্শকৰ সংখ্যাও বৃদ্ধি হ'ব আৰু প্ৰয়োজক তথা পৰিচালকসকলেও উৎসাহ পাব। যিমানেই এনে উৎসাহ লাভ কৰিব, সিমানেই ছবিৰ সংখ্যাও বাঢ়িব। নৱপ্ৰজন্মক অসমীয়া ছবি চাবলৈ সুযোগ কৰি দিবলৈ এতিয়া এনেধৰণৰ চিন্তা-চৰ্চাৰ প্ৰয়োজন কৰা যায় তেনেহ'লে প্ৰায়সংখ্যক লোকৰ চিনেমা জগতৰ অন্যতম গুৰুত্বপূৰ্ণ ঠাইখিনিলৈকে অগণন দৰ্শকৰ ভিৰ হ'ব। এনে কৰাৰ ফলত যি পৰিমাণত ধন সংগ্ৰহ হ'ব সেয়া জ্যোতি চিত্ৰবনৰ উন্নয়নৰ বাবে নিশ্চয় ব্যয় কৰিব পাৰিব। তেতিয়া জ্যোতি চিত্ৰবনেও লাভ কৰিব আন এক পৰিচয়। এইখিনিতে কোনোবাই

হয়তো প্ৰশ্ন কৰিব পাৰে যে এতিয়া জ্যোতি চিত্ৰবনৰ পৰিচয় নাই নেকি? নিশ্চয় আছে। এই পৰিচয়ৰ উপৰি নৱপ্ৰজন্মৰ মাজত এনেধৰণে যদি প্ৰচাৰ কৰিব পৰা যায় তেনেহ'লে হয়তো এই ক্ষেত্ৰখনে আৰু নতুন গতি লাভ কৰিব। প্ৰতিগৰাকী অসমত বসবাস কৰা লোকে বিচৰাধৰণে এতিয়াও জ্যোতি চিত্ৰবনে লাভ কৰা নাই।

এই প্ৰদৰ্শনী দুটাৰ সময় এনেদৰে নিৰ্দিষ্ট কৰিব লাগে— যাতে গ্ৰামাঞ্চলৰ পৰা চিনেমা চাবলৈ অহা লোকসকলেও এখন চিনেমা প্ৰত্যক্ষ কৰি সময় মতে ঘৰলৈ উভতিব পাৰে। কাৰণ গ্ৰামাঞ্চলৰ পৰা অহা বহুসংখ্যক লোকৰেই এইখন মহানগৰীত নিশা থাকিবলৈ ঠাইৰ অভাৱ। আনহাতে, হোটেল আদিত বাহৰ পাতিও থাকিবলৈ যথেষ্ট অৰ্থৰ প্ৰয়োজন। যদি একেলগে বহুতো লোকে চিনেমা চাবলৈ আহে তেনেহ'লে বাছ ভাড়াও কম হ'ব আৰু একেলগে ছবি চাবলৈ অহাতো আছে সুকীয়া আনন্দ। তদুপৰি যেতিয়া কেইবাখনো বাছ দূৰ-দূৰণিৰ পৰা আহি এক ঠাইত গোট খায় তেনেহ'লে ৰাইজৰ মাজত প্ৰচাৰো হয় ইতিবাচক। তেতিয়া মানুহৰ এই সন্দৰ্ভত থকা ধাৰণাৰো সলনি হ'ব।

পৰীক্ষামূলকভাৱে জ্যোতি চিত্ৰবনত সপ্তাহত দুদিনকৈ চিনেমা প্ৰদৰ্শনৰ ব্যৱস্থা কৰিলে প্ৰতিটো ক্ষেত্ৰতেই হ'ব লাভ। এয়া প্ৰত্যক্ষ অথবা পৰোক্ষ লাভালাভ হ'ব পাৰে। যদি কেনেবাকৈ সফল-হয় তেনেহলে অসমৰ বিভিন্ন ঠাইত স্মৃতি বিজড়িত অনুষ্ঠানত এনেদৰে প্ৰদৰ্শনৰ ব্যৱস্থা কৰিলে নিশ্চয় সকলোৱে আদৰি ল'ব।

# ভোগালীৰ ভোগ

ভোগালী বিহু বা মাঘ বিহু বুলি ক'লেই প্ৰতিগৰাকী অসমত বসবাস কৰা লোকৰ চকুত যিখন ছবি ভাহি উঠে সেয়া শব্দৰে বৰ্ণনা কৰাটো কঠিন। এই সময়ত প্ৰতিটো পৰিয়ালতে ভোগালীক লৈ ব্যস্ত হৈ পৰে। কাৰণ পথাৰৰ লখিমীক ভঁৰালত সোমোৱাৰ পিছত আয়োজিত উৎসৱটোৱেই হৈছে ভোগালী। এই বিহুটিয়ে অসমীয়া গ্ৰাম্য সমাজখনৰ এনে এখন ছবি প্ৰতিফলিত কৰে— য'ত খাদ্য সম্ভাৰৰ অভাৱ পোৱা যায়। পৰম্পৰাগতভাৱে প্ৰস্তুত কৰা খাদ্য সম্ভাৰ যে স্বাস্থ্যসন্মত আৰু জলবায়ু তথা ঋতু অনুসৰি প্ৰস্তুত কৰা হয় তাৰে আভাস পোৱা যায় বুলি ক'ব পাৰি। অসমত অতীজৰে পৰাই পৰম্পৰাগতভাৱে এনে ধৰণৰ খাদ্য সম্ভাৰ প্ৰস্তুত কৰি অহা হৈছে।

ভোগালী মানেই ভোগ। মাছ, মাংস, কণী এঠা দৈ, বগা কোমোৱা, মাটি মাহ, গছ আলু (মাটিৰ তলৰ আলু বুলিও কয়), তিলপিঠা, নাৰিকল পিঠা, চুঙা পিঠা, ঘিলা পিঠা, মাহকৰাই আদিয়ে হ'ল এই ভোগালীৰ ভোগ। অতীতৰে পৰাই মানুহে কৃষিকৰ্মৰ সৈতে জড়িত থাকি জীৱন-নিৰ্বাহ

কৰাৰ পথ বাছি লৈছিল। অসম কৃষিপ্ৰধান ৰাজ্য। ৰাজ্যখনৰ অধিকাংশ লোকেই কৃষিকৰ্মৰে জড়িত। বছৰৰ প্ৰায়ভাগ সময়েই কৃষিত জড়িত থাকিলেও মাজে-মাজে জিৰণিৰ বাবে উৎসৱ-পাৰ্বণত আনন্দময় অংশগ্ৰহণ কৰে। সাধাৰণতে কৃষকসকলৰ বাবেই সকলোৱে ভোগালীৰ আনন্দ উপভোগ কৰিব পাৰে। সেইবাবেই হয়তো এতিয়াও অসমৰ এনে কিছু অঞ্চল আছে যিবোৰ সুস্বাদু-খাদ্যৰ নামেৰে জনাজাত। সৰভোগ, বাঘমাৰা, ৰামদিয়া বিখ্যাত এঠা দৈৰ বাবে। এসময়ত এইবোৰ ঠাই এঠা দৈৰ বাবে বিখ্যাত হৈ পৰিছিল। আনকি এইবোৰ ঠাইৰ পৰা এটাকৈ আনি গৌৰৱবোধ কৰা লোকৰ সংখ্যাও কম নহয়। চিৰা, সান্দহ আদি খাওঁতে এঠা দৈ ব্যৱহাৰ কৰিলে যি সোৱাদ পোৱা যায় তাৰ কথাই সুকীয়া। আজিকালি এই এঠা দৈ পোৱা যায় যদিও পূৰ্বৰ সোৱাদ অক্ষুণ্ণ ৰক্ষাত ব্যৰ্থ হৈছে। ইয়াৰ বাবে কেৱল গোপালকসকলেই দায়ী নহ'ব। গো-বিচৰণ ভূমি, পথাৰৰ সংকোচ আদিৰ বাবে বহু ঠাইত গাই-গৰু, ম'হৰ বিচৰণভূমি সংকুচিত হ'বলৈ ধৰিছে। আনহাতে যিবোৰ ঠাইত বাথান বা ফাৰ্ম আদি আছিল এতিয়া সেইবোৰত বসতি স্থাপন হ'ল। সেইবাবে এইবোৰ স্থানৰ পৰা অহা দৈৰ পৰিমাণ হ্ৰাস পালে। ইয়াৰ বিপৰীতে এতিয়া বহু ঠাইত আত্মসহায়ক গোট তথা উদ্যমী যুৱকসকলে গৰু খুঁটি, ফাৰ্ম আদিৰ ব্যৱস্থা কৰিছে। ফলত বজাৰত উপলব্ধ হৈছে প্ৰচুৰ দৈ, এঠা দৈ আদি। পাৰ্থক্য মাথোন এটাই যে আগৰ নাম অনুযায়ী পোৱা দৈ যেনে সৰভোগ, বাঘমাৰা, ৰামদিয়া আদিৰ পৰিমাণ হ্ৰাস পাইছে। এতিয়া আৰু জাঁজীমুখৰ দৈ, দেৰগাঁৱৰ গুড় খাবলৈ বিচাৰিলেও কোনোবাই পায় জানো?

আনহাতে, আগতে বিলৰ নাম অনুযায়ী মাছ আদিৰ নামকৰণ হৈছিল। কাকডোঙাৰ বৰালিৰ নাম শুনিলেই জিভাৰ পানী ওলায়। বিলৰ মাছ কিনিবলৈ বা সমূহীয়াভাৱে এইবোৰ বিলত মাছ ধৰিবলৈ সকলোৱে এসপ্তাহমান আগৰে পৰাই প্ৰস্তুতি চলাইছিল। এইবোৰক লৈ সমানে চৰ্চাও হৈছিল। প্ৰকৃতিগতভাৱে এইবোৰ বিলৰ মাছ ডাঙৰ হোৱাৰ লগতে সোৱাদো আছিল সুকীয়া। এই বিলসমূহ এতিয়া প্ৰায় সংকুচিত হ'বলৈ ধৰিছে। এতিয়া বজাৰত পূৰ্বৰ তুলনাত মাছ বেছি পোৱা যায় যদিও পূৰ্বৰ নাম অনুযায়ী উপলব্ধ সোৱাদ আৰু বৰণযুক্ত মাছ পাবলৈ নাই। কিছুমানে সেইবোৰ বিলৰ

নাম লৈ ফিচাৰী, টেংকী আদিৰ মাছকে ৰাইজক ঠগি বিক্ৰী কৰি আছে। আনহাতে, আজিৰ প্ৰজন্মৰ বেছিভাগেই মাছ চিনি নাপায়। বিক্ৰেতাই দিয়া মাছখিনিকেই অমুক বিল, তমুক বিলৰ বুলি কয়। যিবোৰ বিলৰ এতিয়া অস্তিত্ব পাবলৈকে নাই, আনকি সেইবোৰৰ নামতো মাছ বিক্ৰী কৰি আছে। এতিয়া বজাৰত বৃহৎ আকাৰৰ ৰৌ, বৰালি, চিতল আদি মাছ ওলায়। কোনে কিমান দামত ডাঙৰ মাছটো ক্ৰয় কৰিব পাৰে তাৰেই যেন অঘোষিত প্ৰতিযোগিতা চলে। সংবাদ মাধ্যমে এইবোৰ প্ৰচাৰ কৰাৰ পিছৰে পৰাই এতিয়া বজাৰত মাছ আদিৰ দামো অস্বাভাৱিকভাৱে বৃদ্ধি পাইছে। মানুহে উৰুকাৰ বজাৰ বুলি স্বাভাৱিক অৱস্থাতকৈ দহগুণ বেছি দাম দিলেও মনোকষ্ট নাপায়। বৰং অধিক দামত খাদ্য সম্ভাৰ ক্ৰয় কৰি আনন্দহে লাভ কৰে। সেইবাবে কিছুমান ঠাইত মানুহে ভাবিব নোৱৰা দামলৈকে উঠে।

এতিয়া বজাত উপলব্ধ পিঠা, লাড়ু, চিৰা আদি ক্ৰয় কৰিবলৈ উৰুকাৰ এসপ্তাহমান আগৰে পৰাই ভিৰ হয়। তদুপৰি অতিসম্প্ৰতি গ্ৰামাঞ্চলৰ সমানেই চহৰাঞ্চলতো লাড়ু-পিঠা আদি উভৈনদী হৈ পৰে। আত্মসহায়ক গোট আদিৰ উপৰি বহুতো মহিলাই ব্যৱসায়িক ভিত্তিত এনেধৰণৰ পিঠা, লাড়ু আদি বজাৰত মুকলি কৰে। বিভিন্ন ঠাইত এইবোৰৰ বিপণী স্থাপন কৰাও দেখা যায়। অৱশ্যে এইখিনিতে এটা কথা উল্লেখ কৰিব খুজিছো যে ভোগালী বিহুৰ পিঠা-পনা বজাৰত উভৈনদী হৈ পৰে যদিও যিমান দিনলৈ খোৱাৰ উপযোগী হৈ থাকে সেইবোৰ নিৰূপণ কৰাৰ ব্যৱস্থা নথকাত কেতিয়াবা সমস্যাৰো সৃষ্টি নোহোৱাকৈ নাথাকে। কেনেবাকৈ ভেঁকুৰ আদিৰ সৃষ্টি হ'লে যদিহে ইয়াক ভালদৰে পৰিষ্কাৰ কৰা নহয় অথবা সংৰক্ষণ নকৰে তেনেহ'লে শৰীৰত বেমাৰৰ আশংকা থাকে।

আগৰ দিনত ভোগালীৰ সময়ত প্ৰায়সংখ্যক লোকেই একেলগে 'খানা' খাইছিল। নিশা মেজিৰ ওচৰত জুই পুৱাই থকা দৃশ্য আছিল মনোৰম। গাঁওখনৰ কোনোবা নহয় কোনোবা এটা পৰিয়ালৰ বাঁহৰ জেওৰা, কাঠখৰি আদিৰ জুই পুৱাই পিছদিনা সূৰুয দেৱতাই ধৰিত্ৰীত হেঙুলীয়া বৰণ পেলোৱাৰ পূৰ্বেই আৰম্ভ হয় গোৱাল গালি। বহুতে এনে গালি-গালাজ শুনিবৰ বাবেই নিশা দুষ্টামি কৰে। এনেধৰণৰ গালি খালেও কোনোৱে কেৰেপ নকৰে।

বৰং যদি কোনোবাই বেছিকৈ গালি-গালাজ পাৰে পিছদিনা বেছিকৈ শাস্তি দিয়াৰ উদ্দেশ্যে পাং পাতে। গ্ৰামাঞ্চলত এইবোৰকো ভোগালীৰে অংশ হিচাপে গণ্য কৰা হয়। অৱশ্যে আজিকালি বস্তু-বাহানিৰ দাম বৃদ্ধি আৰু উৎপাদন হ্ৰাস পোৱাৰ বাবে ভোগালীৰ নিশা জুই পুওৱাৰ নামত আনৰ ঘৰত জেওৰা জুইত জাপি দিয়া ডেকাৰ সংখ্যা হ্ৰাস পাইছে।

ভোগালী মানেই ভোগ। অৱশ্যে আজিকালি যিহেতু হৃদৰোগ, ডায়েবিটিছ, ষ্ট্ৰ'কত আক্ৰান্ত হোৱা লোকৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰে। গতিকে নিজৰ স্বাস্থ্যৰ প্ৰতি সচেতন হৈ ভোগালীৰ আনন্দ উপভোগ কৰা উচিত। এই ভোগালী সকলোৱে সমানেই উপভোগ কৰক। ভোগালীৰ খাদ্য যে স্বাস্থ্যসন্মত সেই কথা নৱপ্ৰজন্মই ভালদৰে উপলব্ধি কৰিব পৰাকৈ সুস্থ পৰিৱেশ এটি সৃষ্টি কৰাটো সকলোৰে কৰ্তব্য।

# জনাঞ্চলত বন্য জীৱ-জন্তুক দোষ জাপি আত্মতুষ্ট স্বাৰ্থপৰ মানৱ

ৰাজ্যৰ বনাঞ্চল ধ্বংসৰ পৰিণতি কিমান ভয়াৱহ হ'ব পাৰে সেয়া শেহতীয়া কেইটিমান ঘটনাই প্ৰমাণ কৰিছে। অসমৰ বিভিন্ন ঠাইত এতিয়া নাহৰফুটুকী বাঘ আৰু কপিকূলৰ উপদ্ৰৱ বৃদ্ধি পাইছে। আগতে বন্যহস্তীৰ তাণ্ডৱত শংকিত হৈছিল ৰাইজ। এতিয়া বন্যহস্তীৰ দৰেই শংকা বিয়পিছে ৰাজ্যখনত। অসমত পূৰ্বতেও বাঘ আছিল। কিছুমান বনাঞ্চলত আবেলি বাদেই— দিন-দুপৰতো মানুহে যাবলৈ ভয় কৰিছিল বাঘৰ বাবে। কেতিয়া কোনফালৰ পৰা বাঘ আহে তাৰ হিচাপ নাই। গ্ৰামাঞ্চলৰ কথাটো বাদেই— চহৰাঞ্চলতো আছিল বাঘৰ উপদ্ৰৱ। বহু অঞ্চলৰ ৰাইজে আনকি বাঘৰ ভয়তে নিশা বাহিৰলৈ নোলাইছিল। গ্ৰামাঞ্চলত আনকি প্ৰাতঃকৃতৰ বাবে জংঘললৈ যোৱাৰ সময়ত প্ৰায়েই বাঘৰ মুখামুখি হৈছিল। তেতিয়া অৱশ্যে বাঘৰ উপদ্ৰৱ জনাঞ্চলৰ পৰিৱৰ্তে জংঘলতহে আছিল। আগৰ কিছুমান কথা এতিয়া সাধুকথাৰ দৰে লাগে। সি যি নহওক, সময়ৰ লগে লগে জংঘলবোৰ ধ্বংস কৰি মানুহে বসতি স্থাপন কৰিবলৈ ল'লে। বৃহৎ বৃহৎ কল-কাৰখানা স্থাপন কৰা হ'ল। স্থাপন হৈছে ঘাইপথ, ৰে'লপথ আদি। জংঘল ধ্বংস

কৰিলেও ইয়াত থকা জীৱ-জন্তুৰ সুৰক্ষাৰ কথা কোনোৱেই নাভাবিলে। যিমানেই বনাঞ্চলৰ পৰিমাণ হ্ৰাস পালে সিমানেই ইয়াত থকা জন্তুৱে গতি ল'লে জনাঞ্চললৈ। বাঘৰ বিচৰণভূমিত মানুহে ঘৰ নিৰ্মাণ কৰাৰ পিছত এতিয়া জংঘলৰ এই হিংস্ৰ জন্তুবিধে লক্ষ্য কৰিলে মানুহৰ বাসস্থান।

এতিয়া প্ৰায়ে হাতী-মানৱৰ সংঘাতৰ কথা চৰ্চা হৈ থাকে। কিন্তু নাহৰফুটুকীয়ে যে উপদ্ৰৱ আৰম্ভ কৰিছে সেই কথা বহুতৰেই জ্ঞাত নহয়। বৰং ফটো তুলি, ভিডিঅ' প্ৰস্তুত কৰি সামাজিক মাধ্যমত দিহে ভাল পায়। শেহতীয়াভাৱে যোৰহাট, টেঙাখাত, ডিব্ৰুগড়ত নাহৰফুটুকীয়ে যিধৰণৰ সন্ত্ৰাস সৃষ্টি কৰিলে তাৰ পৰা এটা কথা স্পষ্ট হৈছে যে এতিয়া বাঘৰ আশ্ৰয়স্থল হৈ পৰিছে জনাঞ্চল। এতিয়া গুৱাহাটী মহানগৰীৰ বিভিন্ন ঠাইতো সঘনাই বনৰজাৰ প্ৰৱেশ ঘটিছে। বাসগৃহৰ ড্ৰয়িংৰুম, পাকঘৰ, বাৰাণ্ডা আদিত বনৰজাৰ প্ৰৱেশ কৰা ঘটনাই ইয়াৰ প্ৰমাণ দাঙি ধৰিছে। ৰাজ্যৰ বিভিন্ন ঠাইত নাহৰফুটুকীৰ আক্ৰমণত বহু লোক আঘাতপ্ৰাপ্ত হৈছে। কেইমাহমান পূৰ্বে মঙলদৈত ঘোংক লৈ সৃষ্টি হৈছিল আতংক। বনগাহৰিৰ আক্ৰমণত বাক্সা জিলাত বহুকেইজন আহত হোৱাৰ খবৰ কিছু বছৰৰ পৰা সংঘটিত হৈ আহিছে। কেৱল ঘোং, নাহৰফুটুকী, লতামাকৰিয়েই নহয়— সমান্তৰালভাৱে কপিকূলৰ বাবেও মানুহে ত্ৰাহি মধুসূদন দেখিবলগীয়া হৈছে। কিছুমান ঠাইত এতিয়া ৰবিশস্য কৰিবলৈ বাদ দিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে একমাত্ৰ কপিকূলৰ বাবে। ঘৰৰ ভিতৰত বান্দৰে উৎপাত কৰাৰ বাবে কিছুমান ঠাইত ভাত ৰান্ধি থ'ব নোৱৰা পৰিস্থিতিৰো সৃষ্টি হৈছে। এইসকলো বিষয় প্ৰায়সংখ্যক লোকৰেই জ্ঞাত। বহুতেই বিভিন্ন সময়ত ভিন্ন ঘটনাৰে সন্মুখীন হ'বলগীয়া হৈছে।

যিকোনো অঞ্চলতেই বনাঞ্চল ধ্বংস কৰি যেতিয়া জনাঞ্চলৰ সৃষ্টি কৰা হয় তেতিয়া তাত বন্য জীৱ-জন্তুৰে মানৱৰ সংঘাত সৃষ্টি হ'বই। কাৰণ মানুহৰ দৰে জীৱ-জন্তুৱেও জীৱন ৰক্ষাৰ বাবে খাদ্যৰ সন্ধান কৰে। বনাঞ্চলত যেতিয়া খাদ্যবস্তু আৰু বিচৰণৰ বাবে ঠাইৰ অভাৱ ঘটে তেতিয়াই বনৰজা আলহী হয় মানুহৰ গৃহত। অসমত এতিয়া যি হাৰত বনৰজাৰ আক্ৰমণ হৈছে সেয়া যদি সময় থাকোতেই বৈজ্ঞানিক পদ্ধতিৰে সমাধান কৰা নহয় তেনেহ'লে ভৱিষ্যতে ৰাজ্যবাসীয়ে ভয়াৱহ পৰিস্থিতিৰ সন্মুখীন হ'ব লাগিব।

আমি বনৰীয়া জন্তুকো সুৰক্ষা দিব লাগিব। কাৰণ জীৱ-জন্তুবোৰ কেতিয়াও স্বাৰ্থপৰ নহয়। মানুহে নিজৰ স্বাৰ্থ পূৰণৰ বাবে জন্তু হত্যা কৰে। জন্তুৰ আক্ৰমণৰ কথা কৈ মানুহে নিজৰ দোষ পাহৰিছে। আমি সদায় বনৰীয়া জন্তুৰ আক্ৰমণৰ কথাহে কওঁ, কিন্তু মানুহৰ আক্ৰমণত যে বন্য জন্তুৰ কৰুণভাৱে মৃত্যু হয় চৰ্চা নকৰো। কোনোবাই বিষয়টো চৰ্চাৰ পৰা আঁতৰাই ৰাখিব লাগিব বুলি ভাবিলেও আমি নাভাবো। দৰাচলতে থকা ঠাই সংকুচিত হোৱাৰ লগে লগে বাঘ, ভালুক, ঘোং আদি জনাঞ্চললৈ আহিছে। মানুহ ঘৰত প্ৰৱেশ কৰাৰ বাবে যিমান চৰ্চা হ'ব লাগিছিল তাৰ অৰ্ধেকো হোৱা নাই। টিভি চেনেলৰ উপৰি সামাজিক মাধ্যম আদিত এইবোৰৰ বাতৰি প্ৰকাশ আৰু প্ৰদৰ্শন কৰি আহিছে। এনে কৰিলেই আমাৰ দায়িত্বৰ শেষ হ'ব বুলি ভাবো। আচলতে তেনে কৰাৰ পৰিৱৰ্তে প্ৰকৃতিক ভাল পাবলৈ শিকিব লাগিব। বনৰীয়া জীৱ-জন্তুৰ প্ৰতি মৰম অন্তৰত জাগ্ৰত হ'বই লাগিব। নহ'লে বন্য জীৱ-জন্তুৰ আক্ৰমণ সদায় চলিয়েই থাকিব।

# গুৱাহাটীত এখন সমাধি ক্ষেত্ৰৰ প্ৰয়োজন

বিশ্ববিখ্যাত লোকসকলৰ স্মৃতি ৰক্ষাৰ্থে নিৰ্মাণ কৰা হয় সমাধিক্ষেত্ৰৰ। কাৰণ এই বিখ্যাত লোকসকলৰ সমাধিক্ষেত্ৰ পৰিদৰ্শন কৰিবলৈ সকলোৱে আগ্ৰহ প্ৰকাশ কৰে। এগৰাকী বিখ্যাত ব্যক্তিৰ বিষয়ে জনাৰ পিছত তেওঁক প্ৰত্যক্ষভাৱে লগ পোৱাটো সকলোৰে বাবে সম্ভৱ নহ'বও পাৰে। তদুপৰি মৃত্যু হোৱা বিখ্যাত লোকসকলক যি স্থানত সমাধিস্থ কৰা হয় সেই ঠাই চাবলৈ বহুতেই আগ্ৰহ প্ৰকাশ কৰে। মহামানৱ মহাত্মা গান্ধীৰ সমাধিক্ষেত্ৰ ৰাজঘাট দৰ্শন কৰিবলৈ সদায় জনতাৰ সোঁত হয়। এই সমাধিক্ষেত্ৰখন এতিয়া পুণ্যতীৰ্থসদৃশ। যমুনা নদীৰ পাৰে নিৰ্মিত এই সমাধিক্ষেত্ৰত নিৰ্দিষ্ট দিনত নিৰ্দিষ্ট সময়তে দৰ্শনাৰ্থীয়ে প্ৰৱেশ কৰিব পাৰে। এনেধৰণৰ সমাধিক্ষেত্ৰ কেইবাটাও দৃষ্টিকোণৰ পৰা গুৰুত্বপূৰ্ণ বুলি বিবেচিত। প্ৰথমতে মহান ব্যক্তিসকলৰ সান্নিধ্য লাভ নকৰিলেও তেওঁলোকৰ জীৱন দৰ্শন তথা আদৰ্শত আকৃষ্ট হৈ শ্ৰদ্ধা জনোৱাৰ ইচ্ছা বহু লোকৰ থাকে। এনে সমাধিক্ষেত্ৰ প্ৰত্যক্ষ কৰিবলৈ আৰু তেওঁক শ্ৰদ্ধা জনাবলৈ সুযোগ সকলোৱে লাভ কৰে। দ্বিতীয়তে, শ্মশান বা অন্ত্যেষ্টিক্ৰিয়া

সম্পন্ন কৰা ঠাইলৈ যাবলৈ কোনোৱে ইচ্ছা নকৰে। কাৰণ এইবোৰ ঠাই সাধাৰণতে জংঘলেৰে ভৰি থাকে বাবে বহুতেই ভয় কৰে। যদি বিখ্যাত ব্যক্তিৰ সমাধিতো এনে পৰিৱেশে বিৰাজ কৰে তেনেহ'লে তেওঁক নৱপ্ৰজন্মই পাহৰাৰো সম্ভাৱনা থাকে।

সমাধিক্ষেত্ৰ মানেই 'স্মৃতি'ক সজীৱ ৰূপত উপস্থাপন কৰা। আজি জালুকবাৰীত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ সমাধিক্ষেত্ৰ থকাৰ বাবে মহান শিল্পীগৰাকী সকলোৰে চকুৰ সন্মুখতে থকাৰ দৰে ভাবে। দেশ-বিদেশৰ পৰা অহা লোকে এই সমাধিক্ষেত্ৰ দেখাৰ পাছতেই তেওঁৰ বিষয়ে জানিবলৈ আগ্ৰহী হয়। আনকি গৱেষণাৰো সমল বিচাৰি পায়। তেওঁৰ সমকক্ষ নহ'লেও অসমৰ বহুতো জনপ্ৰিয় গায়ক-গায়িকা তথা অভিনেতা-অভিনেত্ৰীৰ স্মৃতিসৌধ নথকাৰ বাবে নৱপ্ৰজন্মই তেওঁলোকৰ বিষয়ে জানিবলৈ আগ্ৰহী নহয়। সেইবাবে এখন স্মৃতিসৌধ ক্ষেত্ৰ বা সমাধিক্ষেত্ৰৰ প্ৰয়োজন। চৰকাৰে এনে এখন ঠাইত সমাধিক্ষেত্ৰ তৈয়াৰ কৰিব লাগে য'ত বিখ্যাত লোকসকলৰ স্মৃতি সংৰক্ষণ সম্ভৱ হয়। এই ক্ষেত্ৰখনত যিসকল মহান ব্যক্তিৰ নাম সন্নিৱিষ্ট থাকিব তেওঁলোকৰ স্মৃতিত স্তম্ভ একোটা প্ৰস্তুত কৰিব পাৰিলে লাহে লাহে এই ক্ষেত্ৰখন পৰ্যটকৰ বাবে আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰিব। দেশৰ স্বাধীনতা সেনানীৰ পৰা আৰম্ভ কৰি বিখ্যাত গায়ক-গায়িকা, সাহিত্যিক, খেলুৱৈ-ৰাজনীতিক সকলোকে এই সমাধিক্ষেত্ৰতেই যদি শেষকৃত্য সম্পন্ন কৰা হয় তেনেহ'লে সময়ৰ লগে লগে সকলোৰে আকৰ্ষণৰ কেন্দ্ৰবিন্দুত পৰিণত হ'ব। নৱগ্ৰহত দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত নিহত সৈনিকৰ স্মৃতিত নিৰ্মাণ কৰা 'চিমেণ্ট্ৰী'য়ে আজিও এই সেনা জোৱানৰ বলিদান তথা বীৰত্বৰ কথা সোঁৱৰাই দিয়ে। সেই সমাধিক্ষেত্ৰখন নাথাকিলে হয়তো তেওঁলোকক কেতিয়াও ৰাইজে নাজানিলেহেঁতেন।

আমি ৰাজহুৱা সমাধিক্ষেত্ৰৰ প্ৰয়োজনবোধ এইবাবেই কৰো যে এনে ক্ষেত্ৰৰ বাবে একোটা অঞ্চলত পৰ্যটন কেন্দ্ৰ গঢ়ি উঠে। এই পৰ্যটন কেন্দ্ৰলৈ ৰাইজৰ সোঁত বয়। ইয়াত সমাধি দিয়া লোকসকলৰ স্মৃতিত বছৰৰ প্ৰতিটো দিনতেই বন্তি প্ৰজ্বলিত হৈ থাকিব। ক্ষেত্ৰখনত সদায় ইয়াৰ বাবে মানুহে ভৰি থাকিলে মানুহৰ মনৰ পৰা 'শ্মশান' শব্দটো নোহোৱা হৈ পৰিব। সাধাৰণতে

শ্মশান বুলি ক'লে বহুতেই সেই ঠাইলৈ যাব নোখোজে। যেতিয়া সমাধিক্ষেত্ৰ হিচাপে নামকৰণ হয় তেতিয়া ইয়াৰ পৰিসৰো বৃদ্ধি পায়। আগতে এইবোৰ শব্দ ব্যৱহাৰ কৰা বাবে আজিও বহুতেই মহান লোকৰ সমাধিক্ষেত্ৰলৈ যাবলৈ শংকাবোধ কৰে। কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈৰ সমাধিক্ষেত্ৰই এই কথাকে প্ৰমাণ কৰে। উত্তৰ গুৱাহাটীত থকা কৰ্মবীৰৰ সমাধিক্ষেত্ৰ আজিও বহুতৰেই জ্ঞাত নহয়। আওহতীয়া আৰু নদীৰ পাৰতে স্থাপন কৰা বাবে বহুতেই ইয়ালৈ যাবলৈ শংকাবোধ কৰে। অৱশ্যে এনে ক্ষেত্ৰসমূহ যদি আকৰ্ষণীয়কৈ স্থাপন কৰা হয় তেতিয়া মানুহৰ সোঁত নোহোৱাকৈ নাথাকে। আমি আচলতে এইবোৰ স্থানত ভালদৰে একো স্থাপন নকৰা বাবে আজিও উপেক্ষিত হৈয়ে আছে। যদি উক্ত স্থানৰ আশে-পাশে এখন সমাধিক্ষেত্ৰ স্থাপন কৰা হ'লহেঁতেন তেতিয়া নৱপ্ৰজন্মৰ লগতে পৰ্যটকসকলেও তেওঁৰ বিষয়ে জানিবলৈ আগ্ৰহ প্ৰকাশ কৰিলেহেঁতেন।

বিদেশত বিশেষকৈ ইউৰোপৰ দেশসমূহত সমাধিক্ষেত্ৰ নিৰ্মাণত গুৰুত্ব দিয়ে। এনে সমাধিক্ষেত্ৰৰ জৰিয়তে তেওঁলোকে বিশ্ববাসীৰ সন্মুখত তেওঁলোকৰ মনোভাব আৰু ব্যক্তিৰ প্ৰতি থকা সন্মান প্ৰদৰ্শন কৰে। তেনে দেশৰ লোকে মৃত ব্যক্তিসকলৰ অৱদানকো স্মৰণ কৰে বাবে আজি সকলোৱে পশ্চিমীয়া সংস্কৃতিলৈকে চায়। ইংলেণ্ড ভ্ৰমণলৈ গ'লে বহুতেই ৰাজপৰিয়ালৰ সদস্যক সমাধিস্থ কৰা ঠাই পৰিদৰ্শন কৰে। উইলিয়াম ৱৰ্ডছৱৰ্থৰ সমাধিস্থল সকলোৱে পৰিদৰ্শন কৰিবলৈ আগ্ৰহী। আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি আব্ৰাহাম লিংকনৰ সমাধিস্থল আজি হৈ পৰিছে পৰ্যটনকেন্দ্ৰ। আমি দূৰলৈ যাবই নালাগে। দ্বিতীয় বিশ্বযুদ্ধত সমাধিস্থ কৰা বিদেশী জোৱানসকলৰ সমাধিক্ষেত্ৰ অসমৰ বুকুতেই আছে। আহোম ৰজা, ৰাজকোঁৱৰ-ৰাজকুঁৱৰীক সমাধিস্থ কৰা মৈদামে আজিও বীৰ জোৱানসকলৰ স্মৃতি তথা বীৰত্বৰ কথা সজীৱ কৰি ৰাখিছে। ৰাজা-মহাৰজাৰ বীৰভূমি, যুদ্ধভূমিৰ সন্ধান আজিও কৰে কিয়? এইবোৰক লৈ চলা গৱেষণাৰ জানো প্ৰাসংগিকতা তথা গুৰুত্ব নাথাকে। আজি সংৰক্ষণৰ অভাৱত বহুতো মৈদাম জহি-খহি গৈছে। আনকি বহুতো মৈদামৰ চিনা-মোকামেই নাম। অথচ এইবোৰ ভালদৰে সংৰক্ষণ কৰি পৰ্যটন কেন্দ্ৰ হিচাপে গঢ়ি তুলিলে ইয়ালৈ ৰাইজৰ সোঁত নোবোৱাকৈ নাথাকে।

তদুপৰি পৰ্যটকসকলেও এনেবোৰ ঠাইলৈ যাবলৈ আৰম্ভ কৰিলে সেই ঠাইৰ আশে-পাশে ব্যৱসায়িক কেন্দ্ৰ আদি গঢ়ি উঠিলে নিবনুৱা যুৱক-যুৱতীসকলেও স্বাৱলম্বী হোৱাৰ পথ বিচাৰি পাব। এইবোৰ কথাত হয়তো বহু লোকেই গুৰুত্ব দিব নোখোজে। সৰু কথা অথচ তেনেই গুৰুত্বপূৰ্ণ।

সময়ৰ পৰিৱৰ্তনৰ লগে লগে আমি সকলোৱেই আমাৰ মানসিকতাৰো পৰিৱৰ্তন কৰিব লাগিব। কিয়নো, আমি এনেধৰণৰ মানসিকতাৰ পৰিৱৰ্তন কৰাৰ পৰিৱৰ্তে পুৰণি কথাকে ভাবি থাকিলে এইবোৰ তেনেদৰেই থাকি যাব। আমি এতিয়া শ্মশানক সমাধিক্ষেত্ৰলৈ পৰ্যবসিত কৰিব লাগিব। নহ'লে কালৰ সোঁতত হেৰাই যাব ঐতিহাসিক সমলৰ লগতে বহুতো মহান ব্যক্তিৰ অৱদান। মহান ব্যক্তিসকলে ব্যৱহাৰ কৰা গৃহৰপৰা আৰম্ভ কৰি কলমটোলৈকে সকলোবোৰেই সম্পদ হৈ পৰে। সেয়েহে আমাকো এখন বিশাল সমাধিক্ষেত্ৰৰ প্ৰয়োজন য'ত মহান ব্যক্তিসকলৰ কোনো স্থান বিতৰ্ক অবিহনেই সমাধিস্থ কৰি তেওঁলোকৰ অৱদানক চিৰস্থায়ী কৰাটো সম্ভৱ হ'ব।

# বৰ্ণবাদৰ অৱসানেৰে বিশ্বত শান্তি প্ৰতিষ্ঠাৰ আহ্বান

Observed good faith and justice toward all nations. Cultivate peace and harmony with all. –জৰ্জ ৱাশ্বিংটনৰ বিখ্যাত উক্তিশাৰী আজিৰ পৰিস্থিতিত প্ৰাসংগিক হৈ পৰিছে। কাৰণ আধুনিক বিশ্বত সবাতোকৈ প্ৰত্যাহ্বানৰ বিষয় হৈছে শান্তি। পাৰমাণৱিক যুগত প্ৰায়ভাগ ৰাষ্ট্ৰই শান্তি স্থাপনৰ বাবে আগবাঢ়ি আহিছে যদিও তৃতীয় শক্তিৰ হেঁচাত আদবাটতেই থমকি ৰ'বলগীয়া হৈছে। দ্বিতীয় বিশ্বযুদ্ধৰ পাছত স্থাপন হোৱা ৰাষ্ট্ৰসংঘই বিশ্বৰ সৰু-বৰ ৰাষ্ট্ৰসমূহৰ মাজত যুদ্ধৰ পৰিৱৰ্তে শান্তি স্থাপনৰ বাবে অহৰ্নিশে চলাইছে চেষ্টা। কেতিয়াবা সফল আৰু আন কেতিয়াবা বিফল হৈছে। তথাপি বিশ্বৰ সৰ্বোচ্চ ক্ষমতা আৰু প্ৰভাৱশালী সংস্থাটোৱে আজিও বিশ্ববাসীক যুদ্ধৰ পৰিৱৰ্তে শান্তিৰ মাজেৰে জীৱন অতিবাহিত কৰিবলৈ এখন উপযুক্ত ক্ষেত্ৰ সৃষ্টিৰ বাবে আহ্বান জনাই আছে। বিশ্ববাসীক সজাগ কৰিবলৈ বিভিন্ন দিৱসো আয়োজন কৰিছে। বিশ্বৰ প্ৰতিখন দেশতে শান্তি স্থাপনৰ উদ্দেশ্যে ১৯৮১ চনত আন্তৰ্জাতিক শান্তি দিৱস পালনৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। ইয়াৰ দুই দশক পিছত ২০০১ চনত ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদৰ এই দিৱসটো অহিংস আৰু যুদ্ধবিৰতি দিৱস হিচাপে পালন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। প্ৰতিবছৰে এই দিনটোত ৰাষ্ট্ৰসংঘই বিভিন্ন দেশত বৰ্ণাঢ্য

কাৰ্যসূচী পালন কৰি আহিছে। ২০২২ চনৰ এই দিৱসৰ শ্ল'গান হ'ল— 'বৰ্ণবাদৰ অৱসান হওক, শান্তি প্ৰতিষ্ঠা কৰক'।

১৯৩৯ৰপৰা ১৯৪৫ চনলৈকে চলা দ্বিতীয় বিশ্বযুদ্ধৰ বিভীষিকাই বিশ্ববাসীৰ অন্তৰ কঁপাই তুলিছিল। ভৱিষ্যৎ প্ৰজন্মক জীয়াই ৰখাৰ স্বাৰ্থত গঠিত হৈছিল বিভিন্ন সংস্থা। কোনোৱে যুদ্ধৰ অৱসান ঘটাব পৰা নাছিল। ১৯৪৫ চনৰ ২৪ অক্টোবৰত ৰাষ্ট্ৰসংঘ গঠন হোৱাৰ পিছত সকলো ৰাষ্ট্ৰৰ কম-বেছি পৰিমাণে স্বস্তিৰ নিশ্বাস পোলাইছিল। ১৯৪৫ চনত ৰাষ্ট্ৰসংঘই জাপানক এটি 'শান্তিৰ ঘণ্টা' (Peace Bell) উপহাৰ দিছিল। তেতিয়াৰেপৰাই পৰম্পৰাগতভাৱে এই ঘণ্টাটো বছৰত দুবাৰকৈ বজোৱা হয়। এই কথা বহুতৰেই জ্ঞাত নহয়। আচলতে দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত আমেৰিকাই জাপানৰ হিৰোশ্বিমা আৰু নাগাছাকিত যি ধ্বংসলীলা চলাইছিল সেই ভয়াৱহ ছবিখনে সকলোৰে অন্তৰ কঁপাই তুলিছিল। সেয়েহে ৰাষ্ট্ৰসংঘই এইখন দেশৰ পৰাই এই অভিযান চলাইছিল। বিশ্বত শান্তি প্ৰক্ৰিয়া শক্তিশালী কৰিবলৈকে এই দিৱসৰ সিদ্ধান্ত গ্ৰহণ কৰা বুলি ৰাষ্ট্ৰসংঘই ইয়াৰ ঘোষণাতেই উল্লেখ কৰিছে। সেইবাবে বিশ্বৰ প্ৰতিখন দেশেই ইয়াক সমৰ্থন কৰিছে।

ৰাষ্ট্ৰসংঘৰ মুখ্য কাৰ্যালয়ত (নিউয়ৰ্ক চিটি) প্ৰতিবছৰে এই দিনটোত শান্তিৰ ঘণ্টা বজোৱা হয়। ২০১৪ চনত ৰাষ্ট্ৰসংঘই শান্তি মানুহৰ অধিকাৰ হিচাপে ঘোষণা কৰে। প্ৰতিবছৰে একোটা বিশেষ বিষয়ৰ ওপৰত গুৰুত্ব প্ৰদান কৰি এটি শ্ল'গান দিয়া হয়। ২০২২ৰ শ্ল'গান হৈছে— 'We all have a role to play in fostering Peace.' বৰ্ণবাদ পৰিহাৰ কৰি বিশ্বত শান্তি প্ৰতিষ্ঠা কৰাটোৱেই এতিয়া প্ৰায়সংখ্যক দেশৰেই লক্ষ্য। বিশ্বৰ প্ৰায়সংখ্যক দেশেই এতিয়া শক্তিধৰ। আজিকালি কোনো এখন দেশকেই দুৰ্বল হিচাপে গণ্য কৰিব নোৱাৰি। কাৰণ একোখন সৰু ৰাষ্ট্ৰৰ আঁৰতো থাকে একোখন বৃহৎ শক্তিধৰ ৰাষ্ট্ৰৰ সমৰ্থন। এনে ৰাষ্ট্ৰৰ সমৰ্থনৰ বাবেই ক্ষুদ্ৰ ৰাষ্ট্ৰয়ো শক্তিধৰ ৰাষ্ট্ৰৰ বিৰুদ্ধে ফেপেৰি পাতিবলৈ সক্ষম হৈছে। শক্তি আহৰণৰ ক্ষেত্ৰত দেশৰ সৰু-সৰু বুলি কোনো কথা নাই। কাৰণ ভিয়েটনামৰ দৰে ক্ষুদ্ৰ ৰাষ্ট্ৰ এখনে এসময়ত বিশ্বৰ সবাতোকৈ শক্তিধৰ ৰাষ্ট্ৰ হিচাপে পৰিচিত আমেৰিকাক ঢোকে ঢোকে পানী খুৱাইছিল। ভিয়েটনামৰ লোকসকলৰ একক প্ৰচেষ্টাত আমেৰিকাই সেও মানিবলৈ বাধ্য হৈছিল। অতিসম্প্ৰতি

ইউক্ৰেইনে এই কথাকে প্ৰতীয়মান কৰিছে। ইমান দিনে সামৰিক ক্ষেত্ৰত অতিকৈ শক্তিশালী ৰাষ্ট্ৰ বুলি দাবী কৰি অহা ৰাছিয়াই ত্ৰাহি মধুসূদন দেখিবলগীয়া হৈছে। গতিকে সকলো ৰাষ্ট্ৰই এতিয়া যুদ্ধৰ পৰিৱৰ্তে শান্তি প্ৰতিষ্ঠাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে। সকলোৰে বুজি পাইছে যে যুদ্ধৰ পৰা একো লাভ নাই। চাৰিওফালৰ পৰা লোকচানৰহে সন্মুখীন হ'ব লাগে। প্ৰায়সংখ্যক দেশেই প্ৰতিবন্ধকতা আৰোপ কৰে। কাৰণ কোনোবা নহয় কোনোবা এখন দেশে সমৰ্থন কৰা বাবে কোনো দেশে যুদ্ধ কৰো বুলি কৰিব নোৱাৰে।

শান্তিৰে সকলো সমস্যাৰ সমাধান কৰা সম্ভৱ। মহামানৱ মহাত্মা গান্ধীয়ে অহিংস নীতিৰেই ভাৰতৰ দৰে বিশাল দেশ এখনৰ স্বাধীনতা আনিবলৈ সক্ষম হৈছিল। দক্ষিণ আফ্ৰিকাৰ নেলচন মেণ্ডেলাই বৰ্ণবাদৰ বিৰুদ্ধে যুঁজি যুঁজিয়ে দেশক অপশাসন তথা বিদেশীৰ কৱলৰপৰা মুক্ত কৰিবলৈ সক্ষম হৈছিল। এই দুয়োগৰাকী নেতাই বিশ্ববাসীক প্ৰতীয়মান কৰিব পাৰিছে যে হিংসা নহয় অহিংস নীতিৰেহে মানুহৰ মন জয় সম্ভৱ। দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত জাপানৰ হিৰোশ্বিমা আৰু নাগাছাকিৰ ধ্বংসলীলা আৰু মৃত্যুৰ বিভীষিকাই সকলোৰে অন্তৰ কঁপাই তুলিছিল। আমেৰিকাৰ এই আক্ৰমণে জাপানৰেই নহয়— সকলো দেশৰ নেতাক এবাৰ হ'লেও ভাবিবলৈ বাধ্য কৰিছিল যে যদিহে এনেদৰে ভয়াৱহ আক্ৰমণ-প্ৰত্যাক্ৰমণ হৈ থাকে তেনেহ'লে এদিন মানৱ জাতিলৈ আহিব ঘোৰ সংকট। উদ্ধাৰ নাপাব কোনোৰে। সেই ভয়াৱহ ছবিখন কোনোৰে যাতে আকৌ এবাৰ প্ৰত্যক্ষ কৰিব নালাগে তাৰ বাবেই জন্ম হৈছিল ৰাষ্ট্ৰসংঘ। দ্বিতীয় বিশ্বযুদ্ধৰ পূৰ্বে জাতিসংঘৰ জন্ম হৈছিল যদিও উমৈহতীয়া সূচী তথা বিশ্বৰ বিভিন্ন দেশৰ নেতাৰ মাজত সু-সম্পৰ্ক নথকা বাবেই বেছিদিন তিষ্ঠিব নোৱাৰিলে। আনকি জাতিসংঘই দ্বিতীয় বিশ্বযুদ্ধ প্ৰতিহত কৰাত ব্যৰ্থ হৈছিল। সেয়েহে ১৯৪৫ চনৰ ২৪ অক্টোবৰত ৰাষ্ট্ৰসংঘৰ জন্ম হৈছিল। ১৯৪৭ চনত ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদত ২৪ অক্টোবৰৰ দিনটো ইয়াৰ প্ৰতিষ্ঠা দিৱস হিচাপে পালন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। উক্ত সাধাৰণ পৰিষদৰ সভাত গ্ৰহণ কৰা প্ৰস্তাৱ আছিল— 'Be devoted to making known to the people of the world the aims and achievements of the united nations and to gaining their support for.'

# জ্ঞানৰ জ্যোতি বিলোৱা শিক্ষাগুৰু

পাঁচ ছেপ্টেম্বৰ মানেই এটি বিশেষ দিন। মানৰ সম্পদ গঢ়াৰ কমাৰশালত যিগৰাকী ব্যক্তিয়ে সবাতোকৈ বেছি কষ্ট আৰু ত্যাগ স্বীকাৰ কৰে তেৱেঁই হ'ল শিক্ষক বা শিক্ষয়িত্ৰী। আধুনিক ৰূপত 'শিক্ষক' শব্দটো ব্যৱহাৰ কৰা হয়। ইতিহাসে ঢুকি নোপোৱা দিনৰেপৰাই শিক্ষকসকলে শিক্ষাদান কৰি আহিছে। অতীতত শিক্ষকক 'গুৰু' আখ্যা দিয়া হৈছিল। আজিকালিৰ দৰে শীত-তাপ নিয়ন্ত্ৰিত বিদ্যালয়ৰ কোঠা নাছিল যদিও 'গুৰুকুল' শিক্ষা ব্যৱস্থাত আছিল জীৱন দৰ্শনৰ আদিপাঠ। ৰাজাৰ পুত্ৰ হ'লেও গুৰুগৃহত থাকি কঠোৰ সাধনাৰ মাজেৰে লাভ কৰা জ্ঞান বৰ্তমানৰ গৱেষণাধৰ্মী শিক্ষাব্যৱস্থাতকৈ আছিল উন্নতমানৰ। গুৰুসকল আছিল একোগৰাকী গৱেষক। সকলোকে জীৱনৰ আদিপাঠ দিয়া গুৰুৱে সময়ত গুৰুদক্ষিণাও আদায় কৰিছিল। বৰ্তমান শিক্ষাব্যৱস্থাৰ দৰে পৰীক্ষা পদ্ধতি নাছিল যদিও প্ৰতিদিনেই শিক্ষাৰ্থীয়ে অৱতীৰ্ণ হ'ব লাগিছিল কঠিনতকৈও অতি কঠিন পৰীক্ষাত। এই পৰীক্ষাৰ ফলাফলো গুৰুৱেই নিৰ্ধাৰণ কৰিছিল। অৰ্থাৎ আধুনিক শিক্ষাব্যৱস্থাৰ পৰীক্ষা নিয়ন্ত্ৰণ আৰু ফলাফল ঘোষণা কৰাৰ দায়িত্বও আছিল 'গুৰুদেৱ'ৰ।

গুৰুভক্তি আছিল শিক্ষাৰ্থীসকলৰ অন্তৰৰপৰা স্বতঃস্ফূৰ্তভাৱে ওলাই অহা শব্দ। গুৰুৰ পৰা লাভ কৰা জ্ঞান আৰু তেওঁৰ প্ৰতি থকা ভক্তিৰ স'তে জড়িত হৈ থাকে ভয়। কাৰণ গুৰুৰ ৰোষত পৰিলে তেওঁৰপৰা অৰ্জন কৰা জ্ঞান পাহৰণিৰ গৰ্ভত বিলীন হ'ব। সময়ত প্ৰয়োগ কৰিব নোৱাৰিব। ইয়াৰ জ্বলন্ত উদাহৰণ মহাবীৰ কৰ্ণ।

সময়ৰ পৰিৱৰ্তনৰ লগে লগে মানুহৰ মানসিকতাৰো পৰিৱৰ্তন হ'বলৈ ধৰিলে। সামাজিক পৰিৱৰ্তন আৰু আধুনিক দৃষ্টিভংগীৰ বাবেই লাহে লাহে স্থাপন হ'ল শিক্ষানুষ্ঠান। নালন্দা আৰু তক্ষশিলা বিশ্ববিদ্যালয়ে এই কথাকে সোঁৱৰাই দিয়ে। তাহানিতে মানুহে বিশ্ববিদ্যালয়ৰ ধাৰণা কৰিব পৰাটো কম কথা নহয়। চিন্তা-চৰ্চাৰ ক্ষেত্ৰত লোকসকল অতি সূক্ষ্ম বিশ্লেষক আছিল। সেই সময়ত শিক্ষাৰ সমান্তৰালভাৱে গুৰু-শিষ্যৰ প্ৰতি যিসকলৰ আন্তৰিকতা নাছিল তেওঁলোকক শুদ্ধ পথলৈ অনাৰ ক্ষেত্ৰত গুৰুৱেই লৈছিল আগভাগ। প্ৰতিশোধৰ ভাব মনত উদয় হোৱা নাছিল বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। সেইবাবে শিক্ষাব্যৱস্থা এক মসৃণ পথেৰেই আগুৱাইছিল।

যিমানেই মানৱ সমাজে উন্নতিৰ জখলাত আৰোহণ কৰিছিল সিমানেই শিক্ষাব্যৱস্থাতো জটিলতাই গা কৰি উঠিবলৈ ধৰিলে। ধনৰ বিনিময়ত শিক্ষা লাভৰ ব্যৱস্থাটোৱে যেতিয়াৰে পৰাই গা কৰি উঠিবলৈ ধৰিলে তেতিয়াৰে পৰাই গুৰু-শিষ্যৰ মাজত থকা ব্যৱধানো বৃদ্ধি পালে। তদুপৰি চৰকাৰী আৰু বে-চৰকাৰী শিক্ষাব্যৱস্থাৰ ধাৰণায়ো সকলোৱে মাজত সৃষ্টি কৰিলে বৃহৎ ব্যৱধান। শিক্ষাত জানো চৰকাৰী-বেচৰকাৰী বুলি কিবা কথা থাকিব পাৰে। নিশ্চয় নাথাকে। মাথোঁ ধনী আৰু দুখীয়া শ্ৰেণীক বুজাবলৈহে ব্যৱহাৰ কৰা হৈছে। আধুনিক শিক্ষাব্যৱস্থাত এই ব্যৱধান উপনীত হৈছে চৰম পৰ্যায়ত। সেয়েহে আজিৰ বেছিভাগ ছাত্ৰ-ছাত্ৰীৰ মনত শিক্ষাগুৰুৰ প্ৰতি নাই আন্তৰিকতা। মাথোঁ কেইটামান নম্বৰৰ আশাতহে ভালদৰে মাতে। আগতে শিক্ষকক দেখিলে ছাত্ৰ-ছাত্ৰীৰ খোজ ভয়তে থৰক-বৰক হ'বলৈ ধৰে। শিক্ষক দেখিলেই বহাৰপৰা উঠে। চাইকেলেৰে গ'লে শিক্ষাগুৰু দেখাৰ লগে লগেই নামি প্ৰণাম জনাই গন্তব্য স্থানলৈ গমন কৰে।

শিক্ষাগুৰুক নেদেখা হোৱালৈকে পিছফালে ঘূৰি ঘূৰি চোৱা দৃশ্যৰ মাজত আছিল ভক্তি, শ্ৰদ্ধা, ভয় আৰু পৰস্পৰক বুজাৰ এক সাঁথৰ।

মানৱ সম্পদ গঢ়া শিক্ষকসকলে পিছে কেতিয়াও ছাত্ৰ-ছাত্ৰীৰপৰা নিবিচাৰে প্ৰতিদান। ছাত্ৰ-ছাত্ৰীয়ে উন্নতিৰ জখলা বগোৱা মানে শিক্ষকৰ গৌৰৱ। তথাপি সকলোৰে আঁৰত থাকি যায় তেওঁলোকৰ অৱদান, ত্যাগ আৰু চৰম ত্যাগ। এইসকল শিক্ষকৰ মহান ত্যাগক মূল্য দিবলৈকে ভাৰতৰ ভূতপূৰ্ব ৰাষ্ট্ৰপতি ড° সৰ্বেপল্লী ৰাধাকৃষ্ণনে তেওঁৰ জন্মদিনটো উৎসৰ্গা কৰিছিল। তেতিয়া দাৰ্শনিক পণ্ডিত ৰাধাকৃষ্ণনৰ ছাত্ৰ-ছাত্ৰীসকলে তেওঁৰ জন্মদিনটো পালনৰ বাবে আগ্ৰহ প্ৰকাশ কৰিছিল। তেতিয়া শিক্ষকসকলৰ মহান ত্যাগক স্বীকৃতি দিবলৈ 'শিক্ষক দিৱস' আয়োজন কৰিবলৈকে পৰামৰ্শ দিছিল। সেয়েহে পাঁচ ছেপ্টেম্বৰত সমগ্ৰ ভাৰততে পালন কৰা হয় শিক্ষক দিৱস। ইয়াৰ বিপৰীতে সমগ্ৰ বিশ্বত পাঁচ অক্টোবৰত পালন কৰা হয় এই দিৱস। দৰাচলতে ১৯৬৬ চনত শিক্ষসকলৰ মৰ্যাদা, শিক্ষাদান আৰু শিক্ষকৰ অধিকাৰ সুনিশ্চিত কৰিবলৈ এই বিশেষ দিনটোত অৰ্থাৎ পাঁচ অক্টোবৰত শিক্ষক দিৱস পালন কৰে বিশ্ববাসীয়ে। ভাৰতৰ প্ৰথমগৰাকী উপ-ৰাষ্ট্ৰপতি আৰু দ্বিতীয়গৰাকী ৰাষ্ট্ৰপতি ড° সৰ্বেপল্লী ৰাধাকৃষ্ণনে শিক্ষাগুৰু হিচাপেও সেৰা আগবঢ়াইছিল। ভাৰতত ১৯৬২ চনত ৰাধাকৃষ্ণনৰ একাংশ প্ৰাক্তন ছাত্ৰ আৰু শুভাকাংক্ষীয়ে তেওঁৰ জন্মদিনটো পালন কৰিবলৈ অনুমতি প্ৰদানৰ বাবে আহ্বান জনেৱাৰ পাছতেই ১৯৬২ চনৰ পাঁচ ছেপ্টেম্বৰত এই দিৱস পালন কৰা হয়। অৰ্থাৎ বিশ্ববাসীয়ে শিক্ষক দিৱস পালনৰ চাৰি বছৰ আগতেই মহান মনীষীগৰাকীয়ে শিক্ষকসকলৰ বিষয়ে ভাবিছিল।

শিক্ষকসকলৰ অৱদান পৃথিৱীৰ কোনো মূল্যৱান সম্পদেৰে জুখিব নোৱাৰি। ইয়াক আনৰ স'তে তুলনা কৰাটোও অসম্ভৱ। অন্ধকাৰ আঁতৰাই সকলোৰে জীৱনলৈ জ্যোতি বিলোৱা ব্যক্তিগৰাকীয়েই হ'ল শিক্ষক। যাৰ নাই কোনো অভিযোগ-অভিমান। মাথোঁ শিক্ষাৰ্থীক পোহৰ বিলোৱাটোৱেই একমাত্ৰ লক্ষ্য। তেওঁলোকৰ সেৱাক ৰাজহুৱাভাৱে স্বীকৃতি দিবলৈকে পাঁচ ছেপ্টেম্বৰত পালন কৰা হয় শিক্ষক দিৱস। অৱশ্যে

ইয়াৰ অৰ্থ এইটো নহয় যে বছৰৰ আন দিনকেইটাত তেওঁলোকক সন্মান কৰিব নালাগে। পিতৃ-মাতৃ আৰু অভিভাৱকে নিজৰ সন্তানক বুজাই দিব লাগে যে এই দিনটোৱেই একমাত্ৰ দিন নহয়। বছৰৰ আন দিনতো সমানেই সন্মান প্ৰদৰ্শন কৰিব লাগে। যাৰ অন্তৰত শিক্ষকৰ প্ৰতি শ্ৰদ্ধা নাথাকে তেওঁ কেতিয়াও উন্নতিৰ জখলাডাল বগাব নোৱাৰে। এটা কথা ঠিক যে এই বিশেষ দিনটোত দামী দামী উপহাৰ শিক্ষকক দিলেই সন্মান কৰা নুসূচায়। সকলোবোৰ অন্তৰৰ পৰা ওলাই আহিব লাগিব।

শিক্ষকৰ কোনো ধৰ্ম নাই। নাই কোনো পৰিসীমা, জ্ঞানৰ মন্দিৰত যিয়ে প্ৰৱেশ কৰে তেওঁকেই শিক্ষাদান কৰে। অন্ধকাৰ নাশিবলৈ দিয়ে মন্ত্ৰ। নিজৰ জ্যোতিৰে সমগ্ৰ ধৰাতে পোহৰ বিলাবলৈ জ্ঞানৰ অন্বেষণ কৰাজনেই হৈছে শিক্ষক। শিক্ষক অবিহনে সমাজ এখন মূল্যহীন। মনত ৰখা উচিত মূল্যহীন সমাজত কেৱল মূৰ্খইহে বসবাস কৰে।

# সাম্প্ৰতিক পৰিস্থিতিত মহাপুৰুষ শংকৰদেৱৰ প্ৰাসংগিকতা

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ হ'ল অসমীয়া জাতিৰ প্ৰাণ। এইগৰাকী মহাপুৰুষৰ সৃষ্টিৰাজিৰেই আজি বিশ্বদৰবাৰত অসমীয়াই এক সুকীয়া পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছে মহাপুৰুষজনাৰ বাবে। পাঁচশ বছৰ পূৰ্বেই মহাপুৰুষজনাই যি কৈছিল আৰু কৰিছিল সেইবোৰ আজিও প্ৰাসংগিক। মহাপুৰুষজনাৰ চিন্তা-চৰ্চা তথা ৰচনাক লৈ যিবোৰ গৱেষণা কৰা হৈছে সেইবোৰে তেওঁৰ অন্তৰ্দৃষ্টিৰ লগতে বৈজ্ঞানিক দৃষ্টিভংগী ব্যাখ্যা কৰিছে। শ্ৰীমন্ত শংকৰদেৱ আছিল আমাৰ প্ৰথমগৰাকী শৃংখলিতভাৱে মানৱ জীৱনক দৰ্শন আগবঢ়োৱা মহাপুৰুষ। বৰদোৱাত আলিপুখুৰীত ১৩৭১ শকৰ (১৪৪৯ খ্ৰী.) পাঁচ আহিনত জন্মগ্ৰহণ কৰা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ প্ৰসংগত ৰামচৰণ ঠাকুৰে লিখিছে—

আশ্বিন প্ৰৱেশি পাঞ্চদিন বহি গৈল।
সহি দিনা শংকৰদেৱৰ জন্ম ভৈল।।

সৰুতে মাউৰা হোৱা শ্ৰীমন্ত শংকৰদেৱক আইতাক খেৰসূতীয়ে ডাঙৰ-দীঘল কৰিছিল। ১২ বছৰ বয়সলৈ উমলি ফুৰা শংকৰদেৱে মহেন্দ্ৰ কন্দলিৰ টোলত বিদ্যাভ্যাস কৰাৰ

পাছতেই নিজৰ প্ৰতিভাৰ পৰিচয় দিছিল। দৰাচলতে তেতিয়াই শ্ৰীমন্ত শংকৰদেৱে তেওঁৰ বুদ্ধি তথা জ্ঞানৰ পৰিচয় দিছিল বাবেই পৰৱৰ্তী সময়ত তেওঁ সেয়া সমল হিচাপে লৈ আগুৱাই যাব পাৰিছিল।

অসমত নৱবৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ কৰি শ্ৰীমন্ত শংকৰদেৱে অস্থিৰ, ভংগুৰ সমাজখনক শুদ্ধ আৰু সঠিক পথত গতিকৰণত সহায় কৰিছিল। কৰ্ম আৰু ধৰ্মৰ মাজেদি সমাজখনৰ ভাৰসাম্য ৰক্ষা কৰিলে সকলোৱে যে জীৱনটো ভালদৰে অতিবাহিত কৰিববলৈ সক্ষম হয় সেয়া শিকনি দিছিল। আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয়টো হ'ল তেওঁ নাম-প্ৰসংগৰ সময়ত যিবোৰ নীতি-নিয়ম পালিবলৈ ভক্তসকলক উপদেশ দিছিল তাৰ আঁৰত শৰীৰ-মনৰ মাজত ভাৰসাম্য বজাই ৰখাৰ উপাদান আছিল। নাম-প্ৰসংগৰ সময়ত এজন ভক্তই আন এজন ভক্তৰ পৰা নিৰ্দিষ্ট দূৰত্বত শাৰী পাতি বহি চাপৰি বজায়। অতিসম্প্ৰতি ক'ভিড পৰিস্থিতিৰ সময়ত যি সামাজিক দূৰত্বৰ কথা কোৱা হৈছে দৰাচলতে মহাপুৰুষজনাই পাঁচশ বছৰ আগতেই এইবোৰ দিশ উপলব্ধি কৰিছিল। এজন ভকতৰ আন এজন ভকতৰ পৰা দূৰত্বত বহা মানে পৰস্পৰৰ মাজত স্পৰ্শ নোহোৱা। যিহেতু নাম-প্ৰসংগৰ সময়ত শৰীৰত ৰক্ত সঞ্চালনৰ গতি দ্ৰুত হয়, সেয়েহে শৰীৰৰ পৰা প্ৰচুৰ পৰিমাণে ঘাম ওলায়। গতিকে এজন ভকতৰ শৰীৰটো যাতে আন এজনৰ সংস্পৰ্শলৈ আহিব নোৱাৰে তাৰ বাবে তেতিয়াই চিন্তা কৰিছিল। তদুপৰি পুৱা-গধূলি নাম-প্ৰসংগ কৰাৰ আন এক কাৰণো আছিল। পুৱাই ভগৱানৰ নাম লৈ যেতিয়া নাম-প্ৰসংগ কৰে তেতিয়া শৰীৰৰ অংগ-প্ৰত্যংগৰ সঞ্চালন হয়। দুখন হাতেৰে চাপৰি বজোৱাৰ লগে লগে শৰীৰত কম্পনৰ সৃষ্টি হ'বলৈ ধৰে। মৃদু চাপৰিৰ পৰা শেষৰফালে দ্ৰুতগতিত বজোৱা চাপৰিয়ে লাহে লাহে অংগ-প্ৰত্যংগক কাৰ্যক্ষম কৰি তোলে। ফলত পুৱাৰ নাম-প্ৰসংগই এগৰাকী ভকতক কাম-কাজ কৰিবলৈও শাৰীৰিক-সামাজিকভাৱে উপযুক্ত কৰি তোলে। দিনটো নিজৰ কাম কৰি গধূলিৰ সময়ত আকৌ নাম-কীৰ্তন কৰাৰ ফলত নিশা টোপনি অহাত সহায় হয়।

নাম-প্ৰসংগ আদিত যেতিয়া এগৰাকী ব্যক্তি সংপৃক্ত হৈ পৰে তেতিয়া তেওঁৰ মনত দুশ্চিন্তাই সহজে বাহ ল'ব নোৱাৰে। মানসিক ভাৰসাম্যহীন

অৱস্থা সৃষ্টিৰ পৰা আঁতৰাই ৰাখে। মানুহৰ মনটো যেতিয়া ভাৰাক্ৰান্ত হয় তেতিয়া শৰীৰ-মনৰ ভাৰসাম্য ৰক্ষা কৰা অসম্ভৱ হৈ পৰে। যিকোনো ৰোগৰ মূলতে হ'ল মনটো। যেতিয়া এই মনটো ভক্তিৰসত ডুব গৈ থাকে তেতিয়া দুশ্চিন্তাই ভুমুকি মাৰিবলৈকে সুযোগ নাপায়। সুস্থ মনটোৱে এটি সুস্থিৰ পৰিয়াল গঢ়াত সহায় কৰে। সুস্থ পৰিয়ালে সমাজত সুস্থিৰ পৰিৱেশৰ সৃষ্টি কৰিব পাৰে।

মহাপুৰুষজনা আছিল দূৰদৃষ্টিসম্পন্ন। সেইবাবে পাঁচশ বছৰ পূৰ্বে যি কৈ গৈছিল সেয়া আজিও প্ৰাসংগিক। শ্ৰীমন্ত শংকৰদেৱে একগোট হৈ কৃষিকৰ্মৰ জৰিয়তে ভকতসকলক স্বাৱলম্বী হোৱাৰ উপদেশ দিছিল। নামঘৰৰ ওচৰত পুখুৰী খান্দি তাৰ পাৰত ফল-মূলৰ গছৰ লগতে তামোল-পাণৰ খেতি কৰিবলৈ আদৰ্শ দেখুৱাইছিল। আজি চৰকাৰে অসমত যি আত্মসহায়ক গোটৰ কথা কৈ আছে আৰু আঁচনি গ্ৰহণ কৰিছে সেয়া শ শ বছৰ পূৰ্বেই মহাপুৰুষজনাই কৈ গৈছিল। এই বিষয়বোৰ তেতিয়া বিশ্লেষণ কৰা হোৱা নাছিল। এনে দৃষিভংগীৰ পৰা মহাপুৰুষজনাক এগৰাকী অৰ্থনীতিবিদ হিচাপেও আখ্যা দিব পাৰি। এটি পৰিয়াল, বিশেষকৈ ভকতসকলে নাম-কীৰ্ত্তন কৰাৰ লগতে নিজৰ পৰিয়ালক অৰ্থনৈতিকভাৱে কেনেদৰে স্বাৱলম্বী হ'ব পাৰে তাৰ ব্যাখ্যা কৰি গৈছে। সূক্ষ্ম দৃষ্টিকোণৰ পৰা ব্যাখ্যা কৰিব পৰা ক্ষমতা আছিল শ্ৰীমন্ত শংকৰদেৱৰ। প্ৰতিটো বিষয়েই তেওঁ বৈজ্ঞানিক দৃষ্টিভংগীৰে বিশ্লেষণ কৰিব পাৰিছিল। এনে ক্ষমতা সাধাৰণতে কমসংখ্যক লোকৰহে থাকে।

অসমৰ আধ্যাত্মিক চিন্তাৰ শক্তি সামৰ্থ্য, মুক্তিকামী নৰ-নাৰীৰ অন্যতম দেৱকল্পতৰু, ভক্ত সমাজৰ বৰেণ্য আৰু মহত্ত্বতকৈও মহৎ জ্ঞানী মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ। সেইবাবে নৱপ্ৰজন্মৰ মাজত শ্ৰীমন্ত শংকৰদেৱৰ সৃষ্টি আৰু কৰ্মৰাজিক বৈজ্ঞানিক দৃষ্টিভংগীৰে বিশ্লেষণ কৰি ব্যাখ্যা আগবঢ়াবই লাগিব। কাৰণ নৱপ্ৰজন্মই আজি ব্ৰজাৱলী ভাষা শিকিবলৈ কোনো কাৰণতে আগবাঢ়ি নাহে। সেইবাবে মহাপুৰুষজনাৰ সৃষ্টিৰাজিক আমি সকলোৱে এনেদৰে উপস্থাপন কৰিব লাগিব যাৰ প্ৰতি নৱ-প্ৰজন্মই সদায় আগবাঢ়ি আহিব আৰু ভৱিষ্যতেও ইয়াৰ সংৰক্ষণ আৰু প্ৰসাৰত গুৰুত্ব

প্ৰদান কৰি থাকি শ্ৰীমন্ত শংকৰদেৱৰ দৰ্শন শুদ্ধ আৰু ব্যাপক ৰূপত প্ৰচাৰ কৰিব লাগিব। যদিও আমি কি আছোঁ যে মহাপুৰুষজনাৰ সৃষ্টিৰাজি প্ৰচাৰ ব্যাপক হাৰত হৈছে তথাপি ইয়াৰ গতি আৰু ক্ষিপ্ৰ হ'ব লাগিব। আমি লণ্ডন, আমেৰিকা আদিত নামঘৰ প্ৰতিষ্ঠা কৰাত সফল হৈছোঁ, তথাপি কীৰ্ত্তন ঘোষাৰ দৰে মহৎ গ্ৰন্থ এখন বিশ্ব সাহিত্যত যি ৰূপত উপস্থাপন কৰিব লাগিছিল সেয়া যেন কৰিব পৰা নাই। শেহতীয়াভাৱে কীৰ্ত্তন-ঘোষাৰ ইংৰাজী অনুবাদ হৈছে যদিও আন্তৰ্জাতিক মঞ্চত সঠিক ৰূপত উপস্থাপন কৰিব পৰা নাই যেন অনুমান হৈছে। কাৰণ আন্তৰ্জাতিক মহলত এই ইংৰাজী অনুবাদে এতিয়াও ভালদৰে স্পৰ্শ কৰিব পৰা নাই। আমি ইজনে-সিজনৰ ওপৰত কোনো দৃষ্টিভংগী জপাৰ ৰাজনীতি কৰি লাভ নাই। কাৰণ শ্ৰীমন্ত শংকৰদেৱ অসমত প্ৰতিগৰাকী ব্যক্তিৰে আছে হৃদয়ত।

# হাজী মুছাফিৰ খানাত এসন্ধ্যা

ভাৰতত আজাদী কি অমৃত মহোৎসৱৰ সৈতে সংগতি ৰাখি স্বাধীনতা দিৱসৰ দিনা আয়োজন কৰা হয় বিভিন্ন অনুষ্ঠান। ৭৫ বছৰীয়া মহোৎসৱৰ চিৰস্মৰণীয় কৰি ৰাখিবলৈ দেশৰ আন ৰাজ্যৰ লগতে অসমতো প্ৰায়ভাগ অনুষ্ঠান-প্ৰতিষ্ঠান, দল-সংগঠন আদিয়ে আয়োজন কৰে সম্বৰ্ধনা আদিৰ। সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ বিশেষ বৰঙণি আগবঢ়োৱা ব্যক্তিক সম্বৰ্ধনা জ্ঞাপন কৰিলে দেশৰ এই গৌৰৱময় ক্ষণত। এনে এক ক্ষণৰ সাক্ষী হ'বলৈ নেহৰু ষ্টেডিয়ামৰ সমীপতে লাগি থকা হাজী মুছাফিৰ খানাই ৭৫সংখ্যক স্বাধীনতা দিৱসত সম্বৰ্ধনা জ্ঞাপন কৰিলে ৰাজ্যৰ ২৩ গৰাকী বিশিষ্ট ব্যক্তিক। ১৯৭৫ চনত গঠন হোৱা হাজী মুছাফিৰ খানাই বিগত সময়ছোৱাত সমাজৰ প্ৰতিটো স্তৰৰ লোকক বিভিন্ন ধৰণে সহায়-সহযোগ কৰি আহিছে। ২০২২ চনৰ ১৫ আগষ্টৰ সন্ধিয়া আয়োজিত এক অনুষ্ঠানত সম্বৰ্ধনা জ্ঞাপন কৰা লোকসকলৰ মাজত মোৰো নাম অন্তৰ্ভুক্ত হৈছিল। উক্ত অনুষ্ঠানত উপস্থিত থাকিবলৈ পাই নিজকে ধন্য মানিছোঁ। কাৰণ এনে একোটা অনুষ্ঠানৰে জড়িত হ'ব পৰাতো পৰম সৌভাগ্যৰ কথা। আমি সমাজলৈ কিধৰণৰ অৱদান আগবঢ়াইছোঁ সেইটো ডাঙৰ কথা নহয়, সবাতোকৈ

গুৰুত্বপূৰ্ণ বিষয়টো হ'ল এনেধৰণৰ সম্বৰ্ধনাই কাম কৰিবলৈ প্ৰেৰণা যোগায়। সমাজৰ প্ৰতি সকলোৰে দায়িত্ব আছে। এই দায়িত্ব সকলোৰে পালন কৰা উচিত। এইক্ষেত্ৰত হাজী মুছাফিৰ খানায়ো বিগত সময়ছোৱাত দায়িত্ব ভালদৰে সম্পাদন কৰি আহিছে।

হাজী মুছাফিৰ খানাই হজযাত্ৰীসকলক সদায় সহায় কৰি আহিছে। তদুপৰি দুখীয়া লোককো বিভিন্ন ধৰণে সহায় কৰিছে। বিপদৰ সময়ত অসহায় লোকক সহায়-সহযোগিতা আগবঢ়োৱাৰ ক্ষেত্ৰত হাজী মুছাফিৰ খানাৰ ভূমিকা বিশেষ মন কৰিবলগীয়া। এনে ধৰণৰ অনুষ্ঠানে সমাজৰ সকলো লোকৰ মাজত সমন্বয় প্ৰতিষ্ঠাৰ লগতে ভ্ৰাতৃত্ববোধ অটুট ৰাখিবলৈ চেষ্টা চলায়। সমাজত এনেধৰণৰ অনুষ্ঠানৰো সদায় প্ৰয়োজন। কাৰণ সমাজৰ মূলচালিকা শক্তি হ'ল অনুষ্ঠান-প্ৰতিষ্ঠান। মানুহৰ মাজত সৃষ্টি হোৱা মতবিৰোধ, সংঘাত আদি নোহোৱা কৰাৰ ক্ষেত্ৰত সদায় অনুষ্ঠান-প্ৰতিষ্ঠানেই আগভাগ লৈ আহিছে। হাজী মুছাফিৰ খানা এইক্ষেত্ৰত ব্যতিক্ৰম নহয়। ১৯৭৫ চনৰ পৰা এই অনুষ্ঠানটোৱে বৰ্তমানলৈকে যিখিনি কাৰ্য সম্পাদন কৰিছে তাত চকু ফুৰালেই ইয়াৰ গুৰুত্ব ওলাই পৰিব। সেয়েহে সমাজৰ সকলো শ্ৰেণীৰ লোকেই এনে অনুষ্ঠানক শক্তিশালী কৰাত সহায় কৰিব লাগে।

১৫ আগষ্টৰ উক্ত অনুষ্ঠানত উপস্থিত থাকি খুবেই ভাল লাগিল। অতি শৃংখলাবদ্ধভাৱে অনুষ্ঠিত এই অনুষ্ঠানটোৱে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোত প্ৰতিগৰাকী ব্যক্তিয়ে মত-বিনিময় কৰে। হাজী মুছাফিৰ খানাই সোণালী জয়ন্তী বৰ্ষৰ দিশে অগ্ৰসৰ হৈছে। যিকোনো অনুষ্ঠান এটাই গৌৰৱোজ্জ্বল সোণালী জয়ন্তীৰ দিশে ধাৱমান হোৱাটো গৌৰৱৰ বিষয় হিচাপে গণ্য কৰা হয়। এই অনুষ্ঠানটোৰ স'তে জড়িত বিশিষ্ট ব্যক্তিসকল বিগত সময়ছোৱাত ত্যাগৰ যি নিদৰ্শন দেখুৱাই গ'ল সেই বিষয়ে প্ৰচাৰ কৰাৰ সময় আহি পৰিছে। সমাজৰ জটিল সন্ধিক্ষণত উপযুক্ত পদক্ষেপ গ্ৰহণ কৰা হাজী মুছাফিৰ খানাই সমাজত সদায় ভ্ৰাতৃত্ববোধ স্থাপনৰ বাবে কাম কৰি আহিছে। সাধাৰণতে হাজী মুছাফিৰ খানা বুলি ক'লে এক নিৰ্দিষ্ট পৰিসীমাৰ মাজত সীমাবদ্ধ থকা এটা

অনুষ্ঠানৰ দৰে ধাৰণা হয়। কিন্তু ইয়াৰ চৌহদত প্ৰৱেশ কৰাৰ পাছত এনেধৰণৰ মানসিকতা সলনি হ'বলৈ ধৰে। কাৰণ এনে অনুষ্ঠানৰ উদ্দেশ্য আৰু লক্ষ্য সদায় মহান। মাথোঁ সাধাৰণ ৰাইজৰ মাজত উপস্থাপন কৰাটোহে গুৰুত্বপূৰ্ণ বিষয়। আমাৰ সমাজত এতিয়াও এনে কিছু লোক আছে যিসকলে সদায় অপব্যাখ্যাৰ ওপৰতহে গুৰুত্ব দিয়ে। এনে অপব্যাখ্যাই সমাজত বিভেদৰহে সৃষ্টি কৰে। গতিকে আমি এনেধৰণৰ বিষয়ে ব্যাখ্যা কৰোতে সদায় সতৰ্কতা অৱলম্বন কৰা উচিত। স্বাধীনতা দিৱসৰ অমৃত মহোৎসৱত এই অনুষ্ঠানটোৱে যি আদৰ্শ দেখুৱালে সেয়া স্বাধীনতাৰ এশ বছৰীয়া উৎসৱতো অব্যাহত থাকিব বুলি আশা কৰিলোঁ। এনেদৰে সদায় কাম-কাজৰে আগুৱাই গৈ থাকক। তেতিয়া সমাজৰ লগতে দহৰ নিশ্চয় উপকাৰ হ'ব।

# নিয়ৰৰ টোপাল ক'ত হেৰাল?

শৰতৰ আগমনৰ লগে লগে দূবৰিত নিয়ৰৰ কণাবোৰ পুৱা সূৰুযৰ কিৰণত জিলিকি উঠে। নিয়ৰসনা শেৱালি ফুলৰ শুভ্ৰ দলিচাখনে যিকোনো লোকৰেই মন প্ৰফুল্লিত কৰে। কাৰণ শেৱালি ফুলত থাকে মন প্ৰফুল্লিত কৰিব পৰা সুবাস। শেৱালিৰ সুবাসে শৰতৰ সমগ্ৰ পৰিৱেশটোৱে সুৱাসিত কৰে। পুৱাৰ পৰিৱেশ সলনি কৰিব পৰা শক্তি আছে শেৱালিৰ।

শেৱালি ফুলৰ বৈজ্ঞানিক নাম হৈছে Nyctanthes arbor tristis। ইয়াৰ মূল শব্দটো লেটিন Nyctanthesৰ পৰা আহিছে। লেটিন শব্দটোৰ অৰ্থ হৈছে 'সন্ধিয়া ফুলা'। এই যি বৃক্ষক বহুতে 'tree of sorrow' বুলি কয়। ধুনীয়া ফুলবিধ সন্ধিয়া ফুলি পুৱা সৰি পৰে বাবেই ইয়াক 'tree of sorrow' বুলি কোৱা হয়। সাধাৰণতে এইবিধ ফুল প্ৰায়ভাগ লোকেই চোতালৰ সন্মুখত ৰোৱে কেবল সৌন্দৰ্যবৰ্ধণৰ বাবে। ঔষধি গছ আৰু ফুলবিধক শ্ৰীলংকা আদি দেশত পৱিত্ৰ পুষ্প হিচাপে গণ্য কৰে। আমাৰ দেশতো ফুলবিধ দেৱকাৰ্যত ব্যৱহাৰ কৰা হয়। তদুপৰি কিছুমান লোকে ফুলবিধ ৰ'দত ভালদৰে শুকাই লৈ বহুদিন পিছত ব্যঞ্জন হিচাপে খায়।

সাধাৰণতে শৰৎকালত এইবিধ ফুল বেছিকৈ ফুলে।

নিয়ৰৰ টোপালে ফুলৰ পাপৰিত পৰিলে ইয়াৰ সতেজতা বৃদ্ধি পায়। তদুপৰি পুৱাই পূব আকাশত সুৰুয দেৱতাই ভুমুকি মৰাৰ লগে লগে ইয়াৰ কিৰণ নিয়ৰৰ টোপালত পৰিলে শেৱালিৰ সৌন্দৰ্য দুগুণ বৃদ্ধি পায়। নিয়ৰৰ টোপালে দূবৰি বন জিলিকাই তোলে।

কবি চন্দ্ৰকুমাৰ আগৰৱালাই লিখিছে—

মুকুতা মণিটি পাহিত জিলিকে
ফটিক পানীত ধোৱা
নিশাৰ তৰা এটি সৰি আছে
সৰগত টোপনি যোৱা। .......

ইংৰাজী সাহিত্যৰ ভঁৰাল চহকী কৰা উইলিয়াম ৱৰ্ডছৱৰ্থছে ‘Era with Cold Beads of Midnight Dew’ নামৰ কবিতাটিত যি হৃদয়স্পৰ্শ শব্দ প্ৰয়োগ কৰিছে সেয়া আজিও সকলোৰে বাবে চৰ্চাৰ বিষয়—

Era with cold beads of midnight dew
Had mindgled tears of thine,
I rieved, fond youth! that thou shouldse sue
To haughty geraldine.

পৃথিৱীত প্ৰতিখন দেশতে ক’ত কিমান কবিতাৰ লগতে গল্পৰ সৃষ্টি হৈছে নিয়ৰ কণিকাক লৈ। তুষাৰ কণিকাই যেন সকলোৰে মন-প্ৰাণ ভৰোৱাৰপৰা শক্তি আছে। প্ৰকৃতিৰ নিয়ম অনুসৰিয়েই শৰতৰ পৰা নিয়ৰৰ কণাবোৰে পৃথিৱীত স্পৰ্শ কৰে। এয়া ফাগুন-চ’ত মাহমানলৈকে থাকে। দূবৰিত সূৰুযৰ কিৰণ পৰাৰ লগে লগে হাঁহি থকা নিয়ৰকণাবোৰ ক্ৰমাৎ যেন হেৰাই যাবলৈ ধৰিছে। বিগত কেইবছৰমানৰ পৰা এনেধৰণৰ ছবি এখন প্ৰতিফলিত হৈছে। কি কাৰণে নিয়ৰৰ পৰিমাণ হ্ৰাস পাবলৈ ধৰিছে সেয়া এক চিন্তনীয় বিষয় হৈ পৰিছে। কাৰণ নিয়ৰৰ পৰিমাণ গ্ৰাস পোৱাটোৱে প্ৰাকৃতিক ভাৰসাম্যহীনতাৰেই ইংগিত দিয়ে। নিয়ৰে পৃথিৱীখন কেৱল সতেজ কৰিয়েই নাৰাখে, ইয়াৰ পৰাই আৰ্দ্ৰতাও ৰক্ষা হয়। যি দেশ বা ঠাইত নিয়ৰ নপৰে তাত কেৱল চৌদিশে শুষ্ক পৰিৱেশেহে বিৰাজ কৰে।

পৰিৱেশ প্ৰদূষিত হোৱা বাবেই লাহে লাহে নিয়ৰৰ পৰিমাণ হ্ৰাস

পাবলৈ ধৰিছে। আজি চৌদিশে কেৱল প্ৰদূষণ। যিফালে চাই সেইফালেই কেৱল প্ৰদূষণ। কল-কাৰখানাৰ পৰা অহৰ্নিশে ওলাই থকা ধোঁৱা আৰু গেছ তথা ৰাসায়নিক পদাৰ্থৰ বাবে এই অঞ্চলবোৰৰ পৰিৱেশ তথা জলবায়ুৰ পৰিৱৰ্তন হৈছে। যেতিয়া কোনো এটা অঞ্চলত অনবৰতে কল-কাৰখানাৰ পৰা ধোঁৱা আদি ওলাই থাকে তেতিয়া তাত পুৱা-গধূলি নিয়ৰৰ টোপাল দেখা নোপোৱাটোৱেই স্বাভাৱিক।

আজিকালি চৌদিশে কংক্ৰিট। কংক্ৰিটৰ পৃথিৱীত দুৰৰি বুলিবলৈ একো নাই। তদুপৰি গছ-গছনিৰো অভাৱ। প্ৰকৃতিৰ নিয়ম অনুসৰি কোনো ঠাইত নিয়ৰ সৰিবলৈ হ'লে তাত সেউজীয়া গছ-গছনিৰ লগতে বন, জংঘল আদিৰ প্ৰয়োজন। এতিয়া গ্ৰামাঞ্চল আদিত এনে পৰিৱেশ কিছু পৰিমানে দেখা পোৱা যায় যদিও চহৰাঞ্চলত এনে দৃশ্য দুৰ্লভ। আন কথা বাদেই— পাহাৰ আদিও নোহোৱা হৈছে। উদং হৈছে বননী। বনাঞ্চল সংকুচিত হৈ যেতিয়াৰ পৰা কংক্ৰিটৰ জনাঞ্চল গঢ়ি উঠিবলৈ ধৰিছে। মাটিৰ পানী ধৰি ৰাখিব পৰা ক্ষমতাত কিছু কিছু ঠাইও হ্ৰাস পাইছে অত্যধিক প্ৰদূষণৰ বাবে। চাৰিওফালে থিয় হৈ থকা উচ্চ অট্টালিকাবোৰৰ মাজত নিয়ৰ পৰিবলৈকে আনকি ঠাইৰ অভাৱ। কথাবোৰ শ্ৰুতিকটু যদিও এয়াই সত্য।

আগতে শাৰদীয় দুৰ্গোৎসৱৰ সময়ত নিয়ৰ সৰিবলৈ আৰম্ভ কৰিছিল। এতিয়া পিছে আহিন মাহৰ কথাতো বাদেই আঘোণৰ পথাৰতো নিয়ৰসিক্ত ধাননি দেখিবলৈ পোৱা নাযায়। ইয়াৰ বাবে দোষ প্ৰকৃতিৰ নহয়, মানুহেই দায়ী। কাৰণ ধৰিত্ৰী প্ৰদূষিত কৰাৰ ক্ষেত্ৰত প্ৰধানকৈ দায়ী মানৱ জাতি। মানৱ জাতিয়ে যিমানেই উন্নতিৰ জখলাত বগাইছে সিমানেই পাৰমাণবিক তথা আণৱিক যুঁজত অৱতীৰ্ণ হৈছে। এইবোৰে নষ্ট কৰিছে প্ৰাকৃতিক ভাৰসাম্য। এই ভাৰসাম্যহীন পৃথিৱীত যিমানেই মানৱৰ অত্যাচাৰ হৈছে সিমানেই সকলো খেলিমেলি হ'বলৈ ধৰিছে। গতিকে সকলোৱে সতৰ্কতা অৱলম্বন কৰা উচিত। নিজৰ ঘৰৰ আশে-পাশে গছ-গছনি ৰোপণ কৰক। দূৰৰি বন গচিবলৈ এখন উপযুক্ত ক্ষেত্ৰৰ সৃষ্টি কৰক। নহ'লে এদিন মানৱ জাতিয়ে এক বিন্দু নিয়ৰ টোপালৰ বাবে হাহাকাৰ কৰিবলগীয়া অৱস্থাৰ সৃষ্টি হ'ব।

# দুৰ্গোৎসৱত জাকজমকতা কিয়

বিগত দুবছৰ ক'ভিডকালীন পৰিস্থিতিৰ বাবে শাৰদীয় দুৰ্গোৎসৱত ভক্তিপ্ৰাণ ৰাইজে নিজৰ ইচ্ছা মতে অংশগ্ৰহণ কৰিব পৰা নাছিল। ক'ভিড প্ৰট'কলৰ বাবে ৰাইজে একগোট হৈ অংশগ্ৰহণ কৰাত ব্যাঘাত জন্মিছিল। সেই বাবে ভক্তিপ্ৰাণ ৰাইজৰ মাজত পূজাৰ আনন্দ ম্লান হৈছিল। এইবাৰ ক'ৰোনাৰ প্ৰভাৱ প্ৰায় নাইকিয়াৰ দৰে হোৱাত সকলো সাজু হৈছে শাৰদীয় দুৰ্গোৎসৱৰ বাবে। এয়া নিশ্চয়কৈ আশাৰ বতৰা। কাৰণ উৎসৱ-পাৰ্বণ অবিহনে মানুহৰ মনবোৰ উৰুঙা উৰুঙা লাগে। যদি আমি প্ৰতিখন দেশ আৰু প্ৰতিটো জনগোষ্ঠীৰ উৎসৱ-পাৰ্বণ আদিৰ পৰা এটা কথা স্পষ্ট হৈ পৰে যে এইবোৰ মানুহৰ মনত আনন্দ আৰু সাময়িকভাৱে সকাহ পাবলৈকে পালন কৰে। উৎসৱ-পাৰ্বণ আদিৰ সৈতে মধুৰ সম্পৰ্ক থাকে। সাধাৰণতে শৰৎকালত বেছি শীত বা গৰম নাথাকে। স্নিগ্ধ জোনাক নিশা চপৰা-চপৰে আকাশত ভাহি উঠা শুকুলা মেঘে মানুহৰ মন প্ৰফুল্লিত কৰে। অতীজৰে পৰা পালন কৰি অহা অকালবোধন পূজা হিচাপে সকলোৱে অনুষ্ঠিত কৰি আহিছে। অৱশ্যে এটা কথা ঠিক যে ভাৰতৰ সকলো ৰাজ্যৰ ভিতৰত পশ্চিমবংগ, উত্তৰ-পূৰ্বাঞ্চলৰ অসমত উলহ-মালহেৰে পালন কৰা হয়। সেয়েহে বিগত দুটা বৰ্ষত এই উৎসৱ পালন কৰিব নোৱাৰি

সকলোৰে মন হতাশ হৈছিল। এইবাৰ নতুন উদ্যমেৰে সাজু হৈছে দুৰ্গোৎসৱৰ বাবে।

পূৰ্বৰ তুলনাত এতিয়া ৰাজ্যৰ বিভিন্ন প্ৰান্তত পূজাৰ সংখ্যা বৃদ্ধি হৈছে। জনসংখ্যা বৃদ্ধি হোৱাৰ বাবে পূজাৰ সংখ্যা বৃদ্ধি হৈছে নে ভক্তৰ সংখ্যা বাঢ়িছে সেয়াহে চৰ্চাৰ বিষয়। আগতে যিবোৰ ঠাইত পূজাৰ কোনো উমঘামেই নাছিল সেইবোৰতো এতিয়া বিজুলীৰ চমকেৰে আয়োজন কৰা হয় পূজা। এটা কথা ঠিক যে এতিয়া দুৰ্গাপূজা আদিত সমাজৰ প্ৰায়ভাগ শ্ৰেণীৰ লোকেই অংশগ্ৰহণ কৰিবলৈ ধৰিছে। এনেদৰে সকলোৰে অংশগ্ৰহণ কৰা মানে সমাজৰ পৰা সংকীৰ্ণতা আঁতৰি যোৱা। সমাজত যিমানেই সংকীৰ্ণতাই বিৰাজ কৰে সিমানেই উৎসৱ-পাৰ্বণ আদিত ব্যাঘাত জন্মাৰ আশংকা থাকে। আমাৰ ৰাজ্যখনত এটা কথা ঠিক যে সকলোৰে নিজৰ নিজৰ স্থানত থাকিয়েই শ্ৰদ্ধা-ভক্তি প্ৰদৰ্শন কৰে। তদুপৰি এটা ধৰ্মৰ লোকে বা এটা জাতিৰ লোকে আনটোৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰে। দুৰ্গাপূজাতো একেধৰণৰ প্ৰতিচ্ছবি এখন সদায় দেখিবলৈ পোৱা যায়।

পূজাৰ সংখ্যা বৃদ্ধি হওক। সমান্তৰালভাৱে বাঢ়ি থাকক ভক্তৰ সংখ্যা। কিন্তু জাকজমকতা সীমিত হ'ব লাগিব। কাৰণ জাকজমকতাৰ মাজেৰে দুৰ্গোৎসৱ পালন কৰিলে যদিও ভক্তৰ সংখ্যা বৃদ্ধি হ'ব পাৰে তথাপি প্ৰকৃত ভক্তৰ সংখ্যা নাবাঢ়িবও পাৰে। এই সকলোবোৰ বিষয় নিৰ্ভৰ কৰে আন্তৰিকতাৰ ওপৰত। য'ত আন্তৰিকতা নাথাকে তাত ভক্ত (প্ৰকৃতাৰ্থত দৰ্শকহে)ৰ সংখ্যা বৃদ্ধি হোৱাৰ অৰ্থ নাথাকে। সম্প্ৰতি যিবোৰ ঠাইত জাকজমকতাৰ পৰিৱৰ্তে পৰম্পৰাগতভাৱে পূজা পালন কৰা হয় তাত ভক্তৰ সংখ্যা কম। যিবোৰ ঠাইত বিজুলীৰ চমক বেছি সেইবোৰত সমাগম বেছি হয় যদিও আন্তৰিকতাৰে দেৱীৰ সন্মুখত সেৱা জনোৱাৰ সংখ্যা পিছে আঙুলিৰ মূৰত লেখিব পৰা বিধৰ।

সময়ৰ লগে লগে সকলোৰে মনো পৰিৱৰ্তন হ'ব। এয়া অস্বাভাৱিক নহয়। গুৰুত্বপূৰ্ণ বিষয় হৈছে সাম্প্ৰতিক পৰিস্থিতিত আমি জাকজমকতাত অধিক গুৰুত্ব দিয়াতকৈ বাজেট কিছু হ্ৰাস কৰি ৰাহি হোৱা ধনেৰে স্থায়ী কাম এটা কৰাৰ পৰিকল্পনা কৰিলে অধিক ফলদায়ক হ'ব। কোনে কিমান টকা পোহৰ অথবা চমকত ব্যয় কৰিছে তাৰ প্ৰতিযোগিতাত অৱতীৰ্ণ হোৱাতকৈ ভক্তসকলক শৃংখলিতভাৱে মন্দিৰ চৌহদত প্ৰৱেশৰ বাবে শুদ্ধ আৰু সুচল ব্যৱস্থা কৰিলেহে প্ৰকৃত ভক্তৰ সংখ্যা বৃদ্ধি পাব। এইখিনিতে কোনোবাই হয়তো প্ৰশ্ন কৰিব পাৰে

যে ভক্ত আৰু প্ৰকৃত ভক্ত কোনবিলাক। দৰাচলতে ভক্ত-প্ৰকৃত ভক্তৰ মাজত পাৰ্থক্য সঠিক দৃষ্টিভংগীৰ পৰা লাভ কৰা সম্ভৱ নহয়। ভক্তিভাব সদায় মনৰ পৰা সৃষ্টি হোৱা বিষয়। কোনোবাই পূজাথলীলৈ গৈ দেৱীক সেৱা নকৰে। আন কিছুমানে মন্দিৰলৈ নোযোৱাকৈ প্ৰকৃত ভক্ত হ'ব পাৰে। মনত ভক্তিভাব নাথাকিলে এনেয়ে পূজাস্থলীলৈ যোৱাটো অৰ্থহীন। পোহৰৰ চমক চোৱা ভক্তৰ উপস্থিতিত অভাৱনীয় পৰিস্থিতিহে সৃষ্টি হয়। অৱশ্যে এটা কথা ঠিক যে একেবাৰে জাকজমকতা নোহোৱা কৰিবলৈ কোৱা হোৱা নাই। মাত্ৰ সীমা অতিক্ৰম কৰিব নালাগে। কাৰণ সকলোৰে সন্মুখত অন্ধকাৰ ভৱিষ্যৎ। ভৱিষ্যতে কেনেধৰণৰ ভয়াৱহ পৰিস্থিতিৰ সন্মুখীন হ'বলগীয়া হ'ব পাৰে তাৰেই ইংগিত পোৱা গৈছে ক'ভিডকালীন পৰিস্থিতিত। সকলোৱে ভৱিষ্যতৰ কথা ভাবিয়েই পূজাত জাকজমকতা পৰিহাৰ কৰা উচিত। জোঁৰ পুৰি হাত পালেহি। সকলোৱেই এতিয়া সজাগ তথা সতৰ্ক হ'ব লাগিব।

নৱপ্ৰজন্মক শুদ্ধ আৰু পৰম্পৰাগতভাৱে পালন কৰি অহা উৎসৱ-পাৰ্বণ আদিক পূৰ্বৰ ৰূপত শিকাব লাগিব। আগতে দশমী পূজা বা বিসৰ্জনৰ দিনা পুৱাৰে পৰাই ভক্তসকলৰ মাজত যি ধৰণৰ পৰিৱেশৰ সৃষ্টি হৈছিল এতিয়া তেনে এখন ছবি দেখিবলৈ পোৱা নাযায়। চৌদিশে কেৱল সেই দিনটোত নৱপ্ৰজন্মৰ মাজত বিজতৰীয়া সংস্কৃতিহে দেখা যায়। বিজয়া দশমী মানে নিচাৰ মাজত ডুব যোৱা এটা দিন বুলি ভাবে। দেৱীৰ বিদায়ৰ মাজতো যে ভক্তিভাব আৰু এক শৃংখলিত পৰম্পৰা আছে সেয়া ভাবিব নোখোজে। যদিহে নৱ প্ৰজন্মই শাৰদীয় উৎসৱকো এটা অপসংস্কৃতি ভৰা মনেৰে উদ্‌যাপন কৰিব খোজে তেনেহ'লে ভৱিষ্যতে ভক্তিভাবৰ পৰিৱৰ্তে এখন ভগ্ন ছবিহে ফুটি উঠিব।

উৎসৱ-পাৰ্বণে সকলোকে শৃংখলিত হ'বলৈ শিকায়। যুৱপ্ৰজন্মই তেতিয়াহে শৃংখলিত হ'বলৈ আগ্ৰহী হ'ব যেতিয়া পিতৃ-মাতৃৰ লগতে অভিভাৱকৰ পৰা তেওঁলোকে শিকিব। আজিকালি বহুতেই ঘৰৰ ওচৰৰ পূজাখনলৈ শৰাই নিবলৈও ব্যৱহাৰ কৰে বাহন। আগতে শৰাইৰ ওপৰত কলপাত দি ঘৰৰ ওচৰৰ পূজালৈ শৰাই নিয়াৰ দৃশ্য আছিল ব্যতিক্ৰমী। এনেদৰে একেলগে বহুতেই শৰাই নিয়াৰ দৃশ্য এতিয়া দুৰ্লভ বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। এনেধৰণৰ ছবি এখন সাম্প্ৰতিক পৰিস্থিতিত কোনোৱে কল্পনা কৰিব নোৱাৰে। আগৰ তেনেধৰণৰ ছবি এখন আমি সকলোৱে ওভতাই আনিব নোবাৰোনে ?

# সেউজ দীপাৱলী পালন কৰক

সময়ৰ লগে লগে মানুহৰ দৃষ্টিভংগী পৰিৱৰ্তন হোৱা উচিত। পৰম্পৰাক সন্মান জনাই, মূল গাঁথনিৰ কোনো হানি নোহোৱাকৈ আমি পৰিৱৰ্তনৰ বাটেদি খোজ দিব লাগে। পৰম্পৰা সলনি নকৰি এক নিৰ্দিষ্ট গণ্ডীৰ মাজত ৰাখিলে সেয়া হয়তো নৱপ্ৰজন্মই আদৰি নল'বও পাৰে। গতিকে নৱপ্ৰজন্মই যাতে শুদ্ধ আৰু সঠিক ৰূপত শিকি পৰম্পৰা অক্ষুণ্ণ ৰাখিব পাৰে তাৰ বাবে সকলোৱে চেষ্টা কৰা উচিত। পৰম্পৰাগতভাৱে পলন কৰি অহা উৎসৱসমূহৰ ক্ষেত্ৰতো আমি এনে এখন ছবি অংকন কৰা উচিত।

দীপাৱলী বা দেৱালী পালন কৰাৰ ক্ষেত্ৰত সকলোৱে আগ্ৰহী। পোহৰৰ উৎসৱত সকলোৱে আনন্দত আত্মহাৰা হয়। এই উৎসৱত পোহৰৰ লগতে কোনে কিমান ফটকা, আতচবাজী প্ৰদৰ্শন কৰিব পাৰে তাৰেই যেন অঘোষিত প্ৰতিযোগিতা চলে। ফটকাৰ শব্দই চৌদিশে কম্পনৰ সৃষ্টি কৰে। ফটকা তথা আতচবাজীৰ ধোঁৱাই ছানি ধৰে। শব্দ প্ৰদূষণৰ লগতে পৰিৱেশ প্ৰদূষিত হয়। কাৰণ এইবোৰৰপৰা যিবোৰ ৰাসায়নিক দ্ৰব্য জল আৰু স্থলত মিহলি হয় সেইবোৰে সকলোৰে ক্ষতি কৰে। এইবোৰ বিষয়ত বহুতেই গুৰুত্ব দিব নোখোজে। একেটা ভুলৰেই যেন পুনৰাবৃত্তি হৈ থাকে। আনকি ফটকা আৰু আতচবাজীৰ অৱশিষ্টখিনিও

ভালদৰে পৰিষ্কাৰ নকৰাৰ ফলত কিছুমানৰ বিপদ হোৱা দেখা যায়। সেয়েহে সতৰ্ক হ'বৰ সময় আহি পৰিছে।

আজিৰ পৃথিৱী প্ৰদূষণেৰে পৰিপূৰ্ণ। যেনি চাই তেনি কেৱল প্ৰদূষণ। জল, স্থল, বায়ু আদি সকলোতেই প্ৰদূষণ হৈছে। এয়া মানৱসৃষ্ট বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। সেয়েহে এনে প্ৰদূষণ প্ৰতিৰোধৰ বাবে আমি সকলোৱে সংকল্পবদ্ধ হ'ব লাগিব। সেয়েহে আজি সেউজ দীপাৱলী পালনৰ বাবে প্ৰতিগৰাকী নাগৰিকেই সংকল্প গ্ৰহণ কৰা উচিত। কাৰণ এনেদৰে দীপাৱলী পালন কৰিলে উৎসৱৰ আনন্দ লাভ কৰাৰ লগতে পৰিৱেশ প্ৰদূষণ প্ৰতিৰোধ সম্ভৱ হ'ব। আনন্দ লাভ কৰিবলৈ উগ্ৰ মনোভাবৰ প্ৰয়োজন নাই। শান্ত আৰু সুস্থিৰ চিন্তাৰেও ইয়াক লাভ কৰিব পাৰি। যিমানেই ফটকা ফুটিব সিমানেই স্থল আৰু বায়ু প্ৰদূষণৰ হাৰ বৃদ্ধি পাব। সাধাৰণতে দীপাৱলীৰ দুই-তিনিদিনৰ আগৰেপৰাই বহুতে শব্দ প্ৰদূষণৰ সৃষ্টি কৰে। তদুপৰি অৰ্থ ব্যয়ো হয় যথেষ্ট। সেয়েহে আমি সকলোৱে ফটকা আদি ব্যৱহাৰৰ পৰা আঁতৰি থাকিবলৈ সতৰ্কতাৰ সৃষ্টি কৰো আহক।

মাটিৰ চাকি জ্বলাব লাগে। কাৰণ মাটিৰ চাকিত শলিতাৰে তেল পুৰিলে ইয়াৰ পৰা নিৰ্গত পোহৰে সকলোৰে মনত আনন্দ দিয়ে। মনটো পুলকিত হৈ পৰা মানে উৎসৱৰ আনন্দ ভালদৰে উপভোগ কৰা। আজিকালি বহুতেই চীনা সামগ্ৰী ব্যৱহাৰ কৰি উৎসৱ পালন কৰে। দৰাচলতে যিখন দেশত দীপাৱলীৰ কোনো উৎসৱ পালন নকৰে, সেইখন দেশৰপৰা আমদানি কৰা সামগ্ৰীৰে দীপাৱলী পালন কৰাৰ কিবা যুক্তি আছে জানো? পৰৰ পিঠাৰে বিহু পাতিব নালাগে। এনে মানসিকতা সলনি হ'ব লাগিব। পৰম্পৰা অনুসৰি মাটিৰ চাকিত তেল পুৰিব লাগে। ইয়াৰ পৰিৱৰ্তে যদি আমি ৰঙীন লাইটহে জ্বলালে উৎসৱৰ আয়োজন কৰাৰ কিবা অৰ্থ থাকিব পাৰে জানো? আমি এইবোৰক লৈ অনাহকতে ব্যস্ত থকাৰ পৰিৱৰ্তে যদি সুস্থ চিন্তা-চৰ্চাৰে সকলোবোৰ বিশ্লেষণ কৰো তেতিয়া সমস্যাৰ সমাধান হ'বই। কোনোবাই যুক্তি দাঙি ধৰিব পাৰে যে যদি প্ৰতিদিনে চলি থকা কল-কাৰখানা আদিৰপৰা ধোঁৱা ওলাই থাকি পৰিৱেশ

প্ৰদূষণ কৰিয়েই থাকে, তেনেহ'লে এদিন বা দুদিন দীপাৱলীৰ সময়ত ফটকা আদি ফুটাব নোৱাৰো কিয় ? আমি সকলো ক্ষেত্ৰতে অতি যুক্তিবাদী হৈ লাভ নাই। কিছুমান বিষয় এৰা-ধৰাৰ মাজেৰে আগুৱাই নিয়াৰ অৰ্থ এইটো নহয় যে আমি সকলোখিনিয়েই পৰিৱৰ্তন কৰিম। দীপাৱলীৰ সময়ত উচ্চ প্ৰাৱল্যৰ ফটকা আদি ফুটুৱাৰ পৰিৱৰ্তে যদি কেৱল ফুলজাৰি বা সামান্য পৰিমাণে আতচবাজী প্ৰদৰ্শন কৰো তেতিয়াহ'লে সাপো মৰিল, লাঠিও নাভাগিল। কম ধোঁৱা ওলোৱা বা সামান্য পৰিমাণে প্ৰদূষণ কৰা চকৰি, আতচবাজী আদি ব্যৱহাৰ কৰিব পাৰে। অৱশ্যে প্ৰতিগৰাকী অভিভাৱক তথা পিতৃ-মাতৃয়ে এটা কথা সদায় মনত ৰাখিব লাগে যে, দীপাৱলী মানে আনন্দ আৰু এই আনন্দত যাতে কোনোধৰণৰ বিপদে গা কৰি উঠিব নোৱাৰে।

সেউজ দীপাৱলী মানে অপব্যাখ্যা হ'ব নালাগে। প্ৰদূষণে যাতে মানৱ জাতিৰ অনিষ্ট কৰিব নোৱাৰে সেই দিশতহে সকলোৱে গুৰুত্ব দিয়া উচিত। আমি সকলোৱে প্ৰকৃতিৰ ভৰসাম্য ৰক্ষা কৰিবই লাগিব। সেই কথা সকলোৱে উপলব্ধি কৰাৰ লগতে সন্তানকো শিকাব লাগিব। আভিজাত্যৰ অন্ধ ভেমত সদায় ডুব গৈ থাকিলে নহ'ব। দীপাৱলীয়ে যাতে সমাজৰপৰা অপায়-অমঙ্গল আঁতৰ কৰাৰ লগতে সকলোৱে পৰম্পৰা ৰক্ষা কৰিব পাৰে সেই ক্ষেত্ৰত অধিক সতৰ্ক হোৱাৰ প্ৰয়োজন। এতিয়া শ্ল'গান দি থাকিলে নহ'ব। হাতে কামে কৰাৰ সময়। কেৱল সেউজ দীপাৱলী ক'লেই নহ'ব। নৱ প্ৰজন্মই যাতে ভৱিষ্যতেও পৰম্পৰাক বুকুত বান্ধি পৰিৱৰ্তনৰ মাজেদি খোজ পেলাওঁতে নিজকে পাহৰি নাযায় তাৰ প্ৰতিও সকলোৱে গুৰুত্ব দিয়া উচিত।

# লাচিত বৰফুকনৰ প্ৰচাৰৰ পৰিকল্পনা প্ৰসাৰ হওক

২০২২ চনৰ ২৪ নৱেম্বৰত ৪০০ বছৰেই প্ৰকৃত মৰ্যাদা লাভৰ পৰা বঞ্চিত এগৰাকী মহান অসমীয়া বীৰ যোদ্ধাক ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত প্ৰতিষ্ঠা কৰিবলৈ চৰকাৰে যি পদক্ষেপ গ্ৰহণ কৰিলে সেয়াই এক নতুন দিগন্তৰ সৃষ্টি কৰিলে। শক্তিশালী মোগলক পৰাভূত কৰি বৰ অসমক ৰক্ষা কৰা মহান বীৰ যোদ্ধাগৰাকী হ'ল লাচিত বৰফুকন। উত্তৰ-পূৰ্বাঞ্চলৰ 'শিৱাজী' হিচাপে খ্যাত বীৰ লাচিতৰ বীৰত্ব, সাহস তথা আত্মত্যাগৰ কথা আমি যিদৰে প্ৰতিষ্ঠা কৰিব লাগিছিল বিগত ৪০০ বছৰেই হোৱা নাছিল। দুৰ্দান্ত সাহসী যোদ্ধাগৰাকীৰ বীৰত্ব তথা ৰণকৌশল উপযুক্তভাৱে প্ৰচাৰ নোহোৱাৰ ফলতেই ছত্ৰপতি শিৱাজী আৰু ৰাণাপ্ৰতাপৰ সমকক্ষ হোৱা সত্ত্বেও লাচিত বৰফুকন এক নিৰ্দিষ্ট বৃত্তৰ মাজতেই আবদ্ধ হৈ থাকিল। বিগত সময়ছোৱাত কেৱল ২৪ নৱেম্বৰত দুই-এটা সংগঠনে লাচিত দিৱস পালন কৰিছিল যদিও সেয়া মহান যোদ্ধাগৰাকীৰ প্ৰতি যাচিবলগীয়া সন্মান পৰ্যাপ্ত নাছিল। সেয়েহে এইবাৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত চৰকাৰে লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জন্মজয়ন্তী পালনৰ বাবে যি পদক্ষেপ গ্ৰহণ কৰিলে

সেয়া সঁচাকৈয়ে প্ৰশংসনীয়। ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত লাচিতক প্ৰতিষ্ঠা কৰিবলৈ ৰাজ্যৰ লগতে দেশৰ বিভিন্ন প্ৰান্তত যি প্ৰচাৰ আৰু বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰিলে সেয়া অসমৰ ইতিহাসত লাচিতক লৈ কৰা যিকোনো অনুষ্ঠানৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ বুলি ক'বই লাগিব।

নতুন দিল্লীত লাচিতক প্ৰতিষ্ঠা কৰাত সফল হোৱা বুলিয়েই ক'ব লাগিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ পৰা গৃহমন্ত্ৰী অমিত শ্বাহলৈকে সকলোৱে একমুখ স্বীকাৰ কৰিলে লাচিত বৰফুকনৰ বীৰগাথা। লাচিতৰ প্ৰশংসাত পঞ্চমুখ হ'ল প্ৰধানমন্ত্ৰী-গৃহমন্ত্ৰী। যি কথা অসমৰ চাৰিসীমাৰ বাহিৰত ভালদৰে প্ৰচাৰ হোৱা নাছিল সেয়া আজি দেশবাসীয়ে জানিব পাৰিলে মোদী আৰু শ্বাহৰ মুখৰ পৰ নিগৰা শব্দৰাজিৰে। সময়ৰ কাম পূৰ্বৰ চৰকাৰে সময়মতে নকৰা বাবে স্বাধীনতা লাভৰ পিছতো ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত উপেক্ষিত হৈ থাকিল এনে এগৰাকী মহান বীৰ।

এতিয়া চৰকাৰে যি পদক্ষেপ গ্ৰহণ কৰিলে সেয়া যদি পৰৱৰ্তী পৰ্যায়তো অব্যাহত থাকে তেতিয়াহ'লে কেৱল দেশৰ চাৰিসীমাতেই নহয়, বিশ্বদৰবাৰতো প্ৰতিষ্ঠা লাভ কৰিব। যেতিয়ালৈকে দেশৰ প্ৰতিখন ৰাজ্যতেই অসমৰ মহান বীৰগৰাকীৰ বিষয়ে ভালদৰে প্ৰচাৰ কৰা নহয় তেতিয়ালৈকে বিশ্বদৰবাৰত প্ৰতিষ্ঠিত কৰাৰ সপোন ফলপ্ৰসূ নহ'ব। অৱশ্যে এইবাৰ চৰকাৰে যি পদক্ষেপ গ্ৰহণ কৰিলে সেই কথাই এটা কথা স্পষ্ট কৰিছে যে এতিয়া আৰু লাচিত থমকি নৰয়। লাচিতৰ ঘোঁৰাই আকৌ দৌৰিছে। এই দৌৰে ভাৰতৰ প্ৰতিটো কোণকে স্পৰ্শ কৰিব। এইখিনিতে এটা কথা ক'ব খুজিছো যে আমি বছৰটোৰ ৩৬৪ দিন বহি থাকি কেৱল ২৪ নৱেম্বৰত মনত পেলালে নহ'ব। বছৰৰ আটাইকেইদিনতেই কিবা নহয় কিবা প্ৰকাৰে অনুষ্ঠানৰ মাজেদি লাচিতক জীয়াই ৰাখিব লাগিব। ক'ৰবাত যদি নিতৌ সন্ধিয়া লাচিতৰ জীৱনৰ ওপৰত আধাৰিত জীৱনালেখ্য বা নাটক আদি প্ৰচাৰ কৰা হয় তেতিয়াহ'লে সকলোৱে নিজৰ সুবিধা তথা ইচ্ছানুযায়ী উপভোগ কৰিব পাৰিব। তেতিয়া দেশ-বিদেশৰ পৰ্যটকসকলেও এইবোৰ উপভোগ কৰি লাচিতৰ সাহস আৰু বীৰত্বৰ বিষয়ে জানিব পাৰিব। নৱপ্ৰজন্মও অধিক আগ্ৰহী হ'ব তেওঁৰ বিষয়ে জানিবলৈ। নতুন প্ৰজন্মই যিমানেই তেওঁৰ বিষয়ে জানিব পাৰিব সিমানেই

প্ৰচাৰ আৰু প্ৰসাৰ হ'ব। লাচিতৰ বীৰত্বৰ আধাৰত অধিক গীত ৰচনা হওক। নাটকৰ মাজেদি ৰাইজৰ মাজত সুন্দৰভাৱে উপস্থাপন কৰিব লাগিব। সাহিত্যৰ মাজেদি লাচিত বৰফুকনক বিশ্ববাসীৰ মাজত চিনাকি কৰি দিব লাগিব।

আমি ফৰাচী যোদ্ধা নেপোলিয়ন বোনাপাৰ্টৰ কথা কৈ গৌৰৱবোধ কৰো। নেপোলিয়নৰ বিষয়ে পঢ়ো। ফৰাচীসকলেও সদায় নেপোলিয়নৰ কথাকে কয়। বিশ্বৰ প্ৰতিটো প্ৰান্তত নেপোলিয়নৰ বীৰগাথা প্ৰচাৰ হৈছে। ফৰাচীসকলে এইগৰাকী মহান বীৰৰ প্ৰতিটো দিশেই সূক্ষ্ম দৃষ্টিকোণৰ পৰা বিশ্লেষণ কৰিছে। উপযুক্ত স্থানত সঠিক ৰূপত উপস্থাপন কৰিছে নেপোলিয়ন বোনাপাৰ্টক। এই দৃষ্টিকোণৰ পৰা যদি আমি লাচিত বৰফুকনৰ জীৱনগাথা বিশ্লেষণ কৰো তেতিয়াহ'লে দেশৰ বিভিন্ন স্থানত লাচিতৰ প্ৰতিমূৰ্তি স্থাপনৰ ব্যৱস্থা কৰিব লাগিব। যিদৰে ব্ৰহ্মপুত্ৰৰ বুকুত লাচিতক সজোৱা হৈছে তেনেদৰে যদি দেশৰ ৰাজধানীতো সজোৱাৰ বাবে দীৰ্ঘম্যাদী পৰিকল্পনা কৰা হয় তেতিয়াহ'লে নিশ্চয় সকলোৱে তেওঁৰ বিষয়ে জানিবলৈ আগ্ৰহ প্ৰকাশ কৰিব।

প্ৰতিখন ৰাজ্যতেই লাচিত বৰফুকনৰ নামত একোটা ভৱন নিৰ্মাণৰ পৰিকল্পনা ৰাজ্য চৰকাৰে গ্ৰহণ কৰক। অসম ভৱনৰ নাম লাচিত বৰফুকনৰ নামত যদি কৰে তেতিয়াও সকলোৱে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হ'ব। মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী একনাথ চিণ্ডেৰ লগতে তেওঁৰ মন্ত্ৰীসভাৰ কেইবাগৰাকী মন্ত্ৰী-বিধায়ক শেহতীয়াভাৱে অসম ভ্ৰমণ কৰাৰ সময়ত দুয়োখন ৰাজ্যত দুটা ভৱন নিৰ্মাণৰ প্ৰস্তাৱ আগবঢ়াইছে। মহাৰাষ্ট্ৰত যদি অসম ভৱন নিৰ্মাণ কৰে তেতিয়াহ'লে নাম লাচিতৰ নামত ৰাখিলে ছত্ৰপতিৰ সমানেই অসমৰ বীৰগৰাকীৰ নাম উচ্চাৰিত হ'ব। তদুপৰি এনেধৰণৰ গৃহ নিৰ্মাণে স্মৃতিচিহ্ন যুগমীয়া কৰিব। এনে গৃহত লাচিতৰ বিষয়ে জানিবলৈ যিবোৰ উপাদানৰ প্ৰয়োজন সেইবোৰ উপস্থাপন কৰিব লাগিব। ভাৰতৰ প্ৰতিখন ৰাজ্যতেই এনেধৰণৰ ভৱন নিৰ্মাণৰ পৰিকল্পনা দীৰ্ঘম্যাদী হ'বই লাগিব। এইক্ষেত্ৰত সকলোৱে ৰাজনীতিৰ ঊৰ্দ্ধত থকা উচিত। কাৰণ লাচিত বৰফুকন কোনো এক নিৰ্দিষ্ট জাতিৰ গৌৰৱ নহয়, এয়া অসমীয়া জাতিৰ বাবেই গৌৰৱৰ কাৰণ।

লাচিতক ৰাজনীতিৰ ঊৰ্দ্ধত ৰাখিব লাগে। যদি আমি মহান বীৰগৰাকীক

লৈও বোকা ছটিওৱা খেলৰ মাজত আবদ্ধ হৈ থাকো তেতিয়াহ'লে চৰকাৰে যি মহান উদ্দেশ্য লৈ আগবাঢ়িছে সেয়া সফল নহ'ব। এতিয়া সকলোৱে বিতৰ্কৰ ঊৰ্ধ্বত থাকি লাচিত বৰফুকনক দেশৰ মহান বীৰযোদ্ধাসকলৰ একেটা শাৰীতে প্ৰতিষ্ঠা কৰাৰ চেষ্টা অব্যাহত ৰাখিব লাগিব। কোনোৱে দলীয় ৰাজনীতি নকৰি লাচিতৰ বিষয়ে প্ৰচাৰ আৰু প্ৰসাৰৰ অভিযানত আগুৱাই যোৱা উচিত।

দিল্লীত অনুষ্ঠিত এই অনুষ্ঠানটোক যদি আমি লাচিতক দেশবাসীৰ মাজত পৰিচয় কৰাই দিয়াৰ আৰম্ভণি বুলি গণ্য কৰো, তেতিয়াহ'লে এই যাত্ৰাপথ আমাৰ বাবে এতিয়াও দীঘলীয়া হৈয়ে আছে। লাচিত বৰফুকন হৈছে জাতিৰ পৰিচয়। অসমীয়াৰ গৌৰৱ। ৰাজধানীত এনেধৰণৰ কাৰ্যসূচী আয়োজন কৰিলে দেশৰ প্ৰতিটো কোণতেই প্ৰচাৰ হোৱাৰ সম্ভাৱনা থাকে। এইবাৰ দিল্লীৰ বিজ্ঞান ভৱনত আয়োজিত উক্ত অনুষ্ঠানত নৱপ্ৰজন্মৰ অংশগ্ৰহণ আছিল চৰ্চাৰ বিষয়। ৰাজ্যৰ বাহিৰত অধ্যয়নৰত প্ৰায়সংখ্যক ছাত্ৰ-ছাত্ৰীৰ লগতে যুৱক-যুৱতীসকলে নতুন দিল্লীৰ বিজ্ঞান ভৱনত সমৱেত হৈ লাচিতক সন্মান জনাইছিল। নৱ প্ৰজন্মৰ ল'ৰা-ছোৱালীৰ মাজত এনে উৎসাহ দেখা গৈছিল যেতিয়া বৃহৎ বিজ্ঞান ভৱন পৰিপূৰ্ণ হোৱাৰ পিছত আন দুটা ডাঙৰ ভৱনত প্ৰজেক্টৰৰ সহায়ত অনুষ্ঠান দেখুৱাবলগীয়া হৈছিল। বহিঃৰাজ্যত থাকিলেও প্ৰতিটো ক্ষণতেই বীৰ লাচিতৰ প্ৰতি থকা শ্ৰদ্ধাই ইতিবাচক দিশৰেই ইংগিত দিছে। যিখন দেশ বা ৰাজ্যত নৱপ্ৰজন্মই বুৰঞ্জী তথা ইতিহাসক লৈ সদা সতৰ্ক সেইখন দেশ বা ৰাজ্যৰ ইতিহাস সদায় উজলি থাকে। সেইবাবে এতিয়া লাচিত বৰফুকনৰ বিষয়ে গৱেষণাধৰ্মী নাটক, উপন্যাস, প্ৰবন্ধ আদিৰ লগতে আকৰ্ষণীয় তথ্যসম্বলিত আলোকচিত্ৰ প্ৰদৰ্শনৰ ব্যৱস্থা কৰিব লাগে। এই বৰ্ষৰ পৰা আৰম্ভ হোৱা এনে অনুষ্ঠানৰ পৰিসৰ আগন্তুক দিনত আৰু অধিক প্ৰসাৰ হওক। তেতিয়া ভাৰতবাসীয়ে সমস্বৰে ক'ব— জয় লাচিত বৰফুকনৰ জয়।

# প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মাতৃপ্ৰেম-দেশপ্ৰেম

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মাতৃ শতায়ু গৰকা হীৰাবেন মোদীৰ ২০২২ চনৰ ৩০ ডিচেম্বৰত মৃত্যু হয়। হীৰাবেন মোদী আন দহগৰাকী মহিলাৰ মাজৰেই এগৰাকী। কিন্তু এই গৰাকী মহিলাৰ পুত্ৰই আজি দেশ শাসন কৰিছে। সেইবাবে তেওঁ দেশবাসীৰ মাজত চৰ্চাৰ কেন্দ্ৰবিন্দু হৈ পৰিছে। এজন পুত্ৰই পৃথিৱীৰ যিমানেই উচ্চ পদবীত নাথাকক— মাতৃৰ বাবে তেওঁ কেৱল 'পুত্ৰ'ই। পুত্ৰৰ প্ৰতি থকা মৰম-ভালপোৱা তথা সকলোৰে প্ৰতি সমভাবে দেশ শাসন কৰিবলৈ উপদেশ দিয়া আদি বিষয়ে হীৰাবেন মোদীক আন দহগৰাকী মহিলাতকৈ পৃথক কৰিছে। এগৰাকী মাতৃৰ প্ৰকৃত কৰ্তব্য কি আৰু কেনেদৰে পালন কৰিব লাগে সেয়া যেন হীৰাবেনে দেখুৱাই থৈ গ'ল। এশ বছৰত এই গৰাকী মহিলাই আমাৰ মাজৰ পৰা বিদায় ল'লে। সেয়েহে এগৰাকী সফল মাতৃৰ সুযোগ্য সন্তান হিচাপে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গান্ধী নগৰ শ্মশানলৈ সাঙীত কঢ়িয়াই নিয়ে মাতৃৰ শৱদেহ। আন দহগৰাকী পুত্ৰৰ দৰেই প্ৰধানমন্ত্ৰীয়ে সম্পন্ন কৰিলে নিজৰ কৰ্তব্য। এই কৰ্তব্য

সম্পাদনৰ মাজতো প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যি আদৰ্শ দেখুৱালে সেয়া চিৰদিন-চিৰকাল ইতিহাসৰ পৃষ্ঠাত জিলিকি থাকিব।

প্ৰধানমন্ত্ৰী হিচাপে দেশৰ সকলো দায়িত্ব অৰ্পণ কৰা হৈছে নৰেন্দ্ৰ মোদীৰ ওপৰত। সেয়েহে তেওঁৰ প্ৰতিটো মুহূৰ্তই দেশৰ বাবে অমূল্য সময়। এক ছেকেণ্ড সময়ো যদি ব্যক্তিগত কামত ব্যয় কৰে তেনেহ'লে দেশৰ বাবে হ'ব বৃহৎ ক্ষতি। সেয়েহে মাতৃৰ অন্ত্যেষ্টিক্ৰিয়া সমাপনৰ পিছতেই গুজৰাটৰ ৰাজভৱনত উপস্থিত হৈ পশ্চিমবংগত অনুষ্ঠিত পৰিষদ বৈঠকত ভাৰ্চুৱেলী অংশগ্ৰহণ কৰে। প্ৰায় নিৰ্ধাৰিত কাৰ্যসূচীমতে প্ৰধানমন্ত্ৰীয়ে সকলো কাৰ্য সম্পন্ন কৰিলে। কিয়নো, যদিহে তেওঁ অংশগ্ৰহণ নকৰাহেঁতেন উক্ত কাৰ্যসূচী পিছুৱাই দিব লাগিলহেঁতেন। আনহাতে, যদিহে মাতৃৰ কাৰ্য সম্পন্ন কৰাৰ বাবে কেইবাদিনো ঘৰতেই থাকিবলগীয়া হয় তেতিয়াহ'লে দেশৰ কাম-কাজ বহু পিছুৱাই যাব। যিগৰাকী নেতাই দেশৰ কাম-কাজ সুচাৰুৰূপে পৰিচালনা কৰিবলৈকে নিশা কম সময় শুৱে তেনে এগৰাকী নেতাই ইমান দিন ঘৰত থাকি সময়ৰ অপব্যৱহাৰ কৰিব নোৱাৰে। তেওঁৰ বাবে জন্মদাত্ৰী যিমান গুৰুত্বপূৰ্ণ, সমানেই গুৰুত্বপূৰ্ণ হিচাপে গণ্য কৰে দেশমাতৃকো। যদি দেশৰ বাবে এদিন কাম নকৰে তেতিয়াহ'লে ১৪০ কোটি জনতাৰ কিমান ক্ষতি হ'ব সেয়া প্ৰধানমন্ত্ৰীয়ে ভালদৰে উপলব্ধি কৰিব পাৰে। সেইবাবেই তেওঁ আনকি মাতৃৰ অন্ত্যেষ্টিক্ৰিয়ালৈ গৈ মন্ত্ৰী-বিধায়ক, সাংসদসকলৰ সময় অপব্যৱহাৰ কৰিলে কাম-কাজ পিছুৱাই যাব বুলিয়েই এই কাৰ্যত উপস্থিত থকাতো নিবিচাৰিলে। তেওঁৰ পাৰিবাৰিক কামত আনে সময় ব্যয় কৰাৰ পক্ষত নাই। আন ৰাজনীতিকৰ দৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তুষ্টিকৰণ নিবিচাৰে। তেওঁৰ ঘৰত ৰাজনৈতিক নেতা-পালিনেতাই সোঁত বোৱাই সময় আৰু ধন ব্যয় কৰাতকৈ তাৰে দেশসেৱা কৰাৰহে পোষকতা কৰে।

সাধাৰণতে ৰাজনৈতিক নেতাসকলে তুষ্টিকৰণ বিচাৰে। তেওঁলোকৰ ঘৰলৈ সোঁত বোৱাতো বিচাৰে। এনে কৰিলে প্ৰত্যক্ষ তথা পৰোক্ষভাৱে ৰাজনৈতিক লাভা-লাভ জড়িত থাকে। ইয়াৰ বিপৰীতে প্ৰধানমন্ত্ৰী মোদীয়ে নতুন ধাৰাৰ সৃষ্টি কৰিলে। ব্যক্তিগত কথাবোৰ দেশৰ স্বাৰ্থৰ সৈতে একাকাৰ কৰাৰ পক্ষত নাই প্ৰধানমন্ত্ৰী। তেওঁৰ এনে মানসিকতাৰ বাবে আন দহজনেও

এইবোৰৰ পৰা বিৰত থাকিবলগীয়া হৈছে। এতিয়া সকলোৱে উপলব্ধি কৰিছে দেশতকৈ ব্যক্তিগত স্বাৰ্থ কেতিয়াও আগত থাকিব নোৱাৰে। দুয়োটা বিষয় একাকাৰ হোৱাতো প্ৰধানমন্ত্ৰীয়ে নিবিচাৰে। এইবোৰ কথাই মোদীৰ দেশৰ প্ৰতি থকা কৰ্তব্যবোধ আৰু দেশপ্ৰেমৰ কথাকেই প্ৰমাণ কৰে। দেশৰ শাসক হ'লে এনেকুৱাই হোৱা বাঞ্ছনীয়। কিয়নো, স্বাৰ্থপৰতাৰে দেশ শাসন কৰিব নোৱাৰি। এইগৰাকী প্ৰধানমন্ত্ৰীৰ আদৰ্শ সকলোৱে গ্ৰহণ কৰা উচিত। সকলো দলৰ ৰাজনৈতিক নেতাই যদি মোদীয়ে দেখুওৱা আদৰ্শৰে আগবাঢ়ে তেতিয়াহ'লে দেশৰ কাম কেতিয়াও বৈ নাথাকে। কোনোৱে মূৰ পোলোকা মাৰিব নোৱাৰে। প্ৰধানমন্ত্ৰীক যিসকলে সমালোচনা কৰে তেওঁলোকৰ দৃষ্টিত এইবোৰ বিষয় দৃষ্টিগোচৰ নহয়। কাৰণ ধৃতৰাষ্ট্ৰৰ দৰে থাকিলে কেৱল আনৰহে দোষৰ বিষয়ে জানিবলৈ আগ্ৰহী হৈ থাকে। সমালোচনা পৰিহাৰ কৰি মোদীয়ে দেখুওৱা আদৰ্শ অনুসৰণ কৰক। সম্ভৱতঃ স্বাধীনতা লাভৰ পিছত অটল বিহাৰী বাজপেয়ী আৰু নৰেন্দ্ৰ মোদী এই দুগৰাকী প্ৰধানমন্ত্ৰী, যি দুগৰাকীৰ পৰিয়ালৰ কোনো সদস্যই দেশৰ সৰ্বোচ্চ পদত অধিষ্ঠিত হোৱাৰ পিছতো বিভিন্ন ক্ষেত্ৰত সুযোগ ল'বলৈ আগ্ৰহী নহয়। পাৰিবাৰিক বিষয় আৰু দেশৰ বিষয়ক একাত্ম হ'বলৈ দিয়া নাই। পাৰিবাৰিক ক্ষেত্ৰখনক সদায় জনচক্ষুৰ পৰা আঁতৰত ৰাখিছে। সেইবাবেই আজিলৈকে এই দুয়োগৰাকী প্ৰধানমন্ত্ৰীৰ বিৰুদ্ধে কোনো দুৰ্নীতিৰ তথ্য পোহৰলৈ অহা নাই।

# ভূপেনদাবিহীন এটা দশক

সুধাকণ্ঠবিহীন ১১ বছৰ। ২০১১ চনৰ ৫ নৱেম্বৰত আমাৰ মাজৰ পৰা চিৰদিনৰ বাবে অজান দেশলৈ গুচি গৈছিল। ১৯২৬ চনৰ ৮ ছেপ্টেম্বৰত শদিয়াত জন্মগ্ৰহণ কৰা ড° ভূপেন হাজৰিকা আছিল অসমৰ কোহিনুৰ হীৰাসদৃশ সম্পদ। বিগত ১১ বছৰেই উকা হৈ আছে অসম। যিখন ৰাজ্যৰ সংস্কৃতিক বিশ্বদৰবাৰত প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত শৈশৱৰপৰা জীৱনৰ অন্তিম মুহূৰ্তলৈ অহোপুৰুষাৰ্থ কৰিছিল সেইগৰাকী প্ৰাতঃস্মৰণীয় ব্যক্তি অবিহনে তেওঁৰ অনুৰাগীয়ে উৰুঙা অনুভৱ কৰিছে। নকৰিব কিয়? তেওঁৰ মৃত্যুৰ সময়ত যিবোৰ পৰিকল্পনা কৰি বহুতো ব্যক্তি, দল-সংগঠনে হৈ-চৈৰ সৃষ্টি কৰিছিল সেইবোৰ এতিয়া নিস্তব্ধ। যেন পাহৰণিৰ গৰ্ভলৈহে ঠেলি দিছে। ৰে'ল ষ্টেচন, ৰাজহুৱা অনুষ্ঠান আদিত সুধাকণ্ঠৰ গান নিয়মীয়াকৈ এক নিৰ্দিষ্ট সময়ত বজাব লাগে বুলি তেওঁৰ মৃত্যুৰ সময়ত তালফাল লগোৱাসকল এতিয়া যেন গভীৰ নিদ্ৰাত। তেওঁলোকৰ নিদ্ৰাভংগ কৰিবলৈ কোনো আগবাঢ়ি অহা নাই। আমি বাৰু সুধাকণ্ঠক খুব সোনকালেই পাহৰি গ'লো নেকি? নে আমি সকলোৱে ড° ভূপেন হাজৰিকাৰ মৃত্যুৰ সময়ত বেছি আৱেগিক হৈছিলোঁ।

আৱেগৰ বশৱৰ্তী হৈ কৰা কামবোৰত স্থায়িত্ব কম। অৱশ্যে ইয়াৰ মাজতো কমসংখ্যক দল-সংগঠন, সন্থা আদিয়ে সুধাকণ্ঠৰ আদৰ্শ জীয়াই ৰাখিবলৈ অহৰ্নিশে চেষ্টা অব্যাহত ৰাখিছে। নিঃস্বাৰ্থভাবে বিভিন্নধৰণৰ পদক্ষেপ গ্ৰহণ কৰি আছে।

সুধাকণ্ঠৰ জন্ম আৰু মৃত্যু তিথিৰ দিন দুটাত এগছি বন্তি প্ৰজ্বলন কৰিলেই দায়িত্ব শেষ হৈ নাযায়। বছৰৰ আন সময়তো তেওঁৰ স্মৃতি জীয়াই ৰখাৰ বাবে সতৰ্ক থাকিবই লাগিব। কিয়নো, এইগৰাকী মহান শিল্পীয়ে যিবোৰ কথা গান-কবিতাৰ মাজেৰে কৈ গৈছে সেইবোৰ আজিও প্ৰাসংগিক। সমাজৰ প্ৰতিটো স্তৰতে যেন প্ৰতিফলিত হৈছে গীত-কবিতা। আচলতে তেওঁৰ সৃষ্টিৰাজি আছিল অসমৰ বায়ু-মাটি-পানীৰ স'তে সংযোগ থকা। সমাজৰ প্ৰতিটো স্বৰতে গভীৰৰ পৰা গভীৰতালৈ প্ৰৱেশ কৰি তেওঁ গীত-কবিতা আদি ৰচনা কৰিছিল। এটা শব্দ সৃষ্টিৰ বাবে আনকি দিচাংমুখ, ঘূণাসুঁতিলৈকে গৈছিল। চাংঘৰত নিশা কটাই জোনাক নিশা ৰচনা কৰিছিল গীত-সুৰ আদি। সেইবাবেই তেওঁৰ গীত শুনাৰ লগে লগেই সকলোৱে অনুভৱ কৰে আন এক অনুভূতি।

সুধাকণ্ঠই ভগ্ন সমাজখনক ধৰি ৰাখিবলৈ গাইছিল—

'হৰিজন, পাহাৰী, হিন্দু, মুছলিমৰ
বড়ো, কোচ, চুতীয়া, কছাৰী, আহোমৰ
অন্তৰ ভেদি মৌ বোৱাম
ভেদাভেদৰ প্ৰাচীৰ ভাঙি
সাম্যৰ সৰগ ৰচিম।'

এতিয়া তেওঁৰ গীতৰ এইকেইফাকি শাৰীৰেই প্ৰয়োজন। লাহে লাহে বিভেদৰ প্ৰাচীৰ ভাঙি সাম্যৰ সৰগ ৰচিবলৈ সকলো ওলাই আহিবই লাগিব। নহ'লে এদিন আমি সকলোৱে এই সমাজখনত বসবাসৰ উপযোগী হৈ নাথাকিম। আমি আৰু তিনি দশক পিছৰ সমাজখনৰ কথা ভাবিব লাগিব। কাৰণ এতিয়াই সাম্যৰ বীজ সিঁচিলেহে তিনি দশক পিছত নৱ-প্ৰজন্মই একেলগে মিলিজুলি থাকিব পাৰিব। সমাজত যিমানেই বিভেদৰ প্ৰাচীৰখন ওখ আৰু শক্তিশালী হ'ব সিমানেই সমস্যাই ধাৰণ কৰিব জটিল ৰূপ।

সেইবাবেই সুধাকণ্ঠই ১৯৩৯ চনতেই এই গীতটো ৰচনা কৰিছিল যদিও আজিও প্ৰাসংগিক হৈয়ে আছে। অৰ্থাৎ তেওঁ গীত ৰচনা কৰোতে বৰ্তমানক ভৱিষ্যতৰে সাঙুৰিবলৈ চেষ্টাৰ ত্ৰুটি কৰা নাছিল।

ড° ভূপেন হাজৰিকা আছিল জাত-পাত, কুলক লৈ কৰা নিয়মৰ বিপৰীতমুখী চিন্তাধাৰাৰ। নৱ-প্ৰজন্মক তেওঁ জাতি-ধৰ্ম, বৰ্ণ, উচ্চ-নীচৰ প্ৰাচীৰৰ পৰা ওলাই আহিবলৈ আহ্বান জনাই গাইছিল—

যুৱতী অনামিকা গোস্বামী
আৰু যুৱক প্ৰশান্ত দাসে
বিয়াত হেনো কিছু বাধা পালে
ৰাম বাধা পালে
সেয়ে কাকো নজনাই কামাখ্যাধামত
দুয়ো দুয়োকে মালা পিন্ধালে
এয়া প্ৰশান্ত আৰু অনামিকাৰ
জাতি-কুল নেওচা সাহৰ যুগ...।

তেওঁ ভালদৰে উপলব্ধি কৰিছিল যে সমাজত যদি সদায় উচ্চ-নীচৰ ভেদাভেদ থাকে তেতিয়াহ'লে সমাজখনত সকলোৰে মাজত থাকি যাব ব্যৱধান। এয়া সমাজৰ বাবে তেনেই অশুভ লক্ষণ। সমাজত অতীতৰে পৰাই এনে বিভেদ চলি আহিছে। সুধাকণ্ঠই গীতৰ মাজেৰে ইয়াৰ বিৰুদ্ধে সচেতন হ'বলৈ সেয়েহে এনেধৰণৰ শব্দ চয়ন কৰিছিল।

যুগ-চেতনা ভূপেন হাজৰিকাৰ অমৰ সৃষ্টিসমূহৰ অন্যতম বৈশিষ্ট্য। সমাজখনক সময়মতে নতুন যুগৰ বাণীৰে সজাগ কৰিবলৈ তেওঁ কান্ধ পাতি লৈছিল। সুধাকণ্ঠৰ গানত সমাজৰ শোষিত-নিপীড়িত মানৱৰ চিত্ৰ অংকন কৰিছে। সেইবাবে সুধাকণ্ঠই গাইছিল—

অগ্নিযুগৰ ফিৰিঙতি মই
নতুন অসম গঢ়িম...।

সমাজত শোষণকাৰীৰ বিৰুদ্ধে যুঁজ দিবলৈ ৰচনা কৰিছিল—

নৰকংকালৰ অস্ত্ৰ সাজি
শোষণকাৰীক ৰধিম।...।

সমাজৰ প্ৰতিগৰাকী সৰু সৰু লোকৰ কথাও তেওঁৰ গীতত প্ৰকাশ পাইছে। কাৰণ তেওঁ ভালদৰে উপলব্ধি কৰিছিল যে সৰু সৰু মানুহৰ সমষ্টিয়ে হৈছে সমাজ। যদিহে সমাজখন শক্তিশালী কৰিব লাগে তেতিয়াহ'লে তেওঁলোকৰ কথা ভাবিবই লাগিব। সেইবাবে গাইছিল—

সঁচা সৰু মানুহ যদি ৰঙা মদাৰ হয়
মদাৰৰে শিখা যদি হাতে হাতে লয়
তেতিয়াহে সমাজ আকাশ জ্যোতিৰে ভৰিব
জ্যোতি লাগে এন্ধাৰকে নাশ কৰিবলৈ।

এইগৰাকী মহান শিল্পীয়ে দেখুৱাই গৈছে সমাজ সংস্কাৰ কৰিব পাৰি গীতৰ মাজেদি। প'ল ৰবচনৰ সান্নিধ্য লাভ কৰা সুধাকণ্ঠই ৰাজপথত চিঞৰি চিঞৰি আন্দোলন কৰাৰ পৰিৱৰ্তে গীতৰ মাজেদি সমাজখনক আগুৱাই নিব বিচাৰিছিল। এই কাৰ্যত তেওঁ সফলো হৈছিল। সেইবাবে তেওঁক গণশিল্পী আখ্যা দিয়া হয়। সকলোৱে শিল্পী হ'ব পাৰে; কিন্তু গণশিল্পী মাথোঁ কেইগৰাকীমানেহে হ'বলৈ সক্ষম হয়। জনতাৰ শিল্পী আছিল সুধাকণ্ঠ। সাফল্যৰ চূড়ান্ত শিখৰত উপনীত হোৱাৰ পাছতো সদায় সৃষ্টিৰ বাবেই কাম কৰিছিল। অক্লান্ত যুঁজৰ মহানায়ক আছিল সুধাকণ্ঠ। সেয়েহে আজিও সমাজৰ প্ৰতিগৰাকী লোকে বিচাৰে সুধাকণ্ঠক প্ৰতিটো মুহূৰ্ততে স্মৰণ কৰক। বছৰৰ জন্ম আৰু মৃত্যু তিথিত স্মৰণ কৰাতকৈ সুধাকণ্ঠৰ সৃষ্টিৰাজি নৱ-প্ৰজন্মৰ মাজত প্ৰচাৰ আৰু প্ৰসাৰত সকলোৱে গুৰুত্ব দিয়ক।

# সহজ-সৰল ব্যক্তিত্বৰ আছিল নিপন গোস্বামী

চিৰসেউজ অভিনেতা নিপন গোস্বামী চিৰদিনৰ বাবেই আমাৰ মাজৰ পৰা বিদায় ল'লে। অসমীয়া চলচ্চিত্ৰ জগতৰ মহাপ্ৰয়াণৰ লগে লগে সমাপ্তি ঘটিল কেইবাদশকজোৰা সংগ্ৰাম। সদায় বিতৰ্কৰ ঊৰ্ধ্বত থকা অভিনেতাসকলৰ ভিতৰত অন্যতম আছিল নিপন গোস্বামী। অভিনয়েই আছিল তেওঁ আত্মা। অসমীয়া ছবিজগতৰ আশী-নব্বৈ দশকত ৰাইজৰ বাবে তেনেই চিনাকি মুখকেইখনৰ ভিতৰত নিপন গোস্বামীকে নৰপ্ৰজন্মক সমানেই আঁকোৱালি লৈছে। অভিনয়ৰ লগে লগে তেওঁৰ ব্যক্তিত্বয়ো সকলোকে আকৰ্ষণ কৰিব পাৰিছিল। এইগৰাকী অভিনেতাক আমিও একেবাৰে ওচৰৰপৰাই পাইছিলো। বিশেষকৈ অসমৰ আৰ্থিকভাৱে স্বচ্ছল নোহোৱা শিল্পীসকলক সাহায্য প্ৰদানৰ বাবে গঠিত শিল্পী সাহায্যনিধিৰ কামত আগবঢ়াৰ ক্ষেত্ৰত আয়োজিত সভা আদিত প্ৰায়েই লগ পোৱাৰ সৌভাগ্য ঘটিছিল। তদুপৰি আন সময়তো তেওঁ আমাক মাজে মাজে ফোন কৰি খবৰ আদি সুধিছিল। পৰিয়ালৰ কুশলবাৰ্তা নুশুনালৈ বিভিন্ন প্ৰশ্ন কৰা আজিও মনত পৰে। ইমান আপোন অভিনেতাগৰাকীক হেৰুৱাই সঁচাকৈয়ে মৰ্মাহত হৈছো।

ৰাজ্যখনৰ শিল্পী বিশেষকৈ আৰ্থিকভাৱে দুৰ্বল লোকসকলৰ সহায়ৰ বাবে তেওঁ সদায় আগভাগ লৈছিল। কাৰণ শিল্পীসকলৰ আৰ্থিক অৱস্থাৰ বিষয়ে তেওঁ ভালদৰে উপলব্ধি কৰিব পাৰিছিল। শিল্পীসকলক জীয়াই ৰাখিবলৈ এনে শিল্পীক সহায় কৰাৰ প্ৰয়োজন থকাৰ বিষয়ে তেওঁ প্ৰায়েই আমাক কৈছিল। শিল্পী সাহায্যনিধিৰ কাম-কাজৰ বিষয়ে আলোচনা তথা পৰিকল্পনা গ্ৰহণ কৰিবলৈ তেওঁৰ মতে মাহেকত এখনকৈ সভাত মিলিত হোৱাটোৱে আমাক বহু কথা শিকালে। অসমৰ সাংস্কৃতিক জগতখনত থকা সৰু সৰু অথচ গুৰুত্বপূৰ্ণ দোষ-ত্ৰুটিসমূহ কেনেদৰে আঁতৰ কৰিব পাৰি সেই বিষয়ে প্ৰায়েই আলোচনা কৰি কাৰ্যকৰী কৰাৰ বাবে আগবাঢ়িছিল। এইক্ষেত্ৰত কোনোপক্ষই যাতে বেয়া ভাব নলয় বা বিষয়সমূহ বিতৰ্কৰ মাজলৈ ঠেলি দিব নোৱাৰে তাৰ বাবে সতৰ্কতা অৱলম্বন কৰিছিল।

সৰু সৰু শিল্পী (প্ৰচাৰ মাধ্যমৰ পৰা সদায় আঁতৰত থকা)সকলৰ বাবে তেওঁ সদায় চিন্তা কৰিছিল। এনে প্ৰতিভাধৰ শিল্পীয়ে যাতে একোখন সুন্দৰ মঞ্চত থিয় দিব পাৰে তাৰ বাবে তেওঁ কিছু মঞ্চও প্ৰস্তুত কৰাত পৰোক্ষভাৱে আগভাগ লোৱাৰ বিষয়ে আমাৰ সৈতে আলোচনা কৰিছিল। এই বিষয়ে কোনোৱে গম পোৱা নাছিল। কাৰণ কেতিয়াবা ভাল কাম কৰিলেও সমালোচনাৰ মেৰপেঁচত সোমাই পৰিবলগীয়া হয়। নিপন গোস্বামীয়ে সদায় বিতৰ্কৰ ঊৰ্ধ্বত থাকিব বিচাৰিছিল। কাৰণ বিতৰ্কই যিকোনো লোকৰেই ব্যক্তিত্বৰ ওপৰত প্ৰভাৱ নেতিবাচকভাৱে পেলাব পাৰে। সাধাৰণতে জনপ্ৰিয় শিল্পীয়ে হওক অথবা আন লোকেই হওক যেতিয়া জনপ্ৰিয়তাৰ উচ্চ শিখৰত উপনীত হয় সিমানেই বিতৰ্কৰ মাজত সোমোৱাৰ সম্ভাৱনা থাকে। এই দিশত তেওঁ আছিল সদায় সজাগ আৰু সতৰ্ক। জীৱনৰ অন্তিম মুহূৰ্তলৈকে সেয়েহে তেওঁ নিজৰ স্থিতিত অটল থাকিব পাৰিছিল।

নিপন গোস্বামীৰ গুণৰ অন্ত নাই। অসাধাৰণ ব্যক্তিত্বসম্পন্ন ব্যক্তি হ'লেও সাধাৰণ ৰাইজৰ স'তে সু-সম্পৰ্ক ৰক্ষা কৰি জীয়াই থকাৰ ওপৰত গুৰুত্ব দিছিল। সাধাৰণতে তাৰকাই জনসাধাৰণৰ পৰা দূৰত্ব এই কাৰণেই বজাই ৰাখে— যাতে তেওঁলোক জনগণৰ বাবে সদায় চৰ্চাৰ কাৰণ হৈ

থাকিব পাৰে। সদায় ওচৰৰ পৰা লগ পোৱাসকলৰ গুৰুত্ব কম হয় বুলি ভাবিয়েই এনেদৰে থাকে। পিছে নিপন গোস্বামী আছিল ব্যতিক্ৰমী ব্যক্তি। তেওঁ সদায় জনসাধাৰণৰ ওচৰতেই আছিল। যেতিয়াই কোনো অনুষ্ঠানলৈ নিমন্ত্ৰণ কৰিলে কোনো দ্বিধা নকৰাকৈ ওলাই আহিছিল। অনুষ্ঠানটো কিমান ডাঙৰ, কোন পৰিসৰৰ সেই কথা কেতিয়াও সোধা নাছিল। কাৰণ তেওঁৰ বাবে মানুহেই আছিল সকলো। চিনেমা অথবা ৰংগমঞ্চৰ সন্মুখত যিদৰে দৰ্শকৰ উপস্থিতি অবিহনে চিনেমা বা নাটক এখন সফল কৰাটো সম্ভৱ নহয় তেনেদৰে সাধাৰণ জনতাক আওকাণ কৰি কেৱল নিজকে মই ভাবত ৰাখিলে জীৱন চক্ৰ গতিশীল কৰাটো সম্ভৱ নহয়। মানুহ অবিহনে কেৱল কেনভাচ্‌ৰ মাজত জীয়াই ৰখাটো সম্ভৱ নহয়। নিপন গোস্বামীয়ে বুজি পাইছিল জীৱনৰ অৰ্থ। সেইবাবে অভিনয়ৰ লগতে বাস্তৱ জীৱনটোও অৰ্থৱহ কৰিবলৈ সক্ষম হৈছিল।

নিপন গোস্বামীৰ আদৰ্শ অসমবাসীৰ মাজত চিৰদিন উজলি থাকক। তেওঁৰ অৱদানসমূহ সংৰক্ষণৰ বাবে চৰকাৰৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানেও আগভাগ লওক। নহ'লে ভৱিষ্যতে নিপন গোস্বামীৰ কেৱল চিনেমাৰ মাজতহে আবদ্ধ হৈ থাকিব।

# ড° বাণীকান্ত কাকতিৰ নামত মহানগৰীত স্থাপন হওক প্ৰতিমূৰ্তি-উদ্যান

ড° বাণীকান্ত কাকতিক আমি বাৰু পাহৰিলোঁ নেকি? কেৱল ১৫ নৱেম্বৰ আহিলেই মনত পৰে এই গৰাকী ভাষাবিদ, গৱেষক তথা সমালোচকক। ১৫ নৱেম্বৰ ড° বাণীকান্ত কাকতিৰ বাবে এটা বিশেষ দিন। হয়তো বহুতেই এই বিষয়টো জ্ঞাত নহয়। এই গৰাকী মহান অসমীয়াৰ ১৮৯৪ চনৰ ১৫ নৱেম্বৰত জন্ম হৈছিল। ১৯৫২ চনৰ ১৫ নৱেম্বৰতেই অসমবাসীক কন্দুৱাই চিৰদিনৰ বাবে গমন কৰিছিল অনন্তধামলৈ। মাত্ৰ ৫৮ বছৰ বয়সতেই ড° বাণীকান্ত কাকতিয়ে আমাৰ মাজৰ পৰা চিৰবিদায় লোৱাৰ বাবে জাতিটোৰ বাবে অপূৰণীয় ক্ষতি হয়। কাৰণ ইমান কম বয়সৰ ভিতৰতেই তেওঁ অসমীয়া জাতিটোৰ বাবে যি কাম কৰি গ'ল, আৰু কিছু বছৰ জীয়াই থকা হ'লে জাতিটোৱে লাভ কৰিব পাৰিলেহেঁতেন আৰু বহুতো। এখন অখ্যাত গাঁৱৰ পৰা যাত্ৰা আৰম্ভ কৰা ড° বাণীকান্ত কাকতিয়ে কটন কলেজৰ লগতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ দৰে সন্মানীয় ক্ষেত্ৰ দুখনত অধ্যাপনা কৰাৰ সুযোগ লাভ কৰিছিল। ইংৰাজী সাহিত্যৰ লগতে অসমীয়া ভাষা-সাহিত্যত তেওঁৰ আছিল অগাধ ব্যুৎপত্তি। যি সময়ত অসমত উচ্চ শিক্ষা লাভ কৰাৰ বাবে অহা ছাত্ৰৰ সংখ্যা আঙুলিৰ মূৰত লিখিব পৰা বিধৰ আছিল সেই সময়তেই তেওঁ কলিকতাৰ প্ৰেছিডেন্সি কলেজত অধ্যয়ন কৰিবলৈ গৈছিল। তেতিয়া

কলিকতাৰ দৰে এখন বিখ্যাত কলেজত অধ্যয়ন কৰিবলৈ পৰাটো কম কথা নাছিল। তেওঁ ১৯১১ চনতেই প্ৰৱেশিকা পৰীক্ষাত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজী বিষয়ত সৰ্বোচ্চ নম্বৰ লাভ কৰিবলৈ সক্ষম হৈছিল যদিও পৰৱৰ্তী সময়ত অসমীয়া সাহিত্যৰ স'তে ওতপ্ৰোতভাৱে জড়িত হৈ পৰে।

নৱপ্ৰজন্মৰ মাজত তেনেই অপৰিচিত হৈ পৰিছে বাণীকান্ত কাকতি। প্ৰায়ভাগেই নাজানে এইগৰাকী মহান ব্যক্তিৰ অসমলৈ আগবঢ়াই যোৱা অৱদান। পশ্চিমীয়া সংস্কৃতিৰ কৰালগ্ৰাসত ডুব যোৱা নৱপ্ৰজন্মৰ মাজত তেনেই অপৰিচত হৈ পৰা ড° বাণীকান্ত কাকতিক তেওঁলোকে পাহৰাৰ মূলতে হৈছে প্ৰচাৰবিমুখিতা। বিগত এটা দশকত বিভিন্ন ঠাইত বহুতো প্ৰতিমূৰ্তি, বিভিন্নগৰাকীৰ নামত স্থাপন কৰা আমি দেখিছো। পথৰ নামকৰণৰ লগতে ৰাষ্ট্ৰীয় তথা আন্তৰ্জাতিক পৰ্যায়ত প্ৰতিষ্ঠা কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰা হৈছে। বিভিন্ন অনুষ্ঠানৰো আয়োজন কৰা হৈছে। অথচ এইসকলৰ তালিকাত স্থান পোৱা নাই বাণীকান্ত কাকতিয়ে। সকলোৰে প্ৰতিমূৰ্তি স্থাপন কৰা হওক। পথৰো নামকৰণ কৰক। এয়া নিঃসন্দেহে আদৰণীয় পদক্ষেপ। কিন্তু সকলোবোৰৰ মাজত বাণীকান্ত কাকতিক পাহৰিলে নহ'ব। নৱ প্ৰজন্মৰ মাজত বাণীকান্ত কাকতিৰ জীৱনৰ প্ৰতিটো দিশেই প্ৰতিফলিত কৰিব লাগিব। নৱপ্ৰজন্মৰ মাজত তেওঁৰ গ্ৰন্থৰাজিৰ মূল্যায়ন কৰিবলৈ হ'লে প্ৰথমতে সেইবোৰৰ প্ৰচাৰ হ'ব লাগিব। আজিৰ প্ৰজন্মই প্ৰচাৰৰ বাবে ব্যৱহাৰ কৰিছে সামাজিক মাধ্যম তথা ইণ্টাৰনেট আদি। এতিয়া কোনো পুথিভঁৰালত গৈ উৰলি যোৱা কিতাপ লিৰিকি-বিদাৰি নাচায়। হাতত থকা ম'বাইল ফোনটোতে উপলব্ধ হ'লেহে পঢ়ে বা অধ্যয়ন কৰে। গতিকে আমি পুৰণিকলীয়া চিন্তা-ভাবনা আদি পৰিহাৰ কৰিবই লাগিব।

গুৱাহাটী মহানগৰীৰ ৰিহাবাৰীৰ শ্মশানৰ ওচৰত ড° বাণীকান্ত কাকতিৰ নামত নিৰ্মাণ কৰা স্মাৰক আজি ধ্বংসৰ গৰাহত। যিগৰাকী মহান অসমীয়াই জীৱনৰ অধিকাংশ সময় জাতিটোৰ উন্নতিৰ বাবে সৃষ্টিকৰ্মত নিয়োজিত হৈ আছিল তেৱেঁই আজি পাহৰণিৰ গৰ্ভত বিলীন হোৱাৰ উপক্ৰম। বাণীকান্ত কাকতিৰ নামত নৱপ্ৰজন্মৰ মাজত বিভিন্ন ৰচনা প্ৰতিযোগিতাৰ লগতে আলোচনা চক্ৰ আদি অনুষ্ঠিত কৰিলে নিশ্চয় তেওঁৰ বিষয়ে জানিবলৈ আগ্ৰহ

প্ৰকাশ কৰিব। ড° বাণীকান্ত কাকতিক এটা পৰিসৰৰ মাজত আবদ্ধ কৰিলে নহ'ব। সমাজৰ প্ৰতিটো স্তৰৰ লোকৰ মাজত তেওঁৰ সৃষ্টি তথা অসমবাসীলৈ আগবঢ়াই যোৱা অৱদানৰ কথা প্ৰচাৰ আৰু প্ৰসাৰ কৰিবই লাগিব। এয়া প্ৰতিগৰাকী জ্যেষ্ঠ ব্যক্তিৰ কৰ্তব্য। জ্যেষ্ঠজনে পথ দেখুৱালে কনিষ্ঠই আগুৱাই যোৱাৰ সুযোগ লাভ কৰিব।

এগৰাকী অসাধাৰণ ব্যক্তিত্বৰ অধিকাৰী হৈও তেনেই সাধাৰণ লোকৰ দৰে জীৱন যাপন কৰিছিল। সদায় ধুতি-চোলা আৰু গাত সূতাৰ চাদৰ মেৰিয়াই লোৱা বাণীকান্ত কাকতিয়ে শৈক্ষিক ক্ষেত্ৰখনত নিখুঁতভাৱে আগুৱাই গৈছিল। অসমৰ সৰ্বকালৰ অন্যতম ভাষাতত্ত্বমূলক গ্ৰন্থখন হৈছে — Assamese : Its Formation and Development। অথচ নৱপ্ৰজন্মৰ বহুতেই জ্ঞাত নহয় এইখন পুথিৰ বিষয়ে।

শেহতীয়াভাৱে অসম চৰকাৰে এইগৰাকী মহান অসমীয়াৰ নামত এক বঁটা প্ৰদান কৰিছে। চৰকাৰে 'প্ৰজ্ঞান ভাৰতী আঁচনি'ৰ অধীনত 'ড° বাণীকান্ত কাকতি মেধা বঁটা' প্ৰদান কৰিছে। এই আঁচনিৰ অধীনত ছাত্ৰীসকলক স্কুটী প্ৰদান কৰা হৈছে। অথচ এই বঁটা লাভ কৰা অধিকাংশ ছাত্ৰীয়ে নাজানে বাণীকান্ত কাকতি কোন ? আমি সকলোৱে তেওঁৰ জন্ম তিথি বা মৃত্যু তিথিত পুষ্পাঞ্জলি অৰ্পণ কৰিয়েই দায়িত্ব সামৰাৰ ফলত বছৰৰ আন সময়ত তেনেই নিষ্প্ৰভ হৈ থাকে অনুষ্ঠান-প্ৰতিষ্ঠান আদি। তেওঁৰ অৱদানক স্বীকৃতি দিয়াৰ লগতে নৱপ্ৰজন্মৰ মাজত প্ৰচাৰ কৰিবলৈ চৰকাৰে গুৱাহাটী মহানগৰীৰ প্ৰৱেশ পথত বাণীকান্ত কাকতিৰ নামত এখন আকৰ্ষণীয় উদ্যান স্থাপনৰ লগতে প্ৰতিমূৰ্তি নিৰ্মাণৰ ব্যৱস্থা কৰিলে সকলোৱে আদৰণি জনাব।

# নীলমণি ফুকনৰ এক আদৰ্শৰ কথাৰে

কাব্যঋষি নীলমণি ফুকন আছিল এগৰাকী মানুহৰ মনৰ কথা, মনৰ ভাব বুজিব পৰা কবি। এগৰাকী মানৰ দৰদী ব্যক্তি। মানুহৰ অন্তৰৰ কথা বুজিব পৰা মানুহ আছিল নীলমণি ফুকন। তেওঁ মানুহক ভাল পাইছিল। সদায় বিতৰ্কৰ ঊৰ্ধ্বত থকা এইগৰাকী কবিৰ মনটো কেনেকুৱা আছিল সেয়া মৃত্যুৰ পূৰ্বেই সকলোৰে ভালদৰে বুজি পাইছিল। কোনো মানুহেই যাতে তেওঁৰ বাবে এক ছেকেণ্ড সময়ো সমস্যাৰ সন্মুখীন হ'ব নালাগে তাৰ বাবে মৃত্যুৰ পূৰ্বেই নিজেই কৈ গৈছিল। তেওঁ ভালদৰে বুজি পাইছিল কাৰোবাৰ বাবে কোনোবাই মনোকষ্ট পোৱাটো কিমান অসহ্যকৰ। সাধাৰণতে কোনোৱা বিশিষ্ট ব্যক্তিৰ মৃত্যুৰ পিছত সমদল উলিওৱা হয়। মূল পথেৰে দীঘলীয়া সমদল কৰি যোৱাৰ ফলত যান-জঁটৰ বাবে বহুতেই সমস্যাৰ সন্মুখীন হ'ব লাগে। অন্ত্যেষ্টিক্ৰিয়াৰ বাবে কোনোবা আহিব বুলি দীৰ্ঘসময় অপেক্ষা কৰা পৰিস্থিতিৰো সৃষ্টি হয়। সংবাদ মাধ্যমৰ পৰা আৰম্ভ কৰি সকলোৰে দৃষ্টি নিবদ্ধ থাকে এই বিষয়টোত। এদিনৰ বাবে হ'লেও হৈ পৰে চৰ্চাৰ বিষয়। অন্ত্যেষ্টিক্ৰিয়ালৈ কোন আহিব, কোন কোন ব্যক্তি নাহিল, ক'ত অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হ'ব আদি বিষয়ক লৈও হয়

চৰ্চা। কেতিয়াবা আনকি চৰকাৰৰ সিদ্ধান্তলৈকেও বাট চাবলগীয়া হোৱা দেখা যায়। কেতিয়াবা চৰকাৰে উপযুক্ত ভূমি নিদিয়াৰ অভিযোগ উত্থাপন কৰি একোটা সহজ বিষয় জটিল কৰি তোলে। এই সকলোবোৰ কথা কবিগৰাকীয়ে দেখিছিল, শুনিছিল। সেইবাবে তেওঁৰ মৃত্যুৰ পিছত যাতে এনেবোৰ কথাক লৈ কোনো বিতৰ্কৰ সৃষ্টি নহয় তাৰ বাবে জীয়াই থাকোঁতেই সকলোবোৰ কথা স্পষ্টভাৱে প্ৰকাশ কৰি গৈছে।

মানুহৰ মৃত্যুৰ পিছত মৃতদেহক কেন্দ্ৰ কৰি অযথা এনেবোৰ কথাৰ সৃষ্টি হোৱাতকৈ সেইবোৰৰপৰা সকলোৰে আঁতৰি থকাটোৱে ভাল বুলি উপলব্ধি কৰিছিল। কেতিয়াবা দেখা যায় যে কোনো বিশিষ্ট ব্যক্তিৰ মৃত্যুৰ পিছত সমদল কৰি কোনো ঠাইলৈ লৈ গ'লেও সেই ঠাইত অনুৰাগীৰ উপস্থিতি সেৰেঙা দেখিলে হতাশ হ'বলগীয়া হয়। এনে হ'লে মৃতকক অপমান কৰাৰ দৰেহে হয়। আচলতে মানুহৰ হৃদয়ত স্থান পোৱা ব্যক্তিসকলক মৃত্যুৰ পিছত পুষ্পৰথত সমদল কৰাৰ কোনো যুক্তি নাই। যদিহে কোনো এগৰাকী ব্যক্তিয়ে হৃদয়ত স্থান পায় তেতিয়াহ'লে তেওঁৰ বাবে সমাধিক্ষেত্ৰৰো প্ৰয়োজন নাথাকে। এয়া সেইসকলৰ বাবেহে সম্ভৱ যিসকলে সদায় মানুহৰ কথা ভাবে। বাহ্যিকতাৰ পৰিৱৰ্তে অন্তৰত স্থান পাবলৈ চেষ্টা কৰা ব্যক্তিয়ে কেতিয়াও তোষামোদ নিবিচাৰে। তেওঁলোকে আনকি মৃত্যুৰ পিছতো এয়া সহ্য কৰিব নোৱাৰে। তেওঁলোকৰ বাবে আদৰ্শ হৈছে গুৰুত্বপূৰ্ণ বিষয়। আদৰ্শ অবিহনে কোনোৱে জীয়াই থাকিব নোৱাৰে। মানুহক মৃত্যুৰ পিছতো কেৱল আদৰ্শইহে জীয়াই ৰাখিব পাৰে। পাৰ্থিৱ শৰীৰৰ মৃত্যু হ'লেও আদৰ্শৰ কেতিয়াও মৃত্যু নহয়। এনে এগৰাকী আদৰ্শৱান ব্যক্তি আছিল নীলমণি ফুকন। সেয়েহে যিকোনো বিষয়ত তেওঁ আপোচ কৰা নাছিল। নিজৰ নীতিৰ স'তে মন নিমিলা কোনো কথাৰেই এইগৰাকী বিশিষ্ট কবিয়ে আপোচ নকৰিলে। আনকি মৃত্যুৰ পিছতো যাতে পৰিয়ালৰ লোকে আপোচ নকৰে তাৰ বাবে মৃত্যুৰ পূৰ্বেই সকলো ঠিক কৰি থৈ গৈছে।

নীলমণি ফুকনে এৰি গ'ল আদৰ্শ। সকলোৰে তেওঁৰ আদৰ্শ অনুকৰণ কৰা উচিত। কাৰণ তেওঁৰ আদৰ্শৰ মাজতেই আছে আদৰ্শ। আদৰ্শৰ মাজত যেতিয়া আদৰ্শ থাকে তেতিয়া সেয়া সমাজৰ সকলো শ্ৰেণীৰ লোকৰ বাবে

আদৰণীয়। কিছুমানে হয়তো এনে বিষয়ক লৈ নেতিবাচক মন্তব্যও আগবঢ়াব পাৰে। এই বিষয়বোৰ আমি নেতিবাচক মন্তব্য আগবঢ়োৱাৰ পৰিৱৰ্তে সূক্ষ্ম দৃষ্টিভংগীৰে বিশ্লেষণ কৰা উচিত। মৃত্যুক লৈ ৰাজনীতি, সমালোচনা পৃথিৱীৰ কোনো মানুহৰে কাম্য নহয়। মাথোঁ কিছুসংখ্যক লোকে স্বাৰ্থ পূৰণৰ বাবেহে মানুহৰ মৃত্যুৰ পিছতো ৰাজনীতি কৰিব খোজে। নিজৰ নীতি আৰু মতত অবিচলিত লোকৰ আদৰ্শত যাতে কেতিয়াও দাগ পৰিব নোৱাৰে তাৰ বাবেই সকলোবোৰ হিচাব-নিকাচ কৰি থৈ যোৱা লোকৰ সংখ্যা আঙুলিৰ মূৰত লেখিব পাৰবিধৰ। মৃত্যুৰ পিছত কোনো বিতৰ্কিত বিষয়ৰ মাজত যাতে নামটো সাঙোৰ খাই নপৰে তাৰ বাবে এক আদৰ্শ দেখুৱাই গ'ল নীলমণি ফুকনে।

# সঁচা শিল্পীসত্তাৰ অধিকাৰী
# অপূৰ্ব বেজবৰুৱা

অসমৰ জনপ্ৰিয় গায়কসকলৰ ভিতৰত অন্যতম অপূৰ্ব বেজবৰুৱাৰ গান সৰুৰে পৰাই শুনিছো। সৰুতে গীতিমালিকা, সুৰৰ কৰণী, কল্পতৰু আদি অনুষ্ঠানৰ বাবে যেতিয়া ৰেডিঅ'ৰ ওচৰত বহি গান শুনিছিলোঁ তেতিয়া অপূৰ্ব বেজবৰুৱাৰ গানো শুনা মনত আছে। সৰুৰে পৰাই কাণত বাজি উঠা তেওঁৰ গানৰ গুৰুত্ব আজিও সমানেই আছে। কাৰণ তেওঁৰ গানত আছে অসমৰ সমাজ-জীৱনৰ চিত্ৰ। অসমৰ বায়ু-পানী খাই ডাঙৰ-দীঘল হোৱা মন এটাৰ সজীৱ চিত্ৰ। সেই চিত্ৰখনৰ বাবেই অপূৰ্ব বেজবৰুৱাৰ গানসমূহে আজিও শ্ৰোতা-ৰাইজক আকৰ্ষিত কৰি আছে। কপৌ পাহি তোৰে খোপাত/ইমান ধুনীয়া দেখি/ জেতুকাৰ বোল তোৰে হাতত/ইমান ধুনীয়া দেখি/অ' মইহে বুজি পাওঁ চেনাই...। কেইবাটাও জনপ্ৰিয় গীত আজিও শ্ৰোতাৰ মাজত সমানেই জনপ্ৰিয়। তেওঁৰ গানত আছে শিল্পী মনৰ পৰিচয়। সঁচা অৰ্থত গানক ভালপোৱা মানুহ। সস্তীয়া জনপ্ৰিয়ৰ পৰিৱৰ্তে সঁচা অৰ্থত গান বলিয়া মানুহ অপূৰ্ব বেজবৰুৱা।

এইগৰাকী গায়কক সৰুৰে পৰাই লগ পোৱাৰ হেঁপাহ আছিল। সৌভাগ্যহে ঘটা নাছিল। এবাৰ ৰাইজমেন ক্লাবে প্ৰদান কৰা ভ্ৰাম্যমাণ থিয়েটাৰ বঁটা অনুষ্ঠানত তেওঁক লগ পোৱাৰ

সৌভাগ্য হৈছিল। এই বঁটা নিৰ্বাচন কৰাৰ বাবে যিসকল বিচাৰকে আসন শুৱনি কৰিছিল সেইসকলৰ ভিতৰত অন্যতম আছিল অপূৰ্ব বেজবৰুৱা। এবাৰ তেওঁৰ জন্মদিনৰ শুভেচ্ছা জ্ঞাপন কৰিবলৈ আমিও গৈছিলোঁ। অপূৰ্ব বেজবৰুৱাৰ স'তে বহু সময় কথা পাতিছিলোঁ। তেওঁ খুব আৱেগিক হৈ পৰিছিল। কাৰণ ইয়াৰ পূৰ্বে তেওঁৰ জন্মদিন ইমান ধুমধামেৰে আয়োজন কৰা নাছিল। ওচৰৰ পৰা লগ পোৱাৰ পিছৰ তেওঁৰ মনৰ কথা জানিব পাৰিলো। খুব সহজ-সৰল মনৰ ব্যক্তি। তেওঁৰ ব্যক্তিত্বৰ উল্লেখযোগ্য দিশসমূহৰ ভিতৰত সততা আৰু কৰ্মনিষ্ঠতাৰ লগতে সময়ৰ মূল্য বুজা দেখিছো। সময়মতে সকলো অনুষ্ঠান আয়োজনৰ ওপৰত তেওঁ গুৰুত্ব প্ৰদান কৰিছিল। সেয়েহে কেতিয়াবা কোনো অনুষ্ঠানলৈ নিমন্ত্ৰণ কৰি নিশা দুপৰলৈ ৰখাই থ'লে তেখেতৰ খুব খং উঠে। তদুপৰি অপূৰ্ব বেজবৰুৱাই জনপ্ৰিয়তা অৰ্জন কৰাৰ পিছতো সদায় অহমিকাৰ পৰা আঁতৰি আছে। অহমিকা নথকা বাবে আজিও তেখেত সমানেই জনপ্ৰিয়। তেওঁৰ অহমিকা নাই; কিন্তু স্বাভিমান আছে। অসমীয়া গীতত স্বাভিমান বিচাৰিলে তেওঁৰ গানসমূহৰ কথা মনলৈ আহে। কোনোদিনেই তেওঁৰ গানেই হওক বা কামতেই হওক বিজতৰীয়া সংস্কৃতি দেখা নাই। অসমীয়া জাতিক, সংস্কৃতিক মনে-প্ৰাণে ভালপোৱা ব্যক্তি। আজি এনে ব্যক্তিক একাংশ লোকে একাষৰীয়া কৰি বিজতৰীয়া সংস্কৃতিক আঁকোৱালি লোৱাটো চৰম দুৰ্ভাগ্যজনক বিষয়। এনে গায়ক, শিল্পীক সন্মান দিবলৈ শিকা নাই নৱপ্ৰজন্মই। দৰাচলতে এনেধৰণৰ শিল্পীয়েহে জীয়াই ৰাখিছে অসমীয়া সংগীত জগতখনক। এইসকল ব্যক্তিয়ে যে ভাঙোনমুখী সংস্কৃতিক জীয়াই ৰাখিছে সেই কথা বহুতেই উপলব্ধি কৰিব পৰা নাই। কাৰণ অপূৰ্ব বেজবৰুৱাৰ দৰে সঁচা মনৰ শিল্পী, গায়কে নিবিচাৰে সস্তীয়া প্ৰচাৰ তথা স্বপ্ৰচাৰৰ পৰাও তেওঁ সদায় এশ যোজন আঁতৰত আছে। এয়াই হৈছে অপূৰ্ব বেজবৰুৱাৰ স্বকীয় বৈশিষ্ট্য।

সত্তৰৰ দশকতে অসমৰ সংগীত জগতত প্ৰৱেশ কৰা এই গৰাকী শিল্পীয়ে পৰীক্ষা-নিৰীক্ষাৰ মাজেৰেই আধুনিক অসমীয়া সংগীতক জীয়াই ৰাখিছে। ১৯৫১ চনৰ ১৫ অক্টোবৰত জন্মগ্ৰহণ কৰা অপূৰ্ব বেজবৰুৱা হৈছে একাধাৰে কবি, গীতিকাৰ, সুৰকাৰ কণ্ঠশিল্পী, সংগীত পৰিচালক। শিৱসাগৰ জিলাৰ

নাজিৰাৰ পৰা ওলাই অহা এইগৰাকী শিল্পীৰ পিতৃ আছিল চাহ খেতিয়ক তেওঁ চাহ খেতিৰ পৰিৱৰ্তে সংগীতৰ ওপৰতহে গুৰুত্ব প্ৰদান কৰে।

পিতৃ-মাতৃৰ অনুপ্ৰেৰণাতেই তেওঁ সৰুৰে পৰাই সংগীতৰ প্ৰতি আকৰ্ষিত হয়। মাতৃৰপৰাই প্ৰথম সংগীতৰ শিক্ষা লাভ কৰা এই গৰাকী শিল্পীয়ে নাজিৰা এল. পি. স্কুলত প্ৰাথমিক শিক্ষা লাভ কৰাৰ পিছত নাজিৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত হাইস্কুলীয়া জীৱন অতিবাহিত কৰে। ১৯৭৩ চনত তেওঁ বি. বৰুৱা মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰে। তাৰ পিছত তেখেত জে. বি. আইন মহাবিদ্যালয়ত নামভৰ্তি কৰে যদিও শিক্ষা সমাপ্ত নকৰিলে। এই গৰাকী শিল্পীয়ে ১৯৭৪ৰ পৰা ১৯৭৬ চনলৈ তেওঁ তিনি বছৰ গুৱাহাটী অনাতাঁৰ কেন্দ্ৰত অস্থায়ী ঘোষক ৰূপে বাতৰি বিভাগত কাম কৰে। আনহাতে, তেওঁ ১৯৭৫-৭৬ চনত ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰৰ পৰা একাধাৰে গীতিকাৰ-সুৰকাৰ আৰু কণ্ঠশিল্পী হিচাপে স্বীকৃতি লাভ কৰে। তেতিয়াৰ পৰাই এইগৰাকী শিল্পীয়ে সংগীতৰ যি ধাৰা অব্যাহত ৰাখিলে সেয়া সকলোৰে জ্ঞাত। আজিও তেওঁৰ প্ৰতিটো গানেই দৰ্শকৰ বাবে আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ আছে। কলেজীয়া জীৱনত গীত ৰচনা কৰাৰ লগতে সুৰ দি ৰাইজৰ মাজত জনপ্ৰিয় হৈ পৰে। ১৯৭১-৭২ চনত তেওঁ দুবাৰকৈ শ্ৰেষ্ঠ সংগীত শিল্পীৰ সন্মান লাভ কৰিবলৈ সক্ষম হৈছিল। দৰাচলতে সেই জয়যাত্ৰা পৰৱৰ্তী সময়তো তেওঁ ধৰি ৰাখিবলৈ সক্ষম হৈছে।

অপূৰ্ব বেজবৰুৱাৰ গান বেয়া পোৱা লোক থকা বুলি ক'লে ভুল হ'ব। কাৰণ এনে গান বেয়া বুলি ক'বলৈ কোনোধৰণৰ উপাদানেই নাই। ভাল গান বুলি ক'বলৈ যিবোৰ উপাদানৰ প্ৰয়োজন সেই সকলোবোৰেই তেওঁৰ গানৰ মাজত বিচাৰি পোৱা যায়। সেয়েহে তেওঁৰ গানসমূহ নৱপ্ৰজন্মৰ মাজত জীয়াই ৰাখিবলৈ হ'লে নৱপ্ৰজন্মক এইবোৰ গানৰ মূল্য কিমান সেয়া বুজাব পাৰিব লাগিব। কাৰণ এনেবোৰ গান যদি হেৰাই যায় তেতিয়াহ'লে সেইবোৰ বিচাৰি পোৱাতো এক প্ৰকাৰ প্ৰত্যাহ্বান বুলিয়ে ক'ব লাগিব। কাৰণ শিল্পীসকলৰ সৃষ্টিৰ চালিকা শক্তি হৈছে প্ৰেৰণা, উৎসাহ আদি। আমি অপূৰ্ব বেজবৰুৱাৰ দৰে শিল্পীৰ জন্মদিন আদি ৰাজহুৱাভাৱে পালন কৰি তেওঁৰ আদৰ্শৰে নৱ প্ৰজন্মক আগুৱাই যাবলৈ প্ৰেৰণা যোগাব লাগিব।

# অসাধাৰণ ব্যক্তি বশিষ্ঠ দেৱশৰ্মা

মানৱতাৰ জয়গান গোৱা লোকসকলে জন্মতে আন দহগৰাকী সাধাৰণ লোকৰ দৰেই জন্মে। কিন্তু বয়সৰ লগে লগে তেওঁলোকে সমাজ-জীৱনলৈ আগবঢ়োৱা অৱদানৰ বাবে অসাধাৰণ হৈ পৰে। এই অসাধাৰণ ব্যক্তিসকলে পৃথিৱীৰ জনপ্ৰিয় ব্যক্তি হিচাপে পৰিচিত হ'বলৈ এইবোৰে কাম নকৰে। তেওঁলোকে কৰা কামত মানৱতাৰ নিদৰ্শন ফুটি উঠে। সমাজৰ প্ৰতিটো স্তৰৰ লোকে ক'বলৈ বাধ্য হয়, তেওঁৰ অৱদানৰ কথা। জতি-ধৰ্ম-বৰ্ণ-ভাষা নিৰ্বিশেষে সমাজৰ সকলো শ্ৰেণীৰ লোকৰ মংগলৰ বাবে তেওঁলোকে কাম কৰে। এনে এগৰাকী ব্যক্তি আছিল বৰপেটা সত্ৰৰ বুঢ়াসত্ৰীয়া বশিষ্ঠ দেৱশৰ্মা। মহাপুৰুষ শ্ৰীশংকৰদেৱ আৰু মাধৱদেৱৰ আদৰ্শৰে আগবাঢ়ি যোৱা বশিষ্ঠ দেৱশৰ্মাই জীৱনৰ অধিকাংশ সময়েই সমাজ গঢ়াত অতিবাহিত কৰিলে। নিজৰ ঘৰখন যিমান আপোন আছিল, সমানেই আপোন আছিল সমাজখন। সমাজত যাতে কোনোধৰণৰ অপশক্তিয়ে গা কৰি কাৰোবে অপকাৰ কৰিব নোৱাৰে তাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছিল বাবে তেওঁৰ মৃত্যুৰ লগে লগে সমাজৰ প্ৰতিটো স্তৰৰ লোক শোকত ম্ৰিয়মাণ হৈছে।

বশিষ্ঠ দেৱশৰ্মাক ব্যক্তি বুলি কোৱাৰ পৰিৱৰ্তে অনুষ্ঠান বুলি ক'লেই সমীচীন হ'ব। সমাজ তথা মানৱ সম্পদ গঢ়াৰ

খনিকৰ আছিল এইগৰাকী বুঢ়াসত্ৰীয়াই সত্ৰীয়া সংস্কৃতিৰ লগতে মহাপুৰুষ দুজনাৰ অমৰ সৃষ্টিসমূহক শুদ্ধ আৰু সঠিক ৰূপত নৱপ্ৰজন্মৰ মাজত উপস্থাপন কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। জীৱন জুৰি মানৱ প্ৰেম নিঃস্বাৰ্থে সেৱা আৰু আৰু অদম্য মনোবলৰ বাবে সকলোৰে মাজত সমীহ আদায় কৰিব পৰা ব্যক্তিত্বৰ অধিকাৰী আছিল। বৰগীত, গুৰু ভটিমা, বৰতাল লৈ নাম-কীৰ্তন কৰাৰ উপৰি হোলী-গীত, নাওখেলৰ গীত আদি পৰিৱেশন কৰাত তেখেত আছিল অনন্য। এইবোৰ সংস্কৃতি জীয়াই ৰাখিবলৈ তেখেতে সাধনাৰ সময়ত একাত্ম হৈ পৰিছিল বাবে  জীৱনৰ বিয়লি বেলালৈকে চৰ্চা কৰিব পাৰিছিল।

বশিষ্ঠ দেৱশৰ্মাই সকলো মানুহৰে লগত অতি সহজেই মিলিব পাৰিছিল। তেখেতক বিভিন্ন সময়ত  ওচৰৰ পৰা লগ পোৱাৰ সৌভাগ্য ঘটিছিল। আমাক দেখা পালেই ঘৰৰ লগতে পৰিয়ালৰ কুশল-বাৰ্তা সুধিছিল। শান্ত-সৌম্য বশিষ্ঠ দেৱশৰ্মাই গুৰু-গম্ভীৰ কণ্ঠস্বৰেৰে যিকোনো কথা সুধিলেও তাৰ মাজত বিচাৰি পোৱা গৈছিল কলা। তেখেতৰ কথা আৰু ব্যক্তিত্বত আছিল সন্মোহিনী শক্তি। পোন্ধৰ বছৰমান পূৰ্বে তেখেত আমাৰ পাঠশালাৰ ঘৰত ভাগৱত ব্যাখ্যাৰ বাবে গৈছিল। তেখেতৰ সুন্দৰ ভাওনি তথা সুমধুৰ ব্যাখ্যাই সকলোৰে মন-প্ৰাণ আপ্লুত কৰে। এইগৰাকী বিশিষ্ট ব্যক্তি আছিল অফুৰন্ত জ্ঞানৰ ভঁৰাল। জ্ঞান পিপাসু মনৰ অধিকাৰী এই গৰাকী বুঢ়া সত্ৰীয়াই  সভা-সমিতিত লগ পালেও আন্তৰিকতাৰে সকলোৰে খবৰ সোধে। সকলো সমান। উচ্চ-নীচ, ধনী-দুখীয়া বুলি কোনো কথা মনলৈ নানে।

বিভিন্ন ঠাইত সত্ৰ স্থাপনতো তেখেতৰ অৱদান কম নহয়। যি সময়ত সত্ৰৰ অস্তিত্ব বিপন্ন হোৱা বুলি চৌদিশে ব্যাপক চৰ্চা হৈছিল, তেনে সময়তে ৰাজ্যখনৰ বিভন্ন ঠাইত শাখা সৃষ্টিত গুৰুত্ব প্ৰদান কৰিছিল। অসমৰ বিভিন্ন ঠাইৰ জনগোষ্ঠীয় লোকসকলৰ মাজত মহাপুৰুষীয়া সংস্কৃতিৰ বিকাশ ঘটাই তেওঁলোকক একশৰণ নামধৰ্মৰ প্ৰতি আকৃষ্ট কৰিছিল।

বিপদ-আপদৰ সময়ত সাধ্যানুসৰি সহায়ৰ হাত আগবঢ়োৱা বুঢ়াসত্ৰীয়াগৰাকীয়ে আনৰ দুখত সদায় সমভাগী হৈছিল। বিভিন্ন সময়ত সংঘটিত ঘটনাৰ পাছত সৃষ্টি হোৱা অভাৱনীয় পৰিস্থিতি চম্ভালিবলৈ নিজৰ

পৰিসৰৰ মাজত থাকিয়েই আগুৱাই গৈছিল। বিপদত পৰা লোকক খাদ্যৰ লগতে ঔষধ আদিও যোগান ধৰিছিল। কোনোবা অসহায় লোকক অলপ সহায় কৰিব পাৰিলে বা সুযোগ পালে তেখেত নিজকে ধন্য মানিছিল। মনটো সুখেৰে ভৰি পৰিছিল। আনৰ সুখত সুখী আৰু দুখত দুখী আছিল। শিশুৰ দৰেই পৱিত্ৰ মন এটি থকা বাবে আনৰ দুখত মনটোৱে কান্দিছিল।

যিকোনো সমস্যাৰ সৃষ্টি হ'লেই বহু লোক তেওঁৰ ওচৰলৈ আহিছিল সমাধান বিচাৰি। কাৰণ সকলোৱে বশিষ্ঠ দেৱশৰ্মাৰ ওপৰত আছিল অগাধ বিশ্বাস। তেখেতে কোৱা কথা অমান্য কৰাৰ সাহস কোনোৱে কৰা নাছিল। দৰাচলতে তেখেতৰ প্ৰতি থকা অগাধ ভক্তি আৰু বিশ্বাসৰ বাবেই সকলোৱে প্ৰতিটো কথাই মানি লৈছিল বিনাদ্বিধাই।

বশিষ্ঠ দেৱশৰ্মাই অসমবাসীৰ বাবে যিখিনি কৰিলে সেয়া নিঃস্বাৰ্থ সেৱা। এনে সেৱাৰ বাবেই তেওঁক সকলোৱে যাচিছে শ্ৰদ্ধাঞ্জলি। জীৱনত বহুতো বঁটা লাভ কৰিলে। পালে বহুতো সন্মান। সকলো ক্ষেত্ৰতে সাফল্য অৰ্জন কৰাৰ পিছতো নাই কোনো অহংকাৰ। তেওঁৰ দৃষ্টিভংগীত 'মই'ৰ পৰিৱৰ্তে 'আমি'য়ে স্থান পাইছিল। সেইবাবে সকলো বিচাৰত নিৰপেক্ষতা বজাই ৰাখিবলৈ সক্ষম হৈছে। সমাজৰ সেইসকল ব্যক্তি পূজনীয় হয়— যিসকলে ব্যক্তিস্বাৰ্থতকৈ ৰাজহুৱা স্বাৰ্থক আগস্থান দিয়ে। বুঢ়াসত্ৰীয়াও তেনে এগৰাকী মনোভাবসম্পন্ন ব্যক্তি।

তেওঁ মানুহ চিনি পাইছিল। কোনোবাই তেখেতৰ বিৰুদ্ধে কেতিয়াবা কোনো বিষয়ক লৈ বিৰূপ মন্তব্য কৰিলেও সেইবোৰক লৈ ক্ষোভ প্ৰকাশ কৰা নাছিল। বৰং বিষয়টো সুন্দৰভাৱে বিশ্লেষণ কৰি বুজাই দিবলৈহে সদায় আছিল আগ্ৰহী। আত্মসমালোচনাৰে সকলোকে আগবাঢ়ি যাবলৈ উপদেশ দিছিল। কাৰণ মানুহে আত্মবিশ্বাসেৰে আগুৱাই নগ'লে ব্যক্তিগত, সামাজিক আৰু ৰাজহুৱা ক্ষেত্ৰত সমস্যা সমাধান সম্ভৱ নহয়। সকলোৱে মংগল কামনা কৰা এইগৰাকী বিশিষ্ট ব্যক্তিৰ মৃত্যুৰ লগে লগে সমাজৰ অপূৰণীয় ক্ষতি হ'ল। অতি সহজেই তেখেতৰ ৰিক্তস্থান পূৰণ কৰাটো সম্ভৱ নহ'ব। তেখেতৰ আদৰ্শৰে নৱ-প্ৰজন্ম আগুৱাই যাওক। ভৱিষ্যৎ প্ৰজন্মই বশিষ্ঠ দেৱশৰ্মাৰ আদৰ্শ গ্ৰহণ কৰক। তেতিয়াহে তেখেতলৈ জনোৱা হ'ব প্ৰকৃত সন্মান।



অসমৰ সাংস্কৃতিক জগতখনৰ সৈতে ওতপ্ৰোতভাৱে জড়িত গোপাল জালানে শৈশৱৰেপৰা বিভিন্ন দৈনিক কাকত-আলোচনী আদিত নিয়মীয়াকৈ লিখি আছে। নিবন্ধকাৰ হিচাপে জালানে ইতিমধ্যে প্ৰতিষ্ঠা লাভ কৰিছে। ভ্ৰাম্যমাণ থিয়েটাৰৰ 'হলীউড'ৰূপে খ্যাত পাঠশালাত জন্মগ্ৰহণ কৰা জালানৰ 'আত্মবীক্ষণ' একাদশ গ্ৰন্থ। পূৰ্বে প্ৰকাশিত তেওঁৰ আন দহখন গ্ৰন্থ— জীৱনৰ বাটত ঃ এক চিন্তা, জীৱনৰ বাটত ঃ চিন্তাৰ এক সুঁতি, জীৱনৰ বাটত ঃ এক অনুভূতি, জীৱনৰ বাটত ঃ এক প্ৰবাহ, প্ৰত্যাহ্বান, নতুন দিনৰ প্ৰত্যাশা, ক'ৰোনা, আত্মোপলব্ধি, সত্যানুসন্ধান আৰু ইতিবাচক। তদুপৰি তেওঁৰ চাৰিখন হিন্দী গ্ৰন্থ প্ৰকাশ হোৱাৰ লগতে কে'বাখনো গ্ৰন্থও সম্পাদনা কৰিছে। লেখকে এই গ্ৰন্থখনত সাহিত্য, সমাজ তথা সংস্কৃতিৰ লগতে সাম্প্ৰতিক সময়ৰ ৰাজনীতিৰ উত্থান-পতনৰ কথাও সামৰিছে। সামাজিক ক্ষেত্ৰলৈ আগবঢ়োৱা অৱদানৰ বাবে ২০০৪ চনত জালানে লাভ কৰে 'ড° আম্বেদকাৰ বঁটা'। 'আমাৰ অসম'ৰ সংবাদদাতাৰূপে সংবাদ জগতত আত্মপ্ৰকাশ কৰা জালানে ২০০৪ চনত 'অসম দৰ্পণ' নামৰ কাকতখনে আগবঢ়োৱা গ্ৰাম্য সাংবাদিকতা বঁটা লাভ কৰে। ২০০৪ চনত জালানৰ সহকাৰী প্ৰযোজনাত মুক্তি পোৱা 'দীনবন্ধু' ছবিখনে ৰজত কমল বঁটা পৰ্যায়ত সমাদৃত হোৱাৰ লগতে অসম চৰকাৰে আয়োজন কৰা চলচ্চিত্ৰ মহোৎসৱত শ্ৰেষ্ঠ ছবিৰ বঁটাৰেও সম্মানিত। ২০১৮ চনৰ শেষভাগত তেওঁ প্ৰযোজনা কৰা চুটি ছবি **Letters From Deuta** দেশ-বিদেশৰ চলচ্চিত্ৰ সমাৰোহলৈ আমন্ত্ৰিত হৈছে। জালানে যুটীয়াভাৱে প্ৰযোজনা কৰা তথ্যচিত্ৰ **Alone In The Combat Zone** (সত্ৰাধিকাৰ হৰেকৃষ্ণ মহন্তদেৱৰ জীৱনৰ আধাৰত)ও বহুল সমাদৃত। এইখন তথ্যচিত্ৰই ২০১৮ চনত অসম চৰকাৰৰ শ্ৰেষ্ঠ তথ্যচিত্ৰৰ বঁটা লাভ কৰে। জালানে ২০০৯ চনত অনন্তৰাম দাস সাহিত্য বঁটা আৰু ২০২১ত হৰিবিলাস আগৰৱালা সত্ৰীয়া সাহিত্য-সংস্কৃতি সেৱক বঁটাও লাভ কৰে। তদুপৰি জালান ড° ভবেন্দ্ৰনাথ শইকীয়াৰ 'আৰোহণ', 'ড° ভূপেন হাজৰিকাৰ সাংস্কৃতিক ন্যাস' আৰু 'শিল্পী সাহায্য নিধি'ৰ ন্যাসৰক্ষী আৰু ভাষা-সাহিত্য-সংস্কৃতি বিষয়ক মাহেকীয়া আলোচনী 'বাৰ্তাপখিলী'ৰো কাৰ্যবাহী সম্পাদক।

বিশাল প্ৰকাশন

ISBN : 978-93-82587-51-4